● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

দিগ্‌দৰ্শন

মৃত্যুৱেই সেই সোণৰ চাবিকাঠি যিয়ে অনন্তকালৰ দুৱাৰ মুকলি কৰি দিয়ে।

জন মিল্টন
ইংৰাজ কবি

৭ পুনৰ যুঁজাৰু বিমানেৰে টাইৱানক ভাবুকি চীনৰ
১৫ টেবুল টেনিছত শৰথ কমলৰ তিনিটা সোণ
৪ মাধ্যম বিতৰ্ক ঃ সকলো বিষয়ৰে প্ৰাথমিক পৰ্যায়ৰ শিক্ষা মাতৃভাষাতেই হোৱা উচিত

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩০০তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ২৩ শাওণ ১৪২৯ ভাস্কৰাব্দ ৯ আগষ্ট ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 9 August 2022 মূল্য ঃ ৯.০০ টকা

■ মিত্ৰদল বিজেপিৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ্য কৰিলে জেডি (ইউ)ৰে ■ আজি দলৰ সকলো মন্ত্ৰী-বিধায়ক-সাংসদৰ স'তে আলোচনাতে সিদ্ধান্ত ল'ব নীতিশ কুমাৰে ■ কংগ্ৰেছ সভানেত্ৰীলৈ ফোন

এইবাৰ বিহাৰত চৰকাৰ ভংগ আসন্ন

■ অমিত শ্বাহৰ ভূমিকাত ক্ষুণ্ণ ■ নীতিশক খেদিছে মহাৰাষ্ট্ৰৰ ভূতে ■ আৰম্ভ জল্পনা-কল্পনা

■ নিউজ ব্যুৰ'

নতুন দিল্লী/পাটনা, ৮ আগষ্ট ঃ সমগ্ৰ দেশৰে দৃষ্টি নিবদ্ধ হৈছে বিহাৰৰ ৰাজনীতিত। বিজেপিৰ স'তে সমিল মিলেৰে চাৰি বছৰ পূৰ্বে চৰকাৰ গঠনৰ পাছত প্ৰথমবাৰৰ বাবে নীতিশ কুমাৰ আৰু বিজেপিৰ মিত্ৰতাই বিপদ সীমা অতিক্ৰম কৰিলে। নীতিশৰ জনতা দল (ইউ) আৰু বিজেপিৰ মতানৈক্য বিভিন্ন বিষয়ত সন্মুখলৈ আহিছিল যদিও এইবাৰ ৰছী টনাৰ এই খেলত আগ্ৰাসী ভূমিকা গ্ৰহণৰ বাৰ্তা দিলে নীতিশ কুমাৰে। মুখ্যমন্ত্ৰী নীতিশৰ অতি ঘনিষ্ঠ জেডি (ইউ)ৰ মন্ত্ৰী তথা দলৰ জ্যেষ্ঠ নেতা বিজয় চৌধুৰীয়ে আজি সাংবাদিকক কয়, 'কাইলৈ আমাৰ দলৰ সাংসদ-বিধায়ক আৰু নেতাসকলে বৈঠকত মিলিত হৈ পৰিস্থিতি পৰ্যবেক্ষণ কৰিব। তাৰ পাছত পৰৱৰ্তী পদক্ষেপ স্থিৰ কৰা হ'ব।' জেডি (ইউ)ৰ নেতাসকলে অভিযোগ কৰে যে মুখ্যমন্ত্ৰী নীতিশৰ বিৰুদ্ধে উচটনি দি বিজেপিয়ে দলক বিভাজিত কৰিব বিচাৰিছে। আজি বিহাৰৰ উপ-মুখ্যমন্ত্ৰী তথা ১০ পৃষ্ঠাত চাওক

■ ৰাজ্যিক কেবিনেটত কে'বাটাও সিদ্ধান্ত গ্ৰহণ-আইনত সংশোধন ■ ১২৩.৫৯ কোটি টকা ক্ষতিপূৰণত প্ৰদান কৰা হ'ব ■ মণিপুৰৰ ভূমিস্খলনত হতাহতৰ নিকটাত্মীয়কো ক্ষতিপূৰণ

প্ৰতিষ্ঠান ধ্বংস-সমাজ ধ্বংস (১০)

■ সঞ্জীৰ সভাপণ্ডিত

কেইদিনমানৰ আগতে কবি হীৰেন ভট্টাচাৰ্যৰ স্মৃতিচাৰণ সভা এখনলৈ গৈছিলো— কবিগৰাকীৰ জন্মৰ তাৰিখটোৰ লগত সংগতি ৰাখি অনুষ্ঠানটোৰ আয়োজন কৰা হৈছিল। বক্তাজন সুপৰিচিত লেখক আৰু বৃত্তিগত বিষয়ত যথেষ্ট সুনাম থকা ব্যক্তি।

মই আশা কৰি গৈছিলো কবিতা পঠন-কবিতা আবৃত্তি-কবিতা গান-গীতি কবিতা-কবিতা ১০ পৃষ্ঠাত চাওক

বিদ্যুৎ খণ্ড বেচৰকাৰীকৰণৰ দাবীৰে অৱস্থান ধৰ্মঘট বিদ্যুৎ কৰ্মচাৰীৰ, মহানগৰীত সোমবাৰে।

■ ঝাৰখণ্ডত চোৰেণ চৰকাৰ ভঙাৰ ষড়যন্ত্ৰৰ গোচৰ ■ নগদ ধনসহ ধৃত তিনি কংগ্ৰেছ বিধায়কৰ গৃহত তালাচী ■ ন

এজাহাৰ দাখিলকাৰী বিধায়কৰ জবানবন্দী গ্ৰহণ কৰিলে চিআইডিয়ে

■ নিউজ ব্যুৰ'

কলকাতা, ৮ আগষ্ট ঃ ঝাৰখণ্ডত চৰকাৰ ভঙাৰ উদ্দেশ্যে বিধায়ক ক্ৰয়ৰ অভিযান চলোৱা বুলি এজাহাৰ দাখিল কৰা ৰাজ্যখনৰ কংগ্ৰেছ বিধায়ক কুমাৰ জয়মংগল ওৰফে অনুপ সিঙক আজি এই গোচৰৰ সংক্ৰান্তত পশ্চিমবংগৰ চিআইডিয়ে জবানবন্দী গ্ৰহণ কৰে। ইতিমধ্যে এই সংক্ৰান্তত ঝাৰখণ্ডৰ তিনিজন কংগ্ৰেছ বিধায়কক নগদ ৪৯ লাখ টকাসহ হাওৰাত পশ্চিমবংগ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। ঝাৰখণ্ডৰ হেমন্ত চোৰেণ নেতৃত্বাধীন চৰকাৰৰ পতন ঘটাবলৈ বিজেপিয়ে একোজন কংগ্ৰেছ বিধায়কক ১০ কোটিকৈ টকা আদায়ৰ টোপ দিয়া বুলি বিধায়কজনে অভিযোগ কৰিছে। লগতে ধৃত তিনি বিধায়কে জয়মংগলকো গুৱাহাটীলৈ আনি অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰাই দিয়াৰ প্ৰস্তাৱ দিয়া বুলি উল্লেখ কৰি জয়মংগলে এজাহাৰ দাখিল কৰিছিল। অৱশ্যে এই অভিযোগ মুখ্যমন্ত্ৰী শৰ্মাই ইতিমধ্যে অস্বীকাৰ কৰিছে। ১০ পৃষ্ঠাত চাওক

মেৰাপানী সীমান্তত পুনৰ নগাৰ আগ্ৰাসন, অসমীয়াৰ ভূমিত ধানখেতি

নিৰ্বিকাৰ অসমৰ প্ৰশাসন-চিআৰপি বাহিনী

অগ্ৰদূত বাৰ্তা

মেৰাপানী, ৮ আগষ্ট ঃ অসম-নগালেণ্ড সীমান্তৰ গোলাঘাট জিলাৰ মেৰাপানীৰ 'ডি' ছেক্টৰত পুনৰ নগাই চলোৱা আগ্ৰাসনক কেন্দ্ৰ কৰি সম্প্ৰতি অঞ্চলটাত তীব্ৰ উত্তেজনা বিৰাজ ১০ পৃষ্ঠাত চাওক

এএছআইক গ্ৰেপ্তাৰত শংকিত মাটিয়াৰ দালাল চক্ৰ



অগ্ৰদূত বাৰ্তা

মাটিয়া, ৮ আগষ্ট ঃ সৰিয়হৰ ডুলিতে ভূত থকাৰ লেখীয়াকৈ আইন-শৃংখলা ৰক্ষাৰ দায়িত্বত ১০ পৃষ্ঠাত চাওক

হোটেলত পুৰতি নিশা ছাটাৰ পৰি কৰ্মৰত যুৱকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

পুৰণিগুদাম, ৮ আগষ্ট ঃ নগাঁও জিলাৰ বঢ়মপুৰৰ মাজপোটনি গাঁৱৰ নিবাসী পবিত্ৰ শইকীয়া নামৰ এজন যুৱকৰ তেওঁ কৰ্মৰত হোটেলত আজি পুৰতি ছয় পৃষ্ঠাত চাওক

তাপমাত্ৰা	সৰ্বোচ্চ	সৰ্বনিম্ন
গুৱাহাটী	৩৪°	২৭°
ডিব্ৰুগড়	৩৬°	২৭°
দিল্লী	৩৫°	২৮°
কলকাতা	৩০°	২৭°
মুম্বাই	২৭°	২৬°
চেন্নাই	৩৬°	২৮°
বাংগালুৰু	২৪°	১৯°
শ্বিলং	২৬°	১৯°

৮ আগষ্ট, ২০২২

চেঙা তেল

নতুন দলত যোগ দিলো! আশা কৰিছো আগৰ দৰেই সকলো কাম-কাজ ঠিকেই চলিব!

বিভাগৰ সামগ্ৰী ওভতাই দিবলৈ নিৰ্দেশ

প্ৰাথমিক বিদ্যালয়ত চিআৰচিচি পদ বিলুপ্তকৰণৰ তৎপৰতা

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ৮ আগষ্ট ঃ ৰাজ্যৰ প্ৰাথমিক শিক্ষা খণ্ডত থকা ক্লাষ্টাৰ ৰিছ'ৰ্চ চেণ্টাৰ কো-অৰ্ডিনেটৰ (চিআৰচিচি) পদটো পৰ্যায়ক্ৰমে বিলুপ্ত কৰাৰ দিশে আগবাঢ়িছে শিক্ষা বিভাগ। শেহতীয়াকৈ সমগ্ৰ শিক্ষা অসমৰ মিছন সঞ্চালক ড° ওম প্ৰকাশে সৰ্বশিক্ষা অভিযানৰ জিলা মিছন সমন্বয়কসকললৈ প্ৰেৰণ কৰা এখন জৰুৰী পত্ৰৰ জৰিয়তে এই তথ্য পোহৰলৈ আহিছে। এছ এছ এ/টি টি/চিআৰচিচি ছয় পৃষ্ঠাত চাওক

দিল্লীত স্মাৰকপত্ৰ প্ৰদান এবছুসহ সংগঠনৰ

ৰঞ্জন দৈমাৰীসহ কাৰাবন্দী এনডিএফবিৰ সদস্যক মুক্তিৰ দাবী গৃহ দপ্তৰক

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ৮ আগষ্ট ঃ চৰকাৰৰ প্ৰতিশ্ৰুতিক সোঁৱৰাই দি আজি দিল্লীত একাধিক দাবীৰে কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ক স্মাৰকপত্ৰ দাখিল কৰে এবছু, ইউবিপিআ', প্ৰাক্তন এনডিএফ বি (প্ৰগতিশীল), প্ৰাক্তন এনডিএফ বি (ৰঞ্জন দৈমাৰী) আৰু প্ৰাক্তন এনডিএফ বি (এছ)য়ে। কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ উত্তৰ-পূৰ্বাঞ্চলৰ অতিৰিক্ত সচিব পীযুষ গোৱেলক দাখিল কৰা এই স্মাৰকপত্ৰত বিটিআৰ চুক্তিৰ স্বাক্ষৰকাৰী সংগঠনকেইটাই কয় যে ২০২০ৰ ২৭ জানুৱাৰীত সম্পন্ন কৰা চুক্তিৰ বাকী থকা দাবীৰ ৰূপায়ণক লৈ উদ্বিগ্ন হৈছে সংগঠনকেইটা। চুক্তি সম্পন্ন হোৱাৰ আঢ়ৈ বছৰ উকলি যোৱাৰ পাছতো চুক্তিখনৰ মূল দফাসমূহৰ প্ৰায় সকলোবোৰেই সম্পন্ন কৰা হোৱা নাই। ছয় পৃষ্ঠাত চাওক

ধুবুৰী চিকিৎসা মহাবিদ্যালয়ৰ এম বি বি এছ পাঠ্যক্ৰমলৈ অনুমোদন দিলে এনএমচিয়ে

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ৮ আগষ্ট ঃ ৰাজ্যৰ নৱমখন চিকিৎসা মহাবিদ্যালয় হিচাপে আজি ধুবুৰী চিকিৎসা মহাবিদ্যালয় হাস্পতালে এমবিবিএছ পাঠ্যক্ৰম আৰম্ভ কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় আয়ুৰ্বিজ্ঞান আয়োগ (এন এম চি)ৰ অনুমোদন লাভ কৰে। শ্ৰীমন্ত শংকৰদেৱ চিকিৎসা বিজ্ঞান বিশ্ববিদ্যালয়ৰ অধীনত স্থাপন কৰা চিকিৎসা মহাবিদ্যালয়খনত ১০ পৃষ্ঠাত চাওক

নৱম দিনাও মুকলি আকাশৰ তলত কৰ্দৈগুৰিৰ বন্যাৰ্ত

১৫ আগষ্টত ক'লা পতাকা উৰুওৱাৰ হুংকাৰ

অগ্ৰদূত বাৰ্তা

তালাপ, ৮ আগষ্ট ঃ যোৱা ৩১ জুলাইৰ ফিল'বাৰী টঙানি সোণজান কাণ্ডৰ পাছৰ পৰাই ডুমডুমা ৰাজহ চক্ৰৰ অন্তৰ্গত কৰ্দৈগুৰিৰ ২৪টা পৰিয়ালৰ আশ্ৰয় স্থল হৈছে ডুমডুমা ৰাজহ ছয় পৃষ্ঠাত চাওক

গ্ৰামাঞ্চলত বাৰৰ অনুজ্ঞাপত্ৰ বাতিলৰ সিদ্ধান্ত ঃ পেঞ্চন প্ৰদান নীতিত সংশোধন ঃ স্বাধীনতা দিৱসত জিলাবোৰত পতাকা উত্তোলনৰ মন্ত্ৰীৰ তালিকা চূড়ান্ত ঃ অসম লজিষ্টিক পলিচি অনুমোদন ঃ ১৩ বছৰ হ'লেই পদোন্নতি সহকাৰী খণ্ড উন্নয়ন বিষয়াৰ

২০ আগষ্টত বানত ক্ষতিগ্ৰস্তক ৰাজ্যজুৰি ক্ষতিপূৰণ প্ৰদান অনুষ্ঠান

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ৮ আগষ্ট ঃ অসম চৰকাৰৰ কেবিনেট বৈঠকে আজি কে'বাখনো প্ৰচলিত আইনৰ নীতিত সংশোধনৰ সিদ্ধান্ত গ্ৰহণ কৰে। পেঞ্চন, আবকাৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আৰু বিভিন্ন শিতানত এই সংশোধনীবোৰ অনা হয়। জনতা ভৱনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত কেবিনেট বৈঠকত আগন্তুক স্বাধীনতা দিৱস উদ্‌যাপন, বান সাহায্য প্ৰদান আদিৰ সম্পৰ্কতো সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ পাছত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই সদৰী কৰে যে সিদ্ধান্তৰ শিতানত চলিত বৰ্ষত বানত ক্ষতিগ্ৰস্ত ঘৰৰ বাবদ অহা ২০ আগষ্টত জিলাই জিলাই বিশেষ অনুষ্ঠানৰ আয়োজনেৰে মন্ত্ৰীসকলে ক্ষতিপূৰণৰ ধন প্ৰদান কৰিব। বানৰ বাবে জিলাবোৰৰ দায়িত্ব অৰ্পণ কৰা অভিভাৱক মন্ত্ৰীসকলে প্ৰদান কৰিবলগীয়া ক্ষতিপূৰণৰ মুঠ ধনৰ পৰিমাণ হ'ল ১২৩ কোটি ৫৯ লাখ ৫৭ হেজাৰ সাতশ টকা। বেংক একাউণ্টযোগে এই ধন প্ৰদান কৰা হ'ব। মন্ত্ৰী বৰুৱাই কয়, 'বানে কৰা ক্ষতিৰ পাছত অভিভাৱক মন্ত্ৰীৰ নেতৃত্বত জিলাই জিলাই ক্ষতিগ্ৰস্ত ঘৰৰ জৰীপ চলোৱা হয়। সেই জৰীপত ৫,৫৩২ টা ঘৰ সম্পূৰ্ণৰূপে ধ্বংস হোৱাৰ তথ্য আহে। তাৰে পকা ১০ পৃষ্ঠাত চাওক

■ প্ৰথমখন গাড়ী ধৰিব নোৱাৰা বাবেই নিয়মীয়াকৰণ নহয় পাঁচ হেজাৰ শিক্ষকৰ ■ চাৰি ছেপ্টেম্বৰ শেষ সময়সীমা দিলে চৰকাৰক

শিক্ষকৰ নিযুক্তিপত্ৰক চানা-বুট খোৱা কাগজৰে তুলনা শিক্ষামন্ত্ৰীৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ৮ আগষ্ট ঃ চৰকাৰীভাৱে নিযুক্তি লাভ কৰি যোৱা প্ৰায় ২০-২২ বছৰে বিনা বেতনে সেৱা কৰি অহা তথা এতিয়াও নিয়মীয়াকৰণৰ আওতাত নপৰা ৰাজ্যৰ প্ৰায় পাঁচ হেজাৰ শিক্ষকৰ চৰকাৰী নিযুক্তিপত্ৰক চানা-বুট খোৱা কাগজৰ লগত তুলনা কৰিলে স্বয়ং শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। নিজৰ প্ৰাপ্যৰ দাবীৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আহ্বান মৰ্মে সদৌ অসম চৰকাৰীভাৱে নিযুক্তিপ্ৰাপ্ত(দেৰমহা নোপোৱা) কৰ্মৰত প্ৰাথমিক শিক্ষক সন্থাৰ এটা প্ৰতিনিধি দলে শিক্ষামন্ত্ৰী ডাঃ পেগুক সাক্ষাৎ কৰিবলৈ যোৱাৰ সময়ত মন্ত্ৰীজনে এইসকল শিক্ষকক চৰম উপহাস কৰি তেওঁলোকৰ ফাইলসমূহ শ্মশানলৈ পঠাই দিয়া বুলিও মন্তব্য দাঙি ধৰে। আজি দিছপুৰ প্ৰেছ ক্লাবত উচুপি উচুপি এই কথা ব্যক্ত কৰে চৰকাৰীভাৱে নিযুক্তি লাভ কৰিও দৰমহাৰ পৰা বঞ্চিত হৈ অহা শিক্ষকসকলে। সংবাদমেল সম্বোধন কৰি শিক্ষয়িত্ৰী নিতুমণি গগৈয়ে কয়, '১৯৯১ৰ পৰা ২০০১লৈ প্ৰায় ১০ পৃষ্ঠাত চাওক

প্ৰতি প্ৰাৰ্থীৰ পৰা পাঁচ-আঠ লাখকৈ সংগ্ৰহ

৯১ কৰ্মচাৰীৰ বিৰুদ্ধে বিভাগীয় তদন্ত ঘোষণা

শিৱসাগৰ-চৰাইদেউ জিলাৰ স্বাস্থ্য বিভাগত বৃহৎ নিযুক্তি কেলেংকাৰি

অগ্ৰদূত বাৰ্তা

সোণাৰি, ৮ আগষ্ট ঃ শিৱসাগৰ আৰু চৰাইদেউ জিলা যুটীয়া স্বাস্থ্য সঞ্চালক কাৰ্যালয়ত দীৰ্ঘদিনৰ পৰাই সক্ৰিয় হৈ থকা দালাল চক্ৰটোৱে বিভিন্ন সময়ত সহস্ৰাধিক ব্যক্তিক ধনৰ বিনিময়ত চাকৰি দিয়াৰ চাঞ্চল্যকৰ তথ্য পোহৰলৈ আহিছে। অতি শেহতীয়াকৈ চৰাইদেউ জিলা যুটীয়া স্বাস্থ্য সঞ্চালক কাৰ্যালয়ৰ জ্যেষ্ঠ গাণনিক বিষয়া অমৃত গগৈক সোণাৰি আৰক্ষীয়ে কৰ্মৰত অৱস্থাতে গ্ৰেপ্তাৰ কৰাৰ পাছতেই স্বাস্থ্য বিভাগত সংঘটিত বিয়াগোম নিযুক্তি কেলেংকাৰিৰ তথ্য পোহৰলৈ আহে। গুৰুত্বপূৰ্ণ দিশটো হ'ল নিযুক্তি কেলেংকাৰিৰ সন্দৰ্ভত সোণাৰি ছয় পৃষ্ঠাত চাওক

ঘিলাধাৰী নৈত নাও দুৰ্ঘটনাত সন্ধানহীন হ'ল দুই মহিলা

টুলুঙা নাৱত উঠি খেতিলৈ যোৱা অৱস্থাত দুৰ্ঘটনা

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি, ৮ আগষ্ট ঃ বিশ্বনাথৰ মুখৰগড়ৰ ঘিলাধাৰী নদীত আজি সংঘটিত হ'ল এক ভয়াৱহ নাও দুৰ্ঘটনা। নদী পাৰ হওঁতে নাও ডোবাৰ ফলত দুগৰাকী মহিলা সন্ধানহীন হয়। অৱশ্যে চাৰিগৰাকী মহিলাক জীৱন্তে উদ্ধাৰ কৰা হ'ল। এই পৰ্যন্ত সন্ধানহীন হৈ থকা মহিলা ১০ পৃষ্ঠাত চাওক

ৰাজ্যিক মৰ্যাদাৰে অন্ত্যেষ্টিক্ৰিয়া ■ মুখ্যমন্ত্ৰীসহ বিভিন্নজনৰ শোক

সৰ্বভাৰতীয় মুক্তিযোদ্ধা সন্মিলনৰ সভাপতি কৃষ্ণ লহকৰৰ দেহাৱসান

অগ্ৰদূত বাৰ্তা

ৰঙিয়া, ৮ আগষ্ট ঃ দেশৰ ৭৫ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে সমগ্ৰ দেশে 'আজাদী কা অমৃত মহোৎসৱ' পালন কৰাৰ সময়তে আজি সৰ্বভাৰতীয় মুক্তিযোদ্ধা সন্মিলন তথা অসম ৰাজ্যিক মুক্তিযোদ্ধা সন্মিলনৰ সভাপতি মুক্তিযোদ্ধা কৃষ্ণ লহকৰে শেষ নিশ্বাস ত্যাগ কৰে। আজি পুৱা ৯.৫০ বজাত ৰঙিয়াৰ নিজ বাসভৱনত বাৰ্ধক্যজনিত কাৰণত তেওঁৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৬ বছৰ। ভাৰতৰ স্বাধীনতা আন্দোলনৰ অগ্ৰণী সেনানী বিশিষ্ট সমাজকৰ্মী লহকৰৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগতে অগণন গুণমুগ্ধৰ লগতে ৰঙিয়া মহকুমা প্ৰশাসনৰ বিভিন্ন বিষয়া তেওঁৰ বাসগৃহত উপস্থিত হয়। ছয় পৃষ্ঠাত চাওক

■ বিশ্বনাথ চাৰিআলিত চাঞ্চল্যৰ সৃষ্টি ঃ স্বামীৰ অমনোযোগিতাৰ বাবেই পত্নীৰ অথন্তৰ

প্ৰস্তুতি সম্পূৰ্ণ কৰোতেই চকু মেলিলে 'মৃত'ই

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি, ৮ আগষ্ট ঃ মুষলধাৰ বৰষুণ সত্বেও ওৰে নিশা ঘৰৰ বাহিৰতে মাটিত ঢাৰি পাৰি শুৱাই থোৱা হ'ল 'মৃতদেহ'টো। পুৱালৈ ঘৰত গোট খালে ওচৰ-চুবুৰীয়া। আৰম্ভ হ'ল শেষকৃত্যৰ যাৱতীয় প্ৰস্তুতি। বাৰীৰ পৰা কাটি অনা বাঁহৰে সজোৱা হ'ল সাঙী। ইতিমধ্যে ঘৰত উপস্থিত হ'লহি দূৰ-দূৰণিৰ পৰা অহা আত্মীয়-স্বজনো। মৃতদেহত সেৱা জনাই মৃতকক অন্তিমবাৰলৈ আপোনজনে খুৱাই দিলে এচামুচ পানী। সেই মুহূৰ্ততে ঘটিল আজৰ ঘটনাটো। পৰিয়ালৰ লোকক বিচুৰ্তি খুৱাই হঠাতে চকু মেলিলে 'মৃত্যু ঘটা' মহিলাগৰাকীয়ে। এই ঘটনা বিশ্বনাথ চাৰিআলিৰ গলিয়াত। কাণৰ বিষ, মূৰৰ বিষ আৰু জণ্ডিচত আক্ৰান্ত হোৱা গলিয়াৰ বাসিন্দা বিভেন ভূঞাৰ পত্নী ছুমী ভূঞাক বিশ্বনাথৰ মহকুমা চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল; কিন্তু ছুমী ভূঞাৰ স্বাস্থ্যৰ অৱস্থাৰ অধিক অৱনতি ঘটাৰ বাবে দেওবাৰে নিশা চিকিৎসকে উন্নত চিকিৎসাৰ বাবে তেওঁক তেজপুৰলৈ প্ৰেৰণ কৰে। কিন্তু যোৱা নিশা সমগ্ৰ উত্তৰ অসমতে সৃষ্টি হোৱা প্ৰচণ্ড ধুমুহা-বৰষুণৰ বাবে বিভেনে পত্নীক ততাতৈয়াকৈ চিকিৎসালয়লৈ নিয়াত ব্যৰ্থ হয়। পৰিণতিত অচেতন হৈ পৰে মহিলাগৰাকী। স্বামীয়ে ভাবিলে ইতিমধ্যে মৃত্যু হ'ল পত্নীৰ। নিশাই ঘৰলৈ আনি মৃতদেহ চোতালত থোৱা হ'ল আৰু ছয় পৃষ্ঠাত চাওক

গুৱাহাটী ষ্টেছনত এ টি এম কাৰ্ড চুৰি কৰা চক্ৰৰ দুজনক গ্ৰেপ্তাৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ৮ আগষ্ট ঃ এ টি এম কাৰ্ড কৌশলেৰে চুৰি কৰি ধন লুট কৰা সৰ্বভাৰতীয় এটা বৃহৎ চক্ৰৰ দুজনক আজি গুৱাহাটী ষ্টেছনত ৰেল আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। লোক দুজনৰ পৰা বিভিন্ন বেংকৰ ৩৩ খন এ টি এম কাৰ্ডো জব্দ কৰা হয়। ৰেল ছয় পৃষ্ঠাত চাওক

জব্দ কৰিলে ২০ বস্তাৰ ১০ কুইণ্টল চাউল

চৰকাৰী চাউল নতুন বস্তাত ভৰাই অৰুণাচললৈ সৰবৰাহ, গাঁওবুঢ়া ধৃত

ষ্টাফ ৰিপ'ৰ্টাৰ

তেজপুৰ, ৮ আগষ্ট ঃ ৰাজ্যত পুৰাদমে অব্যাহত আছে চৰকাৰী সুলভ মূল্যৰ চাউলৰ ক'লা বজাৰ। বিভিন্ন অসাধু লোকে দৰিদ্ৰ সীমা ৰেখাৰ লোকৰ বাবে চৰকাৰে নিম্ন মূল্যত যোগান ধৰা চাউল ন ন কৌশলেৰে চোৰাংকৈ বিক্ৰী কৰি আহিছে। এইদৰে অসাধু ব্যৱসায়ীয়ে মুনাফা লুটি থকাৰ ১০ পৃষ্ঠাত চাওক

শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰত নকল বৃন্দাবনী বস্ত্ৰ প্ৰস্তুতৰ তীব্ৰ বিৰোধিতা অসম সত্ৰ মহাসভাৰ

প্ৰতিখন জিলা সমিতিকে সত্ৰাধিকাৰজনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰাৰ আহ্বান

অগ্ৰদূত বাৰ্তা

পুৰণিগুদাম, ৮ আগষ্ট ঃ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অপূৰ্ব সৃষ্টি বৃন্দাবনী বস্ত্ৰৰ অনুকৃতিমূলক এখন বস্ত্ৰ প্ৰস্তুত কৰি মাজুলীৰ শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰই সমাগত দুৰ্গা পূজাৰ সময়তে ৰাইজৰ দৰ্শনৰ বাবে মুকলি কৰি দিব বুলি প্ৰকাশ কৰা তথ্যত তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে অসম সত্ৰ মহাসভাই। সম্প্ৰতি লণ্ডনৰ যাদুঘৰত সংৰক্ষিত হৈ থকা বৃন্দাবনী বস্ত্ৰ অসমলৈ ওভতাই অনাৰ বাবে চৰকাৰী প্ৰচেষ্টা বাৰম্বাৰ ব্যৰ্থ হোৱাৰ সময়তে প্ৰকৃত বৃন্দাবনী বস্ত্ৰৰ এখন হুবহু নকল প্ৰস্তুত কৰিবলৈ দক্ষিণপাট সত্ৰক কোনে কৰ্তৃত্ব দিলে বুলি আজি প্ৰশ্ন তুলিছে অসম সত্ৰ মহাসভাই। বিষয়টো সম্প্ৰতি আদালতৰ বিচাৰাধীন হৈ থকাৰ পাছতো দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰে সমাগত দুৰ্গা পূজাত দৰ্শকৰ বাবে নকল বস্ত্ৰখন মুকলি কৰি দিব বুলি ওলোৱাত আশ্চৰ্য প্ৰকাশ কৰি অসম সত্ৰ মহাসভাৰ প্ৰধান সম্পাদক কুসুম কুমাৰ মহন্তই কয় যে শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰ আৰু সত্ৰাধিকাৰজনৰ অভিপ্ৰায়ক কলিতে মষিমূৰ কৰাটো সময়ৰ আহ্বান হৈ পৰিছে। সত্ৰাধিকাৰজনৰ এনে কুঅভিপ্ৰায় বন্ধ কৰিবলৈ অসম সত্ৰ মহাসভাৰ অন্তৰ্গত প্ৰতিখন জিলা সত্ৰ মহাসভা সমিতিক স্থানীয় আদালতত গোচৰ ৰুজু কৰিবলৈ সত্ৰ মহাসভাৰ প্ৰধান সম্পাদকজনে অনুৰোধ জনাইছে। তেওঁ কয় যে অসমৰ ইতিহাসত উক্ত সত্ৰৰ সত্ৰাধিকাৰজনৰ এনে অভিপ্ৰায় এক কলংকিত অধ্যায়ৰূপে চিহ্নিত হৈ ৰ'ব। নিশ্চিন্ন হৈ যাব প্ৰকৃত বৃন্দাবনী বস্ত্ৰৰ ৰং-ৰূপ। উঠি অহা প্ৰজন্মই নতুনকৈ প্ৰস্তুত কৰা নকল বৃন্দাবনী বস্ত্ৰকে আচল বুলি ভাবিবলৈ ধৰিব। হয়তো এনে এটা সময় আহিব নৱ প্ৰজন্মই এই নকল বৃন্দাবনী বস্ত্ৰৰ আৰ্হিত কাপোৰৰ চোলা চিলাই পৰিধান কৰিব ধৰিব। গামোচাৰ দৰে য'তে-ত'তে বৃন্দাবনী বস্ত্ৰৰ প্ৰয়োগ বৃদ্ধি পাব। তেতিয়া গুৰুজনাৰ অমূল্য সৃষ্টিৰাজিৰ মান-মৰ্যাদা ক'ত থাকিব বুলি প্ৰশ্ন তুলি সত্ৰ মহাসভাৰ প্ৰধান সম্পাদকজনে সত্ৰাধিকাৰজনৰ এই কাৰ্যৰ বিৰোধিতা কৰিবলৈ ৰাজ্যখনৰ সকলো জাতি-জনগোষ্ঠীৰ লোকক আহ্বান জনায়। তেওঁ কয় যে প্ৰায় পাঁচশ বছৰ পূৰণি গুৰুজনাৰ এই অপূৰ্ব সৃষ্টি সমগ্ৰ বিশ্বজুৰি অদ্বিতীয় হৈ আছে আৰু থাকিব। গতিকে নকল বৃন্দাবনী বস্ত্ৰ সৃষ্টিকাৰক সত্ৰাধিকাৰজনে নিজকে গুৰুজনাৰ সমকক্ষ হোৱাৰ অসৎ চেষ্টা নকৰাই মংগলজনক বুলি সত্ৰ মহাসভাৰ প্ৰধান সম্পাদকজনে সকীয়াই দিয়ে।

LOST

I have lost my original Sale deed No-198, dtd. 07/02/2006 of Bongaigaon Sub Registration office in the name of Chaitali Brahma.
CHAITALI BRAHMA
W/o-Rajashri Brahma
Vill-2 No. Chapaguri
P.S-Dhaligaon,
Dist-Chirang

ASTROLOGY/ জ্যোতিষী

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ **ৰত্নসাগৰ** জ্যোতিষ, বাস্তু, তন্ত্ৰৰ দ্বাৰা আপুনি নিজে নোকোৱাকৈ জানক আপোনাৰ ভূত, ভৱিষ্যৎ, বৰ্তমান ও সকলো সমস্যাৰ ১০০% গেৰাণ্টীযুক্ত সমাধান, বিধান, প্ৰতিকাৰ কৰা হয়।
জ্যোতিষ, বাস্তু, তন্ত্ৰ সম্ৰাট
ড° ত্ৰিকাল ৰাজগুৰু
কুঁৱৰীটোল ঃ কলিয়াবৰ, নগাঁও
(M) 9954021556, 9957066469.

SHORT TENDER NOTICE

This is for general information to all concerned that E-Tender is hereby invited from intending tenderer for sale of 04 (Four) nos. Confiscated vehicle under Lakhimpur Forest Division, North Lakhimpur.

The details of E-Tender will be available on https.www.assamforestonline.in

Divisional Forest Officer,
Lakhimpur Division,
North Lakhimpur

Janasanyog/C/7858/22

আজিৰ দিনটো

কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

২৩ শাওণ মঙলবাৰ ৯ আগষ্ট

সূৰ্যোদয় ঃ ঘঃ ৪।৫৫।২, **সূৰ্যাস্ত ঃ** ঘঃ ৬।০।৩৩। **তিথি ঃ** শুক্লা দ্বাদশী, দং ২৪।৬।৪৪ ঘঃ ২।৩৩।৪৪। **নক্ষত্ৰ ঃ** মূলা, দং ১২।৪৫।৫৮ ঘঃ ১০।১।২৫। **যোগ ঃ** বিষ্কুম্ভ, দং ৪৪।৪৬।১৭ ৰাঘঃ ১০।৪৯।৩৩। **কৰণ ঃ** বালৱ। **জন্মত ঃ** ধনুৰাশি, ক্ষত্ৰিয়বৰ্ণ, মতান্তৰে বৈশ্যবৰ্ণ দেৱাৰিগণ, গন্ধৰ্ব্বৰ অস্থি, বৰুণযোগ, অষ্টোত্তৰী শনি বিংশোত্তৰী কেতুৰ দশা, ঘঃ ১০।১।২৫ যোৱাত মনুষ্যগণ, অষ্টোত্তৰী, বৃহস্পতি, বিংশোত্তৰী শুক্ৰৰ দশা। **আদ্যঋতু হ'লে ঃ** তিনিমহীয়া পতিহীন যোগ, মতান্তৰে সাতদিনীয়া সুভগা যোগ। **মৰণত দোষ ঃ** দ্বিপদ, ঘঃ ২।৩৩।৪৪ যোৱাত এপদ। **যোগিনীঃ** নৈঋতকোনত, ঘঃ ২।৩৩।৪৪ যোৱাত দক্ষিণত। **যাত্ৰা ঃ** শুভ, অমৃতযোগ উত্তৰত নাই, ঘঃ ২।৩৩।৪৪ যোৱাত শুভসিদ্ধি যোগ। **শুভকৰ্ম ঃ** গৰ্ভাধান, আৰোগ্যস্নান, দীক্ষা। **ভক্ষাভক্ষ্য ঃ** পূৰৈশাক খোৱা আৰু প্ৰায়শ্চিত্ত ঘঃ ২।৩৩।৪৪ যোৱাত বেঙেনা খোৱা নিষেধ।

দিনটোৰ ৰাশিফল

মেষ ঃ কৰ্মস্থানত মাধ্যম, সূৰ্য পূজা কৰক, ঘৰুৱা সামগ্ৰী ওপৰত নজৰ দিয়ক।ব্যয় বৃদ্ধি, ৰঙা শুভ ৰং, শুভ সংখ্যা ২।

বৃষ ঃ পৰিৱেশ অস্থিৰ হ'ব। শৰীৰ প্ৰতি যত্ন লওক, কৰ্মত শুভ, দুখীয়াক অন্ন দান কৰক, কমলা ৰং ব্যৱহাৰ কৰক, শুভ সংখ্যা ১।

মিথুন ঃ কৰ্মদক্ষতা ওপৰত সা-সন্মান বৃদ্ধি, ভ্ৰমণত মাধ্যম। বিদ্যাত কিছু জটিলতা আছে, ব্যয় বৃদ্ধি, গোপন শত্ৰু বৃদ্ধি, গোলপীয়া ৰং শুভ, শুভ সংখ্যা ৫।

কৰ্কট ঃ কৰ্ম ব্যস্ততা বৃদ্ধি, দুখীয়া অন্ন বস্ত্ৰ দান কৰক। শত্ৰু নাশ, খৰচৰ মাত্ৰা বৃদ্ধি, সোণালী শুভ ৰং, শুভ সংখ্যা ৪।

সিংহ ঃ তীৰ্থ ভ্ৰমণৰ যোগ, লেখক, ৰাজনীবিদ, সমাজ কৰ্মী আদিৰ সন্মান বৃদ্ধি, আয় বৃদ্ধি, প্ৰেমত বাধা, ৰঙা শুভ ৰং, শুভ সংখ্যা ৭।

কন্যা ঃ কোনো শুভ সংবাদ পাব পাৰে, প্ৰেমত কষ্ট, ভ্ৰমণত শুভ, শত্ৰুৰ পৰা সাৱধান। নীলা ৰং ব্যৱহাৰ কৰক, শুভ সংখ্যা ৩।

তুলা ঃ কৰ্মত উন্নতিৰ যুগ, নতুন বিদ্যাত ফলৱৰ্তী হ'ব, হঠাৎ শৰীৰ কিছু অসুস্থ হ'ব পাৰে। প্ৰেমত মাধ্যম, ভ্ৰমণ নকৰাই ভাল। মেৰুণ ৰং শুভ, শুভ সংখ্যা ৮।

বৃশ্চিক ঃ কৰ্মত উদাৰতা থাকিব, প্ৰেমত শুভ, মন্দিৰ দৰ্শনে আনন্দ দিব। মাটি সময়ত ক্ৰয় কৰিব পাৰিব, হালধীয়া শুভ ৰং, শুভ সংখ্যা ৯।

ধনু ঃ কৰ্মস্থানত ধৈৰ্যৰ প্ৰয়োজন, যানবাহনৰ পৰা সাৱধান, পাৰিবাৰি মনোমিল, বেঙুণীয়া শুভ ৰং, শুভ সংখ্যা ৬।

মকৰ ঃ কৰ্মস্থানত উন্নতি যোগ, প্ৰদূষণৰ পৰা সাৱধান, কোনো প্ৰভাৱশালী ব্যক্তিৰ সান্নিষ্ট লাভ কৰিব পাৰিব। ঘৰুৱা কামত ব্যস্ততা বৃদ্ধি, সোণালী শুভ ৰং, শুভ সংখ্যা ৩।

কুম্ভ ঃ কিছু জটিল সমস্যাৰ সমাধান কৰিব লাগিব, ধৰ্মস্থান ভ্ৰমণত আনন্দিত হ'ব চিন্তাশীল আৰু জনহিতকৰ কামত সুফল, পাতল নীলা ৰং শুভ, শুভ সংখ্যা ৮।

মীন ঃ কাৰ্য সিদ্ধি হ'ব, নীলম ৰত্ন ধাৰণ কৰিব, বন্ধুবৰ্গৰ পৰা সহায় পাব, খৰচ বৃদ্ধি, শত্ৰু কমিব, দাম্পত্য মাধ্যম, ক্ৰীম ৰং শুভ, শুভ সংখ্যা ৫।

GOVT. OF ASSAM
OFFICE OF THE CHAPAKHOWA MUNICIPAL BOARD
CHAPAKHOWA-786157
DIST-TINSUKIA (ASSAM)

EMail : Chapakhowatc2013@gmail.com

No.CPKMB/TNDR-15th FC-Untied/2021-22/ Dated Chapakhowa the 5th Aug.2022

SHORT TENDER NOTICE

The Chapakhowa Municipal Board, Chapakhowa invites Bids from Contractors/Interested bidders against the details of the work given below :

Sl No.	Name of work	EMD in Rs.	Estimated Amount in Rs.	Period of Completion
1	Boundary fencing at Nizarapar L.P School	EMD 1% of working value for SC,ST, OBC, individual Firm Holder, 2 % for General	130000.00	3 months
2	Paver block road near Adarsha Vidyalaya		1280000.00	
3	Paver block road from Abhi Gogoi house to Jiya river		1661000.00	
4	Paver block road in Seuj Nagar part		560000.00	

1. Detail terms & condition and particulars may be seen in the office of the undersigned at office hour. The tender paper can be obtained from the office of the undersigned on working days from 9th of Aug to 17th of Aug 2022, and tender papers can be dropped in the tender box till 2 pm of 18th of Aug 2022 which will be opened on the same day itself.

Sd/-
Chairperson
Chapakhowa Municipal Board

GOVT. OF ASSAM
OFFICE OF THE CHAPAKHOWA MUNICIPAL BOARD
CHAPAKHOWA-786157
DIST-TINSUKIA (ASSAM)

EMail : Chapakhowatc2013@gmail.com

No.CPKMB/TNDR-15th FC-Untied/2020-21/ Dated Chapakhowa the 5th Aug.2022

SHORT TENDER NOTICE

The Chapakhowa Municipal Board, Chapakhowa invites Bids from Contractors/Interested bidders against the details of the work given below :

Sl No.	Name of work	EMD in Rs.	Estimated Amount in Rs.	Period of Completion
1	Transformer Boundary wall at Ex Colony	EMD 1% of working value for SC,ST, OBC, individual Firm Holder, 2 % for General	20,000.00	3 months
2	Paver block road at masjid patti 1 No gali last part		69300.00	
3	Paver block road near Papu Ali Nagar		155700.00	
4	Paver block road at Pachim Lachit agar		335000.00	
5	Gravelling at Gurung basti		199600.00	
6	Paver block road near 2 no. Chapakhowa L.P school Pachim Lachit Nagar		560000.00	
7	Gravelling of road at Pub Navapur		199600.00	
8	Maintenance of road at Nizarapar gali in front of Masjid		59600.00	
9	Hume pipe culvert at Seuj Nagar		200000.00	
10	Culvert with gravelling in Milan Nagar		197200.00	

Detail terms & condition and particulars may be seen in the office of the undersigned at office hour. The tender paper can be obtained from the office of the undersigned on working days from 9th of Aug to 17th of Aug 2022, and tender papers can be dropped in the tender box till 2 pm of 18th of Aug 2022 which will be opened on the same day itself.

Sd/-
Chairperson
Chapakhowa Municipal Board

No.MCH/HMS/2022/260/31

TENDER EXTENSION NOTICE

It is for general information to all concerned that, due to non receipt of sufficient bids in due time, the bid submission date for **Comprehensive Annual Maintenance of Medical Gas Manifold System and Medical Gas Pipeline System (Operation & Maintenance)**, HMS, GMCH, Guwahati, vide e-tender No. No. MCH/HMS/2022/260/19, dtd. 15/07/2022 is hereby extended up to 18/08/2022 at 12.00 Noon.

Sd/-
Superintendent cum Member Secretary
HMS, Gauhati Medical College Hospital
Guwahati-32

Janasanyog/C/7854/22

FG.27/CAMPA/Stationery items

RE-INVITATION

SHORT NOTICE INVITING QUOTATION (SNIQ)

For supply of stationery items to the office of Chief Executive Officer State CAMPA, Assam

In continuation of the Short Notice Inviting Quotation published in daily newspapers vide no.FG.27/CAMPA/ Stationery items, dated-16.07.2022, the Addl. Principal Chief Conservator of Forests & Chief Executive Officer, State CAMPA, Assam re-invites sealed quotations from certified and reputed authorized dealers/parties/suppliers for supply of stationery items to the office of CEO, State CAMPA, Assam.

The last date for submission of quotations is 16.08.2022 till 1.00 PM. The complete details for submission of quotations alongwith the list of stationery items can be collected from the O/o the CEO, State CAMPA, Assam, Lankeshwar, Jalukbari, Guwahati-14 on any working day or can be downloaded from PCCF & HoFF, Assam website http://www.forest.assam.gov.in.

Addl. Principal Chief Conservator of Forests &
Chief Executive Officer, State CAMPA, Assam
Lankeshwar, Jalukbari, Guwahati - 14

Janasanyog/C/7891/22

প্ৰতীকাত্মক দখলী জাননী

ICICI Bank

শাখা কাৰ্যালয় ঃ আই চি আই চি আই বেংক লিমিটেড, লেণ্ডমাৰ্ক বিল্ডিং, ৪ৰ্থ মহলা, ২২৮এ, এজেচি বসু ৰোড কলকাতা-৭০০০২০, চি আই এন নম্বৰ ঃ এল৬৫১৯০জি জে ১৯৯৪পি এল চি ০২১০১২, www.icic.bank.com

যিহেতু

নিম্ন স্বাক্ষৰকাৰী আই চি আই চি আই বেংক লিমিটেডৰ বিষয়াই চিকিউৰিটিজেছন অৱ ফাইনেন্সিয়েল এছেটছ এণ্ড এনফৰ্চমেণ্ট অৱ চিকিউৰিটি ইণ্টাৰেষ্ট আইন, ২০০২ৰ অধীনৰ আৰু চিকিউৰিটি ইণ্টাৰেষ্ট (এনফৰ্চমেণ্ট) বিধি ২০০২ৰ অনুচ্ছেদ ১৩ (১২)ৰ লগতে বিধি ৩-এ প্ৰদান কৰা ক্ষমতা অনুসৰি নিম্ন লিখিত ঋণীসকলক তলত উল্লেখ কৰা পৰিমাণৰ ঋণ আদায়ৰ বাবে দাবী জাননী জাৰি কৰিছিল, যাতে উক্ত ঋণী/সহ ঋণীসকলে সেই জাননী পোৱাৰ ৬০ দিনৰ ভিতৰত সুদসহ সমুদায় ঋণ আদায় কৰে।

যিহেতু নিৰ্দিষ্ট সময়ৰ ভিতৰত নিম্ন লিখিত ঋণী/সহ ঋণীসকলে সমুদায় ধনৰাশি পৰিশোধ কৰাত অপাৰগ হয়, গতিকে নিম্ন স্বাক্ষৰকাৰী কৰ্তৃত্বশীল বিষয়াই তলত উল্লেখ কৰা বিৱৰণৰ সম্পত্তি উক্ত আইনৰ অনুচ্ছেদ ১৩ (৪) আৰু বিধি ৮-এ প্ৰদান কৰা কৰ্তৃত্ব অনুসৰি নিম্ন উল্লেখিত তাৰিখত প্ৰতিকাত্মক দখলী কৰিছে বুলি ঋণী/সহ ঋণী লগতে সৰ্বসাধাৰণ ৰাইজক এই জাননী দ্বাৰা জনোৱা হ'ল। ঋণী/সহ ঋণীৰ লগতে সৰ্বসাধাৰণ ৰাইজক সতৰ্ক কৰি দিয়া যায় যে নিম্নোলিখিত সম্পত্তিৰ স'তে লেনদেন নকৰে যেন। অন্যথা আই চি আই চি আই বেংক লিমিটেড অনুসৰি মূল্য আদায় কৰা হ'ব।

ক্ৰ নং	ঋণ লওঁতাৰ নাম/লোণ একাউণ্ট নং	সম্পত্তিৰ বিৱৰণ আৰু প্ৰতীকাত্মক দখলৰ তাৰিখ	ডিমাণ্ড জাননীৰ তাৰিখ আৰু টকাৰ পৰিমাণ	শাখাৰ নাম
১	মনোৰঞ্জন পেগু/জুৰিটি বৰা/ মাৰফত গৰ্গৰাম পেগু, ঘৰ নং-৬৯ এ, সমন্বয় পথ, বি/আই-১ বৰবাৰী, গুৱাহাটী, অসম-৭৮১০৩৬। **LBGUW00005048803, LBGUW00005048806, LBGUW00005333838**	দাগ নং-৪৭৫ (পুৰণি), ২৭৮৮ (নতুন)স কে.পি. পট্টা নং-৩৪ (পুৰণি)/১৫৭৮ (নতুন), ৰাজহগাঁও-হেঙেৰাবাৰী, মৌজা-বেলতলা, জিলা-কামৰূপ (ম), গুৱাহাটী, অসম। মুঠ মাটি কালি- ১ কঠা, ৫ লেচা। প্ৰতিকাত্মক দখলৰ তাৰিখ-০৫-০৮-২০২২	১৬-১০-২০২২ ৪৭,৬২,০৬৪/- টকা	গুৱাহাটী

ওপৰত উল্লেখ কৰা ঋণী/জামিনদাৰসকলক এই জাননী প্ৰকাশ পোৱাৰ ৩০ দিনৰ ভিতৰত ওপৰত উল্লেখ কৰা ধনখিনি আদায় দিবলৈ জনোৱা হ'ল, অন্যথা ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফৰ্চমেণ্ট) আইন, ২০০২ৰ বিধি ৮ আৰু বিধি ৯ অনুসৰি বন্ধকত দিয়া উক্ত সম্পত্তি বিক্ৰী কৰা হ'ব।

তাৰিখ ঃ ৮ আগষ্ট, ২০২২
স্থান ঃ গুৱাহাটী

কৰ্তৃত্বশীল বিষয়া
আই চি আই চি আই বেংক লিমিটেড

প্ৰতীকাত্মক দখলী জাননী

ICICI Bank

শাখা কাৰ্যালয় ঃ আই চি আই চি আই বেংক লিমিটেড, লেণ্ডমাৰ্ক বিল্ডিং, ৪ৰ্থ মহলা, ২২৮এ, এজেচি বসু ৰোড কলকাতা-৭০০০২০, চি আই এন নম্বৰ ঃ এল৬৫১৯০জি জে ১৯৯৪পি এল চি ০২১০১২, www.icic.bank.com

যিহেতু

নিম্ন স্বাক্ষৰকাৰী আই চি আই চি আই বেংক লিমিটেডৰ বিষয়াই চিকিউৰিটিজেছন অৱ ফাইনেন্সিয়েল এছেটছ এণ্ড এনফৰ্চমেণ্ট অৱ চিকিউৰিটি ইণ্টাৰেষ্ট আইন, ২০০২ৰ অধীনৰ আৰু চিকিউৰিটি ইণ্টাৰেষ্ট (এনফৰ্চমেণ্ট) বিধি ২০০২ৰ অনুচ্ছেদ ১৩ (১২)ৰ লগতে বিধি ৩-এ প্ৰদান কৰা ক্ষমতা অনুসৰি নিম্ন লিখিত ঋণীসকলক তলত উল্লেখ কৰা পৰিমাণৰ ঋণ আদায়ৰ বাবে দাবী জাননী জাৰি কৰিছিল, যাতে উক্ত ঋণী/সহ ঋণীসকলে সেই জাননী পোৱাৰ ৬০ দিনৰ ভিতৰত সুদসহ সমুদায় ঋণ আদায় কৰে।

যিহেতু নিৰ্দিষ্ট সময়ৰ ভিতৰত নিম্ন লিখিত ঋণী/সহ ঋণীসকলে সমুদায় ধনৰাশি পৰিশোধ কৰাত অপাৰগ হয়, গতিকে নিম্ন স্বাক্ষৰকাৰী কৰ্তৃত্বশীল বিষয়াই তলত উল্লেখ কৰা বিৱৰণৰ সম্পত্তি উক্ত আইনৰ অনুচ্ছেদ ১৩ (৪) আৰু বিধি ৮-এ প্ৰদান কৰা কৰ্তৃত্ব অনুসৰি নিম্ন উল্লেখিত তাৰিখত প্ৰতিকাত্মক দখলী কৰিছে বুলি ঋণী/সহ ঋণী লগতে সৰ্বসাধাৰণ ৰাইজক এই জাননী দ্বাৰা জনোৱা হ'ল। ঋণী/সহ ঋণীৰ লগতে সৰ্বসাধাৰণ ৰাইজক সতৰ্ক কৰি দিয়া যায় যে নিম্নোলিখিত সম্পত্তিৰ স'তে লেনদেন নকৰে যেন। অন্যথা আই চি আই চি আই বেংক লিমিটেড অনুসৰি মূল্য আদায় কৰা হ'ব।

ক্ৰ নং	ঋণ লওঁতাৰ নাম/লোণ একাউণ্ট নং	সম্পত্তিৰ বিৱৰণ আৰু প্ৰতীকাত্মক দখলৰ তাৰিখ	ডিমাণ্ড জাননীৰ তাৰিখ আৰু টকাৰ পৰিমাণ	শাখাৰ নাম
১	ৰাহুল কুমাৰ দেৱ/ৰোহিত কে ৰাজা, ছি টেম্পল ৰিজেট, স্পা মিট্টেছ প'ট ডগ্‌লাচ কল্ড ৪৮৭৭, কুইনছলেণ্ড ৪০৫৩/ **LBGUW00001911465**	ফ্লেট নং-৫০৫, ৫ম মহলা, ছিপ্ৰা টাৱাৰ, গড়ৰেজ প্ৰকৃতি ১৮৭, এফ/১, বৰাকপুৰ ট্ৰাঙ্ক ৰোড, ৱাৰ্ড নং-১৪, পানীহাতী মিনিচিপালিটি, মৌজা-সুকচৰ, থানা-খাৰদহ, জে.আই নং-৯ এছ আৰ অ', বৰাকপুৰ, কলকাতা, পশ্চিমবংগ। মুঠ মাটি কালি-৯২৯ বৰ্গ ফুট, মুখ্য নিৰ্মাণ এলেকা, অভিক্ত সমানুপাতিক ভূখণ্ডৰ সৈতে আৰু এটি মুকলি গাড়ী পাৰ্কিং ঠাই। প্ৰতিকাত্মক দখলৰ তাৰিখ-০৪-০৮-২০২২	০৬-০৭-২০২১ ১১,১৭,৯৩৬/- টকা	গুৱাহাটী কলকাতা

ওপৰত উল্লেখ কৰা ঋণী/জামিনদাৰসকলক এই জাননী প্ৰকাশ পোৱাৰ ৩০ দিনৰ ভিতৰত ওপৰত উল্লেখ কৰা ধনখিনি আদায় দিবলৈ জনোৱা হ'ল, অন্যথা ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফৰ্চমেণ্ট) আইন, ২০০২ৰ বিধি ৮ আৰু বিধি ৯ অনুসৰি বন্ধকত দিয়া উক্ত সম্পত্তি বিক্ৰী কৰা হ'ব।

তাৰিখ ঃ ৮ আগষ্ট, ২০২২
স্থান ঃ গুৱাহাটী

কৰ্তৃত্বশীল বিষয়া
আই চি আই চি আই বেংক লিমিটেড

পঞ্জাব নেশ্যনেল বেংক punjab national bank

[illegible]

স্থাৱৰ সম্পত্তিৰ বিক্ৰীৰ বিজ্ঞপ্তি

[illegible]

ক্ৰ. নং	ঋণগ্ৰহীতাৰ নাম	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]

[illegible]

পঞ্জাব নেশ্যনেল বেংক punjab national bank

[illegible]

অধিগ্ৰহণ জাননী

[illegible]

ক্ৰ. নং	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]

[illegible]

দৈনিক অগ্ৰদূত
গুৱাহাটী, ৯ আগষ্ট, ২০২২ মঙলবাৰ পৃষ্ঠা তিনি

বৰপেটাত বজ্ৰপাতত এজনৰ মৃত্যু

বিশেষ সংবাদদাতা

বৰপেটা, ৮ আগষ্ট ঃ বৰপেটা জিলাৰ ধকুৱাত আজি পুৱা বজ্ৰপাতত এজন লোক নিহত হয়। বজ্ৰ পৰি নিহত হোৱা লোকজন হৈছে ধকুৱাৰ কৃষক খলিলুৰ ৰহমান (৫০)। স্থানীয় লোকে জনোৱা মতে, আজি পুৱা প্ৰায় ৬-৩০ বজাত কৃষকজনে মাছ মাৰিবলৈ ঘৰৰ পাছফালে থকা ফিঙুৱা বিললৈ গৈছিল। সেই সময়তে বিলৰ ওচৰত বজ্ৰপাত হোৱাত লগে লগে ঢলি পৰে কৃষকজন। লগে লগে স্থানীয় লোকে ৰহমানক চিকিৎসালয়লৈ নিয়াৰ ব্যৱস্থা কৰে যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। কৃষকজনৰ আকস্মিক মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

ঘিলাধাৰী নদীৰ ওপৰত থকা দলঙৰ জৰাজীৰ্ণ ৰূপ

যাতায়াতৰ নামত যমৰ যাতনা ভুগিছে জনগণে

বিদ্যুৎ বিধেয়কৰ বিৰোধিতাৰে ক'লা দিৱস বিদ্যুৎ কৰ্মচাৰীৰ।

অগ্ৰদূত বাৰ্তা

চতিয়া, ৮ আগষ্ট ঃ দেশে ৭৫ বছৰীয়া স্বাধীনতা দিৱস উদ্‌যাপনৰ বাবে বিভিন্ন বৰ্ণাঢ্য কাৰ্যসূচী গ্ৰহণ কৰাৰ সময়তে বিশ্বনাথ সমষ্টিৰ অন্তৰ্গত চতিয়াৰ চাৰি নম্বৰ গাঁও পঞ্চায়তৰ অধীনৰ বৰভেটি বকৰাপট্টা অঞ্চলত দেশৰ উন্নয়নৰ এক বিপৰীত প্ৰতিচ্ছবি প্ৰতিফলিত হৈছে। সুদীৰ্ঘ ১৫ বছৰ ধৰি চতিয়াৰ বৰভেটি বকৰাপট্টা অঞ্চলৰ ৰাইজে এই দলংখনৰ বাবে যমৰ যাতনা ভুগি আহিছে। বকৰাপট্টা-বৰভেটি সংযোগী দলংখন কাঠেৰে নিৰ্মাণ কৰিছিল যদিও নিম্নমানৰ কাঠ ব্যৱহাৰ কৰাৰ *ছয় পৃষ্ঠাত চাওক*



কৰ্মসংস্থাপনৰ প্ৰলোভনেৰে বহিঃৰাজ্যলৈ নাবালিকাক সৰবৰাহৰ পৰিকল্পনা

তামুলপুৰৰ দৰংগামেলাত আৰক্ষীৰ জালত দুজন মানৰ সৰবৰাহকাৰী

অগ্ৰদূত বাৰ্তা

তামুলপুৰ, ৮ আগষ্ট ঃ তামুলপুৰ জিলাৰ ভূটান সীমান্তত পুনৰ সক্ৰিয় হৈছে মানৰ সৰবৰাহকাৰী। সীমান্ত অঞ্চলৰ দুখীয়া পৰিয়ালৰ কিশোৰী নাবালিকাক বহিঃৰাজ্যলৈ সৰবৰাহ কৰা পৰিকল্পনাত সক্ৰিয় হৈছে মানৰ সৰবৰাহকাৰীৰ দল। বহিঃৰাজ্যত কৰ্মসংস্থাপন দিয়াৰ প্ৰলোভনেৰে দুগৰাকী নাবালিকাক গুজৰাটৰ মাছ ফেক্টৰীত নিবলৈ যো-জা চলাওতে আজি দৰংগামেলা আৰক্ষীয়ে আটক কৰে দিলীপ বৰ্মন (৩১) আৰু বিক্ৰম বৰ্মন (২০) নামৰ দুজন যুৱকক। দৰংগামেলা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া গোপাল দলে সদৰী কৰা মতে, এক গোপন খবৰৰ ভিত্তিত স্থানীয় ৰাইজৰ সহযোগত দৰংগামেলাৰ পৰা দুগৰাকী নাবালিকাসহ আটক কৰে মানৰ সৰবৰাহকাৰী যুৱক দুজনক। মানৰ সৰবৰাহকাৰী যুৱক দুজনে আজি ৰঙিয়াৰ পৰা ৰেলযোগে নাবালিকা দুগৰাকীক গুজৰাটলৈ নিয়াৰ পৰিকল্পনা কৰিছিল। উদ্ধাৰ হোৱা নাবালিকা দুগৰাকীৰ পৰিয়ালৰ লোকে দিয়া এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে এটি গোচৰ ৰুজু কৰি আটকাধীন দুয়োজনকে অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে। আনহাতে, উদ্ধাৰ হোৱা নাবালিকা দুগৰাকীক বাগ্‌সা জিলা সদৰ মুছলপুৰস্থিত শিশু কল্যাণ কেন্দ্ৰলৈ প্ৰেৰণ কৰিছে।

চাপৰত ট্ৰাকৰ খুন্দাত প্ৰাণ গ'ল গাৰোঝৰা জামে মছজিদৰ খাদিম আব্দুল মতিনৰ

অগ্ৰদূত বাৰ্তা

চাপৰ, ৮ আগষ্ট ঃ চাপৰ চহৰৰ মাজমজিয়াৰ ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱা প্ৰায় ৯-৩০ বজাত সংঘটিত এক শোকাবহ পথ দুৰ্ঘটনাত গাৰোঝৰা জামে মছজিদৰ খাদিম আব্দুল মতিন (৩৫)ৰ মৃত্যু হয়। চাপৰৰ ৰৌমাৰীৰ আব্দুল ছামাদৰ পুত্ৰ তথা উক্ত জামে মছজিদৰ খাদিম মতিনে আজি পুৱা চাপৰ বজাৰৰ ফালে আহিছিল। সেই সময়তে চাপৰ চক্ৰ বিষয়ৰ কাৰ্যালয়ৰ সমীপৰ ৰাষ্ট্ৰীয় ঘাইপথত একে দিশৰ পৰা অহা এএছ-১৭ বি-৫৬৯৬ নম্বৰৰ মালবাহী ট্ৰাকখনে তেওঁক মহটিয়াই কিছু দূৰলৈ লৈ যায়। এই শোকাবহ দুৰ্ঘটনাটোত মতিনৰ ঘটনাস্থলীতে মৃত্যু হয়। লগে লগে এক হুৱাদুৱাৰ সৃষ্টি হয়। পাছত চাপৰ আৰক্ষীৰ দল এটাই ঘটনাস্থলীত উপস্থিত হৈ মতিনৰ মৃতদেহ উদ্ধাৰ কৰি চাপৰ আৰক্ষী থানালৈ আনি মৰণোত্তৰ পৰীক্ষাৰ বাবে ধুবুৰীলৈ প্ৰেৰণ কৰে। ইপিনে, সন্ধিয়া মতিনৰ মৃতদেহ পৰিয়ালৰ লোকে গ্ৰহণ কৰাৰ পাছত ৰৌমাৰীস্থিত চাপৰ আঞ্চলিক কবৰস্থানত প্ৰায় সহস্ৰাধিক লোকৰ উপস্থিতিত তেওঁৰ জনাজা আৰু দাফন কাৰ্য সম্পন্ন কৰা হয়। খাদিম মতিনৰ অকাল মৃত্যুত সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পৰিছে। চাপৰ প্ৰেছ ক্লাব, ৰৌমাৰী গাঁও সমাজ, চাপৰ পৌৰসভাৰ সাত নম্বৰ ৱাৰ্ডৰ ৱাৰ্ড কমিছনাৰ ছাহিদুল সৰকাৰ, দেশী জনগোষ্ঠীয় মঞ্চৰ বিলাসীপাৰা জিলা সমিতিৰ সভাপতি জুলফিকৰ আলী শ্বেইখ, যুৱ সমাজকৰ্মী নজৰুল ইছলাম, শ্বাহ আলম, হামিদুল ৰহমান সৰকাৰ, সুৰত জামাল (দাইয়া)কে ধৰি বহু দল-সংগঠন তথা ব্যক্তি বিশেষ শোক প্ৰকাশ কৰি শোক সন্তপ্ত পৰিয়ালৰে সমবেদনা জ্ঞাপন কৰে।

দুঠাইত জেহাদীয়ে কাম কৰি আছে

এবিটি সদস্যক গ্ৰেপ্তাৰ সন্দৰ্ভত ধুবুৰীৰ আৰক্ষী অধীক্ষকৰ সংবাদমেল

ধুবুৰী, ৮ আগষ্ট ঃ বাংলাদেশৰ দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী সংগঠন আনছাৰউল্লাহ বাংলা টীম চমুকৈ এবিটিৰ সদস্য তথা মৈৰাবাৰীৰ বাসিন্দা আবু তাল্লাহৰ পত্নী জহুৰা খাতুন (২৪)ক গ্ৰেপ্তাৰ সন্দৰ্ভত ধুবুৰী জিলা আৰক্ষী অধীক্ষক গৌৰৱ অভিজিত দিলীপে সংবাদমেলৰ আয়োজন কৰে। সংবাদমেলত জিলা আৰক্ষী অধীক্ষকজনে সদৰী কৰা মতে, মৈৰাবাৰীৰ পলাতক এবিটিৰ সদস্যা আবু তাল্লাহৰ পত্নী জহুৰা খাতুনক কালি নায়েৰ আলগা দ্বিতীয় খণ্ড গাঁৱৰ পৰা এবিটিৰ যোগাযোগমেন জহুৰা খাতুনক গ্ৰেপ্তাৰ কৰিছিল। ইতিমধ্যে গ্ৰেপ্তাৰ হোৱা জহুৰা খাতুনৰ পৰা বাংলাদেশৰ দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী সংগঠন এবিটিৰ লগত সম্পৰ্ক থকা বহু তথ্য সংগ্ৰহ কৰিছে ধুবুৰী জিলা আৰক্ষীয়ে। ধৃত মহিলাগৰাকীয়ে *ছয় পৃষ্ঠাত চাওক*

শ্ৰীৰামপুৰত বাৰ্মিজ চেগুন কাঠসহ ট্ৰাক জব্দ ঃ আটক দুই

অগ্ৰদূত বাৰ্তা

শ্ৰীৰামপুৰ, ৮ আগষ্ট ঃ কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ শিমুলটাপু আৰক্ষী চকীৰ অন্তৰ্গত অসম-বংগ সীমান্তৰ শ্ৰীৰামপুৰত ৩১ নম্বৰ (গ) ৰাষ্ট্ৰীয় পথত আজি বিয়লি আৰক্ষীয়ে অভিযান চলাই বৃহৎ পৰিমাণৰ বাৰ্মিজ কাঠসহ এন এল-০২ কিউ-৮৯৬৭ নম্বৰৰ এখন ট্ৰাক জব্দ কৰাৰ লগতে চালক আৰু খালাচীক আটক কৰে। আগতীয়াকৈ পোৱা খবৰৰ ভিত্তিত শিমুলটাপু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া সঞ্জয় কুমাৰ ৰায়ৰ নেতৃত্বত আৰক্ষীৰ এটি দলে আজি বিয়লি দুই মান বজাত শ্ৰীৰামপুৰত ৰাষ্ট্ৰীয় পথত তালাচী অভিযান চলাই ট্ৰাকখনক আটক কৰি তালাচী চলাওতে ট্ৰাকখনত বাৰ্মিজ চেগুন কাঠ থকা প্ৰত্যক্ষ কৰে। পাছত ম্যানমাৰৰ পৰা অবৈধভাৱে আমদানিকৃত মূল্যবান কাঠখিনি আৰক্ষীয়ে জব্দ কৰে। ডিমাপুৰৰ পৰা কলকাতাৰ অভিমুখে গৈ থকা ট্ৰাকখনত পুৰণি বটলৰ বস্তাৰ মাজত বাৰ্মিজ চেগুন কাঠ সৰবৰাহ কৰি আছিল। জব্দকৃত কাঠৰ বজাৰ মূল্য ২০ লক্ষাধিক টকা হ'ব বুলি আৰক্ষীয়ে অনুমান কৰিছে। আৰক্ষীয়ে ট্ৰাকৰ চালক পশ্চিমবংগৰ উত্তৰ চব্বিশ পৰগনা জিলাৰ বেলঘৰিয়া থানাৰ ৰবিন চেটাৰ্জী (২৯) আৰু মধ্যপ্ৰদেশৰ চিন্দুৱাৰা জিলাৰ কুন্দিপুৰা থানাৰ নিবাসী দীপক দেহৰীয়া (১৯)ক আটক কৰি অধিক তথ্য উদ্ধাৰৰ বাবে আৰক্ষীয়ে সোধপোছ অব্যাহত ৰাখিছে।

অসম আন্দোলনৰ সক্ৰিয় নেতা, বিশিষ্ট অভিনেতা, পৰিচালক প্ৰদীপ শৰ্মাৰ মৃত্যু

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

নগাঁও/ বেবেজীয়া, ৮ আগষ্ট ঃ অসম আন্দোলনৰ এগৰাকী সক্ৰিয় কৰ্মী, বিশিষ্ট অভিনেতা, নাট্যকাৰ, পৰিচালক, ৰ'দঘাই বেবেজীয়াৰ সভাপতি প্ৰদীপ শৰ্মা (সোনটি দা)ৰ আজি বিয়লি প্ৰায় ৪:৩০ বজাত গুৱাহাটীৰ ইন্টাৰনেছনেল এপ'ল হাস্পতালত চিকিৎসাধীন অৱস্থাতে পৰলোকপ্ৰাপ্তি হয়। উল্লেখ্য যে যোৱা ১১ জুলাইত প্ৰদীপ শৰ্মা জ্বৰত আক্ৰান্ত হোৱাত ততাতৈয়াকৈ চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও ১৪ জুলাইত তেওঁ জাপানীজ এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হোৱা বুলি নিশ্চিত কৰে চিকিৎসকে। তেতিয়াৰে পৰা তেওঁ চিকিৎসাধীন অৱস্থাত আছিল যদিও নিয়তিৰ ওচৰত হাৰ মানি আজি অনন্তধামলৈ গতি কৰিলে বেবেজীয়াৰ বলিষ্ঠ অভিনেতা নাট্যকাৰজনে। তেওঁ কেৱল বৃহত্তৰ বেবেজীয়া অঞ্চলৰে নহয়, তেওঁ সমগ্ৰ নগাঁও *ছয় পৃষ্ঠাত চাওক*

দৰংগামেলাত অচিনাক্ত মহিলাৰ মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

তামুলপুৰ, ৮ আগষ্ট ঃ তামুলপুৰ জিলাৰ অন্তৰ্গত ভাৰত-ভূটান সীমান্তৰ মৈনাচ আলি পাহাৰত আজি এটি অচিনাক্ত মহিলাৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই সীমান্ত অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। দৰংগামেলা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া গোপাল দলে সদৰী কৰা মতে আজি পুৱা স্থানীয় কিছুলোকে ভূটান সীমান্তৰ মৈনাচ আলি পাহাৰত এটা মৃতদেহ প্ৰত্যক্ষ কৰি দৰংগামেলা আৰক্ষী চকীত খবৰ দিয়ে। খবৰ পোৱাৰ লগে লগে দৰংগামেলা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া গোপাল দলেৰ নেতৃত্বত আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ মৃতদহটো পৰ্যবেক্ষণ কৰে। পৰৱৰ্তী সময়ত ঘটনাস্থলীত দণ্ডাধীশসহ তামুলপুৰ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক, উপ-আৰক্ষী অধীক্ষকৰ লগতে তামুলপুৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই সেই স্থানত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি দৰংগামেলা আৰক্ষী চকীলৈ আনি মৰণোত্তৰ পৰীক্ষাৰ বাবে বাগ্‌সা জিলা সদৰ মুছলপুৰলৈ প্ৰেৰণ কৰে। উল্লেখ্য যে মৃতদেহটো প্ৰায় ৩৫ বছৰীয়া এগৰাকী মহিলাৰ যদিও বাতৰি লিখাৰ পৰলৈকে মৃতদেহটো চিনাক্ত কৰিব পৰা হোৱা নাই। মহিলাগৰাকীক কোনোবাই হত্যা কৰি পাহাৰত পেলাই থৈ গ'ল নে অইন কাৰণত মৃত্যু হ'ল সেই সম্পৰ্কে আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। আৰক্ষীয়ে জানিবলৈ দিয়া মতে, প্ৰকৃত কাৰণ বৰ্তমানো জানিব পৰা হোৱা নাই। মৰণোত্তৰ পৰীক্ষাৰ অন্তত মৃতদেহ ৭২ ঘণ্টাৰ বাবে মৰ্গত ৰখা হ'ব। উক্ত সময়ৰ ভিতৰত মৃতদেহ চিনাক্ত নহ'লে বিভাগীয় নিয়ম মতে সৎকাৰৰ ব্যৱস্থা কৰা হ'ব।

দক্ষিণপাট সত্ৰত নকল বৃন্দাবনী বস্ত্ৰ প্ৰস্তুতৰ তীব্ৰ বিৰোধিতা সত্ৰ মহাসভাৰ

অগ্ৰদূত বাৰ্তা

পুৰণিগুদাম, ৮ আগষ্ট ঃ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অপূৰ্ব সৃষ্টি বৃন্দাবনী বস্ত্ৰৰ অনুকৃতিমূলক এখন বস্ত্ৰ প্ৰস্তুত কৰি মাজুলীৰ শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰই সমাগত দুৰ্গা পূজাৰ সময়তে ৰাইজৰ দৰ্শনৰ বাবে মুকলি কৰি দিব বুলি প্ৰকাশ কৰা তথ্যত তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে অসম সত্ৰ মহাসভাই। সম্প্ৰতি লণ্ডনৰ যাদুঘৰত সংৰক্ষিত হৈ থকা বৃন্দাবনী বস্ত্ৰ অসমলৈ ওভতাই অনাৰ বাবে চৰকাৰী প্ৰচেষ্টা বাৰম্বাৰ ব্যৰ্থ হোৱাৰ সময়তে প্ৰকৃত বৃন্দাবনী বস্ত্ৰৰ এখন হুবহু নকল প্ৰস্তুত কৰিবলৈ দক্ষিণপাট সত্ৰক কোনে কৰ্তৃত্ব দিলে বুলি আজি প্ৰশ্ন তুলিছে অসম সত্ৰ মহাসভাই। বিষয়টো সম্প্ৰতি আদালতৰ *ছয় পৃষ্ঠাত চাওক*

তিনি জেহাদী পুনৰ চাৰি দিনৰ আৰক্ষী জিম্মাত

বৰপেটাত ছয় জেহাদীক কাৰাগাৰলৈ প্ৰেৰণ

বিশেষ সংবাদদাতা

বৰপেটা, ৮ আগষ্ট ঃ বৰপেটা আৰক্ষীয়ে আনছাৰুল বাংলা টীমৰ স'তে জড়িত থকাৰ সন্দেহত আটক কৰা নজন জেহাদীক আৰক্ষীৰ ন দিনীয়া জিম্মাৰ ম্যাদ সমাপ্ত হোৱাৰ পাছত কালি বৰপেটা আদালতত হাজিৰ কৰায়। বৰপেটাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱাৰ পাছত অধিক তদন্তৰ বাবে ইয়াৰে তিনি জেহাদীক চাৰি দিনৰ বাবে পুনৰ আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰে। আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰা তিনি জেহাদী হ'ল ছাহানুৰ আলম, কাজিবুৰ হুছেইন আৰু হাছানুল ইছলাম। আনহাতে, আদালতে জুবেইৰ খান, ৰফিকুল ইছলাম, দেৱান হামিদুল ইছলাম, মইনুল হক, মজিবৰ ৰহমান আৰু ছাহজাহান আলীক কাৰাগাৰলৈ প্ৰেৰণ কৰে।

তেজপুৰত নকল সোণৰ প্ৰৱঞ্চক গ্ৰেপ্তাৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

তেজপুৰ, ৮ আগষ্ট ঃ যোৱা নিশা তেজপুৰৰ কেতেকীবাৰীৰ সমীপত আমিৰ হুছেইন নামৰ নকল সোণ বিভিন্নজনক বিক্ৰী কৰা এক প্ৰৱঞ্চকক সেনাই কৰায়ত্ত কৰি স্থানীয় কছাৰীগাঁও আৰক্ষীক গতাই দিয়ে। সেনাই প্ৰকাশ কৰা অনুসৰি, খলিহামাৰীৰ আমিৰ হুছেইনে আন লোকৰ লগতে *ছয় পৃষ্ঠাত চাওক*

অভিজিত শৰ্মা বৰুৱালৈ 'অকণিৰ সাহিত্য সভা'ৰ ২০২২ৰ অসমীয়া শিশু সাহিত্য বঁটা

ষ্টাফ ৰিপ'ৰ্টাৰ

তেজপুৰ, ৮ আগষ্ট ঃ দেশ-বিদেশৰ বিখ্যাত তথা অনুপ্ৰেৰণাদায়ী লোকৰ ভালেসংখ্যক শিশু উপযোগী জীৱনীৰ লগতে বিভিন্ন বিষয়ৰ শিশু গ্ৰন্থৰ ৰচক অভিজিত শৰ্মা বৰুৱালৈ অকণিৰ সাহিত্য সভাই আগবঢ়াইছে ২০২২ৰ অসমীয়া শিশু সাহিত্য বঁটা। চমকপ্ৰদ দ্ৰব্যৰ বিস্ময়কৰ কাহিনী, নেন'-পৰৱৰ্তী বিপ্লৱ, দুটাকৈ খণ্ডত ২০২ টা বিজ্ঞান পৰীক্ষা, বিদ্যুতৰ বিচিত্ৰ কাহিনী, বিজ্ঞানৰ পৰীক্ষা, বিজ্ঞানৰ নানা কথা, বিজ্ঞানৰ অভিনৱ জগতখন, পৰিৱেশবিদ কেইজনমান প্ৰখ্যাত ভাৰতীয়, কল্পবিজ্ঞানৰ গল্প নতুন পৃথিবী, কল্পবিজ্ঞান উপন্যাসিকা সংকলন দ্বিতীয় তাজমহল, উপন্যাস ৰিংকু, মাইনী আৰু ইটো-সিটো বহুতো, এক অনন্য শক্তি-বিদ্যুৎ, এলবাৰ্ট আইনষ্টাইন, আইজাক নিউটন, গেলিলিও গেলিলি, মেৰী আৰু পিয়েৰী কুৰী, টমাছ আলভা এডিছন, আৰ্কিমিডিছ, চাৰ্লছ ডাৰউইন, লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, ভূপেন হাজৰিকা, মামণি ৰয়ছম গোস্বামী, মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু, সৰ্বপল্লী ৰাধাকৃষ্ণণ, মাদাৰ টেৰেছা, স্বামী বিবেকানন্দ, আব্দুল কালাম, লক্ষ্মীনাথ বেজবৰুৱা, আকাশী গংগা বিচৰা নাই, ড° ভূপেন হাজৰিকা, তপস্বিনী মামণি ৰয়ছম গোস্বামী, মহাবীৰ লাচিত, বীৰ চিলাৰায়, ছায়েন্স প্ৰজেক্ট, ছাত্ৰ-ছাত্ৰীৰ গাইড, বল্লভ ভাই পেটেল, ৰবীন্দ্ৰনাথ ঠাকুৰ, মৌলামা আব্দুল কালাম আজাদ আদিৰ উপৰি অনুবাদ গ্ৰন্থ হানছেল আৰু গ্ৰেটেল, বুট জোতা পিন্ধা মেকুৰীটো, আলাদ্দিন আৰু যাদুকৰী চাকিটো, গালিভাৰৰ ভ্ৰমণ, দুজন কণমানি দেৱতা আৰু মুচীজন, ৰূপকুঁৱৰী আৰু জন্তুটো, হেইডি, ৰঙা ওৰণিৰ কণমানিজনী, সঞ্চিত সম্পদৰ দ্বীপটো, চিনড্ৰেলা, আলিবাবা আৰু চল্লিছজন চোৰ, স্ন' *ছয় পৃষ্ঠাত চাওক*

তামুলপুৰৰ ভূটান সীমান্তৰ শান্তিপুৰত বনৰীয়া হাতীৰ আক্ৰমণত নিহত মহিলা

অগ্ৰদূত বাৰ্তা

তামুলপুৰ, ৮ আগষ্ট ঃ তামুলপুৰ জিলাৰ ভূটান সীমান্তত অব্যাহত আছে হাতী-মানুহৰ সংঘাত। খাদ্যৰ সন্ধানত ভূটান পাহাৰৰ পৰা নামি অহা বনৰীয়া হাতীৰ জাকে প্ৰতি নিশাই সীমান্ত অঞ্চলত চলাই আহিছে উপদ্ৰৱ। হাতী-মানুহৰ সংঘাতৰ পৰিণতিতে আজি পুৱাৰ ভাগত তামুলপুৰ জিলাৰ ভূটান সীমান্তৰ বৃহত্তৰ আঙাৰকাটাৰ শান্তিপুৰত বনৰীয়া হাতীৰ আক্ৰমণত মৃত্যুমুখত পৰে এগৰাকী মহিলা। মৃত মহিলাগৰাকী শান্তিপুৰৰ মৰাণ বিশ্বাসৰ পত্নী অলকা বিশ্বাস (৪০) বুলি জানিব পৰা গৈছে। স্থানীয় লোকে সদৰী কৰা মতে, আজি পুৱা পাঁচ মান বজাত শান্তিপুৰ আঙাৰকাটাৰ এগৰাকী মহিলাই পথাৰলৈ গৰু এবাল দিবলৈ যাওতে পথাৰৰ কাষৰ হাবিয়নিত অৱস্থান কৰি থকা এটা বনৰীয়া হাতীয়ে মহিলাগৰাকীক খেদি অহাত মহিলাগৰাকীয়ে দৌৰি আহি এঘৰত সোমাই কোনো মতে প্ৰাণ ৰক্ষা কৰে। ঠিক সেই সময়তে পুৱা শোৱাপাটীৰ পৰা উঠি নিজৰ পদূলি মুখলৈ ওলাই অহা অলকা বিশ্বাস নামৰ মহিলাগৰাকী হঠাতে বনৰীয়া হাতীটোৰ সন্মুখীন হোৱাত হাতীটোৱে মহিলাগৰাকী আক্ৰমণ কৰি মূৰত গচকি দিয়াত ঠাইতে নিহত হয় মহিলাগৰাকী। বনৰীয়া হাতীটোৱে মহিলাগৰাকীক আক্ৰমণ কৰা প্ৰত্যক্ষ আন কেইজনমান লোকে চিঞৰ-বাখৰ লগাই দিয়াত হাতীটো সেই ঠাইৰ পৰা আঁতৰি যায়। পাছত ঘটনা সম্পৰ্কে কোনো লোকে কুমাৰীকাটা বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ত খবৰ দিয়ে। বনৰীয়া হাতীৰ আক্ৰমণত এগৰাকী মহিলাৰ মৃত্যুৰ খবৰ লাভ কৰাৰ লগে লগে কুমাৰীকাটাৰ ভাৰপ্ৰাপ্ত বনাঞ্চলিক বিষয়া বীৰেন বড়োৰ লগতে বনকৰ্মীৰ দল এটি ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে। আনহাতে, গাঁওখনৰ এমূৰত *ছয় পৃষ্ঠাত চাওক*

জুৰীয়াত ড্ৰাগছসহ ধৃত সৰবৰাহকাৰী

অগ্ৰদূত বাৰ্তা

জুৰীয়া, ৮ আগষ্ট ঃ জুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত মেলেকাধিঙত যোৱা নিশা আৰক্ষীয়ে অভিযান চলাই বুজন পৰিমাণৰ ড্ৰাগছসহ এজন কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। ধৃত ড্ৰাগছ সৰবৰাহকাৰীজনৰ নাম ছফিৰ উদ্দিন। জুৰীয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অদিথ বড়োৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলটোৱে মেলেকাধিং-বৰালীমাৰীৰ ছফিৰ উদ্দিনৰ বাসগৃহত অভিযান চলাই ৫.৭২ গ্ৰাম ড্ৰাগছৰ লগতে ৫০ টা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰো জব্দ কৰে। উল্লেখ্য যে কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰীজনে দীৰ্ঘদিন ধৰি অঞ্চলটোত ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায় চলাই আহিছিল।

মানাহৰ পৰ্যটনক্ষেত্ৰত বৰ্ধিত মাচুল প্ৰত্যাহাৰ-ক্ষেত্ৰ সঞ্চালকক বদলিৰ দাবী

১০ আগষ্টৰ পৰা মানাহত পুনৰ প্ৰতিবাদী কাৰ্যসূচী

অগ্ৰদূত বাৰ্তা

শালবাৰী, ৮ আগষ্ট ঃ বিশ্ব ঐতিহ্যক্ষেত্ৰ মানাহৰ পৰ্যটনক্ষেত্ৰত বিভিন্ন মাচুল বৃদ্ধিৰ বিৰুদ্ধে যোৱা ন জুলাইৰ পৰাই গ্ৰেটাৰ মানাহ কনজাৰ্ভেছন এণ্ড টুৰিজ্যিম ডেভেল'পমেণ্ট ছ'চাইটিৰ উদ্যোগত অব্যাহত আছে আন্দোলন। ইতিমধ্যে সংগঠনটোৱে ইয়াৰ বিৰুদ্ধে বিভিন্ন প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছে। ইয়াৰ মাজতে বিটিআৰ চৰকাৰ তথা ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ সংগঠনটোৰ বিভিন্ন দাবী সম্বলিত স্মাৰকপত্ৰও প্ৰেৰণ কৰা হৈছিল। আনহাতে, বিটিআৰৰ বন বিভাগৰ কাৰ্যবাহী সদস্য ৰণজিত বসুমতাৰীয়ে মানাহৰ বাঁহবাৰী ৰেঞ্জৰ প্ৰেক্ষাগৃহত আন্দোলনকাৰী সংগঠনটোৰ স'তে কেইদিনমান পূৰ্বে এক আলোচনাতো মিলিত হৈছিল যদিও তাত মাচুল বৃদ্ধিৰ প্ৰসংগটো পুনৰ জাননী নিদিয়া পৰ্যন্ত পূৰ্বৰ নিৰিখমতেই বাহাল থাকিব বুলি আশ্বাস দিছিল যদিও এই পৰ্যন্ত *ছয় পৃষ্ঠাত চাওক*

লেখক ভৱেন বৰাৰ গ্ৰন্থ 'স্বপ্নভংগ' উন্মোচন

বিশেষ সংবাদদাতা

নগাঁও, ৮ আগষ্ট ঃ এক অগতানুগতিক পৰিৱেশত নগাঁৱৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়তে আজি বিয়লি উন্মোচন কৰা হয় এখন গ্ৰন্থ। কেৱল গ্ৰন্থ উন্মোচনেই নহয়, চিকিৎসালয়তে কেক কাটি জন্মদিনো উদ্‌যাপন কৰা হয় গ্ৰন্থখনৰ লেখক নগাঁৱৰ পৰা প্ৰকাশিত সাপ্তাহিক 'কলংপাৰ' কাকতৰ সম্পাদক-লেখক ভবেন বৰাৰ। আজি বৰাৰ ৬৭ সংখ্যক ওপজা দিনটো পালন কৰাৰ লগতে জন্মদিনৰ দিনটোতে তেওঁৰ পঞ্চমখন গ্ৰন্থ তথা 'স্বপ্নভংগ' নামৰ গল্প সংকলনখন ব্যতিক্ৰমী ৰূপত উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে 'কলংপাৰ' কাকতৰ পৰিচালন সঞ্চালক বল্লদেৱ শৰ্মাই। উন্মোচনী ভাষণত তেওঁ লেখক ভবেন বৰাৰ কৰ্মৰাজি সম্পৰ্কত ব্যাখ্যা কৰে। সাংবাদিক জয়ন্ত বৰাই আঁত ধৰা এই অনুষ্ঠানত 'কলংপাৰ'ৰ কাৰ্যবাহী সম্পাদক, বিশিষ্ট নাট্যশিল্পী পুন্যদা বৰা, উপ-সম্পাদক পূৰবী চক্ৰৱৰ্তী সূত, চিকিৎসক মনমোহন শৰ্মা, ডাঃ অৰুণা গোহাঁই আদিয়েও বক্তব্য আগবঢ়ায়। ভাষণ প্ৰসংগত লেখক ভবেন বৰাই নিজৰ অনুভৱ ব্যক্ত কৰি কয় যে গ্ৰন্থখন প্ৰকাশৰ ক্ষেত্ৰত তেওঁৰ সহধৰ্মিনীৰ বহু অৱদান আছে আৰু সহধৰ্মিনী ৰেণু বৰাৰ ইচ্ছা পূৰণৰ লগতে সুবিধাজনক স্থান হিচাপে

দৈনিক অগ্ৰদূত

গুৱাহাটী মঙলবাৰ ২৩ শাওণ ১৪২৯ ভাস্কৰাব্দ ৯ আগষ্ট ২০২২

নিয়ন্ত্ৰণৰ প্ৰয়োজন

সামাজিক মাধ্যম আধুনিক প্ৰযুক্তি তথা ইন্টাৰনেটৰ অতি প্ৰভাৱশালী গুৰুত্বপূৰ্ণ বিশ্বজোৰা অৱদান। পৰম্পৰাগত মাধ্যম বা প্ৰচাৰ মাধ্যমসমূহৰ সমান্তৰালকৈ অভাৱনীয়ভাৱে সামাজিক মাধ্যম সৰ্বত্ৰ অতি জনপ্ৰিয় হৈ পৰিছে আৰু ইয়াৰ ব্যৱহাৰ বিশেষকৈ নৱ প্ৰজন্মৰ মাজত সৰ্বাধিক দেখা গৈছে; কিন্তু এই গণ মাধ্যমক বহুতেই বিভিন্ন ব্যক্তিগত তথা সমাজবিৰোধী কাৰ্যত ব্যৱহাৰ কৰিবলৈ লোৱাৰ ফলত সামাজিক মাধ্যমে আজি ভয়ংকৰ ক্ষতিকাৰক অপৰাধৰ ৰূপ লৈছে, যাক সাধাৰণতে চাইবাৰ অপৰাধ বুলি কোৱা হৈ আহিছে। ফেচবুক, হোৱাটছএপ, টুইটাৰ আদিক বিভিন্ন ব্যৱহাৰকাৰীয়ে বিভিন্ন লোকৰ বিৰুদ্ধে আক্ৰোশমূলক বা ক্ষতিকাৰক মন্তব্য প্ৰচাৰৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰিছে। আনকি বিভিন্ন নিৰপৰাধী যুৱতী-মহিলাৰ নগ্ন ছবি তথা ভিডিঅ' আপল'ড কৰি তেওঁলোকৰ ভাৱমূৰ্তি নষ্ট কৰা হৈছে। অশ্লীল শব্দ বা বাক্য প্ৰচাৰ কৰা হৈছে বিনাদ্বিধাই। দেশৰ অসংখ্য লোক এই ধৰণৰ চাইবাৰ অপৰাধৰ বলি হৈছে। চৰকাৰ তথা আৰক্ষী প্ৰশাসনে এনে ধৰণৰ অপৰাধ বন্ধ কৰিবলৈ আৰু অপৰাধীসকলক ধৰিবলৈ চেষ্টা চলাই আছে আৰু বহুতকে ধৰিবলৈ সক্ষম হৈছে যদিও ভুৱা একাউন্ট খুলি এনে ধৰণৰ অপৰাধত লিপ্ত হোৱা বহুতকেই ধৰা পেলোৱা আৰু শাস্তি দিয়া সম্ভৱ হোৱা নাই। বিশেষকৈ সামাজিক মাধ্যমক এনেদৰে অপৰাধমূলক কামত ব্যৱহাৰ কৰাসকলৰ বিৰুদ্ধে কঠোৰ আইনগত নীতি-নিৰ্দেশনাৰ অভাৱ হোৱাত বহুতো অপৰাধী সাৰি গৈছে। দেশত ঘটি থকা কিছুমান দলবদ্ধ হিংসা আৰু আক্ৰমণৰ ঘটনা, গণ উন্মাদনা সৃষ্টি কৰা আদিত ভুৱা বাতৰি, উৰা বাতৰি বহু পৰিমাণে দায়ী। চৰকাৰে সেয়ে এনে এক আইনগত ব্যৱস্থা প্ৰস্তুত কৰিব লাগিব, যি উৰা বাতৰি, ভুৱা বাতৰি, অশ্লীল বাক্য বা মন্তব্য, যৌন বিষয়ক ছবি বা ভিডিঅ' আদিৰ উৎসসমূহ ধৰা পেলোৱাত সহায়ক হ'ব।

সামাজিক মাধ্যমো আনসমূহ প্ৰচাৰ মাধ্যম, গণ মাধ্যম, ছপা মাধ্যম আদি পৰম্পৰাগত মাধ্যমৰ দৰে এটা গুৰুত্বপূৰ্ণ মাধ্যম; কিন্তু এই মাধ্যমক যিকোনো লোকে নিজৰ স্বাৰ্থত নাইবা আনৰ বিৰুদ্ধে অতি সহজে আৰু বাধাহীনভাৱে ব্যৱহাৰ কৰিব পাৰে। আধুনিক প্ৰযুক্তিৰ আৰু ইন্টাৰনেটৰ এই সুবিধা দুষ্কৃতিকাৰীসকলে ব্যৱহাৰ কৰিবলৈ লৈছে। সেয়ে এই সামাজিক মাধ্যমৰ নিয়ন্ত্ৰণৰ প্ৰয়োজন হৈছে। ছপা মাধ্যম তথা ইলেক্ট্ৰনিক মাধ্যম বা টিভি, ৰেডিঅ' আদি মাধ্যমসমূহৰ সম্পাদকসকলে সম্পাদনাৰ দায়িত্ব পালন কৰি আহিছে। সেয়ে এইসমূহ মাধ্যমক দুষ্কৃতিকাৰীয়ে ব্যৱহাৰ কৰিব নোৱাৰে; কিন্তু সামাজিক গণ মাধ্যমসমূহত কোনো সম্পাদনাৰ ব্যৱস্থা নাই। অৰ্থাৎ ভাল-বেয়া, শুদ্ধ-অশুদ্ধ নিৰ্ণয় অথবা বিচাৰ কৰাৰ বাবে কোনো ব্যৱস্থা সামাজিক মাধ্যমত নাথাকে। কোনো ব্যক্তিয়ে ইচ্ছানুসাৰে যি মন যায়, মন্তব্য কৰিব পাৰে, ছবি, ভিডিঅ' আদি সকলো সামাজিক মাধ্যমৰ যোগেদি প্ৰচাৰ কৰিব পাৰে। বৰ্তমান ভাৰতত সামাজিক মাধ্যমক দুষ্কৃতিকাৰীসকলে ব্যাপক হাৰত অপব্যৱহাৰ কৰিছে। ব্যক্তিগত আক্ৰোশ, শ্লীলতাহানিৰ উপৰি সমাজ, দেশ, সম্প্ৰদায়ৰ সন্দৰ্ভত ক্ষতিকাৰক, প্ৰৰোচনামূলক মন্তব্য আৰু বিশেষকৈ ভুৱা বাতৰি প্ৰচাৰৰ ক্ষেত্ৰত সামাজিক মাধ্যমে আগভাগ লোৱা পৰিলক্ষিত হৈছে। দুষ্কৃতিকাৰীয়ে সামাজিক মাধ্যমৰ যোগেদি গণতন্ত্ৰ-বিধ্বংসী নাইবা গণতান্ত্ৰিক ভেঁটি তথা ব্যৱস্থাক দুৰ্বল কৰিব পৰা, অসহিষ্ণুতা বৃদ্ধি কৰিব পৰা মন্তব্য বা ছবি প্ৰচাৰ কৰি থকা দেখা গৈছে। চৰকাৰে আধুনিক প্ৰযুক্তিৰ সহায়ত এনে এক ব্যৱস্থা প্ৰস্তুত কৰিব লাগিব, যি ব্যৱস্থাই সামাজিক মাধ্যমৰ অপব্যৱহাৰকাৰীজনক বা অপৰাধৰ উৎস ধৰা পেলোৱাটো সহজসাধ্য কৰি তুলিব। যিহেতু আনসমূহ পৰম্পৰাগত মাধ্যমত থকাৰ দৰে সম্পাদক বা সম্পাদনা ব্যৱস্থা সামাজিক মাধ্যমত নাথাকে, সেয়ে ইয়াৰ অপব্যৱহাৰ যাতে কোনো দুষ্কৃতিকাৰীয়ে কৰিব নোৱাৰে নাইবা কৰিবলৈ এশবাৰ চিন্তা কৰিবলৈ বাধ্য হয়, তেনে ধৰণৰ নিয়ন্ত্ৰণ ব্যৱস্থাৰ প্ৰয়োজন হৈছে।

খোলা মঞ্চ

অৰ্ধ শতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে আপোনাৰ ধাৰণা

এক অনন্য ষ্টাইলৰ শিৰোনামাৰে এখন বাতৰি কাকত 'অগ্ৰদূত'। এই কাকতখনৰ স'তে মোৰ পৰিচয় অতি নাটকীয়। যোৱাটো ৭০দশকৰ শেষাৰ্ধত শিৱসাগৰ চৰকাৰী হাস্পতালত প্ৰসূতি বিভাগৰ ডাক্তৰক লগ কৰিবলৈ গৈছো। তেতিয়া চৰকাৰী হাস্পতালখন শিৱসাগৰ টাউনতে আছিল। যথা সময়ত টাউন পাই হাস্পতালৰ মুখতে গাড়ীৰ পৰা নামি মোৰ সু-দৃষ্টি পৰিল সমুখৰ এখন বাতৰি আৰু কিতাপৰ দোকানত সুন্দৰকৈ আঁৰি থোৱা কাকতবোৰলৈ। তাৰে এখন বাতৰি কাকতে মোক বিশেষভাৱে আকৰ্ষণ কৰিলে। বাতৰিখন হ'ল ৰঙা ৰঙৰ শিৰোনামাৰে 'অগ্ৰদূত'। মোৰ পতিক কাকতখন আনি দিবলৈ ক'লো। তাৰ পাছত প্ৰসূতি কোঠাত সকলো ঠিক-ঠাক কৰি আৰামত বহি কাকতখন মেলি ল'লো। কাকতখনৰ মুখ্য সম্পাদকগৰাকীক বিচাৰি পালো-সম্পাদক কনকসেন ডেকা। প্ৰথম সম্পাদকীয় পঢ়ি মোৰ এনেকুৱা ধাৰণা হ'ল কাকতখনৰ শিৰোনাম অগ্ৰদূত শেজে শেজে খাপ খাই পৰিছে। প্ৰকৃততে অগ্ৰদূত যেন দেশৰ জনতাৰ 'কামাণ্ডৰ ইন চিফ।' সেই তেতিয়াৰ পৰাই এইখন কাকতৰ নিয়মীয়া গ্ৰাহক। মোৰ প্ৰিয় কাকতখনে অগ্নিপথেৰে আহি আহি অগ্নিবীৰৰূপে সোণালীবৰ্ষ উদ্‌যাপনৰ ব্যৱস্থা লৈছে। তাৰ বাবে আমাৰ আন্তৰিক শুভকামনা যাঁচিলো।

আমি থকা ঠাই ডোখৰ শিৱসাগৰ নগৰৰ পৰা গ্ৰাম্যাঞ্চলত। ঐতিহাসিক গঁড়গাঁৱৰ ওচৰা-ওচৰি লংকাকীয়া বুঢ়াগোহাঁঞি চ'ৰাত। মোৰ কৰ্মস্থলী এখন হাইস্কুলত। মোৰ লেখা 'অগ্ৰদূত'ত স্কুল প্ৰধানে যেতিয়া দেখিলে তেতিয়া মোক কৈছিল— 'অৰন্তী! কনকসেন ডেকাই তোমাৰ লেখা প্ৰকাশ কৰিছে যেতিয়া সাংঘাতিক কথা, তুমি কলম নেৰিবা।' তেওঁ

অৰন্তী পামেগাম চেতিয়া, লেখিকা

ভালকৈ জানে যে কনকসেন ডেকা ব্যক্তগৰাকী অতি নিৰ্ভীক নৈষ্ঠিকভাৱে যুক্তিবাদী বামপন্থাত বিশ্বাসী। মোৰ বাবে সেয়া আছিল উৎসাহ প্ৰধান। সঁচাকৈ সম্পাদকৰ প্ৰতিটো সম্পাদকীয়ই আছিল জাতি-মাটি ভেটিৰে অসমৰ অসমীয়াৰ বাবে একোখন দলিল স্বৰূপ। চিঠিৰে তেওঁৰ লগত যোগাযোগ হ'ল— সেই সময়ত ম'বাইলৰ কথাই নাই। তেওঁৰ হাতৰ আখৰেৰে চিঠিখন পঢ়ি শ্ৰদ্ধাত মূৰ দোঁ খাই গ'ল। চিঠিৰে আমি তেওঁক 'কনকদা' বুলিয়েই শ্ৰদ্ধা যাঁচিলো। তাৰ পাছত স্বয়ং লগ কৰি সাক্ষাৎ পোৱাৰ ভীষণ হেঁপাহ জাগিল। ঈশ্বৰে যেন মোৰ বুলিলে। সুযোগ দুৱাৰমুখত গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰত মোৰ গীতৰ প্ৰগ্ৰাম পাই গ'লো। নিৰ্দিষ্ট তাৰিখত গীত ৰেকৰ্ডিং কৰি আহি 'অগ্ৰদূত' ভৱন পালোহি। মোৰ নাম লৈ দুৱৰীয়ে সম্পাদকক জনালে। আমাক ওপৰ মহলালৈ লৈ গ'ল। সম্পাদকৰ কোঠালৈ। আথে-বেথে বহিব দিলে তেওঁৰ কাষত। মই সেৱা জনালো। অগ্ৰদূত কাকতৰ প্ৰতিটো সম্পাদকীয় পঢ়ি উঠি মোৰ মনলৈ তেওঁৰ অনুমান এটি কৰিছিলো দীৰ্ঘদেহী ক্ষীণ শান্ত, সৌম্য ছবি এখন। কথা বতৰাৰ পাছত মোৰ অনুমান সঁচা প্ৰমাণিত হোৱাত মনতে ৰং পালো। মূৰত ৰঙীন টুপী, গাত চুৰীয়া পাঞ্জাবী চাৰ্ট। কিছু কথা বতৰাৰ অন্তত আমি বিদায় ল'ব খোজাত মানা কৰি চাহ একাপ নোখোৱাকৈ নপঠিয়ায়। আলাপৰ কৰোতে মোৰ এনে অনুভৱ হৈছিল যেন মই মোৰ ডাঙৰ দাদাৰ লগতহে কথা হৈছো— একে বয়সৰে হ'ব। সেয়ে মই 'কনকদা' বুলি সম্বোধিবলৈ অকণো দ্বিধাবোধ নকৰিলো 'অৱশ্যে মোৰ দাদা তেতিয়ালৈ প্ৰয়াত' চাহ তাহ খাই কনকদাৰ পৰা বিদায় লৈ আহিলো। মোৰ জীৱনত কনকদাৰ দৰে স্বনামধন্য সাহিত্যিক-সাংবাদিক-সত্যনিষ্ঠ-যুক্তিবাদী দুৰ্নীতিৰ ওচৰত আঠু নোলোৱা সত্যৰ অপলাপ নকৰা এগৰাকী বিশাল মনৰ গৰাকীক স্বয়ং সাক্ষাৎ পোৱা মোৰ জীৱনৰ বাবে যে মাইলৰ খুঁটি হৈ ৰ'ব। তাত তিলমাত্ৰও সন্দেহ নাই। সিদিনা ভাগ্যক্ৰমে প্ৰাগ-চেনেলৰ মজিয়াত দেখা পাই ভাল পালো— তেওঁৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনাৰে ভগৱানৰ ওচৰত মিনতি জনালো। ভালে থাকক, কুশলে থাকক।

সদৌ শেষত মোৰ প্ৰিয় কাকত অৰ্ধশতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' কাকতখনে সোণালী বৰ্ষত পদাৰ্পণ কৰিছে। বিস্তৃত ৰূপত সোণালী জয়ন্তী উদ্‌যাপনৰ যো-জা চলিছে। প্ৰধানমন্ত্ৰীৰ দৰে এগৰাকী ৰাষ্ট্ৰনায়কে সোণালী জয়ন্তীৰ শুভ উদ্বোধন কৰিলে। ইয়াতকৈ লেখক-লেখিকা আমাৰ দৰে পঢ়ুৱৈৰ বাবে আনন্দ আৰু গৌৰৱৰ বিষয় ৰোধ কৰো আৰু কি থাকিব পাৰে! অগ্ৰদূতৰ মুখ্য সম্পাদক কনকদা আৰু অগ্ৰদূত ভৱনৰ সদস্যসকললৈ শুভেচ্ছা থাকিল। এই অনুষ্ঠান সংবাদ জগতখনলৈ ব্যতিক্ৰমী ৰূপত জিলিকি উঠক।

মাধ্যম বিতৰ্ক

সকলো বিষয়ৰে প্ৰাথমিক পৰ্যায়ৰ শিক্ষা মাতৃভাষাতেই হোৱা উচিত

অসম চৰকাৰে আমাৰ বিদ্যালয় পাঠ্যক্ৰমৰ গণিত আৰু বিজ্ঞান বিষয় দুটা তৃতীয় শ্ৰেণীৰ পৰাই ইংৰাজীত শিকোৱাৰ সিদ্ধান্ত লৈ ৰাজ্যখনত এটা তুমুল বিতৰ্কৰ সৃষ্টি কৰিছে। চৰকাৰৰ সিদ্ধান্তটো একপক্ষীয় আৰু প্ৰায় আকস্মিক হোৱাত ৰাজ্যৰ শিক্ষক-শিক্ষাবিদ-বিদ্বান লোকসকলৰ লগতে দল-সংগঠনবোৰৰ মাজতো একপ্ৰকাৰ আতংকৰ সৃষ্টি হোৱা যেনেই লাগিছে। সিবিলাকৰ অধিকাংশই চৰকাৰৰ সিদ্ধান্তটোক টোঘলকী কাণ্ড বুলিয়েই ধিক্কাৰ দিছে। অৱশ্যে একাংশই তাক সমৰ্থন কৰাও দেখা গৈছে। সেয়ে বিতৰ্কটো সৰল বা পোনপটীয়া হৈ থকা নাই। এই সিদ্ধান্তৰ বিৰোধিতা কৰাসকলে চৰকাৰক অসমীয়া ভাষাদ্ৰোহী বুলি আখ্যা দিছে। আনহাতে, অসমীয়াপ্ৰেমী বা জাতীয়তাবাদীসকলৰ মাজতো চৰকাৰৰ মাধ্যম সিদ্ধান্তটো প্ৰয়োজনীয় আৰু সুফলদায়ক বুলি ভবা লোক আছে। কোন পক্ষত কিমান মানুহ আছে তাৰ সঠিক হিচাপ উলিওৱা টান। এই বিষয়ত ৰাজ্যৰ অধিকাংশ ছাত্ৰ, অভিভাৱক আৰু শিক্ষাব্ৰতী লোকৰ মতামত হয় অপ্ৰকাশিত হৈ ৰ'ব, নহয় কেতবোৰ নেতা আৰু সংগঠনৰ চিঞৰ-বাখৰত তল পৰি থাকিব।

অৱশ্যে 'নাগৰিকত্ব (আইন) সংশোধনী বিৰোধী সমন্বয় সমিতি, অসম'ৰ সভাপতি ড° হীৰেন গোহাঁই আৰু মুখ্য সমন্বয়ক দেৱেন তামুলীৰ ৰাজহুৱা বিবৃতিৰ পৰা জানিব পাৰিছো যে চৰকাৰৰ এই টোঘলকী সিদ্ধান্তটো হেনো শতকৰা ৯৯ শতাংশ মানুহে মানি ল'ব পৰা নাই। তেওঁলোকৰ হাতত জনমত জোখাৰ কিবা অত্যাধুনিক প্ৰযুক্তি হয়তো আছে। মোৰ হাতত তেনে কোনো প্ৰযুক্তি নাই বাবে বাতৰি কাকতবোৰত প্ৰকাশ পোৱা ভিন্ন বা বিপৰীতধৰ্মী মতামতবোৰৰ ভিত্তিতহে বিতৰ্কটোৰ সম্পৰ্কত একেবাৰে সাধাৰণ ধাৰণা এটা কৰি লৈছো।

মোৰ নিজৰ বিশ্বাস যে চৰকাৰখনে অনাহকত এনে এটা বিতৰ্কিত সিদ্ধান্ত গ্ৰহণ কৰিছে। চৰকাৰৰ মতলব অসমীয়া ভাষা বিলোপ কৰা, নে চৰকাৰী অসমীয়া মাধ্যমৰ বিদ্যালয়বোৰত পঢ়ি থকা বা পঢ়িবলগীয়া দৰিদ্ৰ বা ব্যক্তিগত বিদ্যালয়বোৰত নামভৰ্তি কৰিব নোৱাৰা অসমীয়া ছাত্ৰ-ছাত্ৰীসকলক ন্যায় দিয়া, সেই কথা জনাৰ কোনো উপায় মোৰ নাই। চৰকাৰখন বিজেপিৰ হোৱা বাবেই অসমীয়াদ্ৰোহীও হ'বই লাগিব বুলিও কোনো বদ্ধমূল ধাৰণা মোৰ নাই; কিন্তু আলোচিত চৰকাৰী সিদ্ধান্তটোৰ সম্পৰ্কত মোৰ স্পষ্ট মত এয়ে যে তৃতীয় শ্ৰেণীৰ পৰাই গণিত আৰু বিজ্ঞান বিষয় দুটা কেৱল ইংৰাজীত শিকোৱাটো বৰ অযুক্তিকৰ কথা হৈছে। সকলো বিষয়ৰে প্ৰাথমিক পৰ্যায়ৰ শিক্ষা মাতৃভাষাতেই হোৱা উচিত। সেই পৰ্যায়ত ছাত্ৰ-ছাত্ৰীৰ বিষয়গত ধাৰণাবোৰ মাতৃভাষাতহে গভীৰ আৰু অন্তৰস্থ হয়। ঘৰুৱা শিক্ষা দিয়া ভালেকেইজন গণিত শিক্ষকৰ মুখত শুনিছিলো, অসমীয়া মাধ্যমত পঢ়া ছাত্ৰ-ছাত্ৰীসকলৰহে গণিতৰ কনচেপ্টবোৰ পৰিষ্কাৰ হয়, ইংৰাজী মাধ্যমৰ ছাত্ৰ-ছাত্ৰীসকলৰ বেছি সংখ্যকেই কেৱল মুখস্থ কৰে। গতিকে গণিত বিষয়তো কোনবিধ ছাত্ৰ-ছাত্ৰীৰ উচ্চ শিক্ষাৰ কৃতকাৰ্যতা বেছি হ'ব, সহজে অনুমেয়। গতিকে অন্ততঃ পঞ্চম শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰীক গণিতআৰু বিজ্ঞানৰ শিক্ষাও মাতৃভাষাতেই দিয়া উচিত। ইংৰাজী মাধ্যমৰ বিদ্যালয়বোৰে যি কৰে কৰিব, কিন্তু অসমীয়া মাধ্যমৰ

অসবৰ্ণ

হীৰেন গগৈ

বিদ্যালয়বোৰত প্ৰস্তুতি পৰ্যায়লৈকে মাতৃভাষাতে সকলো বিষয়ৰ শিক্ষাদান হোৱা উচিত। সেই পৰ্যায়তো ইংৰাজী ভাষাক এটা বিষয় হিচাপে নিশ্চয় পঢ়োৱা উচিত। কাৰণ ইংৰাজীৰ শিক্ষাও অত্যাৱশ্যকীয়; কিন্তু বাকী বিষয়বোৰৰ ক্ষেত্ৰত মাধ্যম হ'ব মাতৃভাষা। ইংৰাজী মাধ্যমৰ বিদ্যালয়বোৰত তাৰ ওলোটা ব্যৱস্থাটোহে চলে বা চলিব পাৰে ঃ এটা বিষয় হিচাপে ৰাজ্যভাষা বা মাতৃভাষা থাকিব, কিন্তু মাধ্যম হ'ব ইংৰাজী।

সেয়ে মোৰ বিচাৰত চৰকাৰে বৰ্তমানৰ সিদ্ধান্তটো প্ৰত্যাহাৰ কৰা উচিত আৰু ষষ্ঠ শ্ৰেণী মানৰ পৰাহে ইংৰাজীত গণিত আৰু বিজ্ঞান শিকোৱাৰ ব্যৱস্থা কৰা উচিত। আন এটা কাৰণতো চৰকাৰে সিদ্ধান্ত সলনি কৰাৰ প্ৰয়োজন আছে। এতিয়া ঘটনাটো হৈছে, 'নাখাওঁ ভাত খুৱালি, নিগিলো কি কৰ কৰ'ৰ দৰে। চৰকাৰে যেনিবা অসমীয়া মাধ্যমৰ ছাত্ৰ-ছাত্ৰীসকলৰ ভাল ভাবিয়েই সিদ্ধান্তটো লৈছিল, কিন্তু সমাজখনে যদি তাক মানি ন'লৈ তৰ্ক-বিতৰ্কহে কৰি থাকে, ছাত্ৰ-ছাত্ৰীসকলৰ 'ভাল' হ'ব কেনেকৈ?

অসমীয়া সমাজখনৰ শিক্ষিত আৰু সমৰ্থৱান পৰিয়ালবোৰৰ সৰহভাগেই নিজৰ ল'ৰা-ছোৱালীক ইংৰাজী মাধ্যমৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰত পঢ়ুৱায় বা পঢ়াবলৈ বিচাৰে। সেইসকল পৰিয়াল আৰু তেওঁলোকৰ ল'ৰা-ছোৱালীবোৰৰ বাবে চৰকাৰৰ আলোচিত সিদ্ধান্তটোৰ কোনো প্ৰাসংগিকতা নাই। গতিকে চৰকাৰৰ সিদ্ধান্তটোৰ বিৰোধিতা কৰা ৯৯ শতাংশ মানুহখিনি নিশ্চয় অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়ত ল'ৰা-ছোৱালী পঢ়ুওৱা পৰিয়ালবোৰৰে হ'ব লাগিব; কিন্তু সেই পৰিয়ালবোৰৰ অধিকাংশৰে কোনো খবৰ নাথাকে বিদ্যালয়ত তেওঁলোকৰ ল'ৰা-ছোৱালীৰ শিক্ষা কি আৰু কেনেকৈ চলি আছে। শিক্ষাহীনতা আৰু দাৰিদ্ৰই সেই পৰিয়ালবোৰক কাবু কৰি ৰাখিছে। অথচ অসমীয়া ভাষা ৰক্ষাৰ ভাৰখন তেওঁলোকৰ কান্ধতহে।

গণিত আৰু বিজ্ঞান বিষয় দুটা ইংৰাজীত শিকালেই অসমীয়া মাধ্যমৰ স্কুলবোৰৰ পৰা অসমীয়া ভাষা-শিক্ষাৰ বিদায় হৈ যাব নেকি? আৰু চৰকাৰে সিদ্ধান্তটো প্ৰত্যাহাৰ কৰিলেই অসমীয়া মাধ্যমৰ বিদ্যালয়বোৰ আৰু অসমীয়া ভাষাটো নিৰাপদ হৈ যাব নেকি?

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাহি হয়তো ভাবিলে যে এই দৰিদ্ৰ অসমীয়া পৰিয়ালবোৰৰ ল'ৰা-ছোৱালীবোৰনো ইংৰাজী শিক্ষাই দিয়া সুযোগ-সুবিধাবোৰৰ পৰা কিয় বঞ্চিত হৈ থাকিব লাগে। বিশেষকৈ গণিত আৰু বিজ্ঞান বিষয়ত উচ্চ শিক্ষা আৰু চাকৰি-বাকৰিৰ প্ৰতিযোগিতাৰ বাবে ইংৰাজীৰ জ্ঞানতো খুবেই জৰুৰী। গতিকে তেওঁৰ চৰকাৰখনে বিষয় দুটা একেবাৰে তলৰ পৰ্যায়ৰ পৰা ইংৰাজীতে শিকোৱাৰ সিদ্ধান্তটো লৈ পেলালে। তেওঁলোকে বোধকৰো ভাবিলে যে বাকী বিষয়বোৰ যেতিয়া অসমীয়াতে শিকোৱা হ'ব, মাতৃভাষাৰ শিক্ষাও সমানে চলি থাকিব; কিন্তু তেওঁলোকৰ চিন্তাটো বিৰোধী পক্ষই বাৰু নকল কৰে কেনেকৈ?

প্ৰশ্ন হৈছে, গণিত আৰু বিজ্ঞান বিষয় দুটা ইংৰাজীত শিকালেই অসমীয়া মাধ্যমৰ স্কুলবোৰৰ পৰা অসমীয়া ভাষা-শিক্ষাৰ বিদায় হৈ যাব নেকি? আৰু চৰকাৰে সিদ্ধান্তটো প্ৰত্যাহাৰ কৰিলেই অসমীয়া মাধ্যমৰ বিদ্যালয়বোৰ আৰু অসমীয়া ভাষাটো নিৰাপদ হৈ যাব নেকি?

অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়বোৰৰ দুৰৱস্থাৰ বিষয়ে আগতেও বহু আলোচনা হৈছে। মই নিজেও সেই বিষয়ে বহুবাৰ লিখিছো। সেইবোৰ কথাৰ পুনৰাবৃত্তিৰ প্ৰয়োজন আছে যদিও এই প্ৰসংগত সকলোবোৰ কথা দোহাৰিব খোজা নাই। চমুতে মাত্ৰ কওঁ যে অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়বোৰ অধোগামী হোৱাৰ বাবে চৰকাৰৰ নীতি আৰু সেইবোৰৰ পৰিচালনাৰ আঁসোৱাহবোৰেই বিশেষভাৱে জগৰীয়া হ'লেও বহুবোৰ সামাজিক কাৰকৰ অৱদানো তাত আছে। চৰকাৰে নিযুক্তি দিয়া শিক্ষকসকলৰ অৰ্হতা বা যোগ্যতা নিশ্চয় আছে। তৎসত্ত্বেও চৰকাৰী বিদ্যালয়বোৰৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষান্ত পৰীক্ষাবোৰৰ ফলাফল হতাশজনক হয় কিয়? এই ক্ষেত্ৰত বিদ্যালয়বোৰৰ পৰিচালনাৰ ত্ৰুটি আৰু পৰিদৰ্শনৰ অভাৱ একোটা ডাঙৰ কাৰক। চৰকাৰী বিদ্যালয়বোৰত ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰৰ দৰে শিক্ষাদান আৰু ব্যৱস্থাপনা নিয়মীয়া আৰু কটকটীয়া নহয়। চৰকাৰে নিজেও শিক্ষকসকলক বাহিৰা চৰকাৰী কামবোৰত সততে নিয়োজিত কৰে, যাৰ ফলত শিক্ষাদান প্ৰায়ে ব্যাহত হয়। পৰীক্ষা-পাতিৰ ক্ষেত্ৰতো বিদ্যালয়বোৰ সোপাটিলা। অষ্টম শ্ৰেণীলৈকে পৰীক্ষাত ফেইল কৰিলেও ছাত্ৰ-ছাত্ৰীক উত্তীৰ্ণ কৰি দিব লাগে। তাতে মধ্যাহ্ন ভোজনৰ নামত বিদ্যালয়বোৰত ৰান্ধনিশাল খোলা হৈছে আৰু প্ৰধান শিক্ষকসকলক বা অধ্যক্ষসকলক ৰান্ধনিশালৰ ব্যৱস্থাপনাতে ব্যস্ত থাকিবলৈ বাধ্য কৰা হৈছে। এই ব্যৱস্থাৰ উদ্দেশ্যই হৈছে দুখীয়া ঘৰৰ ছাত্ৰ-ছাত্ৰীসকলক নামভৰ্তিৰ বাবে আকৰ্ষণ কৰাহে, তেওঁলোকৰ শৈক্ষিক মান উন্নত কৰা নহয়।

আৰু এটা কথা। শিক্ষিত আৰু অৱস্থাপন্ন অসমীয়া পৰিয়ালবোৰে নিজৰ ল'ৰা-ছোৱালীক চৰকাৰী বিদ্যালয়বোৰলৈ পঠাবলৈ নিবিচৰাৰ আন এটা কাৰণ হৈছে আন্দোলন। চৰকাৰী বিদ্যালয়বোৰৰ ছাত্ৰ-ছাত্ৰীসকলেই হৈছে আছুৰ সেনাবাহিনী। যিকোনো কথাতে চৰকাৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক লৈয়ে আছুৰ আন্দোলনবোৰ চলি থাকে। আছুৱে শৈক্ষিক বিষয়বোৰক বাদ দি বাকী সকলো বিষয়তে ৰাজপথত আন্দোলন কৰে। তেওঁলোকক হকা-বাধা কৰে কোনে? তাৰ সলনি সচেতন আৰু সমৰ্থৱান অভিভাৱকসকলে নিজৰ ল'ৰা-ছোৱালীবোৰকে চৰকাৰী বিদ্যালয়বোৰলৈ নপঠোৱা হয়। গতিকে চৰকাৰী বিদ্যালয়বোৰত থাকেগৈ দৰিদ্ৰ আৰু অশিক্ষিত পৰিয়ালবোৰৰ ল'ৰা-ছোৱালীবোৰহে। তেওঁলোকৰ বাবে বিদ্যালয়ৰ শিক্ষাদান ঠিকমতে নহয় আৰু ঘৰবোৰতো শিক্ষাৰ তদাৰকী কৰিবলৈ অভিভাৱকসকলৰ সময় আৰু সামৰ্থ্য নাথাকে। তাৰ মাজতে চৰকাৰী বিদ্যালয়বোৰৰ যিসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত ভাল ফল দেখুৱায়, তেওঁলোক হয় উদ্যমী আৰু মেধাৱী নাইবা আৰ্থিকভাৱে স্বচ্ছল পৰিয়ালৰ ল'ৰা-ছোৱালী, যিসকলক অভিভাৱকসকলে নিজে সহায় কৰিব বা ঘৰুৱা শিক্ষকৰ শিক্ষা দিয়াব পাৰে। এই পৰিস্থিতিৰ বাবে চৰকাৰী বিদ্যালয়বোৰৰ শিক্ষান্ত পৰীক্ষাৰ ফলাফলবোৰক ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰৰ ফলাফলৰ লগত তুলনা কৰাটো অন্যায়।

অসমীয়া মানুহবোৰে নিজেই মাতৃভাষা অসমীয়াৰ শ্ৰাদ্ধ কৰি আছে দিনে-নিশাই। এই জাতি আৰু এই ভাষাৰ ভৱিষ্যত সঁচাই অন্ধকাৰ। শাৰীৰিক কৰ্মবিমুখ, উদ্যমহীন, উদ্ভাৱনশীলতাহীন, স্বাভিমানশূন্য আৰু উৎসৱসৰ্বস্ব জাতি এটা কৰ্মবল আৰু সংখ্যাবল হেৰুৱাই বাচি থাকিব কেনেকৈ? অসমীয়া ভাষাৰ এই স্বাভাৱিক মৰণ যাত্ৰাত চৰকাৰে তৃতীয় শ্ৰেণীৰ পৰা ইংৰাজীত গণিত আৰু বিজ্ঞান বিষয় শিকোৱাৰ সিদ্ধান্ত লৈ উদগনি যোগোৱাটো নিশ্চিতভাৱেই অবিবেচকী কাণ্ড বুলি ক'ব লাগিব।

ফোন ঃ ৮৮১১৮২৭৪৩২

দুনীতি নিৰ্মূল কৰিব পাৰিবনে?

দুৰ্নীতি হৈছে প্ৰচলিত নীতিৰ বিপৰীত কৰ্মত লিপ্ত হোৱা আৰু ইয়াৰ পৰাই দুনীতিৰ পোখা মেলে। বিগত ২৯ জুলাইৰ টিভি চেনেলৰ এটা বাতৰি মতে আবকাৰী বিভাগৰ এগৰাকী অধীক্ষকে আইনগতভাৱে এটা কাম কৰাৰ কাৰণেও এক লাখ টকা দাবী কৰি শেষত ২০ হেজাৰ টকা আগধন লওঁতে হাতে লোটে ধৰা পৰিল। এসময়ত ঘোচ খোৱাটো বাহিৰা পইচা বুলি কৈছিল। চাহ বাগিচাত মতা মহৰী আৰু মাইকী মহৰী দুই প্ৰকাৰৰ মহৰী আছিল। হাজিৰা মহৰীৰ প্ৰধান কৰ্তব্য আছিল কামত উপস্থিত থকা আৰু অনুপস্থিত থকাসকলৰ হাজিৰা বহীত হিচাপ ৰখা। তেতিয়া দৈনিক হাজিৰা আছিল দুআনা। কোনোবা অনুপস্থিত থাকিলে হাজিৰা মহৰীয়ে উপস্থিত থকা দেখুৱাই এক অনা হাজিৰা মহৰীয়ে পায় আৰু অনুপস্থিত থকা কৰ্মীয়ে এক অনা পায়। দুয়োপক্ষৰ লাভ হয় আৰু তাকে বাহিৰা পইচা বুলি কৈছিল। গাঁৱৰ কোনোবা যুৱকে কিবা চৰকাৰী চাকৰি পালে গাঁৱৰ বয়

আজান ফকিৰৰ জাৰী

ডাঃ জাকিৰ হুচেইন

"চেনেহৰ চৈয়দ, যুঁজৰ ছহিদ
হায় ৰে হায়।"

'জাৰী' শব্দটিৰ অৰ্থ হ'ল বিননি। আজান ফকিৰৰ এই বিননি হ'ল কাৰবালাৰ করুণ ঘটনাৰ বাবে। বুকুত চপৰিয়াই করুণ সুৰেৰে গোৱা গীতবোৰক 'মৰ্চিয়া' গীত বুলিও কোৱা হয়। আজান ফকিৰে কৈছে—

"হায় হায় চোভানাল্লা
জান দিওঁ কাৰবালা
সাতো হেজাৰ নূৰে
জাৰী কৰে।"

জাৰী গীতৰ কথাবোৰৰ মৰ্ম বুজিবলৈ হ'লে কাৰবালাৰ মূল ঘটনাৰ সত্যতা অৱগত হ'ব লাগিব। সেয়া আছিল এক হত্যাকাণ্ড, কোনো ৰণ বা যুদ্ধ বুলিব নোৱাৰি। কেইজনমান সহযাত্ৰী আৰু অনুগামীসহ পয়গম্বৰজনাৰ পৰিয়ালৰ সদস্যসকলক এজিদৰ নেতৃত্বত হেজাৰ হেজাৰ মুছলমানে কি নিৰ্মমভাৱে হত্যা কৰিছিল সেয়া ইছলামৰ ইতিহাসৰ বাবে অতিশয় বেদনাদায়ক আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ অধ্যায়।

কিন্তু প্ৰশ্ন হ'ল—কিহৰ বাবে এই হত্যাযজ্ঞ? নাবালক আৰু বৃদ্ধসহ বাসত্তৰজনা পয়গম্বৰৰ পৰিয়াল আৰু তেওঁলোকৰ অনুগামীৰ এটা দল, তাতে আকৌ বহুকেইজনমান সামৰিক অস্ত্ৰ চালনাত অনভিজ্ঞ লোক। সেই সময়ত তেওঁলোক আছিল এক পৰিব্ৰাজনত, যুদ্ধৰ অভিযানত নহয়। সেই গোটটোকেই হত্যা কৰিছিল ত্ৰিছ হেজাৰতকৈয়ো অধিক সশস্ত্ৰ অভিজ্ঞ সেনাৰ দলে। সেই হত্যাকাণ্ড যে স্বয়ং পয়গম্বৰজনাৰ নিজ ঔৰসজাত সন্তানৰ ওপৰত কৰা হৈছিল সেই কথা আজান ফকিৰেও তেওঁৰ 'জাৰী' গীতৰ মাজেৰে কৈছে—

চেনেহৰ চৈয়দ, যুঁজৰ ছহিদ
হায় ৰে হায়।
হাচান হুচেন দুভাই
কান্দিছে বিনাই,
আৰছত লাগিল গোলমাল।
হোচেনে পিন্ধিব
পাগবৰ জামা,
হুচেনে পিন্ধিব লাল।।
বেৰ কাটি হুচেন
বাজলৈ ওলাল
বুকুত আমৈ পাৰা লৈ।
বান্দীৰ বেটা
এজিদ কুফৰে
সিও খায় মোৰ ববাৰ ৰাজ।।
ক'ব ধৰিলে
হুচেন চাহেবে
মাকৰ মুখলৈ চাই
বান্দীৰ বেটা
বেদীন কাফিৰে
সিও মোক মাগে লেড়াই।

কাৰবালাত সংঘটিত হত্যাকাণ্ডৰ মূল কাৰণ আৰু তাৎপৰ্যতাৰ স্পষ্ট জ্ঞান পাবৰ বাবে আমি পয়গম্বৰজনাৰ জীৱনৰ পাৰ্থিৱ উপস্থিতিৰ সময়কালৰ সত্য ঘটনাবোৰলৈ যাব লাগিব। এজিদে ইমাম হুছেইনক যি কাৰণত হত্যা কৰিছিল, সেয়া আছিল খিলাফতৰ বিষয়। খলিফা অৰ্থাৎ আধ্যাত্মিক উত্তৰাধিকাৰিতা। ৰছুলজনা হ'ল আল্লাৰ খলিফা। ৰছুলজনাৰ পাৰ্থিৱ শৰীৰৰ অন্তৰ্ধানৰ পাছত ইছলামৰ ইহ-জগতখনত ৰছুলৰ ক্ৰিয়া-কৰ্ম আৰু নীতি-আদৰ্শৰ নেতৃত্ব দিবৰ বাবে প্ৰয়োজনীয় আধ্যাত্মিক উত্তৰাধিকাৰীজনাই হ'ল ৰছুলৰ খলিফা। যিদৰে আল্লাৰ খলিফাৰ নিযুক্তি স্বয়ং আল্লাইহে কৰিছে, সেইদৰে ৰছুলজনাৰ খলিফাৰ নিযুক্তিও ৰছুলজনাই সম্পাদন কৰা বিষয়বস্তু। এই নিৰ্দিষ্ট বিষয়বস্তুৱেই হৈছে কাৰবালাৰ হত্যাকাণ্ডৰ মূল কাৰণ।

নীতি অনুসাৰে ৰছুলজনাৰ নিজা খলিফাজন নিযুক্ত কৰাৰ অধিকাৰ থাকিব একমাত্ৰ কেবল ৰছুলজনাৰ হাতত। যদিহে ৰছুলজনাই স্বয়ং তেওঁৰ আধ্যাত্মিক উত্তৰাধিকাৰী নিযুক্ত কৰা নাই, তেনেহ'লে ইছলামৰ সমাজখনৰ আধ্যাত্মিক মুৰব্বীজনাৰ সম্বোধন 'খলিফা' শব্দটিৰ বাহিৰে অন্য যি কোনো হ'ব পাৰে। এই আধ্যাত্মিক মূৰব্বীজনাৰ প্ৰধান কাৰ্য হ'ল দীক্ষা প্ৰদান কৰা, যাক ইছলামীয় ভাষাত কোৱা হয় 'বয়ত' কৰা। ইতিহাসৰ পৰা জনা যায় যে এজিদে ইমাম হুছেইনক তাকেই দাবী কৰিছিল। ইমাম হুচেইনক এজিদৰ বয়ত গ্ৰহণ কৰিবলৈ জোৰ-জবৰদস্তি কৰা হৈছিল। ইমাম হুছেইনে সেয়া অস্বীকাৰ কৰা বাবেই ৰছুলৰ পৰিয়ালৰ লোকসকলক কাৰবালাত নিৰ্মমভাৱে হত্যা কৰা হৈছিল।

হায় ৰে ভায়া
ৰছুলৰ নাতি
ময়তক নথ'বা ৰাখি।
তাবুতৰ ওপৰ
দফন কবৰ
বিহিস্তে নিলে জিব্ৰীল।।
কান্দিব ধৰিলে
দোচেকৰ পুতেকে
তাৰৈৰ মুখলৈ চাই।
চাৰবানৰ চুলি
কাৰবালাৰ ধূলি
মিহলি কৈলে খোদায়।।
কান্দিব ধৰিলে
মদিনাৰ বিবি
মোৰ চৈয়দ ৰণলৈ যায়।

(চাৰবান — ইমাম হুছেইনৰ পত্নী; চহৰবানু
চৈয়দ — ৰছুলৰ ঔৰসজাত সন্তান-সন্ততি)

বিদায়ী হজ্ব আৰু গাদীৰ খুউম

পয়গম্বৰজনাৰ জীৱন ইতিহাসৰ এই খণ্ডটি ভিন্ন ভিন্ন গোটে ভিন্ন ভিন্নভাৱে প্ৰকাশ কৰে। আমি চুফীবাদী লিখনিৰ পৰা পোৱা তথ্যহে ইয়াত উল্লেখ কৰিছো। ঘটনা প্ৰবাহৰ মূল সত্য অৱগত হ'বৰ বাবে ৰছুলজনাৰ জীৱনৰ ইতিহাসৰ পৰা আৰম্ভ কৰিব লাগিব। পয়গম্বৰে পাৰ্থিৱ জগতখনৰ পৰা প্ৰস্থান কৰাৰ ঠিক দুমাহ ২১ দিন পূৰ্বৰ ঘটনা। মাত্ৰ ১১ সপ্তাহ বা ৮১-৮২ দিন পূৰ্বৰ ঘটনা।

মক্কাত হজ্ব কৰি ৰছুলজনা কেইজনমান অনুগামীক লগত লৈ মদিনা অভিমুখী যাত্ৰাত আছিল। ইছলামৰ ইতিহাসত ইয়াকেই 'বিদায়ী হজ্ব' বোলা হয়। সেইদিনা আছিল ১৮ জিল হজ্ব। ঠাইডোখৰ আছিল মক্কাৰ পৰা 'তিনি পৰ্যায়' বা 'তিনি অৱস্থান' দূৰৈত—মদিনা অভিমুখে। ঠাইডোখৰৰ নাম আছিল 'গাদীৰ খুউম'। 'গাদীৰ'ৰ অৰ্থ হ'ল পানী থকা ঠাই। এই ঠাইডোখৰতেই ৰছুলজনাই সেই সময়ত উপস্থিত নিজৰ অনুগামীকেইজনাৰ আগত স্পষ্টভাৱে হজৰত আলীক তেওঁৰ খিলাফতী অৰ্পণ কৰাৰ কথা ঘোষণা কৰিছিল। সেই ঘোষণাটি কৰাৰ বাবে আল্লাহৰ পৰা পোৱা 'ৱহি' (দৈৱবাণী)ৰ বাবেই উক্ত স্থানতে কেইজনমান অনুগামীৰ আগত ৰছুলজনাই প্ৰথমে ইহজগতৰ পৰা তেওঁৰ পাৰ্থিৱতা প্ৰস্থান কৰাৰ কথা উল্লেখ কৰি তেওঁৰ প্ৰস্থানৰ পাছত তেওঁৰ দ্বাৰা প্ৰতিষ্ঠিত ইছলামী জগতখন কিদৰে সুপৰিচালিত থাকিব তাকেই ব্যক্ত কৰিছিল। সেই সাংগঠনিক বিষয়টোৰ বাবে প্ৰয়োজনীয় সাংবিধানিক নেতৃত্বৰ কথা ব্যাখ্যা কৰি ৰছুলজনে সেই সন্দৰ্ভতে হজৰত আলীক উপস্থিত লোকসকলৰ আগত নিজৰ আধ্যাত্মিক উত্তৰাধিকাৰী অৰ্থাৎ 'খলিফা' বুলি ঘোষণা কৰিছিল। বিতৰ্কৰ সূত্ৰপাত তাৰ পৰাই। উপস্থিত কেইজনমানে ৰছুলে হজৰত আলীক সেই অধিকাৰ দিয়াত মনে মনে ভাল নাপালে। যিহেতু ৰছুলজনাৰ হজ্ব যাত্ৰাত সংগ দিয়া কেইজনমান ভক্তৰ বাহিৰে মক্কা-মদিনা আদি অন্যান্য অঞ্চলৰ অধিকাংশ মুছলমানেই সিদিনা 'গাদিৰ খুউম'ত উপস্থিত নাছিল। তাতে আকৌ ঘটনাটি আছিল ৰছুলজনাৰ পাৰ্থিৱ উপস্থিতিৰ অন্তিম মুহূৰ্তৰ কেইদিনমান পূৰ্বৰ বিষয়। উভতি যোৱাৰ কিছুদিন পাছতেই ৰছুলজনা নৰীয়াত পৰিছিল। সমূহ ৰাইজক যিদৰে সত্যটি অৱগত কৰি দিব লাগিছিল, সেয়া দায়িত্বত থকাসকলে অৱগত নকৰিলে। ইয়াৰ মূল কাৰণ আছিল শীৰ্ষস্থানীয় বা মুৰব্বীবৰ্গৰ ক্ষোভ। তেওঁলোকক নিদি ৰছুলজনাই নিজ ভাতৃ আৰু জোঁৱাই হজৰত আলীকহে খলিফা নিযুক্তি কৰাত তেওঁলোক ভীষণ অসন্তুষ্ট হৈ পৰিছিল, যি কথা ৰছুলজনা পৰ্থিৱভাৱে জীৱিত থকা সময়লৈ তেওঁলোকে মুক্তভাৱে প্ৰকাশ বা বিদ্ৰোহ কৰিব পৰা নাছিল বা কৰা নাছিল। ৰছুলজনাই পাৰ্থিৱ জগতৰ পৰা বিদায় লোৱাৰ পাছৰ পৰাই সূত্ৰপাত হ'ল এই কন্দল, যাৰ চূড়ান্ত এটি ৰূপ হ'ল 'কাৰবালাৰ হত্যাকাণ্ড', য'ত ৰছুলজনাৰ ঔৰসজাত লোককেইজনাকহে তিলতিলকৈ হত্যা কৰা হৈছিল। বিশদ বিৱৰণ আমি অন্য স্থানত লিপিবদ্ধ কৰিছো; কিন্তু এটা কথা ঠিক যে এজিদৰ দ্বাৰা কৰা হত্যাকাণ্ড বা ইমাম হুছেইনৰ আত্মবলিদানে এই কথা সমগ্ৰ জগতৰ আগত উন্মুক্ত কৰি দিয়ে আৰু সেয়া হ'ল ইমাম হুছেইনৰ হাতত এনে এক বিশেষ অধিকাৰ বা স্বীকৃতি আছিল যি তেওঁপিতৃ হজৰত আলীৰ পৰা লাভ কৰিছিল আৰু হজৰত আলীয়ে সেয়া লাভ কৰিছিল স্বয়ং ৰছুলৰ পৰা আৰু সেয়া হ'ল 'খলিফাত্ব' (ৰছুলৰ)। আজান ফকিৰৰ জাৰী গীতসমূহ হ'ল কাৰবালাৰ ছহিদ আৰু ৰছুল পৰিয়ালটোৰ বাবে বিননি।

যুঁজৰ প্ৰাথমিক প্ৰস্তুতিৰ বিষয়ে জাৰী

মোৰ ববা মোস্তফা চাহেব চালামে
এইবেলি হুছেইনক ৰাখ ঔ আল্লা,
বান্দীৰ বাছা এজিদ কুফৰে
খায় মোৰ ববাৰে ৰাজ।।
বান্দীৰ বাছা এজিদ কুফৰে
মোৰ লগত মাগে লেড়াই।
ছমহীয়া ছাঁদ মোৰ হুছেন
নেজানে মহিমৰ ভাও।।
তওবাহ খালো মই, তহকিক খালো,
মোক নেবাধিবা মাও।
ববাজীৰ দিনৰে তেগে তৰোৱাল,
তাকে লৈ লেড়াইলৈ যাম।।
ববাজীৰ দিনৰে দুল দুল ঘোঁৰা
তাকে লৈ ৰণলৈ যাম।

প্ৰথমে হজৰত আলীক মছজিদৰ ভিতৰতে তৰোৱালেৰে আঘাত কৰি হত্যা কৰা হৈছিল আৰু তাৰ পাছত তেওঁৰ বৰপুত্ৰ ইমাম হাছানক বিষ পান কৰোৱাই হত্যা কৰা হৈছিল। তাৰ পাছতেই আহিল ইমাম হুছেইনৰ সংকট। এজিদে ইমাম হুছেইনক তেওঁৰ (এজিদৰ) বয়ত গ্ৰহণ কৰাৰ বাবে হেঁচা দিবলৈ ধৰিলে। অৰ্থাৎ এই কৰ্মৰ দ্বাৰা পিতৃ হজৰত আলীৰ পৰা পোৱা খলিফাত্ব এজিদৰ হাতত সমৰ্পণ কৰি দি এজিদক খলিফা বুলি স্বীকৃতি দান কৰা হ'ব। সেই সময়ত ইমাম হুছেইনে পৰিয়ালসহ মদিনাত বাস কৰিছিল। তেওঁৰ বিৰুদ্ধে ষড়যন্ত্ৰ ক্ৰমাৎ বৃদ্ধি পোৱাত মদিনাত বাস কৰাটো নিৰাপদ নাভাবি কুফা নামৰ চহৰলৈ কেবল নিৰাপত্তাৰ খাতিৰত প্ৰব্ৰজন কৰিবলৈ যাওঁতেই বাটতে ইউফ্ৰেটিছ নদীৰ পাৰৰ কাৰবালা নামৰ মৰু স্থানত ত্ৰিশ হাজাৰ এজিদৰ সেনাই মাত্ৰ ৭২ জন লোকক চাৰিওফালৰ পৰা ঘেৰি হত্যা কৰে। সেই হত্যালীলাৰ পৰা কোলাত থকা পানীকেঁচুৱা পৰ্যন্তয়ো ৰক্ষা নেপালে। ইমাম হুছেইনৰ মাজু পুত্ৰ জয়নাল আবেদিন ৰুগ্ন অৱস্থাত থকাৰ বাবে পেহীয়েকৰ আশ্ৰয়ত আছিল আৰু সেইবাবেই মৃত্যুৰ পৰা ৰক্ষা পৰে। এইজনাৰ ঔৰসতেই পয়গম্বৰজনাৰ পৰৱৰ্তী বংশধৰৰ অস্তিত্ব জীৱিত ৰ'ল। আজান ফকিৰে কৈছে—

বিচ্মিল্লা বুলি ঘোঁৰাত উঠিলে
মাৰিলে চাবুকৰ চাত।
আস্মানেই গ'ল নে পাতালেই গ'ল,
পৰিলগৈ দোচেকৰ তাত।।
জালিম কুফৰে আৰৰি ধৰিলে
উন্মতৰ ইমাম চাহেবক,
সাত দিন সাত ৰাতি কাফিৰক কাটে
কাফিৰৰ নপৰিল ওৰ।
তোকে বুলি যাওঁ দুল দুল ভাই,
পিয়াহত কণ্ঠ শুকাল,
ববাজীৰ দিনৰে আছে পাটনাদ
তালৈকে দুল দুল যায়।

এনেদৰে কাৰবালাৰ সেই সময়ছোৱাৰ ঘটনাপ্ৰবাহ নাটকীয় ভংগীৰে বৰ্ণনা কৰা হৈছে। কাৰবালাৰ হত্যাকাণ্ডৰ প্ৰাক্ক্ষণৰ নাটকীয় বিৱৰণি এনেদৰে জাৰীত প্ৰকাশ কৰা হৈছে—

হায় হায় নচিবে।
যি কৰে খোদাইৰে।।
চহৰবান বিবিকে বাৰী নকৰো মানে
নেখাওঁ ভাতে পানী—যি কৰে খোদাইৰে।
সেইবুলি এজিদে
এইনো চোখন্ খালে
ওলাই যাওঁ মহিমে—যি কৰে খোদাইৰে।।
সেইবুলি এজিদে
কমৰত বান্ধিলে
ঢালে-তৰোৱালে—যি কৰে খোদাইৰে।
হাতে জোলফোক্কাৰ লৈ
ময়দানে চলিয়া যায়
দুল দুলত চাৱাৰ হৈ—যি কৰে খোদাইৰে।।
ওলাই এজিদে
এইনো হাক মাৰিলে
মদিনা চহৰত আৰু কোন আছে।
এজিদে মাৰিলে হাক
চৈয়দে শুনিলে
ভাল নহয় চৈয়দে ইয়াতে থাকিলে।
চহৰবানু বিবিয়ে বুজাব ধৰিলে
তোমাৰ বৰভাইক এজিদে মাৰিলে।।
এজিদে মকৰ কৰি জহৰ যে ঢালিলে
তুমি কি কৰিবা অকলে অকলে।
সেই বেলা চৈয়দে ৰছুলৰ ওচৰে যায়
খোচাৰ মেলিয়া চায় লহৰ নিচানা পায়
হায় হায় নচিবে
যি কৰে খোদাইৰে।।

কাৰবালা কাণ্ডৰ পিচত হুছেইনৰ ঘোঁৰা 'দুল দুল' অকলে ঘূৰি অহাত চহৰবানু বিবিয়ে দৌৰি গৈ এনেদৰে বিনাব ধৰিলে—

কিনো বাবাৰ কিনো হাল,
চম্পা ফুল যেন দুই গাল
লহুত মিহলি হ'ল
হায় হায় ৰে।
দুল দুল আহে ফিৰি
চৰবান যায় আগবাঢ়ি
কোৱা দুল দুল চৈয়দৰ খবৰ
হায় হায় ৰে।
মাতিব নেজানে দুল দুল
জমিনত মাৰিছে মূৰ
কপালত লহুৰ নিচান
হায় হায় ৰে।।
তুমি যে আহিলা দুল দুল
চাহেবক চাৰিলা ক'ত
মোৰ চৈয়দ ক'তে হেৰাল।
হায় তোমাৰ পুতাই
অতি বাঘৰাই
খেদি গৈ ল'লৈগে ৰণ।
তুমি যে আহিলা জামা
মোৰ চাহেব এৰিলা ক'ত
মোৰ চৈয়দ ক'তে হেৰাল।
তুমি যে আহিলা পাগ
মোৰ চাহেব এৰিলা ক'ত
মোৰ চৈয়দ ক'তে হেৰাল।
হায় তোমাৰ পুতাই
অতি বাঘৰাই
খেদি গৈ ল'লৈগে ৰণ।।
ক'ত থাকিম ক'লৈ যাম
ক'ত গ'লে দেখা পাম
এথানি সাগৰৰ মাজে
হায় ৰে হায়।

ইমাম হুছেইনক হত্যা কৰি কেনে পৰিণতিৰ সৃষ্টি কৰা হ'ল তাক এনেদৰে উল্লেখ কৰা হৈছে—

দুল দুল খালী হ'ল বানু চৈয়দক মাৰিয়া।
কোৰাণ খালী হ'ল বানু চৈয়দক মাৰিয়া।।
জোলফোক্কাৰ খালী হ'ল বানু চৈয়দক মাৰিয়া।
খৰম খালী হ'ল বানু চৈয়দক মাৰিয়া।।
মচুলা খালী হ'ল বানু চৈয়দক মাৰিয়া।
পাগুৰি খালী হ'ল বানু চৈয়দক মাৰিয়া।।
খঞ্জৰ খালী হ'ল বানু চৈয়দক মাৰিয়া।
চমছেৰ খালী হ'ল বানু চৈয়দক মাৰিয়া।।
বন্দুক খালী হ'ল বানু চৈয়দক মাৰিয়া।
দুনিয়াৰ চেৰাগ নুমাল বানু চৈয়দক মাৰিয়া।।

ওপৰোক্ত কথাখিনিৰ একেবাৰে শেষৰ শাৰীটোৱে মূল তত্বৰ ইংগিত বহন কৰিছে। 'দুনিয়াৰ চেৰাগ' অৰ্থাৎ 'জগতৰ চাকি', ইয়াৰ দ্বাৰা আধ্যাত্মিক জগতখনৰ পোহৰৰ উৎস অৰ্থ কৰা হৈছে। পয়গম্বৰৰ মাধ্যমেৰে আল্লাই প্ৰতিষ্ঠা কৰা জগতখনৰ কথা কোৱা হৈছে আৰু এই জগতৰ পোহৰ দিওঁতাজনাই আছিল ইমাম হুছেইন।

কাৰবালা কাণ্ডৰ কিছুদিন পাছৰ অৱস্থাটোৰ বৰ্ণনাৰে আজান ফকিৰে জাৰী গীতেৰে এনেদৰে বিনাইছে—

ৰণেৰে গৈলা সংগৰে হুছেইন
হায় হায় ফিৰিয়া নাহিলা ঘৰে।
আছে কোৰাণ কিতাপ
পঢ়োতা নাই বাবা
দেখিলে আগুন জ্বলে।
আছে বাবাৰ দুল দুল
চৱাৰী নাই বাবা
দেখিলে আগুন জ্বলে।।
আছে জামা টুপী
পিন্ধোতা নাই বাবা
দেখিলে আগুন জ্বলে।।
আছে তেগে ঢাল
খেলোতা নাই বাবা
দেখিলে আগুন জ্বলে।
আছে খৰমযোৰা
পিন্ধোতা নাই বাবা
দেখিলে আগুন জ্বলে।।

বংগদেশত জাৰী গীতসমূহত কেবল কাৰবালা কাণ্ডৰ বিননিয়েই নহয়, বৰঞ্চ অন্যান্য বিভিন্ন ধৰণৰ আৰু বিৱৰণিৰ ভক্তিগীতসমূহ অন্তৰ্ভুক্ত কৰা দেখা যায়; কিন্তু আজান ফকিৰৰ জাৰী গীত বুলিলে কেবল কাৰবালা কাণ্ডৰহে বিৱৰণি আৰু বিননি পোৱা যায়। আজান ফকিৰৰ দ্বাৰা জাৰী গীত ৰচনা আৰু পৰিৱেশনাৰে এই কথা সুস্পষ্ট হয় যে তেওঁ আছিল 'ৰছুল বংশ'ৰ অনুগামী। অৰ্থাৎ 'আহলে বয়াত' অৰ্থাৎ ৰছুল পৰিয়ালৰ অনুগামী। বহুতেই হজৰত আলী আৰু তেৰাৰ বংশধৰসকলক অনুসৰণ কৰোতা লোকসকলকে 'ছিয়া' বুলি ক'ব খোজে। ছিয়া-চুন্নী এক ভিন্ন বিষয় আৰু 'আহলে বয়াত' অন্য বিষয়। হজৰত আলী আৰু তেৰাৰ বংশধৰসকল 'আহলে বয়ত'হে—কোনো ছিয়া আদি নহয়। জগতৰ সকলো চুফীয়েই হজৰত আলীৰ 'খলিফাত্ব' আৰু তেওঁৰ ঔৰসজাত বংশধৰসকলৰ আধ্যাত্মিক নেতৃত্বক মান্যতা দিয়ে আৰু স্বীকাৰ কৰে। জগতৰ শতকৰা ৯০-৯৫ শতাংশ চুফী গুৰুৱেই 'চুন্নী' সম্প্ৰদায়ৰ লোক। তেওঁলোক সকলোৱেই হজৰত আলী, ইমাম হুছেইন তথা তেওঁলোকৰ বংশলতাৰ আধ্যাত্মিক খলিফাত্বক স্বীকৃতি আৰু গ্ৰহণ কৰে। আজান ফকিৰেই কৈছে—

"চাহেব আলী মৰতোজা
ফাতিমা জগতৰ আই হে"

'মৰতোজা'ৰ অৰ্থ হ'ল বাচি লোৱাজন। অৰ্থাৎ পয়গম্বৰে যে হজৰত আলীক নিজ খলিফা হিচাপে বাছি লৈছিল তাকেই ব্যক্ত কৰা হৈছে।

ফোন ঃ ৯৮৬৪০২০৯৬৮

বিভিন্ন সময়ত কাকতে পত্ৰে প্ৰকাশ পায় স্বাধীনতা সংগ্ৰামৰ ছহিদসকলৰ কথা বা বিষয়। য'ত নেকি গোৱালপাৰাৰ ছহিদ নিধানু ৰাজবংশীৰ স্বাধীনতা সংগ্ৰামৰ পৰিচয় বা কথা উল্লেখ থকা দেখিবলৈ বা পঢ়িবলৈ পোৱা নাযায়। কাৰণ হয়তো হ'ব পাৰে যে ভাৰতৰ ভিতৰত অসম পিছপৰা। অসমৰ ভিতৰত অবিভক্ত গোৱালপাৰা জিলা তথা ইং এক জুলাই ১৯৮৩ত গোৱালপাৰা চহৰক সদৰ ঠাই হিচাবে লৈ নতুনকৈ জন্মলাভ কৰা গোৱালপাৰা জিলা পিছ পৰা। সেই কাৰণেই হয়তো স্বাধীনতাই নালাগে আন আন বিশেষকৈ অৰ্থনৈতিক দিশতো উল্লেখ কৰিবলগীয়া বিষয় বা কথাসমূহো যিদৰে কাকতে পত্ৰে প্ৰকাশ পাব লাগে সেইদৰে প্ৰকাশ নাপায়।

অখ্যাত গাঁৱৰ
প্ৰখ্যাত ব্যতিক্ৰমী ছহিদ
নিধানু ৰাজবংশী

শৈলেন দাস

অখ্যাত গাঁৱৰ প্ৰখ্যাত ব্যতিক্ৰমী ছহিদ নিধানু ৰাজবংশী।

উল্লিখিত নামৰ শিতানৰ জৰিয়তে গোৱালপাৰাৰ স্বাধীনতা সংগ্ৰামী ব্যতিক্ৰমী ছহিদ নিধানু ৰাজবংশীক বিশেষকৈ অসমবাসীৰ দৰবাৰত দাঙি ধৰিব খুজিছো নিধানু ৰাজবংশী স্বাধীনতা সংগ্ৰামত ছহিদ কেনেকৈ হ'ল বা হৈছিল।

বিভিন্ন সময়ত কাকতে পত্ৰে প্ৰকাশ পায় স্বাধীনতা সংগ্ৰামৰ ছহিদসকলৰ কথা বা বিষয়। য'ত নেকি গোৱালপাৰাৰ ছহিদ নিধানু ৰাজবংশীৰ স্বাধীনতা সংগ্ৰামৰ পৰিচয় বা কথা উল্লেখ থকা দেখিবলৈ বা পঢ়িবলৈ পোৱা নাযায়। কাৰণ হয়তো হ'ব পাৰে যে ভাৰতৰ ভিতৰত অসম পিছপৰা। অসমৰ ভিতৰত অবিভক্ত গোৱালপাৰা জিলা তথা ইং এক জুলাই ১৯৮৩ত গোৱালপাৰা চহৰক সদৰ ঠাই হিচাবে লৈ নতুনকৈ জন্মলাভ কৰা গোৱালপাৰা জিলা পিছ পৰা। সেই কাৰণেই হয়তো স্বাধীনতাই নালাগে আন আন বিশেষকৈ অৰ্থনৈতিক দিশতো উল্লেখ কৰিবলগীয়া বিষয় বা কথাসমূহো যিদৰে কাকতে পত্ৰে প্ৰকাশ পাব লাগে সেইদৰে প্ৰকাশ নাপায়।

ব্যতিক্ৰমী ছহিদ নিধানু ৰাজবংশীৰ ক্ষেত্ৰতো একোটা অৱস্থা। কেতিয়াবা যদি নিধানু ৰাজবংশীৰ বিষয়ে কাকতত প্ৰকাশ পায়, দেখিব সেই গৰাকী লেখক গোৱালপৰীয়া। নহ'লে কোনে লিখিব ছহিদ নিধানু ৰাজবংশীৰ কথা বা বিষয়? এই সকলোবোৰ কথা বা বিষয় চিন্তা-চৰ্চা কৰি গোৱালপাৰাৰ প্ৰথম গৰাকী ব্যতিক্ৰমী ছহিদ নিধানু ৰাজবংশী স্বাধীনতা সংগ্ৰামত কেনেকৈ জড়িত হৈ ছহিদ হৈছিল তাকেই উনুকিয়াব খুজিছো। যাতে অসমবাসীয়ে জানে ব্ৰিটিছ চৰকাৰৰ বিষয়া, পুলিচ বাহিনীয়ে কিদৰে নিৰ্মমভাৱে নিজৰ ঘৰতে গুলিৰে থকা- সৰকা কৰি নিধানু ৰাজবংশীক ছহিদ কৰিছিল।

ৰাজবংশী আছিল অতি দুখীয়া। মানুহৰ ঘৰে ঘৰে গৈ কাম-বন কৰি দুবেলা দুমুঠি খাইছিল। কাৰোবাৰ গৰু-ছাগলী চৰাইছিল। তেনেকৈয়ে উপাৰ্জন কৰি খাইছিল। শিক্ষা-দীক্ষা নাছিল। বুজি নাপাইছিল স্বাধীনতা কি? বুজিছিল এটাই কৰ্ম কৰিব লাগে আৰু মানুহ হিচাপে খাই-বই জীয়াই থাকিব লাগে। নিধানু ৰাজবংশীৰ আন্দোলন আছিল কৰ্ম। কৰ্মৰ উপাৰ্জনত খাই-বই জীয়াই থকা। অৰ্থাৎ কৰ্মই ধৰ্ম। স্বাধীনতা কি তাক বুজাৰ প্ৰশ্ন নহয়। এইজন নিধানু ৰাজবংশীৰ স্বাধীনতা আন্দোলন আছিল ব্যতিক্ৰম। আন আন নেতা-ছহিদসকলৰ স্বাধীনতা অন্দোলনৰ দৰে নহয়। ৰাজবংশীৰ জন্ম হয় গোৱালপাৰা চহৰৰ পৰা প্ৰায় আঠ কিলোমিটাৰ দক্ষিণত অৱস্থিত গেন্দেৰা-কুৰুৱাভাষা, উৰপদবিল গাৰোকুটা গাঁৱত।

দেউতাকৰ নাম কালিচৰণ ৰাজবংশী। মাকৰ নাম তামে ৰাজবংশী। দেউতাকৰ মৃত্যুৰ পাছত মাক তামে ৰাজবংশী পাগলীঝাৰলৈ আহে। তাত দ্বিতীয় বিবাহ কৰায়। মাকৰ দ্বিতীয় বিবাহ হোৱা কাৰণে কণমানি অৱস্থাতে নিধানু ৰাজবংশীয়ে মাকক এৰি অকলে ককিৰা গাঁৱত আত্মীয়ৰ ঘৰত থাকিবলৈ লয়। বল্বলাৰ পৰা কিছু দক্ষিণত। গাঁওখনৰ মানুহৰ গৰু, ছাগলী আদি চৰায়। সেইদৰে কৰ্ম কৰি খাই-বই দিন কটায়। সফল যুৱক হোৱাত ককিৰা গাঁৱতেই মাটি যোগাৰ কৰি ঘৰ-দুৱাৰ বনায়। খেতি-বাতি কৰি খায়। ১৯৪২ৰ স্বাধীনতা গণ বিপ্লৱৰ সময়ত অসমৰ যিসকল বীৰ-বীৰাংগনাই নিজৰ জীৱন বিসৰ্জন দিছিল সেই সকলৰ ভিতৰত গোৱালপাৰাতো স্বাধীনতা প্ৰেমীসকলেও আন্দোলনত জঁপিয়াই পৰিছিল। তাৰ পৰা বাদ পৰা নাছিল সফল ডেকা নিধানু ৰাজবংশী। আগতেই উনুকিয়াইছো যে ৰাজবংশীৰ আন্দোলন আছিল ব্যতিক্ৰমী। অৰ্থাৎ তেওঁ জানিছিল কাম-বন কৰি খাই-বই জীয়াই থকা। স্বাধীনতা কি বুজি নাপায়। অৱশ্যে কৰবাত সভা সমিতি হ'লে শুনিবলৈ নোযোৱা নহয়। দেশব্যাপী বিশেষভাৱে পূব প্ৰান্তস্থিত অসম প্ৰদেশৰ চুকে কোণে দ্বিতীয় মহাযুদ্ধৰ বিৰাট প্ৰস্তুতি আৰু আনপিনে স্বদেশী যুদ্ধবিৰোধী ব্যাপক আইন অমান্য আন্দোলন। টেলিগ্ৰাফৰ তাঁৰ কটা, দলং ভঙা, ডাঙৰ ডাঙৰ গছ কাটি ৰাস্তাত বগৰাই থৈ যুদ্ধ সামগ্ৰী আৰু সৈন্য চলাচলত বাধাদান কৰা ব্যৱস্থা আদি দেশব্যাপী চলি আছিল। চৰকাৰী বঙলা, অফিচ আদালত আদিও ভস্মীভূত কৰা হৈছিল। আন্দোলনকাৰীক গ্ৰেপ্তাৰ কৰি ব্ৰিটিছ জেলখানা উপচাই পেলাইছিল যদিও আন্দোলন বন্ধ নহৈছিল। বাধ্যত পৰি গণ আন্দোলনত ক্ষতি পূৰণৰ বাবে ব্ৰিটিছ চৰকাৰে গয়ৰহ পাইকাৰী টেক্স বা জৰিমনা লগালে। সন্দেহযুক্ত অঞ্চলসমূহ বিশেষত পাইকাৰী টেক্স বা জৰিমনা লগালে। বলবলাৰ ওচৰৰ ককিৰা গাঁওখনো উল্লিখিত পাইকাৰী জৰিমনাৰ পৰা সাৰি নগ'ল। ডেকা ল'ৰা নিধানু ৰাজবংশীৰ ওপৰতো পৰিল পাইকাৰী জৰিমনা আঠ টকা।

শিক্ষ-দীক্ষাৰ পৰা বঞ্চিত যদিও আত্ম সচেতন আৰু গৌৰৱত বলীয়ান নিধানুৰ স্বাধীন মনে এই অন্যায়ৰ পাইকাৰী টেক্সৰ প্ৰতিবাদ কৰি গৰ্জি উঠিল। টেক্স আদায়কাৰীৰ প্ৰতি নিধানুৰ এটাই উত্তৰ 'কোনো বেয়া কাম কৰা নাই, যাৰ বাবে চৰকাৰক পাইকাৰী টেক্স দিব লাগে। এই অন্যায় টেক্স মই নিদিওঁ।' অশিক্ষিত আৰু ৰাজনৈতিক প্ৰৰোচনাহীন এজন হোজা ডেকা ল'ৰাৰ মুখত এই সত্যাগ্ৰহৰ বাণী সঁচাকৈ আশ্চাৰ্যৰ বিষয়। অৱশেষত দাম্ভিক ডেকা ল'ৰা নিধানু ৰাজবংশীক গ্ৰেপ্তাৰ কৰি লৈ যাবলৈ সেই সময়ৰ মহকুমাধিপতি চন্দ্ৰ কমল ভূঞাই পুলিচ পঠিয়ায়।

নিধানু ৰাজবংশীৰ একমাত্ৰ উৎপাদনৰ আহিলা যন্ত্ৰ আছিল মৰমৰ গৰু হাল। আবেলি পৰত নিধানুৱে গৰু হালক গোহালিত বান্ধি থৈ নিজে ভাত পানী ৰান্ধি মেলি খাই-বই অকণমান জিৰণি লৈছিলহে মা

পুৰোহিত ৰুদ্ৰ শৰ্মাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

শুৱালকুছি, ৮ আগষ্ট ঃ সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক তথা শুৱালকুছি আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা, দিপাংকৰ শৰ্মাৰ পিতৃ ৰুদ্ৰ শৰ্মা (৬০)ৰ আজি অকাল বিয়োগত অঞ্চলজুৰি শোকৰ ছাঁ পৰে। শুৱালকুছিৰ এজন আগশাৰীৰ পুৰোহিত তথা প্ৰাক্তন বাওঁপন্থী নেতাজনৰ বিয়োগত আছুনেতা দিপাংকৰ শৰ্মা পিতৃহাৰা হ'ল। পূজাৰী হিচাপে অঞ্চলত এক সুকীয়া পৰিচয় বহন কৰা লোকজনৰ শাৰীৰিক অসুস্থতাৰ বাবে গুৱাহাটীৰ হাস্পতালত চিকিৎসা গ্ৰহণ কৰি আছিল। আজি চিকিৎসাধীন অৱস্থাতে ইহলীলা সম্বৰণ কৰে। জীৱিত কালত ছাত্ৰ জীৱনৰ পৰাই বাওঁপন্থী এছ এফ আইৰ দৰে ছাত্ৰ সংগঠনৰ গুৰি ধৰিছিল। শেহতীয়াভাৱে শুৱালকুছিৰ বাবা শ্ৰীশ্ৰীশনি মন্দিৰকে ধৰি সামাজিক আৰু ব্যক্তিগতভাৱে পূজা পাৰ্বণ কৰিছিল। তেওঁৰ মৃত্যুত আছুৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাস, আছু, কামৰূপ জিলা ছাত্ৰ সন্থা প্ৰাক্তন সভাপতি দিবাকৰ কলিতা, শুৱালকুছি আঞ্চলিক ছাত্ৰ সন্থা, বামুণপাৰা বাসন্তৰীয়া ব্ৰাহ্মণ ৰাইজ গয়ৰহ, শুৱালকুছি সাংবাদিক সন্থা আদিয়ে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জনায়। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ সহিতে এজন পুত্ৰ আৰু এগৰাকী জীয়ৰীক ইহ সংসাৰত এৰি যায়।

তেজপুৰত নকল

তিনি পৃষ্ঠাৰ পৰা তেজপুৰৰ শ'লমৰা সেনা ছাউনিৰ লোকো নকল সোণৰে প্ৰৱঞ্চনা কৰিছিল। কালি গোপন খবৰৰ ভিত্তিত সেনাই আমিৰক কৰায়ত্ত কৰে। ধৃত আমিৰৰ পৰা দুটুকুৰা নকল সোণৰ লগতে ব্যৱহৃত ম'বাইল ফোন আৰু এখন মটৰ চাইকেল জব্দ কৰা হৈছে।

বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু

অগ্ৰদূত বাৰ্তা,

ডিমৌ, ৮ আগষ্ট ঃ ডিমৌৰ সমীপৰ নিতাইপুখুৰী আৰক্ষী চকীৰ অন্তৰ্গত আহোমপথাৰ গাঁৱৰ ৰবিন সোণোৱাল নামৰ লোকজন বিদ্যুৎপৃষ্ঠ হৈ পুৰতি নিশা মৃত্যু হোৱাৰ বাতৰি পোৱা গৈছে!

দক্ষিণপাট সত্ৰত নকল বৃন্দাবনী

তিনি পৃষ্ঠাৰ পৰা বিচাৰাধীন হৈ থকাৰ পাছতো দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰে সমাগত দুৰ্গা পূজাত দৰ্শকৰ বাবে নকল বস্ত্ৰখন মুকলি কৰি দিব বুলি ওলোৱাত আশ্চৰ্য প্ৰকাশ কৰি অসম সত্ৰ মহাসভাৰ প্ৰধান সম্পাদক কুসুম কুমাৰ মহন্তই কয় যে শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰ আৰু সত্ৰাধিকাৰজনৰ অভিপ্ৰায়ক কলিতে মষিমূৰ কৰাটো সময়ৰ আহ্বান হৈ পৰিছে। সত্ৰাধিকাৰজনৰ এনে কুঅভিপ্ৰায় বন্ধ কৰিবলৈ অসম সত্ৰ মহাসভাৰ অন্তৰ্গত প্ৰতিখন জিলা সত্ৰ মহাসভা সমিতিক স্থানীয় আদালতত গোচৰ ৰুজু কৰিবলৈ সত্ৰ মহাসভাৰ প্ৰধান সম্পাদকজনে অনুৰোধ জনাইছে। তেওঁ কয় যে অসমৰ ইতিহাসত উক্ত সত্ৰৰ সত্ৰাধিকাৰজনৰ এনে অভিপ্ৰায় এক কলংকিত অধ্যায়ৰূপে চিহ্নিত হৈ ৰ'ব। নিশ্ছিন্ন হৈ যাব প্ৰকৃত বৃন্দাবনী বস্ত্ৰৰ ৰং-ৰূপ। উঠি অহা প্ৰজন্মই নতুনকৈ প্ৰস্তুত কৰা নকল বৃন্দাবনী বস্ত্ৰকে আচল বুলি ভাবিবলৈ ধৰিব। হয়তো এনে এটা সময় আহিব নৱ প্ৰজন্মই এই নকল বৃন্দাবনী বস্ত্ৰৰ আৰ্হিত কাপোৰৰ চোলা চিলাই পৰিধান কৰিব ধৰিব। গামোচাৰ দৰে য'তে-ত'তে বৃন্দাবনী বস্ত্ৰৰ প্ৰয়োগ বৃদ্ধি পাব।

দুঠাইত জেহাদীয়ে কাম কৰি

তিনি পৃষ্ঠাৰ পৰা সক্ৰিয়ভাৱে এবিটিকৰ সহায়-সহযোগিতা কৰিছিল আৰু বিভিন্ন প্ৰশিক্ষণ কেন্দ্ৰত সাক্ষাৎ কৰি বাহৰ পাতি আছিল বুলি অধীক্ষকজনে জানিবলৈ দিয়ে। জহৰা খাতুনৰ পৰা বহু আপত্তিজনক নথিপত্ৰকে ধৰি ডিজিটেল টেকন'লজীৰ বহু গুৰুত্বপূৰ্ণ তথ্য থকা দুটা ম'বাইল হেণ্ডছেট জব্দ কৰে যদিও এটা ম'বাইল নষ্ট কৰাৰ চেষ্টা কৰিছিল কিন্তু আধাহে নষ্ট হৈচিল হেণ্ডছেটটো। সেই আধা নষ্ট হোৱা ম'বাইল হেণ্ডছেটৰ পৰাও বহু তথ্য উলিয়াবলৈ চেষ্টা চলাই থকাৰ কথা সদৰী কৰে আৰক্ষী অধীক্ষকজনে। জহৰা খাতুনৰ ম'বাইল হেণ্ডছেটৰ পৰা দুখন ঠাইত জেহাদীয়ে কাম কৰি থকাৰ তথ্য লাভ কৰিছে আৰক্ষীয়ে তাৰে বিলাসীপাৰাৰ তেওঁ নিজে এগৰাকী আৰু আন এজন ধুবুৰী জিলা আৰক্ষী অধীক্ষকজনে কয় যে জেহাদীৰ বিৰুদ্ধে ধুবুৰী আৰক্ষীৰ অভিযান অব্যাহত আছে আৰু অতি শীঘ্ৰে এই লোকসকলক গ্ৰেপ্তাৰ কৰা হ'ব বুলিও জানিবলৈ দিয়ে। উল্লেখ্য যে মৈৰাবাৰীত এবিটিৰ হৈ কাম কৰি অহা আবু তাল্লাহৰ ঘৰ প্ৰকৃততে বাংলাদেশত বুলি ইতিমধ্যে তদন্তকাৰী আৰক্ষীয়ে প্ৰকাশ কৰিছিল। বাংলাদেশী নাগৰিক আবু তাল্লাহে অসমত সংগঠনৰ কামত আহি নায়েৰ আলগাৰ জহৰা খাতুনক বিয়া কৰাইছিল আৰু উক্ত দম্পতিয়ে মিলি ৰাজ্যখনত সন্তৰ্পণে আৰম্ভ কৰিছিল জেহাদীৰ কাম-কাজ।

ৰাজধানী সম্প্ৰসাৰণৰ

তিনি পৃষ্ঠাৰ পৰা ৰাজধানী ক্ষেত্ৰ উন্নয়ন প্ৰাধিকৰণ আইন, তিৰা স্বায়ত্ত পৰিষদ আৰু সংৰক্ষিত খণ্ড বেষ্টনীৰ অঞ্চলৰ পৰা শীঘ্ৰে প্ৰত্যাহাৰ কৰা, কাৰ্বি আংলং জিলা স্বায়ত্তশাসিত পৰিষদত বসবাস কৰা তিৰাসকলক আঞ্চলিক স্বায়ত্ত পৰিষদ প্ৰদান কৰাৰ দাবী জনাই গণ ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পাছত প্ৰতিবাদীসকলে তেওঁলোকৰ দাবীসমূহ উত্থাপন কৰি মুখ্যমন্ত্ৰীলৈও এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। ইফালে, মন্ত্ৰী পীযুষ হাজৰিকাই ৰাজধানী সম্প্ৰসাৰণ প্ৰসংগত কৰা মন্তব্যক গুৰুত্বহীন আখ্যা দি তিৰা সংগঠনসমূহে তেওঁৰ স'তে মুখ চুপতি নকৰে বুলি মন্তব্য কৰে। ইয়াৰ বিপৰীতে মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে তিৰা জাতীয় সংগঠনসমূহৰ প্ৰতিবাদলৈ সমৰ্থন জনোৱাৰ বাবে তেওঁক ধন্যবাদ জনোৱা হয়। প্ৰতিবাদী কাৰ্যসূচীত সদৌ তিৰা ছাত্ৰ সন্থাৰ উপদেষ্টা বিমল আমচি, সভাপতি দীপক আমচং, মৰিগাঁও জিলা আছুৰ সভাপতি দিপুল কুমাৰ নাথ, তিৰা সাহিত্য সভাৰ সভাপতি দিপেন্দ্ৰ নাথ বৰদলৈ, তিৰা যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি কৃষ্ণ কোঁৱৰ আদিকে ধৰি কে'বাজনো নেতাই ভাষণ দি চৰকাৰৰ বিৰুদ্ধে ক্ষোভ উজাৰে।

ঘিলাধাৰী নদীৰ ওপৰত থকা

তিনি পৃষ্ঠাৰ পৰা বাবে দুই-তিনি বছৰৰ পাছতেই জহি-খহি যোৱাৰ উপক্ৰম ঘটিল। যাৰ পৰিণতিত অঞ্চলটোৰ ৰাইজে কষ্ট ভুগিবলগীয়া হৈছে। সেই জৰাজীৰ্ণ দলঙৰ ওপৰেৰে নিতৌ উত্তৰ বকৰাপট্টা এল পি স্কুল, বকৰাপট্টা মধ্য ইংৰাজী বিদ্যালয়, পূব বকৰাপট্টা এল পি স্কুল, কুৰুৱাআটি এল পি স্কুল, বকৰাপট্টা উপ-ডাকঘৰ, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক কৰ্মচাৰী অহা-যোৱা কৰিবলগীয়া হৈছে। যোৱা এক সপ্তাহৰ পূৰ্বে পূব চতিয়া হাইস্কুলৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী ৰাজ আল গোলামতাব বিদ্যালয়লৈ আহোতে এই জৰাজীৰ্ণ দলঙৰ পৰা সৰি পৰি আঘাতপ্ৰাপ্ত হয়। নদীত পানী কম থকাৰ বাবে জীৱন ৰক্ষা পৰে। অঞ্চলটোৰ ৰোগী, প্ৰসূতি মাতৃ আৰু জৰুৰীকালীন চিকিৎসাৰ বাবে এই জৰাজীৰ্ণ দলঙৰে অহা-যোৱা কৰাটো অসম্ভৱ হৈছে। আনহাতে, কৃষিপ্ৰধান অঞ্চলটোৰ কৃষকে কৃষি সামগ্ৰী ভাৰৰে কঢ়িয়াবলগীয়া হয়। এই ঘিলাধাৰী দলংখন নিৰ্মাণ কৰাৰ বাবে ৰাইজে স্থানীয় বিধায়ক, পঞ্চায়তত আবেদন-নিবেদন কৰি আহিছে যদিও একো সুফল লাভ কৰিবলৈ সক্ষম হোৱা নাই। সেয়ে স্থানীয় ভুক্তভোগী ৰাইজে শীঘ্ৰে এখন পকী দলং নিৰ্মাণৰ বাবে চৰকাৰৰ ওচৰত দাবী জনাইছে।

আই নৈত ব'লব'মৰ মাজতে অঘটন

তিনি পৃষ্ঠাৰ পৰা পাছত ঘটনাস্থলীত আৰক্ষীৰ লোক উপস্থিত হৈ মৃতদেহটো নিজৰ জিম্মাত লৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। মৃত যুৱকজনৰ ঘৰ বঙাইগাঁৱৰ ভাকাৰিভিটাৰ চৌধুৰীপাৰাত বুলি স্থানীয় লোকে জনাইছে।

সৰ্বভাৰতীয় মুক্তিযোদ্ধা

তিনি পৃষ্ঠাৰ পৰা দুজন পুত্ৰ সন্তান আৰু এগৰাকী কন্যা সন্তানৰ পিতৃ লহকৰে এজন পুত্ৰক কিছু বছৰৰ পূৰ্বে হেৰুৱাই বাৰুকৈ মৰ্মাহত হৈ পৰিছিল। মুক্তিযোদ্ধা জনক প্ৰাক্তন ৰাষ্ট্ৰপতি প্ৰয়াত প্ৰণৱ মুখাৰ্জীয়েও নিজৰ কাৰ্যকালত সম্বৰ্ধনা জ্ঞাপন কৰিছিল। আজি লহকৰৰ নশ্বৰদেহ ৰঙিয়া ৰাইজমেল ছহিদ কৃষক ভৱনলৈ আনি ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ৰঙিয়াৰ প্ৰায় সকলো অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত প্ৰয়াত লহকৰৰ মৃত্যুত ৰঙিয়াত গভীৰ শোকৰ ছাঁ পৰে। তেওঁৰ প্ৰতি সম্মান জনাই সদৌ অসম মুক্তিযোদ্ধা সন্মিলনে সাত দিনৰ বাবে সন্থাৰ পতাকা অৰ্ধনমিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। তেওঁৰ মৃত্যুত সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাস, ৰঙিয়া প্ৰেছ ক্লাব, পূৰ ৰঙিয়া প্ৰগতি সংঘ, ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থা, ৰঙিয়া আলোচনী সভা, ইলোৰা বিজ্ঞান মঞ্চসহ অন্যান্য দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

তামুলপুৰৰ ভূটান সীমান্তৰ

তিনি পৃষ্ঠাৰ পৰা হাবিয়নিত অৱস্থান কৰি থকা হাতীটোৱে বাৰে বাৰে স্থান সলনি কৰি গাঁওখনত ঘূৰি ফুৰাত আতংকিত হৈ পৰে গাঁওখনৰ লোকসকল। বনকৰ্মীৰ দলে গোটেই দিনটো হাতীটো পাহাৰলৈ খেদি পঠিয়াবলৈ চেষ্টা কৰে যদিও বাতৰি লিখাৰ সময়লৈকে হাতীটো খেদি পঠিয়াবলৈ সক্ষম হোৱা নাই। ফলত নিশা হাতীটোৱে পুনৰ গাঁওখনত প্ৰৱেশ কৰি আক্ৰমণ কৰাৰ আশংকাত আতংকিত হৈ পৰিছে অঞ্চলটোৰ ৰাইজ। উল্লেখ্য যে বিগত কিছুদিন ধৰি ভূটানৰ পৰা খাদ্যৰ সন্ধানত নামি অহা হাতীৰ জাক এটাই উপদ্ৰৱ চলাই মানুহৰ ঘৰ-দুৱাৰ ভাঙি লণ্ডভণ্ড কৰাৰ লগতে পাচলি খেতি, ধন খেতি খাই তহিলং কৰাৰ লগতে তামোল বাৰীৰ বিস্তৰ ক্ষতিসাধন কৰিছে।

মানাহৰ পৰ্যটনক্ষেত্ৰত বৰ্ধিত

তিনি পৃষ্ঠাৰ পৰা বিটিআৰ চৰকাৰে সংগঠনটোলৈ কোনো লিখিত জাননী প্ৰেৰণ কৰা নাই বুলি জানিব পৰা গৈছে। ইফালে, উক্ত আলোচনাৰ মাজতে সংগঠনটোৱে অব্যাহত ৰখা এই আন্দোলনৰ মাজত কোনো ৰাজনৈতিক লোকৰ উচটনি থকা বুলি মন্তব্য কৰিছিল কাৰ্যবাহী সদস্যজনে যাক কালি মানাহৰ বাঁহবাৰীৰ ফ্লৰিকান কটেজত আহ্বান কৰা এক সংবাদমেলৰ জৰিয়তে আন্দোলনকাৰী সংগঠনটোৰ নেতৃবৃন্দই দুৰ্ভাগ্যজনক বুলি আখ্যা দিয়ে আৰু এই মন্তব্য উঠাই ল'বলৈ দাবী জনায়। আনহাতে, যোৱা ২৮ জুলাইত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সংগঠনটোৰ বিষয়ববীয়াই গুৱাহাটীত সাক্ষাৎ কৰি পুনৰ এক স্মাৰকপত্ৰ প্ৰদান কৰি সংগঠনটোৰ দাবীসমূহ বিবেচনা কৰাৰ বাবে অনুৰোধ জনোৱাত মুখ্যমন্ত্ৰীজনে আশ্বাসো প্ৰদান কৰিছিল বুলি জনায় সংবাদমেলত। তদুপৰি ইতিমধ্যে একাংশ সংবাদপত্ৰত প্ৰকাশিত বাতৰি অনুসৰি মুখ্যমন্ত্ৰীয়ে মানাহৰ ক্ষেত্ৰ সঞ্চালক বৈভৱ চি মাথুৰক তাৎক্ষণিকভাৱে বদলিৰ নিৰ্দেশ দিয়াৰ পাছতো সেয়া এতিয়ালৈকে কাৰ্যকৰী হৈ নুঠাত আক্ষেপ প্ৰকাশ কৰে সংগঠনটোৰ নেতৃবৃন্দই। সেয়েহে সংগঠনটোৰ দাবীসমূহ পূৰণৰ ক্ষেত্ৰত বিটিআৰ তথা ৰাজ্য চৰকাৰে এই পৰ্যন্ত কোনো ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ নকৰাৰ প্ৰতিবাদত তথা মানাহৰ পৰ্যটনক্ষেত্ৰৰ মাচুল বৃদ্ধিৰ বিষয়টোৰ সমাধানৰ লগতে মানাহৰ ক্ষেত্ৰ সঞ্চালকগৰাকীক শীঘ্ৰে বদলিৰ দাবীত সংগঠনটোৱে অহা ১০ আগষ্টৰ পৰা পুনৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰি ধাৰাবাহিক আন্দোলন অব্যাহত ৰাখিব বুলি উক্ত সংবাদমেলৰ জৰিয়তে সদৰী কৰিছে। উল্লেখ্য যে ১০ আগষ্টত সমূহীয়া মুণ্ডন কাৰ্যসূচী গ্ৰহণ কৰিব সংগঠনটোৱে। ইফালে, সংগঠনটোৰ দাবীসমূহ মানি নোলোৱা পৰ্যন্ত মানাহত জীপ ছাফাৰি বন্ধ ৰাখিব বুলিও পুনৰ স্পষ্ট কৰি দিয়ে সংগঠনটোৰ নেতৃবৃন্দই।

হোটেলত পুৰতি নিশা ছাটাৰ

এক পৃষ্ঠাৰ পৰা নিশা আকস্মিকভাৱে আঘাতপ্ৰাপ্ত হৈ মৃত্যু হয়। ৩২ বছৰ বয়সীয়া যুৱকজনে কালি পুৱা পুৰণিগুদামৰ ভেৰভেৰীস্থিত মহামৃত্যুঞ্জয় মন্দিৰৰ কাষত অৱস্থিত 'গোস্বামী হোটেল'ত আন দিনৰ দৰে কাৰিকৰৰূপে কাম কৰিবলৈ যায়। কিন্তু আজি পুৰতি নিশা প্ৰায় তিনি বজাত পবিত্ৰৰ ঘৰলৈ কোনো লোকে ফোন কৰি পৰিয়ালটোক জনায় যে হোটেলৰ ছাটাৰখন মূৰত পৰাত পবিত্ৰই গুৰুতৰভাৱে আঘাত পাইছে আৰু তেওঁক হোটেল কৰ্তৃপক্ষই নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে। অৱশ্যে কৰ্তব্যৰত চিকিৎসকে ইতিমধ্যে পবিত্ৰৰ মৃত্যু হোৱা বুলি ঘোষণা কৰাত পৰিয়ালটো শোকত ভাগি পৰে। ইফালে, আকস্মিকভাৱে সংঘটিত হোৱা এই ঘটনাক সহজভাৱে ল'ব পৰা নাই পৰিয়ালটোৱে। সেয়ে ঘটনাৰ সম্পৰ্কত আজি পুৰণিগুদাম আৰক্ষী পহৰা চকীত উচিত তদন্ত বিচাৰি পৰিয়ালৰ তৰফৰ পৰা এখন এজাহাৰ দাখিল কৰে।

গুৱাহাটী ষ্টেছনত এ টি এম কাৰ্ড চুৰি

এক পৃষ্ঠাৰ পৰা আৰক্ষীৰ অধীক্ষক ভানৱাৰ মীনাই জনায় যে এক তথ্যৰ ভিত্তিত আজি নিশা ৰাজধানী এক্সপ্ৰেছত চলোৱা তালাচীত এ টি এম কাৰ্ডসহ গ্ৰেপ্তাৰ কৰা লোক দুজন হ'ল ঔম সিং আৰু বিনয় কুমাৰ। কানপুৰৰ বাসিন্দা দুয়োজনে ডিমাপুৰৰ পৰা লক্ষ্ণৌ অভিমুখে গৈ আছিল। মীনাই জনায় যে ভিন ভিন বেংকৰ এ টি এম কাৰ্ডসমূহ দেশৰ বিভিন্ন ৰাজ্যৰ পৰা দুয়োজনে চুৰি কৰিছিল। ইয়াৰ বাবে বিভিন্ন কৌশল অৱলম্বন কৰাৰ তথ্য প্ৰাথমিক অনুসন্ধানত পোহৰলৈ আহিছে। ধৃত দুয়োজনে এ টি এমবোৰক মূল লক্ষ্য কৰি লয়। এ টি এমত বেংকৰ কোনো গ্ৰাহকে কিবা অসুবিধা পালেই দুয়োজনে সহায়ৰ বাবে আগবাঢ়ি গৈ কৌশলেৰে আচল কাৰ্ডখন চুৰি কৰি নকল কাৰ্ডেৰে সহায়ৰ চেষ্টা চলায়। তেনেদৰে আচল কাৰ্ডখন হাতত পৰাৰ পাছতে তাৰ পৰা আঁতৰি যায়। ইয়াৰ পাছত তেনে কাৰ্ডৰ জৰিয়তে গ্ৰাহকৰ ধন লুটি নিয়ে। ডিমাপুৰতো তেনে কৌশলেৰে কে'বাখনো এ টি এম কাৰ্ড চুৰি কৰি দুয়োজনে লক্ষ্ণৌলৈ গৈ আছিল। আৰক্ষীয়ে ঔম সিঙৰ পৰা ২২ খন আৰু বিনয়ৰ পৰা ১১ খন কাৰ্ড উদ্ধাৰ কৰে বুলি আৰক্ষীয়ে জনায়।

শিৱসাগৰ-চৰাইদেউ জিলাৰ স্বাস্থ্য

এক পৃষ্ঠাৰ পৰা আৰক্ষীয়ে গাণনিক বিষয়া অমৃত গগৈক ধাৰাবাহিকভাৱে জেৰা কৰি বহু বিস্ফোৰক তথ্য উদ্ঘাটন কৰিছে। ভুৱা নিযুক্তি কেলেংকাৰিত শীৰ্ষ স্বাস্থ্য বিষয়া-আমোলাৰ লগতে একাধিক ৰাজনৈতিক ব্যক্তি জড়িত থকা বুলি গ্ৰেপ্তাৰ হোৱা গাণনিক অমৃত গগৈয়ে জেৰাত স্বীকাৰ কৰা বুলি জনা গৈছে। উল্লেখ্য যে স্বাস্থ্য বিভাগত এটি চাকৰি লাভৰ আশাৰে চৰাইদেউ, শিৱসাগৰ, ডিব্ৰুগড় জিলাৰ বহু যুৱকে পাঁচ লাখৰ পৰা আঠ লাখ পৰ্যন্ত উপঢৌকন দিছিল দালাল চক্ৰটোক। কিন্তু পৰৱৰ্তী সময়ত চাকৰি দিব নোৱৰাত আদায় দিয়া ধন ঘূৰাই বিচাৰে যুৱকসকলে। সেই ধনো ঘূৰাই নোপোৱাত উপায়ান্তৰ হৈ চাকৰি প্ৰয়াসী যুৱকসকলে সোণাৰি আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। উক্ত এজাহাৰৰ ভিত্তিতেই সোণাৰি আৰক্ষী থানাত ভাৰতীয় দণ্ড বিধি আইনৰ ১২০/৪২০/৪০৮/৪০৯/৬৮/৪৭১ ধাৰাত ১২/২২ নম্বৰত এটি গোচৰ পঞ্জীয়ন হয়। শেহতীয়াকৈ জেষ্ঠ গাণনিক অমৃত গগৈক গ্ৰেপ্তাৰ কৰিছে যদিও চাকৰি দিয়াৰ নামত বুজন পৰিমাণৰ ধন সংগ্ৰহ কৰা দালাল চক্ৰটোৰ বাকী সদস্যক আৰক্ষীয়ে এই পৰ্যন্ত গ্ৰেপ্তাৰ কৰা নাই। স্বাস্থ্য বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে, শিৱসাগৰ আৰু চৰাইদেউ জিলা যুটীয়া স্বাস্থ্য সঞ্চালকৰ কাৰ্যালয়ত চাকৰি দিয়া দালাল চক্ৰটোত নাম সাঙোৰ খোৱা ব্যক্তিসকল হ'ল ক্ৰমে বলো গোহাঁই (গাণনিক), দিবাকৰ চিৰিং (ডিলিং এচিষ্টেণ্ট), জয়ন্ত নেওগ (উচ্চ বৰ্গ সহায়ক), উষা শ্যাম (গাণনিক), ঘনকান্ত চুতীয়া (এছ আই) আৰু অমৃত গগৈ (জ্যেষ্ঠ গাণনিক)। ইতিমধ্যে জেষ্ঠ গাণনিক অমৃত গগৈক সোণাৰি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে যদিও বাকী পাঁচজন অভিযুক্তক সোধপোছৰ বাবে এই পৰ্যন্ত আটক নকৰাটো লক্ষ্যণীয়। গুৰুত্বপূৰ্ণ কথাটো হ'ল, স্বাস্থ্য বিভাগত চাকৰি দিয়াৰ নামত কোটি কোটি টকা সংগ্ৰহ কৰা দালাল চক্ৰটোৰ অন্যতম গাণনিক উষা শ্যামক বিভাগীয় শীৰ্ষ দুৰ্নীতিগ্ৰস্ত চক্ৰটোৱে ৰক্ষণাবেক্ষণ দিয়াৰ স্বাৰ্থতে ইতিমধ্যে চৰাইদেউ জিলাৰ পৰা বদলি কৰিছে। তদন্তকাৰী আৰক্ষীয়ে এতিয়াও দালালৰূপী উষা শ্যামৰ ওচৰ চাপিব পৰা নাই। মনকৰিবলগীয়া দিশটো হ'ল অবৈধ আৰু সম্পূৰ্ণ ভুৱা প্ৰক্ৰিয়াৰে নিযুক্তি লাভ কৰা একাংশ স্বাস্থ্য বিভাগৰ কৰ্মচাৰীক বিভাগৰে দুৰ্নীতিগ্ৰস্ত শীৰ্ষ বিষয়াৰ চক্ৰটোৱে অতি কৌশলেৰে ৰক্ষণাবেক্ষণ দিয়াৰ তথ্য পোহৰলৈ আহিছে। প্ৰাপ্ত তথ্য মতে, শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালকৰ কাৰ্যালয়ত সক্ৰিয় হৈ থকা দালাল চক্ৰটোৱে বিগত ২০১৯ত ডিব্ৰুগড় জিলাৰ চাৰিজন প্ৰাৰ্থী ক্ৰমে পবিত্ৰ হাজৰিকা, উষা বৰাৰ লগতে দাস আৰু গগৈ উপাধিৰ যুৱকক চতুৰ্থ বৰ্গৰ চাকৰিত নিযুক্তি পত্ৰ প্ৰদান কৰিছিল আৰু সেই মৰ্মে চাৰিওজনেই শিৱসাগৰ আৰু চৰাইদেউ জিলাত চাকৰিত যোগদান কৰে। কিন্তু এটা বৰ্ষৰ পাছতেই উষা বৰা, দাস আৰু গগৈ উপাধিৰ যুৱকদ্বয়ক চাকৰিৰ পৰা বৰ্খাস্ত কৰে স্বাস্থ্য বিভাগে। লক্ষ্যণীয় দিশটো হ'ল, একেটা প্ৰক্ৰিয়াৰে স্বাস্থ্য বিভাগৰ চাকৰি লোৱা পবিত্ৰ হাজৰিকাই শীৰ্ষ স্বাস্থ্য বিষয়াক 'মেনেজ' কৰি নিজৰ চাকৰি সুৰক্ষিত কৰি লয়। ইমানেই নহয়, আৰক্ষীৰ তদন্তৰ আওতাত নপৰিবলৈয়ো স্বাস্থ্য বিভাগৰ শীৰ্ষ দুৰ্নীতিগ্ৰস্ত বিষয়া চক্ৰটোৱে ডেৰ মাহৰ পূৰ্বে জুনিয়ৰ এছিষ্টেণ্ট পবিত্ৰ হাজৰিকাক চৰাইদেউ জিলাৰ পৰা তাৎক্ষণিকভাৱে বদলি কৰে ডিব্ৰুগড় জিলালৈ। স্বাস্থ্য বিভাগৰ সঞ্চালকৰ কাৰ্যালয়ৰ এক নিৰ্দেশনা মৰ্মে জুনিয়ৰ এছিষ্টেণ্ট পবিত্ৰ হাজৰিকাই ইতিমধ্যে ডিব্ৰুগড় জিলা যুটীয়া স্বাস্থ্য সঞ্চালকৰ কাৰ্যালয়ত যোগদান কৰিছে। তদন্তকাৰী সোণাৰি আৰক্ষীয়ে এতিয়ালৈকে ভুৱা নিযুক্তি প্ৰদানৰ দালাল চক্ৰটোৰ অন্যতম অভিযুক্ত হাজৰিকাক সোধপোছৰ বাবে আটক কৰিব পৰা নাই। ইপিনে, জিলা দুখনৰ মুঠ ৯১জন কৰ্মচাৰীৰ বিৰুদ্ধে বিভাগৰ তৰফৰ পৰা তদন্ত ঘোষণা কৰা হৈছে।

অভিজিত শৰ্মা বৰুৱালৈ 'অকণিৰ সাহিত্য

তিনি পৃষ্ঠাৰ পৰা হোৱাইট আৰু সাতটা বাওনা, এটা হাতী আৰু এটা কেঁকোৰা, বৰটোকোলা পোৱালিটো আৰু মাছবোৰ, এটা কাছ আৰু তাৰ বন্ধুবোৰ, কাটল মাছটোৱে তাৰ প্ৰাণ হেৰুৱালে, আৰ্চাৰ মাছটো আৰু তাৰ বিশেষ কৌশল, বুধিয়ক নিগনিটো, ফুলবোৰ, কৌতূহল, উপকাৰী দীঘল নেজডাল, শহা পোৱালিটোৱে গছত বগাবলৈ শিকিলে, সিংহক জীৱনদান দিয়া মানুহকেইজন, চন্দ্ৰৰ হুদটো, প্ৰভুভক্ত নেউলটো, এডাল সাপ আৰু মূৰ্খ ভেকুলীজাক, বুধিয়ক কাউৰী, এটাও হাতী মাৰিব নোৱাৰা শিয়ালটো, মূৰ্খ বামুণজন, মগজু নথকা গাধটো, যি যায় সি পায়, গান গোৱা গাধটো, এটা নীলা শিয়াল, এটা বান্দৰ আৰু এটা ঘৰিয়াল, টেঙা আঙুৰবোৰ, এজন টুপী বেপাৰী, এটা কাছ আৰু তাৰ বন্ধুবোৰ, এটা কাছ আৰু দুটা হাঁহ, নতুন আলহীজন, জ্ঞানী বয়োবৃদ্ধ চৰাইটো, মূৰ্খ কাউৰীটো, শহা আৰু সিংহ, জ্ঞানী কাছ আৰু তাৰ বন্ধুবোৰ, এটা সিংহ আৰু এটা নিগনি, যেনে কুকুৰ তেনে টাঙোন, পাৰ চৰাইজাক আৰু নিগনিটো, বামুণজনৰ সপোন, এটা চোৰৰ ত্যাগ, হাতী আৰু নিগনি, তিনিজনী মাছ, এটা ফেঁচা আৰু এটা ৰাজহাঁহ, বুঢ়া বৰটোকোলা আৰু কেঁকোৰা, কালজয়ী সাধু-পঞ্চতন্ত্ৰৰ সাধুসমূহৰ একত্ৰ সংকলন নীতিকথাৰ সাধুসমূহৰ একত্ৰ সংকলন, কালজয়ী সাধুসমূহৰ একত্ৰ সংকলন, মানৱ সভ্যতাৰ দিগদৰ্শক, পাঁচটা ল'ৰা-ছোৱালী আৰু ইক্ট বিজ্ঞান বিশ্বকোষ, সংক্ষিপ্ত অসমীয়া বিশ্বকোষ, সহস্ৰাব্দৰ বিশ্ব শীৰ্ষক বিশ্বৰ সৃষ্টিৰ পৰা এতিয়ালৈকে বিশ্বৰ ব্যতিক্ৰমধৰ্মী ইতিহাস, বনলতা নলেজ বেংক, বিশ্ব পৰিক্ৰমা, সাহিত্যৰ ইয়েৰ বুক, অসমীয়া বুক অফ ৰেকৰ্ডছ, সংজ্ঞা অভিধান আদি গ্ৰন্থৰ সম্পাদনাৰ লগতো জড়িত বিশিষ্ট শিশু সাহিত্যিক বৰুৱা। উল্লেখ্য যে, ১৯৮৭ ত 'দৈনিক অসম' কাকতে নবীন লেখকক পাঠকৰ মাজলৈ অনাৰ লক্ষ্যৰে আয়োজন কৰা সদৌ অসম উপন্যাস প্ৰতিযোগিতাত 'প্ৰত্যাৱৰ্তন' নামৰ উপন্যাসখনে প্ৰথম পুৰস্কাৰ লাভ কৰাৰ পিচৰে পৰা যাত্ৰিকৰ ডায়েৰী, আন্ধাৰত জোনাক, মায়া বন্ধন, ইঞ্জিনিয়াৰিং কলেজ, ইপাৰ-সিপাৰ, প্ৰেমৰ এদিন, সব্যসাচী, সোণোৱালি ল'ৰালি 'কিশোৰৰ', নষ্ট পিতৃৰ নষ্ট পুত্ৰ আদি উ

হঠাৎ পাকিস্তানী নাগৰিকত্ব গ্ৰহণ কৰা ভাৰতীয়ৰ সংখ্যা বৃদ্ধি

নিউজ ব্যুৰ', নতুন দিল্লী, ৮ আগষ্ট ঃ শেহতীয়াভাৱে ভাৰতীয় নাগৰিকৰ মাজত পাকিস্তানৰ নাগৰিকত্ব গ্ৰহণ কৰা হাৰ বৃদ্ধি পাইছে। পৰিসংখ্যা অনুসৰি বিগত দুবছৰ ধৰি ভাৰতীয় নাগৰিকৰ পাকিস্তানৰ নাগৰিকত্ব গ্ৰহণৰ এই হাৰ ক্ৰমশঃ বৃদ্ধি হৈছে। চৰকাৰী তথ্যত উল্লেখ কৰা মতে, ২০১৯ বৰ্ষত কোনো ভাৰতীয় নাগৰিকে পাকিস্তানৰ নাগৰিকত্ব গ্ৰহণ কৰা নাছিল। কিন্তু ২০২০ বৰ্ষত সাতজন ভাৰতীয় নাগৰিকে পাকিস্তানী নাগৰিকত্ব গ্ৰহণ কৰিছিল। ২০২১ বৰ্ষত পাকিস্তানৰ নাগৰিকত্ব গ্ৰহণ কৰা ভাৰতীয়ৰ সংখ্যা ৪১ জনলৈ বৃদ্ধি পাইছিল।

মিছ ইউনিভাৰ্ছ প্ৰতিযোগিতাত অংশ ল'ব পাৰিব বিবাহিত মহিলায়ো

নিউজ ব্যুৰ', নিউ য়ৰ্ক, ৮ আগষ্ট ঃ ইমানদিনে প্ৰচলিত নিয়ম অনুসৰি মিছ ইউনিভাৰ্ছ প্ৰতিযোগিতাত কেৱল ১৮-২৮ বছৰ বয়সীয়া অবিবাহিত তথা নিঃসন্তান মহিলাইহে অংশ ল'ব পাৰিছিল। ২০২৩ বৰ্ষৰ পৰা মিছ ইউনিভাৰ্ছৰ প্ৰতিযোগিতাৰ এই নিয়ম সলনি কৰা হ'ব। প্ৰতিযোগিতাৰ ৭২ সংখ্যক খিতাপত বিবাহিত মহিলা আৰু মাতৃয়ো মিছ ইউনিভাৰ্ছত যোগদান কৰিব পাৰিব। নিয়ম পৰিৱৰ্তনৰ আঁৰত আছে মিছ ইউনিভাৰ্ছৰ অধ্যক্ষা পাউলা ছুগাৰ্ট আৰু মুখ্য কাৰ্যবাহী বিষয়া এমি এমিৰেছ। ছুগাৰ্ট আৰু এমিৰেছৰ নেতৃত্বত সকলো নাৰীকে মিছ ইউনিভাৰ্ছৰ প্ৰতিযোগিতাত অংশ লোৱাৰ সুযোগ দিবলৈ নিয়ম সলনিৰ এই সিদ্ধান্ত লোৱা হ'ল। এক বাৰ্তাত আয়োজক কমিটীয়ে এইদৰে কয়, 'আমি বিশ্বাস কৰো, নিজৰ জীৱনক প্ৰতিনিধিত্ব কৰাৰ অধিকাৰ সকলো নাৰীৰ আছে। সেয়েহে এজন মানুহৰ ব্যক্তিগত সিদ্ধান্ত তেওঁৰ সাফল্যৰ পথত বাধা হোৱা উচিত নহয়।' অহা ডিচেম্বৰত মিছ ইউনিভাৰ্ছৰ চলিত বৰ্ষৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। যোৱা বছৰৰ প্ৰতিযোগিতাত ভাৰতীয় সুন্দৰী হাৰনাজ সিন্ধুৱে মিছ ইউনিভাৰ্ছৰ খিতাপ লাভ কৰিছিল।

দেশত দৈনিক আক্ৰান্তৰ সংখ্যা ১৬ হেজাৰলৈ হ্ৰাস, মৃত্যু ৪১ জনৰ

নিউজ ব্যুৰ', নতুন দিল্লী, ৮ আগষ্ট ঃ একেৰাহে চাৰিদিন ধৰি দেশৰ কৰ'নাৰ দৈনিক সংক্ৰমণৰ ৰেখাচিত্ৰ নিম্নমুখী হৈ আছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ ১৬,১৬৭ জন লোক ক'ভিড-১৯ত আক্ৰান্ত হ'ল। দেওবাৰে দৈনিক আক্ৰান্তৰ সংখ্যা আছিল ১৮,৭৩৮ জন। যোৱা ২৪ ঘণ্টাত দিল্লীত ২৪২৩, কৰ্ণাটকত ১৮৩৭, মহাৰাষ্ট্ৰত ১৮১২, কেৰালাত ১১৫৮ আৰু তামিলনাড়ুত ১০৫৭ জন লোক ক'ভিডত সংক্ৰমিত হ'ল। ইফালে, যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণত প্ৰাণ হেৰুৱালে ৪১ জন লোকে।

বিত্তীয় দুৰ্নীতিৰ গোচৰত ১৪ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ সঞ্জয় ৰাউটক

নিউজ ব্যুৰ', মুম্বাই, ৮ আগষ্ট ঃ পাত্ৰা ছাওল বিত্তীয় দুৰ্নীতিৰ গোচৰত এইবাৰ শিৱসেনাৰ সাংসদ সঞ্জয় ৰাউটক আদালতে ১৪ দিনৰ বাবে কাৰাগাৰলৈ প্ৰেৰণ কৰিলে। অহা ২২ আগষ্টলৈকে ন্যায়িক জিম্মাত থাকিব লাগিব শিৱসেনাৰ ৰাজ্যসভাৰ সাংসদজন। উল্লেখ্য যে যোৱা ৩১ জুলাইত বিত্তীয় দুৰ্নীতিৰ গোচৰত প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ ৰাউটক গ্ৰেপ্তাৰ কৰিছিল। গ্ৰেপ্তাৰৰ পাছত দুবাৰকৈ আদালতে ৰাউটক ই ডিৰ জিম্মালৈ প্ৰেৰণ কৰিছিল। একেটা গোচৰত যোৱা শনিবাৰে ৰাউটৰ পত্নীকো ১০ ঘণ্টা ধৰি ই ডিয়ে জেৰা কৰিছিল। পাত্ৰা ছাওল গোচৰত আদালতে পুনৰ ৰাউটৰ জামিনৰ আবেদন প্ৰত্যাখ্যান কৰি আজি ১৪ দিনৰ বাবে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিলে।

কলম্বিয়াৰ প্ৰথম বামপন্থী ৰাষ্ট্ৰপতি নিৰ্বাচিত গুস্তাভ' পেট্ৰ'

নিউজ ব্যুৰ', ব'গ'টা, ৮ আগষ্ট ঃ কলম্বিয়াৰ ৰাষ্ট্ৰপতি হিচাপে শপত গ্ৰহণ কৰিলে প্ৰাক্তন গেৰিলা যোদ্ধা তথা মেয়ৰ গুস্তাভ' পেট্ৰ'ই। আলজাজিৰাৰ বাতৰি অনুসৰি, পেট্ৰ'ই হৈছে কলম্বিয়াৰ প্ৰথম নিৰ্বাচিত বামপন্থী ৰাষ্ট্ৰপতি। পূৰ্বে পেট্ৰ'ই এম-১৯ সশস্ত্ৰ গোষ্ঠীৰ সদস্য হিচাপে গেৰিলা যুদ্ধতো অংশ লৈছিল। ডেম'ক্ৰেটিক চেণ্টাৰ পাৰ্টিৰ পৰা নিৰ্বাচিত ৰাষ্ট্ৰপতি ইভান ডুকুৰ পাছত কলম্বিয়াক নেতৃত্ব প্ৰদান কৰিব পেট্ৰ'ই।

ৰাজস্থানৰ খাটুশ্যামজি মন্দিৰত পদপিষ্ট হৈ মৃত্যু কমেও তিনিজনৰ

নিউজ ব্যুৰ'

জয়পুৰ, ৮ আগষ্ট ঃ ৰাজস্থানৰ ছিকাৰ জিলাত থকা বিখ্যাত খাটুশ্যামজি মন্দিৰত আজি পুৱাতে তীৰ্থযাত্ৰীৰ অত্যধিক ভিৰৰ ফলত পদপিষ্ট হৈ কমেও তিনিজন লোকৰ মৃত্যু হোৱাৰ লগতে আন দুজন লোক আহত হয়। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, মন্দিৰত চলি থকা মেলা উপলক্ষে অগণন ভক্তৰ আগমন ঘটিছিল আৰু ভিৰৰ হেঁচা-ঠেলাত পদপিষ্ট হোৱাত তিনিজন লোকৰ ঘটনাস্থলীতে মৃত্যু হয়। আহত দুজনক জয়পুৰৰ এখন চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ মন্দিৰ চৌহদত সেনা আৰু আৰক্ষীক নিয়োগ কৰা হৈছে। মৃত্যু হোৱা আটাইকেইগৰাকী ভক্ত মহিলা বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে।

টাইৱান সীমান্তত সামৰিক অনুশীলন অব্যাহত ঃ যুদ্ধৰ প্ৰস্তুতি গ্ৰহণৰো দৃশ্য আবদ্ধ ভিডিঅ'ত

পুনৰ যুঁজাৰু বিমান বিচৰণৰ ভিডিঅ'ৰে টাইৱানক ভাবুকি চীনৰ

নিউজ ব্যুৰ'

টাইপে, ৮ আগষ্ট ঃ আমেৰিকাৰ কংগ্ৰেছৰ অধ্যক্ষা নেন্সি পেল'চিয়ে টাইৱান ভ্ৰমণ কৰাৰ দিনৰে পৰা চীনে টাইৱান সীমান্তত সামৰিক অনুশীলন অব্যাহত ৰাখিছে। বেইজিঙক এই অনুশীলন বন্ধ কৰিবলৈ ইতিমধ্যে আমেৰিকা, অষ্ট্ৰেলিয়া আৰু জাপানে অনুৰোধ জনাইছে। কিন্তু ইয়াৰ পাছতো টাইৱান সীমান্তত নিজৰ সামৰিক শক্তি প্ৰদৰ্শন অব্যাহত ৰাখিছে চীনে। টাইৱানক ঘেৰি যিকেইখন যুঁজাৰু বিমানে সামৰিক অনুশীলন চলাইছে, এই বিমানৰ এক ভিডিঅ' প্ৰচাৰ কৰিলে চীনৰ ৰাষ্ট্ৰীয় সংবাদ মাধ্যমে। ভিডিঅ'ত টুইট কৰি চীনৰ চৰকাৰী সংবাদ মাধ্যম গ্ল'বেল টাইমছে এইদৰে কয়, 'টাইৱানক ঘেৰি যি অনুশীলন চলোৱা হৈছে তাৰ কিছু দৃশ্য। এশৰো অধিক যুঁজাৰু বিমান ব্যৱহাৰ কৰা হৈছে এই অনুশীলনত। তদুপৰি চীনৰ নতুন

যুঁজাৰু বিমান ৰাই ইউ ২০ক নিয়োগ কৰা হৈছে।' কেৱল বিমানেই নহয়, উক্ত ভিডিঅ'ত চীনা সেনাই যুদ্ধৰ প্ৰস্তুতি গ্ৰহণৰো দৃশ্য আবদ্ধ হৈছে। সামৰিক বিশেষজ্ঞৰ মতে, চৰকাৰী সংবাদ মাধ্যমৰ জৰিয়তে এই ভিডিঅ' প্ৰচাৰ কৰি চীনে টাইৱানক ভাবুকি দিলে।

উল্লেখ্য যে আমেৰিকাৰ প্ৰতিনিধি পেল'চিৰ ভ্ৰমণৰ বাবে টাইৱানক শাস্তি বিহা হ'ব বুলি ইতিমধ্যে চীনে ঘোষণা কৰিছে। পেল'চিৰ প্ৰস্থানৰ পাছৰে পৰা টাইৱানক ঘেৰি মুঠ ছটা অঞ্চলত পিপ'লছ লিবাৰেচন আৰ্মিয়ে সামৰিক অনুশীলন অব্যাহত ৰাখিছে। একাধিক অঞ্চলত আন্তৰ্জাতিক সমুদ্ৰ সীমা উলংঘন কৰিও প্ৰৱেশ কৰিছে চীনৰ ৰণতৰীয়ে। অলপতে জাপান সমুদ্ৰলৈও ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰিছিল বেইজিঙে। উল্লেখ্য যে টাইৱানক চীনে দেশখনৰ অবিচ্ছেদ্য অংগ বুলি দাবী কৰি আহিছে। সেয়েহে প্ৰয়োজনত সামৰিক আক্ৰমণ কৰি টাইৱান দখল কৰা হ'ব বুলিও সময়ে সময়ে চীনে ভাবুকি দি আহিছে।



চত্তিছগড়ত ছোৱাইন ফ্লুত প্ৰথমটো মৃত্যু

নিউজ ব্যুৰ'

ৰাইপুৰ, ৮ আগষ্ট ঃ চত্তিছগড়ত কৰ'না, মংকীপক্সৰ সংক্ৰমণৰ মাজতে ছোৱাইন ফ্লুৰ সংক্ৰমণে উদ্বেগ বৃদ্ধি কৰিছে। দেওবাৰে নিশা ৰাজ্যখনৰ এখন ব্যক্তিগত চিকিৎসালয়ত ছোৱাইন ফ্লুত আক্ৰান্ত এটি চাৰি বছৰীয়া শিশুৰ মৃত্যু হ'ল। প্ৰকাশিত তথ্য অনুসৰি, ছোৱাইন ফ্লুত চত্তিছগড়ত প্ৰথমজন ৰোগীৰ মৃত্যু হ'ল। অৱশ্যে ছোৱাইন ফ্লুত মৃত্যু হোৱা শিশুটি আন ৰোগতো আক্ৰান্ত আছিল। স্বাস্থ্য বিভাগৰ তথ্যত প্ৰকাশ পোৱা মতে, চাৰি বছৰীয়া শিশুটি নিম'নীয়াৰ লগতে শ্বাস-প্ৰশ্বাসৰ জটিল সমস্যাত আক্ৰান্ত হৈছিল। কিছুদিন পূৰ্বে শিশুটিক চিকিৎসাৰ বাবে ৰাইপুৰলৈ অনা হৈছিল আৰু তেতিয়া চিকিৎসকে তেওঁৰ শৰীৰত ছোৱাইন ফ্লুৰ সংক্ৰমণ ধৰা পেলাইছিল। চত্তিছগড়ত বিগত এমাহত ২৮ জন লোকৰ শৰীৰত ছোৱাইন ফ্লুৰ সংক্ৰমণ ধৰা পৰিছে। বৰ্তমানে ৰাজ্যখনত ছোৱাইন ফ্লুত সংক্ৰমিত ১১ জন সক্ৰিয় ৰোগী থকাৰ লগতে প্ৰথমজন ৰোগীৰ মৃত্যু হ'ল।

'সামনা'ৰ সম্পাদক হৈ শাৰদ-মমতাক কঠোৰ সমালোচনা উদ্ধৱ থাকবেৰ

নিউজ ব্যুৰ', মুম্বাই, ৮ আগষ্ট ঃ শিৱসেনাৰ সাংসদ সঞ্জয় ৰাউট কাৰাগাৰলৈ যোৱাৰ পাছত দলৰ মুখপত্ৰ 'সামনা'ৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিলে উদ্ধৱ থাকৰেয়ে। 'সামনা'ৰ সম্পাদক হোৱাৰ পাছতে উদ্ধৱে বিজেপিৰ লগতে এন চি পি আৰু তৃণমূল কংগ্ৰেছক কঠোৰভাৱে সমালোচনা কৰিলে। দলীয় মুখপত্ৰত উদ্ধৱে কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰাহুল গান্ধী আৰু তেওঁৰ ভগ্নী প্ৰিয়ংকা

গান্ধীক মুক্ত কণ্ঠৰে প্ৰশংসা কৰি কয় যে মূল্যবৃদ্ধি আৰু কৰ্মসংস্থাপনহীনতাৰ দৰে বিষয়ক নেতাদ্বয়ে যিদৰে ৰাজপথত প্ৰতিবাদ অব্যাহত ৰাখিছে সেয়া প্ৰশংসাৰ যোগ্য। এনে প্ৰতিবাদত এন চি পিৰ মুৰব্বী শাৰদ পাৱাৰে অংশ নোলোৱা হেতুকে উদ্ধৱে বিৰোধিতা কৰি কয় যে এই সিদ্ধান্ত ভুল আছিল। ইফালে, তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জীয়ে উপৰাষ্ট্ৰপতিৰ নিৰ্বাচনত ভোটদানৰ পৰা আঁতৰি থকাৰ সিদ্ধান্তকো কঠোৰভাৱে সমালোচনা কৰিলে মহাৰাষ্ট্ৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰীজনে।

ব্ৰিটেইনৰ পৰা কেৰালালৈ অহা সাত বছৰীয়া শিশুৰ শৰীৰত মংকীপক্সৰ উপসৰ্গ

নিউজ ব্যুৰ', কোচি, ৮ আগষ্ট ঃ ভাৰতত কৰ'নাৰ লগতে মংকীপক্সৰ সংক্ৰমণৰ আতংক অব্যাহত আছে। কেৰালাত পুনৰ এজন লোকৰ শৰীৰত মংকীপক্সৰ উপসৰ্গ ধৰা পৰিল। সাত বছৰীয়া এটি শিশুৰ শৰীৰত মংকীপক্সৰ উপসৰ্গই দেখা দিয়াত শিশুটিক কেৰালাৰ কন্নুৰৰ চৰকাৰী মেডিকেল কলেজ হাস্পতালত ভৰ্তি কৰোৱা হয়। সম্প্ৰতি চিকিৎসালয়ত শিশুটিক পৃথকে নিৰীক্ষণত ৰখা হৈছে। চিকিৎসকে ইতিমধ্যে শিশুটিৰ শৰীৰৰ পৰা নমুনা সংগ্ৰহ কৰি পুনেৰ পৰীক্ষাকেন্দ্ৰলৈ প্ৰেৰণ কৰিছে। এটি টেলিভিছন চেনেলৰ বাতৰিত উল্লেখ কৰা অনুসৰি শিশুটিয়ে অলপতে অভিভাৱকৰ স'তে ব্ৰিটেইনৰ পৰা কেৰালালৈ উভতি আহিছিল আৰু

ইয়াৰ পাছতে তেওঁৰ শৰীৰত মংকীপক্সৰ উপসৰ্গই দেখা দিছিল। ইয়াৰ পূৰ্বে কেৰালাত আন দুজন ব্যক্তিৰ শৰীৰত মংকীপক্সৰ সংক্ৰমণ চিনাক্ত কৰা হৈছিল। এই ব্যক্তি দুজনে সংযুক্ত আৰব ভ্ৰমণ কৰি স্বদেশলৈ উভতি আহিছিল। বৰ্তমানলৈকে ভাৰতত নজন লোকৰ শৰীৰত মংকীপক্সৰ সংক্ৰমণ নিশ্চিত কৰা হৈছে।

ইজৰাইলত সহস্ৰাধিক ৰকেট আক্ৰমণ গাজাৰ জেহাদীৰ, সংঘৰ্ষত নিহত কমেও ৫১ জন

নিউজ ব্যুৰ'

জেৰুজালেম, ৮ আগষ্ট ঃ অধিক ভয়াৱহ ৰূপ ধাৰণ কৰিলে ইজৰাইল আৰু ইছলামিক জেহাদৰ সংঘৰ্ষই। যোৱা শুকুৰবাৰৰ পৰা পুনৰ আৰম্ভ হোৱা সংঘৰ্ষত বৰ্তমানলৈকে গাজা ভূখণ্ডত কমেও ৫১ জন লোকৰ মৃত্যু হ'ল। নিহতৰ মাজত ২৪ জন সন্ত্ৰাসবাদী আছে বুলি ইজৰাইলৰ সেনা বাহিনীয়ে দাবী কৰিছে। ইফালে, ইজৰাইলৰ ভূখণ্ডলৈও এহেজাৰতকৈ অধিক ৰকেট নিক্ষেপ কৰিলে গাজাৰ



ইছলামিক জেহাদীয়ে। যোৱা শুকুৰবাৰে গাজা ভূখণ্ডত পেলেষ্টাইনী সন্ত্ৰাসবাদী সংগঠনৰ ঘাটিত এটাৰ পাছত আন এটা বোমা বৰ্ষণ কৰি আক্ৰমণ চলাইছিল ইজৰাইলী যুঁজাৰু বিমানে। এই আক্ৰমণত হামাছৰ এজন শীৰ্ষ কমাণ্ডাৰসহ ১০ জন লোকৰ মৃত্যু হৈছিল। চলিত সপ্তাহতে গাজাত এজন সন্ত্ৰাসবাদী নেতাক সেনাই গ্ৰেপ্তাৰ কৰিছিল। ইফালে, ইজৰাইলৰ সেনা বাহিনীয়ে প্ৰকাশ কৰা অনুসৰি, বোমা বৰ্ষণৰ ঘটনাত ইছলামিক জেহাদৰ কমাণ্ডাৰ টায়চিৰ আল জাবাৰি নিহত হোৱাৰ পাছত হামাছে ইজৰাইললৈ এহেজাৰৰ অধিক ৰকেট নিক্ষেপ কৰে। ইয়াৰে ২০০ৰো অধিক ৰকেট লক্ষ্যভ্ৰষ্ট হৈ গাজা ষ্ট্ৰীপতে ছিটিকি পৰিছিল। ফলত ১৬ জন সাধাৰণ নাগৰিকৰ মৃত্যু হয়।

মাৰ্চৰ পাছত পুনৰ ক'ভিডৰ সংক্ৰমণ সৰ্বাধিক হ'ল ৰাছিয়াত

নিউজ ব্যুৰ', মস্কো, ৮ আগষ্ট ঃ ভাৰতৰ লগতে বিশ্বৰ কে'বাখনো ৰাষ্ট্ৰত ক'ভিডৰ নতুন সংক্ৰমণ পুনৰ বৃদ্ধি পাবলৈ ধৰিছে। ৰাছিয়াতো শেহতীয়াভাৱে ক'ভিড আক্ৰান্তৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি পাইছে। ৰাছিয়াৰ স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি, যোৱা মাৰ্চৰ পাছত দেশখনত সম্প্ৰতি ক'ভিড আক্ৰান্তৰ সংখ্যা সৰ্বাধিক হৈছে। যোৱা দেওবাৰে ৰাছিয়াত নতুনকৈ ক'ভিড সংক্ৰমিত হৈছিল ২০,৩০৩ জন লোক। স্বাস্থ্য বিভাগে উল্লেখ কৰা মতে, যোৱা ২৮ মাৰ্চৰ পাছত সাত আগষ্টত দেশখনত দৈনিক ক'ভিড আক্ৰান্তৰ সংখ্যা সৰ্বাধিক হ'ল। ইফালে, ক'ভিডত মৃতকৰ সংখ্যাও দেশখনত উৰ্ধ্বমুখী হৈ আছে। দেওবাৰে ৰাছিয়াৰ বিভিন্ন প্ৰদেশত ৪৪ জন ক'ভিড ৰোগীৰ মৃত্যু হৈছিল।



আমেৰিকাত ১৩ দিনত তিনি মুছলমানক হত্যাত ব্যাপক প্ৰতিক্ৰিয়া

নিউজ ব্যুৰ', নিউ য়ৰ্ক, ৮ আগষ্ট ঃ আমেৰিকাৰ নিউ মেক্সিকোত যোৱা পাঁচ আগষ্টত এজন মুছলমান যুৱকক হত্যা কৰা হৈছিল। মৃতকৰ পৰিচয় এতিয়াও উদ্ধাৰ হোৱা নাই আৰু হত্যাৰ কাৰণো আৰক্ষীয়ে বিচাৰি উলিয়াব পৰা নাই। বিগত ১৩ দিনত আমেৰিকাত তৃতীয়জন মুছলমান ব্যক্তি হত্যাৰ বলি হ'ল। অলবুকৰ্ক আৰক্ষীৰ মুৰব্বী হেৰ'ল্ড মেদিনাই ঘটনাৰ সন্দৰ্ভত এইদৰে কয়, 'মুছলমান সম্প্ৰদায়ৰ আৰু এজন ব্যক্তি হত্যাৰ বলি হ'ল। আমি ধাৰণা কৰা অনুসৰি যোৱা দুসপ্তাহত সংঘটিত তিনিটা হত্যাকাণ্ডৰ স'তে ২০২১ৰ নৱেম্বৰত সংঘটিত মহম্মদ অহমেদীৰ হত্যাৰ স'তে যোগসূত্ৰ আছে। হত্যাৰ বলি হোৱা ৬২ বছৰীয়া অহমেদী আফগানিস্তানৰ মুছলমান আছিল। আমেৰিকাত যোৱা ২৬ জুলাইত ২৭ বছৰীয়া মোহম্মদ আফজল হুছেইনক দুৰ্বৃত্তই হত্যা কৰিছিল। এই ঘটনাৰ এসপ্তাহৰ পাছত পহিলা আগষ্টত আফতাব হুছেইন নামৰ আন এজন ব্যক্তি হত্যাৰ বলি হ'ল। যোৱা পাঁচ আগষ্টত পুনৰ এজন মুছলমান যুৱকৰ হত্যাকাণ্ড সংঘটিত হ'ল যদিও বৰ্তমানলৈকে মৃতকৰ পৰিচয় উদ্ধাৰ হোৱা নাই। মুছলমান লোকৰ হত্যাকাণ্ডৰ ঘটনাক লৈ সম্প্ৰতি নিউ মেক্সিকোত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

ব্ৰিটিছ প্ৰধানমন্ত্ৰী পদৰ দৌৰত সমীক্ষাত দলীয় সদস্যৰ সৰ্বাধিক সমৰ্থন লীজলৈ, ২৮ শতাংশ পিছ পৰি আছে ঋষি

নিউজ ব্যুৰ', লণ্ডন, ৮ আগষ্ট ঃ ব্ৰিটেইনৰ নতুন প্ৰধানমন্ত্ৰী পদৰ দৌৰত ভাৰতীয় মূলৰ ঋষি ছুনক আৰু লীজ ট্ৰাছৰ মাজত প্ৰতিযোগিতা অধিক ৰোমাঞ্চকৰ হ'ল। এই যুঁজৰ আৰম্ভণিতে ঋষিয়ে নিজৰ কনজাৰভেটিভ দলৰ ১৩৭ সাংসদৰ সমৰ্থন লাভৰে শীৰ্ষত আছিল। ঋষিৰ প্ৰতিদ্বন্দ্বী লীজে লাভ কৰিছিল ১১৩ সাংসদৰ সমৰ্থন। কিন্তু অহা পাঁচ ছেপ্টেম্বৰত অনুষ্ঠিত হ'ব

লগা কনজাৰভেটিভ দলৰ সদস্যৰ ভোটদানতহে ব্ৰিটেইনৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰী নিৰ্বাচিত হ'ব। এই ভোটদানত দলৰ দুই লাখ স্থায়ী সদস্যই অংশ ল'ব। কনজাৰভেটিভ দলৰ স্থায়ী সদস্যৰ ৯৬ শতাংশই হৈছে শ্বেতাংগ। কনজাৰভেটিভ পাৰ্টিৰ শেহতীয়া ইউ গভ সমীক্ষাত প্ৰতিদ্বন্দ্বী লীজে ঋষিতকৈ ২৮ শতাংশ অধিক দলীয় সদস্যৰ সমৰ্থন লাভ কৰিলে। লীজে ৫৮ শতাংশ ভোট লাভ কৰাৰ বিপৰীতে ঋষিয়ে লাভ কৰিলে ৩০ শতাংশ ভোট। এই সমীক্ষাৰ তথ্য অনুসৰি দলীয় সদস্যৰ সৰ্বাধিক সমৰ্থন লীজে লাভ কৰাৰ সম্ভাৱনা আছে। আন এক সমীক্ষাৰ তথ্য অনুসৰি, কনজাৰভেটিভ পাৰ্টিৰ প্ৰতি ১০ সদস্যৰ ছজনে প্ৰধানমন্ত্ৰী পদৰ বাবে লীজলৈ সমৰ্থন প্ৰকাশ কৰিছে। অৱশ্যে অহা পাঁচ ছেপ্টেম্বৰতহে ভোটদানৰ পাছত ঋষি আৰু লীজৰ ভাগ্য নিৰ্ণয় হ'ব।

দুবছৰ ধৰি বেতন লোৱা নাই মুকেশ আম্বানীয়ে, কিন্তু কিয় ?

নিউজ ব্যুৰ', মুম্বাই, ৮ আগষ্ট ঃ বিগত দুবছৰ ধৰি এটকাও বেতন গ্ৰহণ কৰা নাই ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজৰ মুৰব্বী মুকেশ আম্বানীয়ে। কোম্পানীৰ বেলেন্স শ্বিটত আম্বানীৰ বেতন শূন্য বুলি উল্লেখ কৰা আছে। কিন্তু কিয় দুবছৰ ধৰি ৰিলায়েন্সৰ স্বত্বাধিকাৰীয়ে গ্ৰহণ কৰা নাই বেতন? ক'ভিড অতিমাৰীৰ আৰম্ভণিতে আম্বানীয়ে ব্যৱসায়িক সমৃদ্ধিৰ কাৰণত নিজৰ বেতন গ্ৰহণ নকৰাৰ সিদ্ধান্ত লৈছিল। বৰ্তমানে ক'ভিড পৰিস্থিতি যথেষ্ট সলনি হ'ল যদিও আম্বানীয়ে এতিয়াও ৰিলায়েন্সৰ পৰা নিজৰ প্ৰাপ্য বেতন গ্ৰহণ কৰা নাই। কোম্পানীৰ ব্যয় হ্ৰাসৰ বাবে আম্বানীয়ে এই পদক্ষেপ গ্ৰহণ কৰা বুলি একাংশ অৰ্থনীতিবিদে মন্তব্য কৰিছে। বৰ্তমানে ৰিলায়েন্সৰ মুৰব্বী হিচাপে আম্বানীৰ বাৰ্ষিক বেতন হৈছে ১৫ কোটি টকা। উল্লেখ্য যে ২০০৮-০৯ বিত্তীয় বৰ্ষত নিজৰ বাবে বছৰি ১৫ কোটি টকাৰ বেতন নিৰ্ধাৰণ কৰিছিল ৰিলায়েন্সৰ স্বত্বাধিকাৰীয়ে। বিগত ১৪ বছৰ ধৰি নিজৰ বেতন বৃদ্ধি কৰা নাই আম্বানীয়ে। ২০২০-২১ বিত্তীয় বৰ্ষত আম্বানীয়ে নিজৰ কোম্পানীৰ পৰা এটকাও বেতন লোৱা নাছিল আৰু ২০২২-২৩ অৰ্থাৎ চলিত বিত্তীয় বৰ্ষটো বেতন নোলোৱাৰ সিদ্ধান্তত অটল আছে এইজন ভাৰতীয় উদ্যোগপতি।

ইউক্ৰেইনৰ পৰমাণু কেন্দ্ৰত ক্ষেপণাস্ত্ৰৰ আক্ৰমণ ৰাছিয়াৰ

নিউজ ব্যুৰ', কীভ, ৮ আগষ্ট ঃ ইউক্ৰেইনৰ পৰমাণু কেন্দ্ৰত পুনৰ আক্ৰমণ সংঘটিত কৰিলে ৰাছিয়াই। ফলত যিকোনো মুহূৰ্ততে চেৰ্নোবিল দুৰ্ঘটনাৰ পুনৰাবৃত্তি হ'ব পাৰে বুলি শংকা প্ৰকাশ কৰিলে বিশেষজ্ঞই। যোৱা ২৪ ফেব্ৰুৱাৰীৰ পৰা ইউক্ৰেইনত বিশেষ সামৰিক অভিযান অব্যাহত ৰাখিছে ৰাছিয়াই। পাঁচ মাহৰ যুদ্ধত ইতিমধ্যে ইউক্ৰেইন এক বিশাল অংশ ৰাছিয়াৰ সেনাই নিজৰ দখললৈ আনিলে। ইউক্ৰেইন আৰু ইউৰোপৰ বৃহত্তম পৰমাণু কেন্দ্ৰ জাপৰজাই বৰ্তমানে ৰুছ সেনা বাহিনীৰ নিয়ন্ত্ৰণত আছে। আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, যোৱা শনিবাৰে পৰমাণু কেন্দ্ৰটোত একাধিক ক্ষেপণাস্ত্ৰই আঘাত

হানিছিল। ফলত পৰমাণু কেন্দ্ৰৰ তিনিটা ৰেডিয়েচন চেন্সৰ ক্ষতিগ্ৰস্ত হয়। ইফালে, উক্ত অঞ্চলৰ ৰাছিয়াৰ নিয়ন্ত্ৰিত প্ৰশাসনৰ দাবী অনুসৰি পাৰমাণৱিক কেন্দ্ৰটোত ৰকেট লেঞ্চাৰৰে আক্ৰমণ চলাইছিল ইউক্ৰেইনৰ সেনা বাহিনীয়ে। কিন্তু ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ জেলেনস্কিয়ে দাবী কৰা অনুসৰি ৰুছ সেনাই পাৰমাণৱিক কেন্দ্ৰত আক্ৰমণ চলাইছিল।

ছবি বৰ্জনৰ আহ্বানৰ সন্দৰ্ভত কি প্ৰতিক্ৰিয়া ব্যক্ত কৰিলে অক্ষয়ে ?

নিউজ ব্যুৰ', কলকাতা, ৮ আগষ্ট ঃ বলিউডৰ মহাতাৰকা অভিনেতা অক্ষয় কুমাৰ সম্প্ৰতি তেওঁৰ মুক্তিৰ অপেক্ষাত থকা চলচ্চিত্ৰ 'ৰক্ষাবন্ধন'ৰ প্ৰচাৰত ব্যস্ত। আনন্দ এল ৰায় নিৰ্দেশিত 'ৰক্ষাবন্ধন'ৰ প্ৰচাৰত অংশ লৈ কলকাতাত একাংশ লোকে সামাজিক মাধ্যমৰ জৰিয়তে হিন্দী ছবি বৰ্জনৰ বাবে জনো

বামুণবাৰীত আটছাৰ কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

ৰাজগড়, ৮ আগষ্ট ঃ আটছাৰ মৰাণ শাখা আৰু বামুণবাৰী উপ-শাখাৰ উদ্যোগত বামুণবাৰী চাহ বাগিচাৰ কৰমা ভৱনত আয়োজিত এক সম্বৰ্ধনা সভাত অঞ্চলটোৰ ৩৫গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। আটছাৰ ডিব্ৰুগড় জিলা সমিতিৰ ভাৰপ্ৰাপ্ত সম্পাদক দানেল মুণ্ডাৰ সভাপতিত্বত অনুষ্ঠিত সভাত ছাত্ৰ-ছাত্ৰীসকলক মানপত্ৰ, অভিধান আৰু ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। আটছাৰ মৰাণ শাখাৰ উপ-সভাপতি দীপক চাহুৱে উদ্দেশ্য ব্যাখ্যা কৰা সভাত আটছাৰ মৰাণ শাখাৰ সভাপতি ৰাজেশ চাহু, বাবুল চাহু, ধীৰাজ মুণ্ডা, জয়ৰাম ৰবিদাস, টিংকু মাংকী, মানুৱেল তাঁতী, দীপক তেলী, শিক্ষক পোনা মাহাতু, সুৰেশ গোৱালা উপস্থিত থাকি বক্তব্য আগবঢ়ায়।

বালিগাঁও সমবায় সমিতি আৰু পটিয়া গাঁও অঞ্চলত ঘৰ ঘৰ স্বাধীনতা দিৱসৰ সজাগতা সভা

অগ্ৰদূত বাৰ্তা

লাহদৈগড়, ৮ আগষ্ট ঃ হেজাৰি বালিগাঁও গাঁও পঞ্চায়ত সমবায় সমিতিৰ সভাকক্ষত ৭৫ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে 'আজাদী কা অমৃত মহোৎসৱ'ৰ 'ঘৰ ঘৰ জাতীয় পতাকা' সম্পৰ্কত সজাগতা হেজাৰি বালিগাঁৱৰ সমবায় সমিতিৰ উপাধ্যক্ষ অনন্ত দাসৰ সভাপতিত্বত সাত আগষ্টত অনুষ্ঠিত হয়। সভাত সমবায় সমিতিৰ জ্যেষ্ঠ পৰিদৰ্শক মৃদুপৱন দাস, কনিষ্ঠ পৰিদৰ্শক জয়ন্ত কুমাৰ চৌধুৰীয়ে বিষয়বস্তুৰ ওপৰত আলোকপাত কৰে। সভাত হেজাৰি বালিগাঁও সমবায় সমিতিৰ সভাপতি ৰঞ্জিত বৰা, কনিষ্ঠ পৰিদৰ্শক মৃন্ময় বৰুৱা, সঞ্চালক মণ্ডলী এজেণ্ট আৰু অংশীদাৰ উপস্থিত থাকে। সভাপতিৰ ভাষণত দাসে প্ৰতিটো পৰিয়ালক চৰকাৰে বিভিন্ন মাধ্যমেৰে যোগান ধৰা ত্ৰিৰংগা পতাকা ক্ৰয় কৰি ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈ নিজ নিজ ঘৰত জাতীয় পতাকাৰ মৰ্যাদা অক্ষুণ্ণ ৰাখি উৰুৱাবলৈ আহ্বান জনায়। সভাখনৰ আঁত ধৰে সচিব দেৱেশ্বৰ বৰাই। একেটা দিনতে ৩৫ নম্বৰ পটিয়া ফকলা গাঁও পঞ্চায়তৰ অধীনৰ ছয় নম্বৰ খণ্ড আৰু সাত নম্বৰ খণ্ডৰ ৰাইজৰ মাজত এখন সজাগতা সভা অনুষ্ঠিত হয়। দিনৰ প্ৰায় দুই বজাত টিপমীয়া চুক হৰি মন্দিৰৰ প্ৰাংগণত অনুষ্ঠিত সভাত পঞ্চায়তৰ সভাপতি ৰাজু (কৃষ্ণ) দত্ত, পঞ্চায়তৰ সদস্য ৰঞ্জিত বৰা, সদস্যা চম্পা দত্ত, পটিয়া ফকলা গাঁৱৰ গাঁও প্ৰধান অচিন্ত্য দত্ত, পটিয়া গাঁৱৰ গাঁও প্ৰধান জগত দত্ত, স্থানীয় আত্মসহায়ক গোটৰ সমন্বয়ক কৰ্মী, আত্মসহায়ক গোটৰ সদস্যা, স্থানীয় যুৱ কৰ্মী জিতু তপন শইকীয়া, কাকু শইকীয়া, ৰাজেশ দত্ত, সংবাদকৰ্মী ৰঞ্জিত দত্ত, অংগনৱাড়ী কৰ্মীকে আদি কৰি বহু ৰাইজ উপস্থিত থাকে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি গাঁও প্ৰধান দত্তই ভাৰতবৰ্ষৰ স্বাধীনতাৰ ৭৫ বছৰীয়া কাৰ্যসূচী সুচাৰুৰূপে পালন কৰাৰ উপৰি কোনো ধৰণৰ বিভেদ, ভয়-ভীতিৰ সৃষ্টি নোহোৱাকৈ পালন কৰাৰ সন্দৰ্ভত বহলাই ব্যাখ্যা কৰে। সভাত অঞ্চলটোৰ লাটমণ্ডল মেহতা আলীৰ সঞ্চালনাত অনুষ্ঠিত সভাৰ সামৰণিত বিশদভাৱে ৰাইজক প্ৰতিটো পৰিয়ালত এই কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ আহ্বান জনায়। বিয়লি চাৰি বজাত উক্ত পঞ্চায়তৰ পাঁচ নম্বৰ খণ্ডৰ ৰাইজৰ উপস্থিতিত সজাগতা সভা সম্পন্ন হয়। উক্ত সভাত গাঁও প্ৰধান দত্তই বিশদভাৱে ৰাইজক সজাগতা বৃদ্ধিৰ ওপৰত ব্যাখ্যা কৰি কাৰ্যসূচী ৰূপায়ণৰ বাবে আহ্বান জনায়।

স্বেচ্ছাসেৱী সংগঠনৰ বিৰুদ্ধে আৰক্ষী থানাত গোচৰ তৰিলে চিকিৎসকে

অকৰ্তৃত্বশীলভাৱে চিকিৎসকৰ নাম ব্যৱহাৰৰ অভিযোগ

বিশেষ সংবাদদাতা

নগাঁও, ৮ আগষ্ট ঃ 'দ্য মিছন হেল্থ কেয়াৰ ছ'চাইটি' নামৰ এটি স্বেচ্ছাসেৱী সংগঠনৰ বিৰুদ্ধে নগাঁৱৰ এজন চিকিৎসকে আৰক্ষী থানাত এক গোচৰ তৰা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অভিযোগ অনুসৰি, দ্য মিছন হেল্থ কেয়াৰ ছ'চাইটি নামৰ স্বেচ্ছাসেৱী সংগঠনটোৱে নগাঁও জিলাৰ বিভিন্ন প্ৰান্তত ৰাইজক আভুৱা ভাৰি চকু পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰি আহিছে। এই স্বেচ্ছাসেৱী সংগঠনটোৱে নিজৰ পছন্দৰ গাঁৱত চকু পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰাৰ লগতে নিৰ্দিষ্ট দিনটোৰ আগদিনা সংগঠনটোৰ কেইজনমান লোকে গাঁওসমূহৰ বাসিন্দাসকলক চকু পৰীক্ষা কৰাৰ বাবে পঞ্জীয়ন মাছুল আৰু পৰীক্ষাৰ নামতো ধন সংগ্ৰহ কৰে। চকু পৰীক্ষা কৰাৰ বাবে তেওঁলোকে চিকিৎসকৰ নাম সম্বলিত একোখনকৈ কাৰ্ড ৰোগীসকলক প্ৰদান কৰে। উক্ত কাৰ্ডখনত নাম থকা চিকিৎসকসকল হ'ল ডাঃ সত্যগোপাল নাথ, ডাঃ ডি চি তহবিলদাৰ আৰু ডাঃ আৰ নাথ। যোৱা ২৮ জুনত নগাঁও সদৰ আৰক্ষী থানাত ডাঃ সত্যগোপাল নাথ নামৰ চিকিৎসকজনে তেওঁ উক্ত স্বেচ্ছাসেৱী সংগঠনটোৰ লগত কোনো কালেই জৰিত নহয় আৰু তেওঁৰ নামটো অকৰ্তৃত্বশীলভাৱে ব্যৱহাৰ কৰি ভুৱাকৈ প্ৰচাৰ চলাই ৰাইজক আভুৱা ভাৰি আহিছে বুলি অভিযোগ উত্থাপিত কৰি এটি গোচৰ তৰে। ইয়াৰোপৰি কাৰ্ডখনত থকা ডাঃ আৰ নাথ নামৰ লোকজন চিকিৎসক নহয়, বৰঞ্চ তেওঁ এজন অপ্টমেট্ৰিষ্ট হিচাপে নগাঁও জিলাত কৰ্মৰত বুলি সদৰী কৰে। প্ৰকৃততে তেওঁৰ নাম ৰূপানন্দ নাথ। এই সন্দৰ্ভত নগাঁও সদৰ আৰক্ষী থানাত ভাৰতীয় দণ্ডবিধিৰ ৪১৯/৪০৬/ ৪০২/৩৮৪ আৰু ৩৪ৰ অধীনত ৮৮৮/২০২২ নম্বৰত এক গোচৰ পঞ্জীয়ন কৰি আৰক্ষীয়ে তদন্ত চলাই আছে। স্বেচ্ছাসেৱী সংগঠনটোৱে যোৱা পাঁচ জুনত নগাঁও চহৰৰ সমীপৱৰ্তী দক্ষিণপাট উচ্চতৰ মাধ্যমিক বিদ্যালয়তো কে'বা শতাধিক লোকক চকু পৰীক্ষা কৰাৰ নামতো ধন সংগ্ৰহৰ অভিযোগ উত্থাপিত হৈছে। এই বিষয়টো ডাঃ সত্যগোপাল নাথৰ দৃষ্টিগোচৰ হোৱাত তেওঁ আৰক্ষীৰ কাষ চাপিবলৈ বাধ্য হয়। উল্লেখ্য যে আৰক্ষীয়ে তদন্ত চলাই থকাৰ মাজতে স্বেচ্ছাসেৱী সংগঠনটোৱে কালি নগাঁও চহৰৰ গাতে লাগি থকা বেবেজীয়াৰ ওচৰৰ জামুগুৰিত আন এটা চকু পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰে। তাতো ডাঃ নাথৰ নাম প্ৰচাৰ কৰাৰ লগতে মাছুমা খানম নামৰ এগৰাকী অপ্টমেট্ৰিষ্টককে চিকিৎসক বুলি প্ৰচাৰ চলাইছিল। কিন্তু বিষয়টো পোহৰলৈ অহাত ততাতৈয়াকৈ ডাঃ নাথৰ নামটো কাটি দি ভুৱা কৈ চকু পৰীক্ষা শিবিৰ সম্পাদন কৰে। এই সন্দৰ্ভত নগাঁৱৰ একাংশ সাংবাদিকৰ দৃষ্টিগোচৰ হোৱাত সাংবাদিকৰ দলে ঘটনাস্থলীলৈ যায়। অৱশ্যে সাংবাদিকৰ দলটো উপস্থিত হোৱাৰ পূৰ্বেই সেই স্থান এৰি সংগঠনটোৰ একাংশ কৰ্মকৰ্তাই ততাতৈয়াক সেই স্থান ত্যাগ কৰে।

গোৱালপাৰাতো কো-অৰ্ডিনেছন কমিটী অৱ ইলেক্ট্ৰিচিটী এমপ্লইজ, ইঞ্জিনিয়াৰ্ছ এণ্ড পেঞ্চনাৰ্ছ

অগ্ৰদূত বাৰ্তা

মাটিয়া, ৮ আগষ্ট ঃ কেন্দ্ৰীয় চৰকাৰৰ বিদ্যুৎ সংশোধনী বিধেয়ক-২০২২ বাতিলৰ দাবীত আজি সমগ্ৰ দেশৰ লগতে গোৱালপাৰাতো কো-অৰ্ডিনেছন কমিটী অৱ ইলেক্ট্ৰিচিটী এমপ্লইজ ইঞ্জিনিয়াৰ্চ এণ্ড পেঞ্চনাৰ্চ কৰ্মচাৰীসকলে দিনজোৰা কৰ্মবিৰতি পালন কৰে। গোৱালপাৰা চহৰৰ ভালুকডুবিস্থিত বিদ্যুৎ সংশোধনী বিধেয়ক-২০২২ বাতিল কৰক, সকলো কৰ্মচাৰী এক হওক, আমাৰ দাবী মানি লওক, এই আন্দোলন চলিছে চলিবই, আদি বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে কো-অৰ্ডিনেছন কমিটী অৱ ইলেক্ট্ৰিচিটি এমপ্লইজ, ইঞ্জিনিয়াৰ্ছ এণ্ড পেঞ্চনাৰ্চ সন্থাৰ সাংগঠনিক সম্পাদক জেহেৰুল ইছলামে কয় যে কেন্দ্ৰীয় চৰকাৰে বিদ্যুৎ সংশোধনী-২০২২ সংসদত গৃহীত কৰাৰ উদ্দেশ্যে আজি সংসদৰ কাৰ্যক্ৰমণিকা ঘোষণা কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত কো-অৰ্ডিনেছন কমিটী অৱ ইলেক্ট্ৰিচিটী এমপ্লইজ, ইঞ্জিনিয়াৰ্ছ এণ্ড পেঞ্চনাৰ্ছ কমিটীয়ে যোৱা ছয় আগষ্টৰ বৈঠকৰ জৰিয়তে আৰু যোৱা দুই আগষ্টৰ অভিৱৰ্তনৰ সিদ্ধান্ত অনুযায়ী কেন্দ্ৰীয় চৰকাৰৰ এনে অগণতান্ত্ৰিক সিদ্ধান্তৰ বিৰুদ্ধে আজি বিদ্যুৎ কৰ্মচাৰীয়ে দেশজুৰি কৰ্মবিৰতিৰ কাৰ্যসূচী ঘোষণা কৰিছে। ইয়াৰ পাছতো যদি চৰকাৰে বিদ্যুৎ সংশোধনী বিধেয়ক-২০২২ বাতিল নকৰে তেন্তে কৰ্মবিৰতি কাৰ্যসূচী অব্যাহত ৰাখিব বুলি উল্লেখ কৰে ইছলামে।

কৰ্মচাৰীৰ কৰ্মবিৰতি পালন

শক্তি খণ্ডক ব্যক্তিগতকৰণ ঃ নগাঁৱৰ বিদ্যুৎ বিভাগৰ কৰ্মচাৰীৰ অৱস্থান ধৰ্মঘট

বিশেষ সংবাদদাতা

নগাঁও, ৮ আগষ্ট ঃ দেশৰ শক্তি খণ্ডক চমজাই দিয়াৰ চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে আজি অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ কৰ্মচাৰীসকলে নগাঁৱত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। বিদ্যুৎ বিভাগত কৰ্মৰত স্থায়ী আৰু অস্থায়ী কৰ্মচাৰীসকলে বিদ্যুৎ বিভাগৰ বিভিন্ন ক্ষেত্ৰৰ সম্পত্তিসমূহ ব্যক্তিগত খণ্ডক গতাই দিয়াৰ বিৰুদ্ধে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে বিভিন্ন শ্ল'গান দি উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। কৰ্মচাৰীসকলে বিদ্যুৎ বিভাগৰ নগাঁৱৰ সহকাৰী প্ৰবন্ধকৰ কাৰ্যালয়ৰ চৌহদত এই কাৰ্যসূচী ৰূপায়ণ কৰি চৰকাৰক এনে সিদ্ধান্ত শীঘ্ৰে বাতিল কৰিবলৈ আহ্বান জনায়।

গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস পালন

অগ্ৰদূত বাৰ্তা

মাটিয়া, ৮ আগষ্ট ঃ গোৱালপাৰা মহাবিদ্যালয়ৰ আজি প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ সুভাষ বৰ্মনে পুৱাৰ ভাগত পতাকা উত্তোলনেৰে কাৰ্যসূচী আৰম্ভ কৰাৰ পাছতে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সভাপতি খগেন্দ্ৰনাথ নাথৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰা হয়। ইপিনে, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ডঃ অৱনী কুমাৰ ভাগৱতীৰ পৌৰোহিত্যত দিনৰ ১১ বজাত প্ৰতিষ্ঠা দিৱস উপলক্ষে এখন সভা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সুভাষ বৰ্মনে আদৰণি ভাষণ প্ৰদান কৰা সভাত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ ওপৰত বিশিষ্ট বিজ্ঞানী ডঃ দীনেশ চন্দ্ৰ গোস্বামী, অৱসৰপ্ৰাপ্ত অধ্যাপক উত্তম শৰ্মা, দেৱান জয়নাল আবেদিন, অধ্যাপক ডঃ হেমন্ত কলিতাকে ধৰি কে'বাগৰাকী বিশিষ্ট লোকে ভাষণ প্ৰদান কৰে। সভাত প্ৰাক্তন বিধায়ক দুলাল চন্দ্ৰ ঘোষ, লেখিকা সমাৰোহৰ সভানেত্ৰী গীতা দাস, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ কাছিম আলী, পি আৰ চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ছজিমুদ্দিন আহমেদ, সমাজকৰ্মী শৈলেন দাস, ইউছুফ আলী আদিকে ধৰি ভালেসংখ্যক লোক উপস্থিত থাকে।

লংকাৰ নখুঁটিত বিদ্যুৎস্পৃষ্ট হৈ এজনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

লংকা, ৮ আগষ্ট ঃ লংকাৰ পৰা প্ৰায় ১৮ কিলোমিটাৰ নিলগৰ লামডিং আৰক্ষী থানাৰ অন্তৰ্গত নখুঁটিৰ তিনি নম্বৰ খাগৰিজানত বিদ্যুৎস্পৃষ্ট হৈ আজি এজন লোকৰ মৃত্যু হয়। মৃত লোকজন আব্দুল হান্নান (৩৮) বুলি স্থানীয় লোকে জনাইছে। প্ৰাপ্ত তথ্য অনুসৰি, নিজৰ ঘৰতে কোনো বৈদ্যুতিক বিজুতিৰ মেৰামতি কৰি থকাৰ সময়তে সংঘটিত হয় এই দুৰ্ঘটনা। বিদ্যুতৰ কাম কৰি থকা সময়তে হঠাতে লোকজন বিদ্যুৎস্পৃষ্ট হোৱাত তেওঁৰ থিতাতে মৃত্যু হয়।

মাৰ্ঘেৰিটাত 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী শীৰ্ষক সজাগতা শোভাযাত্ৰা

অগ্ৰদূত বাৰ্তা

মাৰ্ঘেৰিটা, ৮ আগষ্ট ঃ দেশৰ ৭৫ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে ভাৰত চৰকাৰৰ আহ্বান মৰ্মে আজি মাৰ্ঘেৰিটা ৰাজহ চক্ৰৰ উদ্যোগত 'ঘৰে ঘৰে ত্ৰিৰংগা' শীৰ্ষক সজাগতামূলক শোভাযাত্ৰা উলিয়ায়। পুৱা আঠ বজাত মাৰ্ঘেৰিটা ৰাজহ চক্ৰ বিষয়া ৰুণাল নাথৰ উদ্যোগত মাৰ্ঘেৰিটা নগৰৰ মাজমজিয়াৰ মাজেৰে ৩১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ হৈ মটৰ চাইকেল ৰেলী জাগুন পৰ্যন্ত গৈ ঘৰে ঘৰে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিবৰ বাবে ৰাইজক আহ্বান জনায়। উল্লেখ্য যে 'আজাদী কা অমৃত মহোৎসৱ' উপলক্ষে ১৩ৰ পৰা ১৫ আগষ্টলৈ 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচীৰ অংশ হিচাপে সকলো বাসগৃহ, চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, সংঘ-ক্লাব, ধৰ্মানুষ্ঠান, ব্যৱসায়িক প্ৰতিষ্ঠান, শিক্ষানুষ্ঠান আদি সকলোতে উত্তোলন কৰিবৰ বাবে মাৰ্ঘেৰিটা চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ তৰফৰ পৰা আহ্বান জনোৱা হয়।

মৰিজাঁজীত অসম ভিত্তিত ভাওনা প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

জাঁজী, ৮ আগষ্ট ঃ যোৰহাট জিলাৰ টীয়ক সমষ্টিৰ অন্তৰ্গত টীয়কৰ পৰা প্ৰায় ১১ কিলোমিটাৰ নিলগৰ মৰিজাঁজী হৰিদেৱ কলাক্ষেত্ৰ প্ৰাংগণত অলপতে এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। পৰাগজ্যোতি বৰাৰ সভাপতিত্বত প্ৰায় শতাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত সভাখনৰ আঁত ধৰে প্ৰহ্লাদ বৰাই। এক মহৎ উদ্দেশ্যৰে নৱপ্ৰজন্মৰ লগতে সমাজত শংকৰদেৱ-মাধৱদেৱৰ সৃষ্টিৰাজি ভাওনাক এক সুকীয়া আসন দিয়াৰ লক্ষ্য আগত ৰাখি অহা সাত নৱেম্বৰৰ পৰা ১৪ নৱেম্বৰলৈ সাতদিনীয়া কাৰ্যসূচীৰে সদৌ অসম ভিত্তিত ভাওনা প্ৰতিযোগিতা আয়োজনৰ ব্যৱস্থা কৰিছে। মৰিজাঁজী আঞ্চলিক কলাকৃষ্টি কেন্দ্ৰ আৰু মণিকূট নাট্য গোষ্ঠী, মৰিজাঁজী (টীয়ক)ৰ উদ্যোগত অনুষ্ঠিত কৰিবলৈ লোৱা প্ৰতিযোগিতাৰ কাৰ্যক্ৰমণিকামতে প্ৰথম ৰজনীত শ্ৰীশ্ৰী কৃষ্ণৰ সম্পূৰ্ণ ৰাসলীলালৈ আৰম্ভ হ'ব অনুষ্ঠান। ৰাসলীলাৰ লগতে আঠ নৱেম্বৰৰ পৰা অনুষ্ঠিত হ'বলগীয়া ভাওনা প্ৰতিযোগিতাৰ বাবে এখন উদ্‌যাপন সমিতি গঠন কৰে। সভাৰ সিদ্ধান্ত মৰ্মে পৰাগজ্যোতি বৰাক সভাপতি, প্ৰহ্লাদ বৰা আৰু ৰাজীৱ নাথক যুটীয়া সম্পাদক, নিতু কুমাৰ বৰা আৰু মনোজ হাজৰিকাক সাংস্কৃতিক সম্পাদকদ্বয় হিচাপে নিৰ্বাচিত কৰি ৩১ জনীয়া এখন সমিতি গঠন কৰে। ইচ্ছুক দলে নাটকৰ পাণ্ডুলিপি অহা ৩১ আগষ্টৰ ভিতৰত জমা দিবলৈ সমিতিয়ে অনুৰোধ কৰাৰ লগতে সবিশেষ জানিবৰ বাবে ভ্ৰাম্যভাষ ৭০০২৫৩৯৯৫১/ ৭৮৯৬৪২৬০৭৫ যোগযোগ কৰিব পাৰিব।

মঙলদৈৰ চিকিৎসালয়ত ৰোগী কল্যাণ সমিতি পুনৰ গঠন

প্ৰধানমন্ত্ৰীৰ প্ৰশস্তিপ্ৰাপক দুই ক'ভিডযোদ্ধাক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

মঙলদৈ, ৮ আগষ্ট ঃ ক'ভিড টিকাকৰণ, ক'ভিডকালীন সময়ত আগশাৰীৰ যোদ্ধাৰূপে লোৱা ভূমিকা, প্ৰসূতি আৰু শিশুৰ টিকাকৰণকে ধৰি চিকিৎসা সেৱাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লোৱা দৰং জিলাৰ অন্যতম চিকিৎসালয় মঙলদৈ নগৰীয়া স্বাস্থ্য কেন্দ্ৰৰ 'ৰোগী কল্যাণ সমিতি' (আৰ কে এছ)খন আজি নতুনকৈ পুনৰ গঠন হয়। এই উপলক্ষে আজি চহৰৰ তিনি নম্বৰ ৱাৰ্ডৰ শান্তিপুৰত অৱস্থিত চিকিৎসালয়খনত হোৱা এখন সভাত নতুনকৈ আৰকেএছ গঠন কৰা হয়। স্বাস্থ্য বিষয়া ডাঃ বিজিত চহৰীয়াই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত পৌৰপতি নিৰ্মালি দেৱীক সভাপতি, উপ-পৌৰপতি অচ্যুত দাসক উপ-সভাপতি, ডাঃ চহৰীয়াক সদস্য সচিব আৰু সদস্যৰূপে পৌৰসভাৰ খণ্ড আয়ুক্ত স্বপন কুমাৰ ঘোষ, খণ্ড আয়ুক্ত আব্দুল জলিল, সাংবাদিক হেমন্ত কুমাৰ বৰুৱা আৰু দুলাল ডেকা, স্বাস্থ্য বিভাগৰ কৰ্মচাৰী নিভা কলিতা, প্ৰধান শিক্ষক গৌতম শৰ্মা, বিষয় শিক্ষক হিতেশ হাজৰিকা, সহকাৰী অধ্যাপক বিজয় কুমাৰ বৰুৱাক লৈ নতুন সমিতিখন গঠন কৰা হয়। পৌৰপতি নিৰ্মালি দেৱীয়ে সভাপতিত্ব কৰা আৰু গাণনিক পূৰ্ণজ্যোতি চহৰীয়াই আঁত ধৰা সভাখনত চিকিৎসালয়খনত অলপতে হৈ যোৱা বানৰ কবলত পৰি হোৱা বিস্তৰ ক্ষয়ক্ষতিৰ লগতে প্ৰৱেশদ্বাৰৰ নলা-নৰ্দমা নিৰ্মাণ, চিকিৎসাৰ আচবাব ক্ৰয় কৰা, ৰোগীসকলক পাৰ্যমানে সেৱা আগবঢ়োৱা আদি বিষয়ত আলোচনা কৰা হয়। আনহাতে, ক'ভিড অতিমাৰীৰ সময়ত আগশাৰীৰ যোদ্ধাৰ ভূমিকা লোৱা চিকিৎসালয়খনৰ দুই সদস্য ক্ৰমে গাণনিক পূৰ্ণজ্যোতি চহৰীয়া আৰু নাৰ্ছ দেৱীক প্ৰধানমন্ত্ৰীয়ে অলপতে প্ৰশস্তিপত্ৰ প্ৰেৰণ কৰা বিষয়টোত সভাই আনন্দ প্ৰকাশ কৰি দুয়োকে উষ্ম সম্ভাষণ জ্ঞাপন কৰে।

যোৰহাটত বিদ্যুৎ কৰ্মচাৰীৰ দিনজোৰা অৱস্থান ধৰ্মঘট, সোমবাৰে।

জেএমচিৰ পৰা মটৰ চাইকেল চুৰি

অগ্ৰদূত বাৰ্তা

পশ্চিম যোৰহাট, ৮ আগষ্ট ঃ যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ চৌহদৰ পৰা শনিবাৰে এখন পালছাৰ ১৫০ মটৰ চাইকেল চোৰে চুৰি কৰি নিয়ে। তথ্য মতে, মাজুলী জিলাৰ অন্তৰ্গত ভেকেলী চাপৰিৰ জগদীশ পেগু নামৰ ব্যক্তিজনৰ এ এছ-০৩ এ ডি-৯৩০১ নম্বৰৰ ৰঙা-ক'লা ৰঙৰ পালছাৰ মটৰ চাইকেলখন চিকিৎসালয়ৰ চৌহদত ৰখাই চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা এজন ৰোগীৰ খবৰ ল'বলৈ যোৱাৰ সময়তে চোৰে মটৰ চাইকেলখনৰ তলা ভাঙি উধাও হয়। এই সন্দৰ্ভত ব্যক্তিজনে চিকিৎসালয়ৰ আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে। আৰক্ষীয়ে বৰ্তমানলৈকে মটৰ চাইকেলখন উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই যদিও তদন্ত অব্যাহত ৰাখিছে। উল্লেখ্য যে বিগত সময়ত এনে অনুৰূপ ঘটনা সংঘটিত হৈ আহিছে চিকিৎসা মহাবিদ্যালয়ত। তদুপৰি যোৱাৰ সময়ত ৰোগীৰ আত্মীয়ৰ মটৰ চাইকেল চোৰে চুৰি কৰিবলৈ লোৱাৰ সময়তে এটা চোৰৰ দল একাংশই হাতে-লোটে কবায়ত কৰি আৰক্ষীক গতাই দিয়াৰো সৰ্বজনবিদিত। যাক লৈ এতিয়া বহু ৰোগীৰ আত্মীয় যোৰহাট চিকিৎসা মহাবিদ্যালয়ত মটৰ চাইকেল লৈ খবৰ ল'বলৈ চিন্তিত হৈ পৰিছে।

১৩ আগষ্টত বাগ্‌সাত ৰাষ্ট্ৰীয় লোক আদালত

অগ্ৰদূত বাৰ্তা

মুছলপুৰ, ৮ আগষ্ট ঃ ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ নিৰ্দেশমৰ্মে তথা বাগ্‌সা জিলা আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত বাগ্‌সা আৰু তামুলপুৰ জিলাৰ বাবে অহা ১৩ আগষ্টত বাগ্‌সা জিলাৰ মুছলপুৰত অৱস্থিত জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালত চৌহদত ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। এই ৰাষ্ট্ৰীয় লোক আদালতত বিজুলী বিভাগ, বেংক তথা আদালতত থকা আপোচ কৰিব পৰা গোচৰ যেনে ভাৰতীয় দণ্ড বিধিৰ ধাৰা ৩২৩, ৩৪১, ৩৪২, ৪৪৮, ৫০৬, ৩৫২ আদিৰ লগতে পাৰিবাৰিক কন্দলজনিত গোচৰ, দেৱানী গোচৰ, চেক বাউঞ্চৰ গোচৰ ইত্যাদি। ক্ষিপ্ৰ, ব্যয়হীন আৰু সৌহাৰ্দ্যপূৰ্ণ নিষ্পত্তি কৰিব পৰা যাব। ইতিমধ্যে বেংক, বিজুলী বিভাগ আৰু আদালতসমূহত চলি থকা প্ৰাক-লোক আদালতৰ সুবিধা যথেষ্ট সংখ্যক লোকে গ্ৰহণ কৰিছে। সেয়ে আগন্তুক ৰাষ্ট্ৰীয় লোক আদালতত অংশগ্ৰহণ কৰি ন্যায় ব্যৱস্থাক অধিক ত্বৰান্বিত কৰিবলৈ বাগ্‌সা জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব মনশ্ৰীপৰ্ণা খাউণ্ডে জিলাবাসীক আহ্বান জনাইছে। অধিক তথ্যৰ বাবে বাগ্‌সা জিলা আইন সেৱা প্ৰাধিকৰণৰ কাৰ্যালয়ৰ ফোন নম্বৰ ৬৯০১২৮১৬১৯ৰ জৰিয়তে যোগাযোগ কৰিব পাৰে।

ফিক্সড পে'ৰ পৰিৱৰ্তে চৰকাৰী সমমৰ্যাদা সমহাৰত দৰমহাৰ দাবীত কৰ্মবিৰতিৰে ক'লা বেজ পৰিধান

অগ্ৰদূত বাৰ্তা

শুৱালকুছি, ৮ আগষ্ট ঃ ফিক্সড পে'ৰ পৰিৱৰ্তে চৰকাৰী সমমৰ্যাদাৰে সমহাৰত অনা-শিক্ষকসকলক দৰমহা দিয়াৰ দাবীত আজি পূৱ বংশৰ মহাবিদ্যালয়ৰ অনা-শিক্ষকসকলে কৰ্মবিৰতিৰ লগতে ক'লা বেজ পৰিধান কৰে। অসম স্নাতক মহাবিদ্যালয়ৰ অনা-শিক্ষক-কৰ্মচাৰী সন্থাৰ আহ্বানমৰ্মে পূৱ বংশৰ মহাবিদ্যালয়ৰ প্ৰধানপথত অনা-শিক্ষকসকলে ক'লা বেজ পৰিধান কৰি কাৰ্যসূচী ৰূপায়ণ কৰে। চৰকাৰে অনা-শিক্ষক-কৰ্মচাৰীসকলৰ দাবীৰ প্ৰতি সঁহাৰি নজনালে প্ৰতিবাদী কাৰ্যসূচী ইয়াতকৈ কঠোৰ হ'ব বুলি কয়। উল্লেখ্য যে অনা-শিক্ষকসকল মহাবিদ্যালয়ৰ অবিচ্ছেদ্য অংগ। আজিৰ কৰ্মবিৰতিত উচ্চশিক্ষাৰ শিক্ষানুষ্ঠানসমূহত অচলাৱস্থাৰ সৃষ্টি হয়। কৰ্মবিৰতিৰ সময়ত পূৱ বংশৰ মহাবিদ্যালয়ৰ অধ্যক্ষা ডঃ প্ৰণতি বৈশ্যই নিজে শ্ৰেণী কোঠা খুলি লয়।

জামুগুৰিহাটত স্কুটীত পতাকা লৈ সজাগতা যাত্ৰা মহিলাৰ

অগ্ৰদূত বাৰ্তা

নদুৱাৰ, ৮ আগষ্ট ঃ স্বাধীনতাৰ অমৃত মহোৎসৱক লৈ এইবেলি ৰাজ্যৰ প্ৰতিটো প্ৰান্ততেই সকলো ব্যস্ত হৈ পৰিছে। প্ৰধানমন

বীৰ লাচিত সেনাৰ মাজুলী জিলা সমিতি গঠন

অগ্ৰদূত বাৰ্তা

কমলাবাৰী, ৮ আগষ্ট ঃ মাজুলী গড়মূৰ প্ৰেছ ক্লাবত কালি গঠন কৰা হয় বীৰ লাচিত সেনা মাজুলী জিলা সমিতি। কেন্দ্ৰীয় সমিতিৰ মুখ্য সচিব ৰণ্টু পানী ফুকন, কেন্দ্ৰীয় সাংগঠনিক সম্পাদক মৃণাল দত্ত, কেন্দ্ৰীয় যুটীয়া সাংগঠনিক সম্পাদক কল্যাণ ভাগৱতী, কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক উৎপল দত্তৰ লগতে কেন্দ্ৰীয় সমিতিৰ হৈ ৰাহুল পেগু, থাউচেং অসমে অংশগ্ৰহণ কৰে। গড়মূৰ প্ৰেছ ক্লাবত অনুষ্ঠিত সভাতে বিনোদ দলেক সভাপতি, সঞ্জিত অসম বৰাক সম্পাদক আৰু দ্বিপেন পাগাগক মুখ্য সাংগঠনিক সচিব হিচাপে লৈ ৫১ গৰাকী সদস্যৰে মাজুলী জিলা সমিতি গঠন কৰা হয়। অসমৰ সৰ্বাংগীন উন্নয়নৰ লক্ষ্য আগত ৰাখি বীৰ লাচিত সেনাৰ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া আৰু নৱগঠিত সমিতিখনে সংবাদমেল যোগে মাজুলী জিলা চিকিৎসালয়ত স্থায়ী ৰেডিঅ'লজিষ্ট নিযুক্তি দিয়া, মাজুলীৰ খহনীয়া তৎকালীনভাৱে প্ৰতিৰোধ কৰা আৰু চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদি সকলোতে নামফলক অসমীয়াত লিখিবলৈ দাবী জনায়।

মাজুলীত সকলো নামফলক অসমীয়াত লিখাৰ দাবী

স্মাৰ্ট মিটাৰে জ্বলা-কলা খুৱাইছে উপভোক্তাক

■ গোৱালপাৰাত বিদ্যুৎ গ্ৰাহকৰ গুৰুত্বপূৰ্ণ সভা

নাহৰকটীয়াত গোৰ্খা ছাত্ৰ সন্থাৰ অধিবেশনৰ দৃশ্য।

অগ্ৰদূত বাৰ্তা

মাটিয়া, ৮ আগষ্ট ঃ স্মাৰ্ট মিটাৰে উপভোক্তা ৰাইজক জ্বলা-কলা খুৱাইছে । উল্লেখ্য যে পাইলট প্ৰজেক্ট হিচাপে গোৱালপাৰা চহৰত বিদ্যুৎ বিভাগে স্মাৰ্ট মিটাৰ লগাইছে । স্মাৰ্ট মিটাৰ উদ্বোধনী অনুষ্ঠানত বিদ্যুৎ বিভাগৰ উচ্চপদস্থ বিষয়াসকলে স্মাৰ্ট মিটাৰত পূৰ্বতকৈ বিল কম অহাৰ লগতে গ্ৰাহকৰ বহু সুবিধাৰ কথা কৈছিল। কিন্তু স্মাৰ্ট মিটাৰ লগোৱাৰ পাছৰে পৰা গ্ৰাহক ৰাইজে পূৰ্বতকৈ পাঁচ ছয়গুণ অধিক বিল আদায় দিবলগীয়া হোৱা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। বিদ্যুৎ বিভাগৰ এনে কৰ্মকাণ্ডত অতিষ্ঠ হৈ পৰিছে গ্ৰাহকসকলে। সেয়ে এই সন্দৰ্ভত আলোচনা কৰিবলৈ গোৱালপাৰা চহৰৰ ময়লাপথাৰত কালি বিদ্যুৎ গ্ৰাহকসকলৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। বিশিষ্ট সমাজকৰ্মী ননী দাসে সভাপতিত্ব কৰা সভাত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি আব্দুল হায়ে কয় যে গোৱালপাৰা চহৰত বিদ্যুৎ বিভাগে স্মাৰ্ট মিটাৰ লগোৱাৰ পৰাই প্ৰতিজন গ্ৰাহকে পূৰ্বতকৈ পাঁচ ছয় গুণ অতিৰিক্ত বিল আদায় দিবলগীয়া হৈছে। অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে ৰাইজক জ্বলা-কলা খুৱাই থকাৰ সময়ত অতিৰিক্ত বিদ্যুৎ বিলে গ্ৰাহক ৰাইজক ৰামটাঙোন সোধাইছে। এই সন্দৰ্ভত গ্ৰাহক ৰাইজে বিভাগীয় কৰ্তৃপক্ষক অভিযোগ দি কোনো সুফল লাভ কৰা নাই । সেয়ে বৈদ্যুতিক স্মাৰ্ট মিটাৰৰ অতিৰিক্ত বিল বন্ধ কৰিবলৈ কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাত এই সন্দৰ্ভত আলোচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰিবলৈ অহা ১০ আগষ্টৰ আবেলি ময়লাপথাৰ বজাৰত এখন সভা আহ্বান কৰা হৈছে। উক্ত সভাত এই সন্দৰ্ভত বিতংকৈ আলোচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি জনা গৈছে।

বৰপেটাত ডাঃ ছৈয়দ আহমদ জাদিদৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

বিশেষ সংবাদদাতা

বৰপেটা ৮ আগষ্ট ঃ বিশিষ্ট মানৱ দৰদী চিকিৎসক, সমাজ সংগঠক, সাংস্কৃতিক কৰ্মী, সাহিত্য সেৱী ডাঃ ছৈয়দ আহমদ জাদিদৰ কালি বৰপেটাত এখন ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয় । অম্বিকাগিৰী- বাণীকান্ত বৰপেটা সাহিত্য সভা ভৱনত বিশিষ্ট সাহিত্যিক অক্ষয় কুমাৰ মিশ্ৰৰ সভাপতিত্বত বিয়লি অনুষ্ঠিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বৰপেটা চহৰৰ ভালেমান অনুষ্ঠান-প্ৰতিষ্ঠান আৰু তেওঁৰ গুণমুগ্ধ, শুভাকাংক্ষীয়ে অংশগ্ৰহণ কৰে। সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে বৰপেটা সাহিত্য সভাৰ সভাপতি ড° বাবুল চন্দ্ৰ দাস, সৰুক্ষেত্ৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক ডাঃ তাৰা প্ৰসাদ দাস, বৰপেটা সমষ্টিৰ প্ৰাক্তন বিধায়ক গুণীন্দ্ৰ নাথ দাস আৰু খাদেমুল ইছলাম সমাজৰ উপদেষ্টা নজিবুল হক। ফ্ৰেণ্ডছ ক্লাব এণ্ড লাইব্ৰেৰীৰ উদ্যোগত আয়োজিত শ্ৰদ্ধাঞ্জলি সভাত বিশিষ্ট অতিথিৰূপে ভাষণ প্ৰদান কৰি ডাঃ বাবুল চন্দ্ৰ দাসে কয়, 'ডাঃ জাদিদে মানৱ সেৱাক প্ৰাধান্য দিয়া লগতে সাম্প্ৰদায়িকতাৰ উৰ্ধ্বত আছিল। তেওঁ অকল চিকিৎসকে নহয় সাহিত্য, সংস্কৃতি আৰু সমাজ সেৱাৰ প্ৰতিও অনুৰাগী আছিল।' ডাঃ তাৰা প্ৰসাদ দাসে কয় যে জাদিদৰ আত্মাৰ বিয়োগ হৈছে কিন্তু কৰ্মৰাজিৰ বিয়োগ হোৱা নাই । তেও ডাঃ জাদিদৰ গৰিমা সমাজত বোঁৱতী নৈৰ দৰে অহৰহ বৈ থকাৰ কামনা কৰে। প্ৰাক্তন বিধায়ক গুণীন্দ্ৰ নাথ দাসে কয় যে ডাঃ জাদিদে চিকিৎসা সেৱাৰ মাজেৰে সদায় সমাজৰ উন্নয়নৰ কথা চিন্তা কৰিছিল। প্ৰাক্তন বিধায়ক দাসে ডাঃ জাদিদক নতুন প্ৰজন্মৰ বাবে প্ৰেৰণাৰ উৎস হৈ থকাৰ কামনা কৰে । আনজন বিশিষ্ট অতিথি নাজিবুল হকে ডাঃ জাদিদ সমন্বয়ৰ প্ৰতীক আছিল বুলি মন্তব্য কৰি তেওৰ মনত কোনো ভেদাভেদ নাছিল বুলি কয়। সমাজুৱাৰ ফালৰ পৰা দিয়া বক্তব্যত বৰপেটা ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিৰিঞ্চি কুমাৰ দাসে কয় যে জাদিদদাক মনত ৰাখিবলগীয়া ব্যক্তি । তেও য'তে থাকে তাতে এটা ধেমেলীয়া পৰিৱেশৰ সৃষ্টি হয় বুলি মন্তব্য কৰে। সভাত ডাঃ জাদিদক স্মৰণ কৰি বিশিষ্ট শাস্ত্ৰীয় সংগীত বিশাৰদ অশীতিপৰ ব্যক্তি সত্যকৃষ্ণ মিশ্ৰই মুছলমান, বড়ো আৰু বঙালীসকলৰ লগত অসমীয়াৰ সম্প্ৰীতি গাঢ় হোৱাৰ কামনা কৰে। গোৱালপাৰা জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ছাদুল্লা খানে ডাঃ জাদিদক এজন সু-ৰাজনৈতিক বিশ্লেষক আছিল বুলি মন্তব্য কৰি জাদিদ সামাজিকভাৱেও দায়িত্বশীল ব্যক্তি আছিল বুলি কয়। সভাপতিৰ ভাষণত অক্ষয় কুমাৰ মিশ্ৰই কয়, 'ডাঃ জাদিদ সম্প্ৰীতিৰ ধাৰক-বাহক আছিল আৰু সম্প্ৰীতিৰ প্ৰতিনিধি স্বৰূপ আছিল। সামাজিকভাৱেও দায়বদ্ধ আৰু সমাজ সচেতন ব্যক্তি আছিল।' শ্ৰদ্ধাঞ্জলি সভাত জাদিদৰ সহপাঠী প্ৰমোদ দাস, প্ৰাক্তন শিক্ষক নাছিৰ উদ্দিন, প্ৰাক্তন শিক্ষামন্ত্ৰী ইব্ৰাহিম আলী, নাট্যকাৰ- অভিনেতা লিয়াকৎ আলী আৰু পৰিয়ালৰ তৰফৰ পৰাও বক্তব্য ৰাখি স্মৃতিচাৰণ কৰে। সভাৰ আৰম্ভণিতে ডাঃ জাদিদৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে অক্ষয় কুমাৰ মিশ্ৰই। গাম্ভীৰ্যপূৰ্ণ এই সভাতখনত ডেৰ শতাধিক লোক উপস্থিত আছিল। সভাখনৰ আঁত ধৰিছিল সাংস্কৃতিক কৰ্মী জয়ৰাজ দাসে আৰু উদ্দেশ্য ব্যাখ্যা কৰিছিল আব্দুল মালেকে ।

তিনিচুকীয়াত 'লোক কল্যাণ দিৱস উদ্‌যাপন'

■ তিনিচুকীয়াৰ তিনিগৰাকী কৰ্মচাৰীলৈ 'লোক সেৱা পুৰস্কাৰ

অগ্ৰদূত বাৰ্তা

ডুমডুমা, ৮ আগষ্ট ঃ অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ মৃত্যুতিথি উপলক্ষে সমগ্ৰ অসমৰ লগতে তিনিচুকীয়া জিলাতো যোৱা পাঁচ আগষ্টত তিনিচুকীয়া জিলা প্ৰশাসনৰ উদ্যোগত 'লোক কল্যাণ দিৱস' তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণৰ সাংস্কৃতিক কেন্দ্ৰত উদ্‌যাপন কৰে। 'লোক কল্যাণ দিৱস'ৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম চৰকাৰৰ শ্ৰমিক কল্যাণ আৰু চাহ জনজাতি কল্যাণ দপ্তৰৰ মন্ত্ৰী সঞ্জয় কিষান। লোককল্যাণ দিৱসৰ কাৰ্যসূচীৰ আৰম্ভণিতে ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰা হয়। লোক কল্যাণ দিৱসৰ উদ্দেশ্য ব্যাখ্যা তথা আদৰণি ভাষণ আগবঢ়ায় অতিৰিক্ত উপায়ুক্ত সুশান্ত দত্তই। তিনিচুকীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা ড° অঞ্জনা গোস্বামীয়ে কাৰ্যসূচীত সমলব্যক্তি হিচাপে উপস্থিত থাকি লোকপ্ৰিয় গোপীনাথ বৰদলৈ ভাৰতৰ স্বাধীনতা আন্দোলনত আগবঢ়োৱা অৱদান বিতংকৈ উল্লেখ কৰে। ইয়াৰ উপৰি তেওঁৰ ৰাজনৈতিক বিচক্ষণতাৰ ওপৰতো আলোকপাত কৰে। লোক কল্যাণ দিৱসৰ কাৰ্যসূচীতে তিনিচুকীয়া জিলাৰ তিনিগৰাকী অ-ৰাজপত্ৰিত বিষয়াবৰ্গক তেওঁলোকৰ উৎকৃষ্ট সেৱা, কৰ্তব্যনিষ্ঠা আৰু সততাৰ বাবে অসম চৰকাৰৰ 'লোকসেৱা পুৰস্কাৰ' আগবঢ়োৱা হয়। লোকসেৱা পুৰস্কাৰ লাভ কৰা বিষয়াকেইজন হৈছে বন সংমণ্ডল প্ৰাধিকাৰী ডিগবৈ বন সংমণ্ডল কাৰ্যালয়ৰ বনপালক-এক মণ্টু চেতিয়া, তিনিচুকীয়া জিলা উপায়ুক্ত কাৰ্যালয়ৰ জ্যেষ্ঠ সহায়ক বিপ্লৱী গগৈ আৰু উপায়ুক্ত কাৰ্যালয়ৰ বাৰ্তাবাহক প্ৰাঞ্জল ফুকন। তিনিচুকীয়া জিলা উপায়ুক্ত নৰসিং পৰাৰে লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ অৱদান শ্ৰদ্ধাৰ স্মৰণ কৰি তেওঁৰ আদৰ্শ আৰু চিন্তাধাৰা বৰ্তমানৰ সমাজ জীৱনৰ বাবে প্ৰেৰণাদায়ক বুলি উল্লেখ কৰে। উপায়ুক্তই অসম চৰকাৰে নিষ্ঠাবান তথা সৎ কৰ্মচাৰীসকলক লোকসেৱা পুৰস্কাৰেৰে পুৰস্কৃত কৰাৰ যি পদক্ষেপে গ্ৰহণ কৰিছে তাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে আৰু চৰকাৰৰ এই পদক্ষেপে অন্যান্য কৰ্মচাৰীসকলক পৰৱৰ্তী সময়ত নিষ্ঠা আৰু সততাৰে দায়িত্ব পালন কৰাত যথেষ্ট উৎসাহিত কৰিব বুলি কয়। লোক কল্যাণ দিৱসৰ মুখ্য অতিথিৰূপে উপস্থিত থাকি অসম চৰকাৰৰ শ্ৰমিক কল্যাণ তথা চাহ জনজাতি কল্যাণ দপ্তৰৰ মন্ত্ৰী সঞ্জয় কিষাণে লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ মহানতা তথা আদৰ্শ ৰাজ্যখনৰ প্ৰতিগৰাকী ব্যক্তি তথা নৱপ্ৰজন্মৰ বাবে অনুকৰণীয় বুলি উল্লেখ কৰে। প্ৰতিগৰাকী চৰকাৰী কৰ্মচাৰীকে সততা আৰু নিষ্ঠা সহকাৰে ৰাইজৰ সেৱাত ব্ৰতী হ'বলৈ শ্ৰম মন্ত্ৰীজনে আহ্বান জনায়। সভাত তিনিচুকীয়াৰ জিলা উন্নয়ন আয়ুক্ত নয়নজ্যোতি ভাগৱতী, তিনিচুকীয়া জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মুনিন্দ্ৰ বৰদলৈ, তিনিচুকীয়া জিলা পৰিষদৰ সভাপতি ৰাজেন্দ্ৰ নাথ কৈৰী, তিনিচুকীয়া পৌৰসভাৰ সভাপতি জয়ন্ত বৰুৱা, তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ কাজল গোহাঁই, মৰাণ স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দিপন মৰাণ, মটক স্বায়ত্ত পৰিষদৰ অধ্যক্ষ সৰুজ গোহাঁই প্ৰমুখ্যে স্থানীয় বিশিষ্ট ব্যক্তি, বিদ্যালয়-মহাবিদ্যালয়ৰ প্ৰধান শিক্ষক তথা অধ্যক্ষসকল আৰু বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

উৰিয়ামঘাটত আছুৰ সম্বৰ্ধনা অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

উৰিয়ামঘাট, ৮ আগষ্ট ঃ সদৌ অসম ছাত্ৰ সন্থাৰ উৰিয়ামঘাট সীমান্ত আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত উৰিয়ামঘাট অঞ্চলৰ ২০২২ৰ উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে ইয়াৰ ডেফদিল ইংলিছ হাইস্কুল প্ৰাংগণত এক অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। এই উপলক্ষে আয়োজিত সভাত সভাপতিত্ব কৰে উৰিয়ামঘাট সীমান্ত আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰাজ গগৈয়ে। আদৰণি ভাষণ দিয়ে উৰিয়ামঘাট সীমান্ত আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা বিকাশ বৰাই। অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি কৃতী ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি প্ৰেৰণাদায়ক বক্তব্য আগবঢ়াই ধনশিৰি মহকুমাৰ কাৰ্যবাহী সীমান্ত দণ্ডাধীশ প্ৰাঞ্জিল গগৈয়ে। অনুষ্ঠানত বক্তব্য ৰাখে ক্ৰমে গোলাঘাট জিলা সাংবাদিক সন্থাৰ সম্পাদক দ্বীপেন বৰা, উৰিয়ামঘাট প্ৰেছ ক্লাবৰ সভাপতি প্ৰতাপ গগৈ, সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক অভিৱৰ্তন গোস্বামী, অংচা জিলদৈ শ্যাম হাইস্কুলৰ প্ৰধান শিক্ষক কুলধৰ চুতীয়া, বিদ্যাপুৰ অঞ্চলৰ সমাজসেৱক শিক্ষাবিদ আব্দুল কৰিমকে আদি কৰি কে'বাগৰাকী বিশিষ্ট ব্যক্তিয়ে। আজিৰ এই অভিনন্দন অনুষ্ঠানত অঞ্চলটোৰ মুঠ ৮৬ গৰাকী উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক অভিনন্দন পত্ৰ, গ্ৰন্থ আৰু একোটাকৈ চন্দন গছৰ পুলি প্ৰদান কৰা হয়। অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ গোলাঘাট জিলা আৰু ধনশিৰি মহকুমা সমিতিৰ কে'বাজনো বিষয়ববীয়া, তাই আহোম ছাত্ৰ সন্থা ধনশিৰি মহকুমাৰ সভাপতি অনন্ত গগৈ, গোৰ্খা ছাত্ৰ সন্থাৰ সম্পাদক কৰ্ণ সিং লিম্বু, কৃতী ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱক আৰু ভালে সংখ্যক ৰাইজ উপস্থিত থাকে। অনুষ্ঠানত কে'বাখনো বিদ্যালয়ৰ প্ৰধানকো চেলেং চাদৰ, মানপত্ৰ আৰু গছপুলি প্ৰদান কৰি সন্মান জনোৱা হয়।

সোণতলীৰ কালাতলী কাঠমী আঞ্চলিক ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰিচালনা-উন্নয়ন কমিটীৰ শপত

অগ্ৰদূত বাৰ্তা

সোণতলী ৮ আগষ্ট ঃ কামৰূপ জিলাৰ বকো আৰু ছয়গাঁও সমষ্টিৰ কেন্দ্ৰস্থলত স্থাপিত আটাইতকৈ পূৰণি উচ্চ শিক্ষানুষ্ঠান কালাতলী কাঠমী আঞ্চলিক ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ নতুন পৰিচালনা আৰু উন্নয়ন কমিটীৰ কালি শপত গ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হয়। বিদ্যালয়ৰ প্ৰতিষ্ঠাপক তথা অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মিৰ্জানুল হকৰ সভাপতিত্বত বিদ্যালয় কক্ষত অনুষ্ঠিত শপত গ্ৰহণ অনুষ্ঠানৰ আঁত ধৰে বিদ্যালয়ৰ অধ্যক্ষ ৰফিকুল আলমে। অনুষ্ঠানত নৱ নিযুক্ত পৰিচালনা আৰু উন্নয়ন কমিটীক শপত শপত বাক্য পাঠ কৰায় সভাৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মিৰ্জানুল হকে। উল্লেখ্য যে বৃহত্তৰ অঞ্চলটোৰ জেষ্ঠ সংবাদসেৱী আমিন ময়নুল হকক সভাপতি, বিদ্যালয়ৰ অধ্যক্ষ ৰফিকুল আলমক সদস্য সচিব আৰু যুৱকৰ্মী জিয়াৰুল হকক উপ-সভাপতিৰূপে লৈ 'কালাতলী কাঠমী আঞ্চলিক ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল'ৰ নতুন পৰিচালনা আৰু উন্নয়ন কমিটী গঠন কৰা হয়। বিভাগীয় কৰ্তৃপক্ষৰ পৰা পূৰ্ণাংগ পৰিচালনা আৰু উন্নয়ন কমিটীৰ অনুমোদন লাভৰ পাছতে অনুষ্ঠিত হয় এই শপত গ্ৰহণ অনুষ্ঠান । শপত গ্ৰহণ অনুষ্ঠানত কমিটীৰ প্ৰতিনিধি সদস্য হিচাপে কিচমত কাঠমী গাঁও পঞ্চায়তৰ সভাপতি গিয়াচ উদ্দিন আহমেদ আৰু আঞ্চলিক সদস্যা জহুৰাণ বেগম তৰফদাৰেও উপস্থিত থাকে ।

মহানন্দ শৰ্মা স্মাৰক মহাগুৰু বঁটা লক্ষীধৰ শৰ্মাক প্ৰদান

■ মুগকুছিত মিলন নাট্যগোষ্ঠীৰ আৰম্ভ

অগ্ৰদূত বাৰ্তা

নলবাৰী, ৮ আগষ্ট ঃ নলবাৰী জিলাৰ মুগকুছিত কালি সন্ধিয়া মিলন নাট্য গোষ্ঠীৰ দশম বাৰ্ষিক নাট্য আৰম্ভ কৰা হয়। প্ৰযোজক, শিল্পী নৱ শৰ্মাই আঁত ধৰা অনুষ্ঠানত নটৰাজৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে গোষ্ঠীৰ মুখ্য পৃষ্ঠপোষক মিণ্টু তামুলী, মহানন্দ শৰ্মাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে সহধৰ্মিণী ক্ষিৰোদা দেৱীয়ে। ইয়াৰ পাছতে মহানন্দ শৰ্মা স্মৃতিৰক্ষা সমিতিৰ সভাপতি, নৰ্থ-ইষ্ট কেন্সাৰ হাস্পতালৰ অধ্যক্ষ গণেশ তামুলীৰ সঞ্চালনাত হোৱা অনুষ্ঠানত মহানন্দ শৰ্মা স্মাৰক বঁটা 'মহাগুৰু বঁটা' অসমৰ প্ৰবীণ যাত্ৰা শিল্পী লক্ষীধৰ শৰ্মাক প্ৰদান কৰা হয়। অনুষ্ঠানত মহানন্দ শৰ্মা স্মৃতিৰক্ষা সমিতি আৰু মুগকুছি মিলন নাট্যগোষ্ঠীৰ তত্বাৱধানত আৰু সাহিত্যিক মৰমী শৰ্মাৰ মুখ্য সম্পাদনা, ডাঃ সমৰ তালুকদাৰৰ সম্পাদনাত প্ৰকাশিত 'অসম নাট্য আন্দোলন আৰু মহাগুৰু মহানন্দ' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰি বিশিষ্ট সাহিত্যিক ভৱানী প্ৰসাদ অধিকাৰীয়ে কয় যে মহানন্দ শৰ্মা নাট্যজগতৰ গৌৰৱ। তেওঁক অসমীয়াই যুগে যুগে মনত ৰাখিব। তেওঁ লগতে কয় যে জীৱিত কালতে বঁটা বাহন, সন্মান দিব লাগে। তেতিয়াই ব্যক্তি এজনে উপযুক্ত স্বীকৃতি লাভ কৰে। কালি শিল্পী লক্ষীধৰ শৰ্মাক মহানন্দ শৰ্মা স্মাৰক বঁটা প্ৰদান কৰি উচিত মৰ্যাদা দিয়া বুলি দোহাৰে। অনুষ্ঠানত কবি জোনমণি বৰা বৰুৱাৰ কাব্যপুথি 'চন্দ্ৰাৱলী' উন্মোচন কৰি মহানন্দ শৰ্মাৰ বাল্যবন্ধু ধীৰেশ্বৰ শৰ্মাই উন্মোচন কৰি মহানন্দ শৰ্মাৰ কৰ্মজীৱন আৰু নাট্য জগতলৈ আগবঢ়োৱা অৱদান সোঁৱৰণ কৰি ভাষণত আবেগিক হৈ পৰে। তেওঁ লগতে কাব্যপুথিখন ৰাইজে আদৰি ল'ব বুলিও আশা ব্যক্ত কৰে। অনুষ্ঠানত স্মৃতিৰক্ষা সমিতিৰ কাৰ্যকৰী সভাপতি জয়ন্ত হাজৰিকা, গ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি অবিনাশ শৰ্মা, নাট্যকাৰ জিতেন শৰ্মা, নাট্যশিল্পী ধীৰেণ বৰ্মন, গোকুল মহন্ত, জয়ন্ত মহন্ত, শিক্ষাবিদ ধীৰেন্দ্ৰ নাথ শৰ্মা, সাংবাদিক প্ৰাঞ্জল শৰ্মা, কামিনী কান্ত মিশ্ৰ, দ্বিপেন মেনা, প্ৰদীপ বৰ্মনসহ বহুসংখ্যক শিল্পীক সম্বৰ্ধনা জনায়।

সদৌ অসম সূৰ্য বৰা সোঁৱৰণী একাংক নাট প্ৰতিযোগিতাৰ পাণ্ডুলিপিৰ আহ্বান

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি, ৮ আগষ্ট ঃ বিগত বৰ্ষসমূহৰ দৰেই ৬০ সংখ্যক সদৌ অসম সূৰ্য বৰা সোঁৱৰণী একাংক নাট প্ৰতিযোগিতা অহা ১৮ আৰু ১৯ নৱেম্বৰত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। যোৱা ছয় আগষ্টত স্থানীয় বীণাপাণি নাট্য সমাজৰ সভাগৃহত অনুষ্ঠিত হোৱা সভাত নিৰ্ধাৰিত সময়ৰ ভিতৰতেই সদৌ অসম ভিত্তিত আয়োজন কৰা একাংক নাট প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেয়েহে ইচ্ছুক প্ৰতিযোগী নাট্যদলসমূহক অহা ৩০ ছেপ্টেম্বৰৰ ভিতৰত নাটকৰ পাণ্ডুলিপিসমূহ নিম্নলিখিত ঠিকনাত জমা দিবৰ বাবে অনুৰোধ জনাইছে সম্পাদকে। যোগাযোগৰ ঠিকনা- সভাপতি-সম্পাদক, সদৌ অসম সূৰ্য বৰা সোঁৱৰণী একাংক নাট প্ৰতিযোগিতা সমিতি, মাৰফৎ-বীণাপাণি কোঃ অপাৰেটিভ ষ্টোৰ্ছ, পোষ্ট অফিচ-চাৰিআলি, জিলা বিশ্বনাথ, অসম, পিন-৭৮৪১৭৬, যোগাযোগৰ ফোন- ৯৪৩৫০০৬৯৭৬, ৯৩৬৫৫০৮২৩৪, ৯৪০১২৪৮৪৬০, ৬০০৩৬২৮৯৪০।

বগৰীবাৰীত কৃতীমান ছাত্ৰ-ছাত্ৰীক ফুলাম গামোচা-কিতাপৰ টোপোলাৰে সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

বগৰীবাৰী, ৮ আগষ্ট ঃ বিটিআৰৰ কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা-বগৰীবাৰী প্ৰেছ ক্লাবৰ উদ্যোগত কালি ঐতিহাসিক ২৫ হাত কালী মন্দিৰৰ সভাকক্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা দৰিদ্ৰ তথা মেধাৱী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে স্থানীয় সমাজকৰ্মী তথা শিক্ষাবিদ নজৰুল ইছলামৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনত বৃহত্তৰ পৰ্বতঝোৰা আৰু বিলাসীপাৰা মহকুমাৰ কে'বাখনো বিদ্যালয়ৰ প্ৰায় ২০ গৰাকী কৃতীমান ছাত্ৰ-ছাত্ৰীক এখনকৈ ফুলাম গামোচা, অভিধান, কলম, মানপত্ৰ আদিৰে সম্বৰ্ধনা জনোৱা হয়। সভাত পৰ্বতঝোৰা মহকুমা আৰক্ষী চক্ৰ বিষয়া ৰাজু গগৈ, শিক্ষাবিদ নজৰুল ইছলাম, পলান চন্দ্ৰ সূত্ৰধৰ, ৰতন লাল সাহা, শ্যামল পাল, ৰফিকুল আলম আদিৰ লগতে প্ৰেছ ক্লাবৰ সভাপতি গুলজাৰ হুছেইন, সম্পাদক নজৰুল ইছলাম, প্ৰকৃতিয কুমাৰ সাহা আৰু বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। সভাত বিভিন্ন বক্তাই ছাত্ৰ-ছাত্ৰীৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰাৰ লগতে দিহা-পৰামৰ্শ দিয়ে।

ধৰ্মীয় মেৰুকৰণৰ ৰাজনীতিয়ে আগুৱাইছে ঃ অগপ নেতা

অগ্ৰদূত বাৰ্তা

সৰ্থেবাৰী, ৮ আগষ্ট ঃ সৰুক্ষেত্ৰী বিধান পৰিষদৰ এখন বিশেষ সাংগঠনিক সভা কালি সৰুক্ষেত্ৰী মৌজাৰ কামাৰপাৰাৰ সৰুক্ষেত্ৰী জাতীয় বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হয়। বিধান পৰিষদৰ সভাপতি চিত্তৰঞ্জন বৰ্মনৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনত অগপৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক মনোজ শইকীয়াই ভাষণত কয় যে বৰপেটা জিলাৰ বৰপেটা, চেঙা আৰু সৰুক্ষেত্ৰী বিধানসভা সমষ্টি স্পৰ্শকাতৰ আৰু সংখ্যালঘু ভোটাৰৰ সংখ্যাধিক্য থকাৰ বাবে অসম গণ পৰিষদৰ বাবে সম্ভাৱনাপূৰ্ণ। বৰ্তমান সময়ত ধৰ্মীয় মেৰুকৰণৰ ৰাজনীতিয়ে সৰ্বসাধাৰণক আমুৱাইছে বুলি উল্লেখ কৰি তেওঁ সমষ্টিকেইটাত ধৰ্মীয় সংখ্যালঘু ৰাইজৰ মাজত বিশ্বাসযোগ্যতা বৃদ্ধি কৰি অগপৰ সাংগঠনিক স্থিতি মজবু

তাই আহোম ছাত্ৰ সন্থাৰ মন্তব্যত প্ৰতিক্ৰিয়া

বৰমা, ৮ আগষ্ট ঃ সদৌ তাই আহোম ছাত্ৰ সন্থাৰ বিশেষ সংবাদমেল সন্দৰ্ভত আজি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে সদৌ কলিতা ছাত্ৰ সন্থাই। তাই আহোম ছাত্ৰ সন্থাই সংবাদমেল সম্বোধন কৰা মানচাও যাদৱ কোঁৱৰে সংবাদমেলত কোনোবা এগৰাকী ব্যক্তিক সমালোচনা কৰিব গৈ অসমৰ প্ৰাচীনতম আৰু বৰ্তমানৰ ৭০ লাখতকৈ অধিক জনসংখ্যাৰ জনগোষ্ঠী কলিতা সকলৰ প্ৰতি অ-সাংবিধানিক শব্দৰে উপলুঙা কৰা পৰিলক্ষিত হৈছে। কোনোবা ব্যক্তিক সমালোচনা কৰক তাত সদৌ কলিতা ছাত্ৰ সন্থাৰ ক'ব লগা একো নাই; কিন্তু সমালোচনা কৰিব যাওঁতে এটা নিৰ্দিষ্ট জনগোষ্ঠীক অসাংবিধানিক শব্দৰে উপলুঙা কৰিব তাক সংগঠনটোৱে সহজভাৱে নলয় বুলি মত প্ৰকাশ কৰে। যাদৱ কোঁৱৰে যি মঞ্চৰ হৈ মত প্ৰকাশ কৰিছে সেই মঞ্চখনেও এটা জনগোষ্ঠীক উপলুঙা কৰি ভুল কৰিছে বুলি প্ৰকাশ কৰে। সংগঠনটোৱে প্ৰশ্ন কৰে যে কলিতা জনগোষ্ঠীৰ প্ৰতি সেই মঞ্চই তেওঁলোকৰ দৃষ্টিভংগী তেনেদৰে প্ৰকাশ কৰাটো কোনোপধ্যে উচিত নহয়। ভুল বাক্য বা শব্দৰে এটা সভ্য জনগোষ্ঠীক এনেদৰে সংবাদমেল পাতি অপশব্দ ব্যৱহাৰ কৰি কলিতা সকলোৰে আৱেগত তীব্ৰ আঘাত হানিবলৈ কৰা এনে নিচ কাৰ্যক সদৌ কলিতা ছাত্ৰ সন্থাই তীব্ৰ গৰিহণা দিছে। যাদৱ কোঁৱৰ আৰু তাই আহোম ছাত্ৰ সন্থাই কৰা এনে কাৰ্য মুঠেই গ্ৰহণযোগ্য নহয় আৰু তেনেকুৱা ঘৃণনীয় কাৰ্যৰ প্ৰতি তীব্ৰ নিন্দা প্ৰকাশ কৰিছে সংগঠনটোৰ সভাপতি নৱজিৎ বৰ্মনে। তেওঁলোকে কৰা ভুল স্বীকাৰ কৰি তেওঁলোকে কলিতা জনগোষ্ঠীৰ প্ৰতি কৰা অ-সাংবিধানিক শব্দটোক উঠাই লৈ নিজৰ ভুল স্বীকাৰ কৰিবলৈ আহ্বান জনাই সংগঠনটোৱে।

শিক্ষকৰ নিযুক্তিপত্ৰক চানা-বুট খোৱা

এক পৃষ্ঠাৰ পৰা ১২ হেজাৰ শিক্ষকক চৰকাৰে নিযুক্তি প্ৰদান কৰিছিল। আমাৰ ভিতৰতে ৪,৫১১ জন শিক্ষকক বিগত বৰ্ষৰ ৩০ জানুৱাৰীত শিক্ষক আৰু টিউটৰ হিচাপে নিয়মীয়াকৰণ কৰে। আমি এতিয়াও প্ৰায় ৫,৫০০ জন শিক্ষক নিয়মীয়াকৰণৰ পৰা বাদ পৰি ৰ'লো। এই বিষয়ে আমি বহুবাৰ চৰকাৰৰ লগত যোগযোগ কৰিছো যদিও কোনো ফল পোৱা নাই। মুখ্যমন্ত্ৰীয়ে প্ৰতিবাদ-ধৰ্ণা আদি বা আদালতৰ কায চাপিলে বেয়া পায়। আমি তেওঁৰ ওচৰত আশাবাদী। আজি শিক্ষকৰূপে ইমান বছৰ সমাজত সেৱা আগবঢ়াই অহাৰ পাছত এতিয়া আমাক সকলোৱে হাঁহে। আমাৰো পৰিয়াল আছে, ল'ৰা-ছোৱালী আছে। চৰকাৰে নিযুক্তি দিছে, তাতে আমাৰ কি ভুল আছিল? আজি বহু বিষয় ওলাইছে, তেতিয়া সেইবোৰ কিয় চিন্তা কৰা নহ'ল, অন্তত ইমান দিন বেলেগ ক্ষেত্ৰত নিয়োজিত হোৱাৰ এটা সুবিধা থাকিলহেঁতেন।' উল্লেখ্য যে এইসকলে শিক্ষকে চাকৰি নিয়মীয়াকৰণৰ দাবীত মুখ্যমন্ত্ৰীক সাক্ষাৎ বিচাৰিছিল আৰু মুখ্যমন্ত্ৰীয়ে তেওঁলোকক বিষয়টো শিক্ষামন্ত্ৰীৰ লগত আলোচনা কৰিবলৈ আহ্বান জনাইছিল। আনকি মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে এই সংগঠনটোৰ লগত আলোচনা কৰিবলৈ শিক্ষামন্ত্ৰীক পত্ৰৰ জৰিয়তে নিৰ্দেশ প্ৰদান কৰিছিল যদিও শিক্ষামন্ত্ৰীয়ে আজিকোপতি তেওঁলোকৰ লগত আলোচনা নকৰিলে বুলি সংগঠনটোৰ উপদেষ্টা দীপক কুমাৰ শৰ্মাই সদৰী কৰিছে। তেওঁ কয়, 'আলোচনাৰ প্ৰসংগত শিক্ষামন্ত্ৰীৰ পৰা কোনো নিমন্ত্ৰণ নোপোৱাত আমি তেওঁক সাক্ষাৎ কৰিবলৈ যাওতে আমাক ককৰ্থনাহে কৰে। বহু কটু মন্তব্য কৰে যিবোৰ আমি ক'ব নোৱাৰো। শিক্ষাৰ দৰে এটা পবিত্ৰ বৃত্তিৰ এজন মন্ত্ৰীৰ এনে মন্তব্যৰ পৰা আমি কি আশা কৰিম। সেয়ে আমি সমগ্ৰ বিষয়টো মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ দাবী কৰিছো।' সমান্তৰালভাৱে সংগঠনটোৰ উপ-সভাপতি জীৱকান্ত চুতীয়াই কয়, 'সাক্ষাতৰ সময়ত শিক্ষামন্ত্ৰীয়ে আমাৰ নিয়মীয়াকৰণ নহয় বুলি সদৰী কৰি আমাৰ কাগজ-পাতিসমূহ শ্মশানলৈ পঠাই দিয়া বুলি মন্তব্য কৰে। তেওঁ আনকি অগপ-কংগ্ৰেছ চৰকাৰৰ দিনত দিয়া আমাৰ নিযুক্তি পত্ৰসমূহ চানা-বুট খোৱা কাগজৰ লগত তুলনা কৰে। আনকি প্ৰথমখন বাহন ধৰিব নোৱাৰাক কাৰণেই আমি থাকি গ'লো বুলি কয়। অৰ্থাৎ আমাৰ মাজৰে পাঁচ হেজাৰ অধিক শিক্ষকক তিনিটা শাখাত ইতিমধ্যে নিয়মীয়াকৰণ কৰিছে। আমাক 'ডি' শাখাত অন্তৰ্ভুক্ত কৰি তেওঁ শেষৰখন গাড়ী বুলি কটাক্ষ কৰে।' উল্লেখ্য যে এই সমগ্ৰ বিষয়টোৰ মুখ্যমন্ত্ৰী ড° শৰ্মাই হস্তক্ষেপ বিচাৰি শিক্ষকসকলে শীঘ্ৰে তেওঁলোকৰ সমস্যা সমাধানৰ দাবী উত্থাপন কৰিছে। অন্যথা পাঁচ ছেপ্টেম্বৰৰ পৰা তেওঁলোকে ধাৰাবাহিক আন্দোলনৰ পথ গ্ৰহণ কৰিব বুলি হুংকাৰ দিয়ে।

মেৰাপানী সীমান্তত পুনৰ নগাৰ আগ্ৰাসন

এক পৃষ্ঠাৰ পৰা কৰিছে । অভিযোগ অনুসৰি, মেৰাপানী সীমাৰ এক নম্বৰ ওপৰ তৰাণিৰ গড়বস্তিৰ অসমৰ ভূমিত চুবুৰীয়া ৰাজ্য নগালেণ্ডৰ নাগৰিকে সংগোপনে আহি অসমীয়া লোকৰ মাটিত ৰোপণ কৰিলে ধানখেতি। মেৰাপানীৰ এক নম্বৰ ওপৰ তৰাণিৰ গড়বস্তিৰ প্ৰয়াত নন্দলাল গড়ৰ কন্যা তৰামাই গড়ৰ পৈত্ৰিক ভূমিত নগাই বেদখল চলোৱা কাৰ্যই সচকিত কৰি তুলিছে সীমাবাসী অসমীয়াক।

উল্লেখ্য যে অসম চৰকাৰৰ 'হাফ মাইল বেল্ট'ৰ অধীনত ১৯৭১ৰ জৰীপ অনুসৰি, গোলাঘাট চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ যোগেদি সীমান্তবাসীক আবন্টন দিয়া ১০ বিঘাকৈ ভূমিত এতিয়া পৰিছে নগাৰ শেনচকু। এক নম্বৰ তৰাণিৰ গোপাল গড় আৰু তেওঁৰ ভগ্নী তৰামাই গড়ে তেওঁলোকৰ পিতৃ প্ৰয়াত নন্দলাল গড়ৰ নামত চৰকাৰে প্ৰদান কৰা ভূমিৰ পৈত্ৰিক সূত্ৰে লাভ কৰা মাটিত নগা আৰু অসমীয়াৰ মাজত সীমা বিবাদৰ সূত্ৰপাত হৈ ২০১১ৰে পৰা সেয়া বিবদমান ভূমিৰূপে চিহ্নিত হৈ আহিছিল। ফলস্বৰূপে সীমান্তত নিয়োজিত চিআৰপিএফৰ হস্তক্ষেপত বিবদমান ভূমিখণ্ডত গোপাল গড়ৰ পৰিয়ালৰ লগতে অধিকাৰ সাব্যস্ত কৰিব খোজা নগা লোকক খেতি-বাটি কৰাৰ ক্ষেত্ৰতো বাধা প্ৰদান কৰি ৰাখিছিল। যদিও এই বাধা নামানি একাংশ নগালোকে উক্ত ভূমিত পুনৰ আৰম্ভ কৰিছে ধান খেতি। ইফালে, নগাই হাবি কাটি খেতি কৰিবলৈ যা-যোগাৰ কৰা তথা লগতে ধানৰ কঠীয়া ৰোপণ কৰাৰ তথ্য লাভ কৰি তৰামাই গড়ে যোৱা ২৫ জুনত মেৰাপানীস্থিত ১৪২ নম্বৰ চিআৰপিএফক লিখিত অভিযোগ দাখিল কৰিছিল। যদিও বিষয়টোত চিআৰপিএফে কোনো গুৰুত্ব নিদিলে বুলি অভিযোগ কৰিছে ভুক্তভোগী মহিলাগৰাকীয়ে। আনহাতে, যোৱা ২৫ জুনতেই উক্ত বিষয়টো অৱগত কৰি স্থানীয় গাঁওবুঢ়াৰ ওচৰতো লিখিত পত্ৰ দাখিল কৰাত গাঁওবুঢ়াই বিষয়টো মেৰাপানী সীমান্ত দণ্ডাধীশক অৱগত কৰি আলোচনা কৰিব বুলি আশ্বাস দিছিল। ইফালে, নগাই ৰোপণ কৰা ধানগছ দিনক দিনে বাঢ়ি অহাত দৰিদ্ৰ পৰিয়ালটোৱে নিজৰ ভোগ দখলৰ পৈত্ৰিক সম্পত্তিত নগাৰ বেদখল কোনো কাৰণতেই মানি ল'ব খোজা নাই। এই দীৰ্ঘদিন ধৰি বিতৰ্কিত হৈ থকা ভূখণ্ডৰ উচিত মীমাংসা কৰি নগাৰ কবলৰ পৰা তেওঁলোকক হস্তগত কৰাবলৈ আহ্বান জনাইছে ভুক্তভোগী পৰিয়ালটোৱে। উল্লেখ্য যে আজি পুনৰ তৰামাই গড়ে মেৰাপানী আৰক্ষী থানাত নগাৰ বেদখল আৰু তেওঁলোকৰ ভূমিত ধানখেতি কৰাৰ সন্দৰ্ভত ন্যায় বিচাৰৰ আহ্বান কৰি আন এক অভিযোগ দাখিল কৰিছে। আনহাতে, বিষয়টোৰ সন্দৰ্ভত আজি পুনৰ ভুক্তভোগী পৰিয়ালটোৱে মেৰাপানীস্থিত ১৪২ নম্বৰ চিআৰপিএফৰ কাৰ্যালয়ত উপস্থিত হৈ বিষয়টো মীমাংসা কৰাৰ আহ্বান জনায় যদিও চিআৰপিএফে আগন্তুক স্বাধীনতা দিৱসৰ বাবে ব্যস্ততাৰ দোহাই দি ১৫ আগষ্টৰ পাছতহে আলোচনাত মিলিত হোৱাৰ কথা ব্যক্ত কৰে।

ইপিনে, দীৰ্ঘদিন ধৰি বিবদমান অৱস্থাত থকা ভূমিখণ্ডৰ সমস্যা সমাধানৰ বাবে প্ৰশাসনক জনাই অহাৰ পাছতো চিআৰপিএফ তথা গোলাঘাট জিলা প্ৰশাসনে বিষয়টোত গুৰুত্ব আৰোপ নকৰাৰ অভিযোগ উত্থাপিত হৈছে। ফলত নিজৰ প্ৰাপ্য পৈত্ৰিক সম্পত্তিৰ ভূমিৰ অধিকাৰ বিচাৰি দিক্‌বিদিক হেৰুৱাই পেলাইছে দুৰ্ভগীয়া পৰিয়ালটোৱে।

চৰকাৰী চাউল নতুন বস্তাত ভৰাই

এক পৃষ্ঠাৰ পৰা বিপৰীতে চৰকাৰী সুবিধাৰ পৰা বঞ্চিত হৈছে বহু দৰিদ্ৰ শ্ৰেণীৰ লোক। আনকি এই ক'লা বজাৰত একাংশ চৰকাৰী লোকেও হাত উজান দিয়াৰ অভিযোগ বিভিন্ন সময়ত উত্থাপিত হৈছে। তেনে চৰকাৰী চাউল চোৰাংকৈ বিক্ৰী কৰিয়েই সম্প্ৰতি আটক হ'ল তেজপুৰৰ এজন গাঁওবুঢ়া। আজি তেজপুৰ আৰক্ষীয়ে উক্ত গাঁওবুঢ়াসহ দুজন লোকক আটক কৰে।

প্ৰাপ্ত অভিযোগ অনুসৰি, তেজপুৰ ডেকাৰগাঁৱৰ গাঁওবুঢ়া তথা কটকীচুবুৰী নিবাসী ৰঞ্জিত কটকীয়ে তেওঁৰ পত্নী পলী ডেকাৰ নামত থকা সুলভ মূল্যৰ দোকানৰ সুযোগ গ্ৰহণ কৰি দীৰ্ঘদিনে চলাই আহিছে চৰকাৰী চাউলৰ এক ৰমৰমীয়া ক'লা বজাৰ। এই তথ্য পোহৰলৈ অহাৰ পাছতে উক্ত চোৰাং ব্যৱসায়ৰ বিৰুদ্ধে আজি আৰক্ষীয়ে এক অভিযান চলায়। আজি দিনৰ প্ৰায় দুই বজাত মহাভৈৰৱ আৰক্ষীয়ে চলোৱা এই অভিযানত মুঠ ২০ বস্তা চাউল জব্দ কৰাৰ লগতে গাঁওবুঞ্জা কটকী আৰু তেওঁৰ সহযোগী বিপুল দাসক কৰায়ত্ত কৰে। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি, প্ৰতিটো বস্তাতে থকা চাউলৰ পৰিমাণ আছিল ৫০ কিলোগ্ৰাম আৰু সেই অনুসৰি মুঠ ১০ কুইন্টল চাউল জব্দ কৰা হৈছে। আৰক্ষীয়ে সদৰী কৰে যে চৰকাৰী চাউল পুনৰ কলত বানি চালি-জাৰি একোটা নতুন বস্তাত ভৰাই বজাৰত বিক্ৰী কৰি আহিছিল কটকীয়ে। অভিযোগ অনুসৰি, তেওঁ স্থানীয় একাংশ ব্যৱসায়ীক এই চাউল অধিক মূল্যত বিক্ৰী কৰাৰ উপৰি চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশলৈকো সৰবাহ কৰিছিল। চৰকাৰী চাউলৰ এই ক'লা বজাৰ দীৰ্ঘদিনে চলাই অহাৰ এই অভিযোগ শেহতীয়াকৈ লাভ কৰে শোণিতপুৰৰ আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মাই। আৰক্ষী অধীক্ষকৰ নিৰ্দেশতে আজি মহাভৈৰৱ আৰক্ষীয়ে ইয়াৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰে। আৰক্ষীয়ে কৌশল গ্ৰহণ কৰি এজন লোকক গ্ৰাহকৰ ভেশত চাউল ক্ৰয়ৰ বাবে প্ৰেৰণ কৰে আৰু লোকজনে চাউল ক্ৰয় কৰাৰ সময়তে গাঁওবুঢ়া কটকীক আৰক্ষীয়ে আটক কৰে। এই সময়ত কটকীৰ সহযোগীৰূপে থকা ডেকাৰগাঁও অঞ্চলৰে বিপুল দাস নামৰ আন এজন লোকেকো আটক কৰিবলৈ সক্ষম হয়। ইপিনে, আৰক্ষীয়ে কৰায়ত্ত কৰাৰ সময়ত গাঁওবুঢ়া কটকীয়ে বিষয়টো গাপ দি আৰক্ষীকো 'মেনেজ' কৰাৰ চেষ্টা চলাইছিল যদিও সেয়া সম্ভৱ নহ'ল। সম্প্ৰতি মহাভৈৰৱ আৰক্ষী চকীত আটকাধীন চৰকাৰী গাঁওবুঢ়া কটকী আৰু সহযোগী দাসক আৰক্ষীয়ে জেৰা চলাই আছে। ইফালে, হাতে-লোটে ধৰা পৰা সত্বেও চাউলৰ বিষয়ে কোনো কথাই নাজানে বুলি সংবাদ মাধ্যমৰ আগত দাবী কৰিছে ধৃত গাঁওবুঢ়া কটকীৰ লগতে সহযোগী দাসে। প্ৰকৃত হিতাধিকাৰীক নিৰ্দিষ্ট পৰিমাণতকৈ কম পৰিমাণৰ চাউল দি এই ক'লা ব্যৱসায় চলাই যোৱা সুলভ মূল্যৰ দোকান তথা চৰকাৰী গাঁওবুঢ়াৰ ক্ষেত্ৰত কেনে ব্যৱস্থা গ্ৰহণ কৰা হয় সেয়া আৰক্ষীৰ তদন্তৰ ওপৰতে নিৰ্ভৰ কৰিছে।

২০ আগষ্টত বানত ক্ষতিগ্ৰস্তক ৰাজ্যজুৰি

এক পৃষ্ঠাৰ পৰা ঘৰৰ বিনিময়ত এক লাখ এহেজাৰ নশ টকা আৰু কেঁচা ঘৰৰ বিনিময়ত ৯৫ হেজাৰ এশ টকাকৈ প্ৰদান কৰা হ'ব। তেনেদৰে আংশিকভাৱে ক্ষতিগ্ৰস্ত ৩৫,৬৩৫ টা পকা ঘৰৰ প্ৰতিটোৰ বাবদ ৫,২০০ টকা ১,১৭,৭৫৪ টা কেঁচা ঘৰৰ প্ৰতিটোৰ বাবদ ৩,২০০ টকা আদি পৰিমাণত ক্ষতিপূৰণ হিচাপে আগবঢ়োৱা হ'ব।' উল্লেখ্য যে বানৰ ক্ষতিপূৰণৰ ধন ক্ষতিগ্ৰস্ত লোকে বছৰ বছৰ ধৰি লাভ কৰে। এইবেলি প্ৰথমবাৰলৈ ৰাজ্য চৰকাৰে ক্ষিপ্ৰতাৰে ক্ষতিপূৰণ প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰে। তাৰ ফলতে অহা ২০ আগষ্টত এই ধন প্ৰদান কৰা হ'ব। প্ৰসংগক্ৰমে মন্ত্ৰীজনে মণিপুৰ ভূমিস্খলনত নিহত ৰাজ্যৰ ১৯ জন লোকৰ লগতে সন্ধানহীন হৈ থকা এজনৰ নিকটাত্মীয়ক দুই লাখ টকাকৈ প্ৰদানৰ সিদ্ধান্ত কেবিনেট বৈঠকে গ্ৰহণ কৰে বুলিও জনায়। ইয়াৰ লগতে উক্ত ঘটনাত আহত পাঁচজন লোককো ২৫ হেজাৰ টকাকৈ প্ৰদান কৰা হ'ব। নিহতসকলৰ ১৫ জনেই মৰিগাঁৱৰ বুলিও মন্ত্ৰীজনে উল্লেখ কৰে। সন্ধানহীন লোকজনো মৰিগাঁৱৰে বুলি তেওঁ কয়। কেবিনেটে আজি 'আছাম লজিষ্টিক পলিচি ২০২২'ত অনুমোদন জনায়। এই আঁচনিখনৰ জৰিয়তে অসমৰ লজিষ্টিক ক্ষেত্ৰখনক ত্বৰান্বিত কৰাৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ উপৰি গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধীনত এক 'ইউনিফাইড মেট্ৰ'পলিটান ট্ৰেন্সপ'ৰ্ট অথৰিটি' গঠনৰো সিদ্ধান্ত লোৱা হয়।

ইপিনে, আজি কে'বাখনো আইনৰ সংশোধনীৰ বিধিত অনুমোদন জনোৱা হয়। মন্ত্ৰী বৰুৱাই সদৰী কৰা অনুসৰি আবকাৰী আইনত অনা এক সংশোধনী অনুসৰি এতিয়াৰে পৰা গ্ৰামাঞ্চলত 'বাৰ' (পানশালা)ৰ অনুমোদন দিয়া নহয় আৰু চলি থকা বাৰবোৰো বন্ধ কৰা হ'ব। বৰুৱাই কয়, 'গ্ৰামাঞ্চলত থকা বাৰবোৰে গাঁৱৰ পৰিৱেশ নষ্ট কৰা বুলি বিভিন্ন স্থানৰ ৰাইজে অভিযোগ কৰি আহিছে। তাৰ ফলত বিষয়টো বিবেচনা কৰি গ্ৰামাঞ্চলত থকা বাৰবোৰ বন্ধ কৰাৰ সিদ্ধান্ত লোৱা হৈছে। উপায়ুক্তসকলক ইয়াৰ কৰ্তৃত্ব প্ৰদান কৰা হৈছে। উপায়ুক্তসকলে ৪৫ দিনৰ ভিতৰত বাৰৰ অনুজ্ঞাপত্ৰ বাতিল কৰি দোকানবোৰক কেৱল বিক্ৰীৰহে অনুজ্ঞাপত্ৰ দিব।'

পেঞ্চন নীতিতো আজি এক সংশোধনী অনা হয়। অসম পেঞ্চন নীতিৰ ১৪৩ নম্বৰৰ বিধিত এই সংশোধনী অনা হৈছে বুলি উল্লেখ কৰি মন্ত্ৰীজনে কয় যে একেটা পৰিয়ালত এগৰাকীতকৈ অধিক অবিবাহিতা থাকিলে, দিব্যাংগ থাকিলে তেওঁলোকৰ এজনেহে পেঞ্চন লাভ কৰে। ইয়াৰ ফলত বহু পৰিয়ালত বিবাদ হয়। তেনে বিবাদ নোহোৱা কৰাৰ লক্ষ্যৰে আইনখনত সংশোধনী অনা হৈছে। এই সংশোধনীৰ জৰিয়তে পেঞ্চনৰ ধন সম পৰিমাণত ভগাই দিয়া হ'ব বুলি মন্ত্ৰী বৰুৱাই প্ৰকাশ কৰে।

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ পদোন্নতিৰ বিধিত অনা সিদ্ধান্ত অনুসৰি সহকাৰী খণ্ড উন্নয়ন বিষয়াসকলে এতিয়াৰে পৰা ১৫ বছৰৰ পৰিৱৰ্তে ১৩ বছৰতে পদোন্নতি লাভ কৰিব বুলি মন্ত্ৰী বৰুৱাই সদৰী কৰে।

মন্ত্ৰীৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলনৰ তালিকা

আগন্তুক স্বাধীনতা বৰ্ষত মন্ত্ৰীসকলে পতাকা উত্তোলন কৰিবলগীয়া জিলাৰ তালিকা আজিৰ কেবিনেটত চূড়ান্ত কৰা হয়। তালিকা অনুসৰি ৰঞ্জিত কুমাৰ দাসে বঙাইগাঁৱত, অতুল বৰাই ডিব্ৰুগড়ত, উখীও গৌৰা ব্ৰহ্মই বিশ্বনাথত, চন্দ্ৰমোহন পাটোৱাৰীয়ে কামৰূপত, কেশৱ মহন্তই গোলাঘাটত, ডাঃ ৰণোজ পেগুৱে ধুবুৰীত, অশোক সিংঘালে শোণিতপুৰত, যোগেন মহনে লখিমপুৰত, সঞ্জয় কিষাণে তিনিচুকীয়াত, অজন্তা নেওগে যোৰহাটত, পীযুষ হাজৰিকাই নগাঁৱত, বিমল বৰাই শিৱসাগৰত, নন্দিতা গৰ্লোচাই বৰপেটাত আৰু জয়ন্ত মল্ল বৰুৱাই নলবাৰীত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব।

ধুবুৰী চিকিৎসা মহাবিদ্যালয়ৰ

এক পৃষ্ঠাৰ পৰা থকা আসনৰ সংখ্যা হ'ল এশখন। স্নাতক পাঠ্যক্ৰম শীঘ্ৰে আৰম্ভ কৰিব পৰাকৈ বিশ্ববিদ্যালয়ে জনোৱা আবেদনৰ ভিত্তিত শেহতীয়াকৈ 'মেডিকেল এছেচমেণ্ট এণ্ড ৰেটিং ব'ৰ্ড'ৰ এটা দলে নৱনিৰ্মিত চিকিৎসালয়খন পৰ্যবেক্ষণ কৰে। তাৰ ভিত্তিত জনোৱা অনুমোদন পত্ৰখন আজি ৰাজ্যৰ স্বাস্থ্য বিভাগে লাভ কৰে। ইয়াৰ ফলত চলিত শৈক্ষিক বৰ্ষৰ পৰাই মহাবিদ্যালয়খনত পাঠদান আৰম্ভ কৰাৰ পথ প্ৰশস্ত হ'ল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই আজি এই কথা সদৰী কৰি কয় যে ৰাজ্যবাসীৰ বাবে এয়া এক গৌৰৱৰ বিষয়। স্বাস্থ্যমন্ত্ৰী মহন্তই কয়, 'অসমৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ বাবে ঘৰৰ পৰা কম দূৰত্বৰ ভিতৰতে উন্নত আৰু গুণগত মানৰ চিকিৎসা সেৱা উপলব্ধ কৰোৱাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জিলাই জিলাই চিকিৎসা মহাবিদ্যালয় নিৰ্মাণত গুৰুত্ব আৰোপ কৰিছে। এনে প্ৰয়াসৰ অংশ হিচাপে স্থাপন কৰা ধুবুৰী চিকিৎসা মহাবিদ্যালয়ে এন এম চিৰ অনুমোদন লাভ কৰাৰ বাবে ধুবুৰী আৰু পশ্চিম অসমবাসীৰ লগতে সমগ্ৰ ৰাজ্যবাসীক অভিবাদন জনাইছো। চলিত শৈক্ষিক বৰ্ষৰ পৰাই এইখন চিকিৎসা মহাবিদ্যালয়ত এমবিবিএছৰ পাঠ্যক্ৰম আৰম্ভ কৰা হ'ব। ইয়াৰ বাবে ৰাজ্যৰ চিকিৎসা শিক্ষা সঞ্চালকালয়ৰ তত্ত্বাৱধানত ইতিমধ্যে সকলো ব্যৱস্থা সম্পূৰ্ণ কৰি তোলা হৈছে।'

এএছআইক গ্ৰেপ্তাৰত শংকিত

এক পৃষ্ঠাৰ পৰা নিয়োজিত হৈ ধন ঘটাৰ প্ৰতিযোগিতাত নামি পৰা গোৱালপাৰা জিলাৰ মাটিয়া আৰক্ষী থানাৰ সহকাৰী উপ-পৰিদৰ্শক চবিন পাল দাসক তদাৰকী আৰু দুৰ্নীতি নিবাৰক শাখাই গ্ৰেপ্তাৰৰ পাছতে দালাল চক্ৰ শংকিত হৈ পৰিছে। উল্লেখ্য যে বিগত ছবছৰ ধৰি একেখন চকীত বহি কাৰ্যনিৰ্বাহ কৰাৰ সুবাদতে মাটিয়া থানাৰ সহকাৰী উপ-পৰিদৰ্শকজনে ক্ষমতাৰ অপপ্ৰয়োগ কৰি সাধাৰণ অজুহাততে হকে-বিহকে সৰ্বসাধাৰণ ৰাইজক ব্যাপক হাৰে উৎপীড়ন চলোৱা বুলি দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছিল। কিন্তু জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াৰে থকা গোপন বুজাবুজিৰ বাবেই সহকাৰী উপ-পৰিদৰ্শক দাসে অঘোষিতভাৱে কিছুমান দালাল নিয়োগ কৰি উৎকোচৰাজৰ এক মুকলি বজাৰ চলাবলৈ সুযোগ পোৱা বুলিও গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। কিন্তু এশ গৰু মাৰিলে বাঘৰো মৰণ হোৱাৰ লেখীয়াকৈ কালি ২৫ হেজাৰ টকা উৎকোচ লোৱাৰ সময়তে তদাৰকী আৰু দুৰ্নীতি নিবাৰক শাখাৰ অভিযানকাৰী দল এটাৰ হাতত হাতে-লোটে ধৰা পৰে দুৰ্নীতিগ্ৰস্ত আৰক্ষী বিষয়াজন। উল্লেখ্য যে কঠালবাৰীৰ ছাহাদত আলীৰ বিৰুদ্ধে যোৱা ১০ এপ্ৰিলত মাটিয়া আৰক্ষী থানাত ভাৰতীয় দণ্ড বিধিৰ ৩৬৪/৩৪ ধাৰাত ৪১/২২ নম্বৰৰ এক গোচৰ ৰুজু হৈছিল। পাছত আলীয়ে উক্ত গোচৰ সংক্ৰান্তত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পৰা জামিন লাভ কৰে। ইপিনে, যোৱা পহিলা আগষ্টতো ভাৰতীয় দণ্ড বিধিৰ ২৯৪/৪৪৮/৪২৭/৫০৬/৩৪ ধাৰাত আলীৰ বিৰুদ্ধে মাটিয়া আৰক্ষী থানাত ৯৮/২২ নম্বৰত এক গোচৰ ৰুজু হয়। আলীৰ নামত ৰুজু হোৱা গোচৰ নিষ্পত্তিৰ বাবেই ঘোচখোৰ সহকাৰী উপ-পৰিদৰ্শক দাসে ৩৫ হেজাৰ টকা উৎকোচ বিচাৰে। লগতে উৎকোচ দিবলৈ অস্বীকাৰ কৰা আলীয়ে সহকাৰী উপ-পৰিদৰ্শকজনৰ বিৰুদ্ধে তদাৰকী আৰু দুৰ্নীতি নিবাৰক শাখাৰ সঞ্চালকালয়ত এক গোচৰ ৰুজু কৰে। সেইমৰ্মে আলী আৰু তেওঁৰ ভ্ৰাতৃৰ পৰা ২৫ হেজাৰ টকা উৎকোচ লৈ থকাৰ সময়তে তদাৰকী আৰু দুৰ্নীতি নিবাৰক শাখাৰ অভিযানকাৰী দল এটাই কালি দিনৰ ২-৪৫ বজাত হাতে-লোটে ধৰা পেলায়। এই সন্দৰ্ভত সহকাৰী উপ-পৰিদৰ্শক দাসৰ বিৰুদ্ধে দুৰ্নীতি প্ৰতিৰোধী আইন ১৯৮৮ৰ অধীনত ভাৰতীয় দণ্ড বিধিৰ সাত (এ) ধাৰাত মাটিয়া আৰক্ষী থানাত ২৫/২০২২ নম্বৰৰ এক গোচৰ পঞ্জীয়ন কৰি তদন্ত অব্যাহত ৰাখিছে। দুৰ্নীতিগ্ৰস্ত বিষয়াজনৰ গ্ৰেপ্তাৰৰ পাছতে মাটিয়া অঞ্চলত আজিও প্ৰতিক্ৰিয়া অব্যাহত আছে। উল্লেখ্য যে দীৰ্ঘদিনে মাটিয়া আৰক্ষী থানাত কাৰ্যনিৰ্বাহ কৰা দাসৰ সোঁৱে-বাঁৱে একাংশ দালালে সদায় গিজগিজাই থকা বুলিও দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছিল। কিন্তু তদাৰকী আৰু দুৰ্নীতি নিবাৰক শাখাৰ জালত পৰাৰ পাছত দাসৰ ঘনিষ্ঠ দালাল চক্ৰ শংকিত হৈ পৰা বুলি ৰাইজৰ মাজত সৰৱ চৰ্চা চলিছে। ইপিনে, বিভিন্ন কাৰণত সহকাৰী উপ-পৰিদৰ্শকজনৰ উৎপীড়নৰ বলি হোৱা ভুক্তভোগীসকলে সম্প্ৰতি স্বস্তিৰ নিশ্বাস এৰিছে। লগতে তেওঁৰ দালাল বাহিনীকো গ্ৰেপ্তাৰ কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী জনাইছে সচেতন মহলে।

এইবাৰ বিহাৰত চৰকাৰ ভংগ

এক পৃষ্ঠাৰ পৰা বিজেপি নেতা তাৰকিশোৰ প্ৰসাদৰ স'তে আলোচনাত নীতিশ কুমাৰ এই সংঘাত সম্পৰ্কে তেওঁ বিশেষ চিন্তিত হ'বলগীয়া একো নাই বুলি কোৱাৰ বিষয়ে সূত্ৰত প্ৰকাশ পাইছে। বিজেপিয়ে এই বিতৰ্কৰ বিষয়ে দলৰ নেতাসকলক মুখ বন্ধ ৰাখিবলৈ নিৰ্দেশ দিছে আৰু কাইলৈ জে ডি (ইউ)ৰ সিদ্ধান্তৰ বাবে অপেক্ষা কৰিছে। নীতিশ কুমাৰে ৰাজ্যখনৰ বিজেপিৰ উপ-মুখ্যমন্ত্ৰীৰ স'তে বৈঠক কৰাৰ পাছতো তেওঁৰ দলে বিজেপিৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰি অভিযোগ কৰে যে বিজেপিয়ে বিগত বৰ্ষৰ সাধাৰণ নিৰ্বাচনত নীতিশৰ বিৰুদ্ধে কাম কৰাৰ লগতে মিত্

এঙেৰা মণ্ডল সমল কেন্দ্ৰৰ শৈক্ষিক সভা সম্পন্ন

■ অনলাইন প্ৰতিযোগিতাৰ বঁটা বিতৰণ

অগ্ৰদূত বাৰ্তা

শিমলুগুৰি, ৮ আগষ্ট ঃ চৰাইদেউ জিলাৰ এঙেৰা মণ্ডল সমল কেন্দ্ৰৰ মাহেকীয়া শৈক্ষিক সভাখন কালি দলবাগানৰ সমীপৰ ৰজাবাৰী প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হয়। এঙেৰা মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক ভূপেন গগৈৰ সভাপতিত্বত অনুষ্ঠিত শৈক্ষিক সভাখনত ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উত্তৰণৰ বাবে বিভিন্ন বিষয়ৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰা হয়। উক্ত সভাতে এঙেৰা মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক উত্তৰণ আৰু গ্ৰীষ্ম বন্ধৰ সময়ত পঢ়াৰ পৰিৱেশ গঢ়াৰ উদ্দেশ্যে অনলাইন যোগেদি অনুষ্ঠিত কৰা Intra cluster Reading Competition (ENGLISH-ASSAMESE)ৰ ফলাফল ঘোষণা কৰাৰ লগতে বিজয়ীসকলক বঁটা প্ৰদান কৰা হয়। এঙেৰা মণ্ডল সমল কেন্দ্ৰৰ ১২খন বিদ্যালয়ৰ প্ৰধান শিক্ষক-শিক্ষয়িত্ৰী আৰু এঙেৰা মণ্ডল কেন্দ্ৰৰ সমন্বয়কৰ সহযোগত অনুষ্ঠিত কৰা এই প্ৰতিযোগিতাৰ ফলাফল অনুসৰি ক শাখাত প্ৰথম শ্ৰেণীৰ পৰা তৃতীয় শ্ৰেণীলৈ প্ৰথম অৰিন্দম ফুকন, হুলাল প্ৰাথমিক বিদ্যালয়, দ্বিতীয় অংকিতা বৰগোহাঁই, এঙেৰা মজলীয়া বিদ্যালয়, তৃতীয় আৰাধ্যা সন্দিকৈ, শ্যামলজ্যোতি প্ৰাথমিক বিদ্যালয়। খ শাখাত চতুৰ্থ আৰু পঞ্চম শ্ৰেণী প্ৰথম অংকিতা গগৈ, ২৪৬ নম্বৰ ধামধূলি প্ৰাথমিক বিদ্যালয়, দ্বিতীয় - অবিনাশ কোঁৱৰ, এঙেৰা মজলীয়া বিদ্যালয়, তৃতীয় কল্যাণ গগৈ ৭৫৩ নম্বৰ কলিয়ামটি প্ৰাথমিক বিদ্যালয়। সেইদৰে গ শাখাত ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ প্ৰথম অনন্যা গগৈ, দ্বিতীয় চয়নিকা কোঁৱৰ আৰু তৃতীয় বৃষ্টিপ্ৰিয়া গগৈ । ইফালে, গত শিক্ষাবৰ্ষত উন্নত শৈক্ষিক পাৰদৰ্শিতা প্ৰদৰ্শনৰ বাবে তিনিখন বিদ্যালয়ক মণ্ডল পৰ্যায়ত ২০২১ৰ শ্ৰেষ্ঠ বিদ্যালয় হিচাপে নিৰ্বাচিত কৰা এঙেৰা মজলীয়া বিদ্যালয়, ৭৫৩ নম্বৰ কলিয়ামটি প্ৰাথমিক বিদ্যালয় আৰু হুলাল প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকসকলক প্ৰশংসা পত্ৰৰ লগতে ট্ৰফী প্ৰদান কৰা হয়। এঙেৰা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক মেদিনী মোহন মিলিয়ে আঁত ধৰা শৈক্ষিক সভাখনত বিশিষ্ট অতিথিৰূপে খেলুৱা খণ্ড প্ৰাথমিক শিক্ষা বিষয়া তথা চৰাইদেউ জিলাৰ বিদ্যালয়সমূহৰ উপ- পৰিদৰ্শক প্ৰণৱ গগৈ, সাংবাদিক জয়ন্ত বৰুৱা, বিপিন হাজৰিকা প্ৰমুখ্যে এঙেৰা মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত বিদ্যালয়সমূহৰ প্ৰধান শিক্ষকসকল ক্ৰমে ভূপেন গগৈ, খগেন সন্দিকৈ, ক্ষীৰোদ ৰাজকোঁৱৰ, আমানুল হাজৰিকা, দিলিপ সন্দিকৈ, প্ৰবীণ বৰগোহাঁই, দিলিপ কোঁৱৰ, গোলাপ সন্দিকৈ, দিগন্ত চেতিয়া ফুকন, গুণাধৰ কুৰ্মীৰ লগতে প্ৰতিখন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে।

আন্দোলন এৰি আছু নেতাই আৰম্ভ কৰিলে লঙ্ৰী সেৱা

অগ্ৰদূত বাৰ্তা

নামতি, ৮ আগষ্ট ঃ ঐতিহাসিক শিৱসাগৰৰ নগৰৰ মাজমজিয়াত আছুৰ উপদেষ্টা উদ্দীপজ্যোতি গগৈৰ পৰিকল্পনাত মাই ক্লীনাৰ্ছ নামেৰে এখন বিশেষ লঙ্ৰী সেৱাৰ ব্যৱসায়িক প্ৰতিষ্ঠান আঠ আগষ্টত আৰম্ভণি কৰা হয়। বৰ্তমান সময়ত আছুৰ কাৰ্য ক্ৰমণিকা কেৱল ৰাজপথৰ আন্দোলন আৰু শৈক্ষিক আন্দোলনৰ মাজতে সীমাবদ্ধ হৈ থকা নাই। সেই সুত্ৰে স্বাৱলম্বিতাৰ লক্ষ্য সন্মুখত ৰাখি উদ্দীপজ্যোতি গগৈয়ে সুপৰিকল্পিতভাৱে এই বাণিজ্যিক প্ৰতিষ্ঠানখনৰ জৰিয়তে ৰাইজলৈ সেৱা আগবঢ়াইছে। ব্যৱসায়িক ভিত্তিত গঢ়ি তোলা প্ৰতিষ্ঠানখন উদ্বোধন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে। ইয়াৰ উপৰি উক্ত অনুষ্ঠানত কে'বাজনো বিশিষ্ট ব্যক্তিৰ উপৰি অসমৰ জনপ্ৰিয় গায়িকা দীপলিনা ডেকা উপস্থিত থাকে। ব্যৱসায়িক প্ৰতিষ্ঠানখন স্থাপন কৰাৰ জৰিয়তে নিবনুৱা যুৱক-যুৱতীসকলক সংস্থাপন প্ৰদান কৰাৰ লগতে আছু নেতা গগৈয়ে আত্মসংস্থাপনৰ সুন্দৰ নিদৰ্শন দাঙি ধৰিছে। পথাৰ আমাৰ ৰজাৰ আমাৰ এই সংকল্পৰে এক নতুন ধাৰা সূচনা কৰি সন্মুখত লৈ আগবঢ়া এনেধৰণৰ পদক্ষেপ সকলোৰে বাবে নিশ্চিতভাৱে আদৰণীয়। এই আদৰ্শৰে অনুপ্ৰাণিত হৈ বৰ্তমানৰ যুৱ সমাজ আগবাঢ়ি আহিলে নিবনুৱা সমস্যা সমাধান হোৱাৰ সম্ভাৱনা আছে। উচ্চ শিক্ষিত যুৱক উদ্দীপজ্যোতি গগৈৰ এই প্ৰচেষ্টাক সচেতন মহলে ভূয়সী প্ৰশংসা কৰি আশা ব্যক্ত কৰিছে যে উঠি অহা প্ৰজন্মৰ বাবে এয়া এক নতুন আদৰ্শৰে অনুপ্ৰাণিত হৈ ব্যৱসায়িক ভিত্তিত তেওঁলোকৰ ভৱিষ্যতৰ বাবে আৰু বহুতো পথ মুকলি হ'ব।

মাকুমৰ শংকৰদেৱ শিশু নিকেতনে বালিকা সন্মিলনৰ মাজেৰে ছাত্ৰীসকলক দেশৰ সম্পদ হ'বলৈ আহ্বান

অগ্ৰদূত বাৰ্তা

ডুমডুমা, ৮ আগষ্ট ঃ তিনিচুকীয়া জিলাৰ অন্যতম অগ্ৰণী শিক্ষানুষ্ঠান মাকুমৰ শংকৰদেৱ শিশু নিকেতনে কালি আৰম্ভ কৰিছে বালিকা সন্মিলন। কন্যা সন্তানৰ বহু গুৰুত্বপূৰ্ণ দায়িত্বৰ সন্দৰ্ভত এক নতুন পদক্ষেপ ৰূপে প্ৰথম বাৰৰ বাবে শংকৰদেৱ শিশু নিকেতন মাকুমে এই আদৰণীয় পদক্ষেপ গ্ৰহণ কৰিছে। ছাত্ৰীসকলৰ মাজত বিভিন্ন প্ৰতিযোগিতাৰ লগতে সাংস্কৃতিক অনুষ্ঠানো আয়োজন কৰা হয়। বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰণৱ নেওগৰ সভাপতিত্বত অনুষ্ঠিত সভাত মাকুম মহাবিদ্যালয়ৰ প্ৰবক্তা দুলুমণি দেৱীৰ কবিতা আৰু কথাই ছাত্ৰীসকলক উৎসাহিত কৰে। সভাত প্ৰধান আচাৰ্য মোহন কুমাৰ ছেত্ৰীয়ে ছাত্ৰীৰ জীৱনৰ প্ৰতিটো পল- অনুপল সুন্দৰকৈ দাঙি ধৰে। সভাত বৰ্ণাঢ্য নাৰী জীৱনৰ বলিষ্ঠ শক্তিৰ ব্যাখ্যা দাঙি ধৰে অখিল চন্দ্ৰ বৰুৱাই। সভাত পৰিচালনা সমিতিৰ অন্যতম ব্যক্তি সৌমিত্ৰ গগৈ আৰু মাতৃগোটৰ সম্পাদিকা মানসী বৰুৱাই কথা আৰু গীতেৰে বালিকা সন্মিলনখন উজলাই তোলে। আচাৰ্যা দিপালী গোস্বামীয়ে আঁত ধৰা সভাখনত উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় উপ-আচাৰ্য তনুশ্ৰী তেৰাৰীয়ে।

পৰিৱেশ সুৰক্ষা সমিতিৰ উদ্যোগত তিনিচুকীয়া পলিটেকনিকেল কলেজ, মাকুমত বৃক্ষৰোপণ

অগ্ৰদূত বাৰ্তা

ডুমডুমা, ৮ আগষ্ট ঃ কালি মাকুমস্থ তিনিচুকীয়া পলিটেকনিকেল কলেজ চৌহদত পৰিৱেশ সুৰক্ষা সমিতিৰ উদ্যোগত বৃক্ষৰোপণ কাৰ্যসূচী পালন কৰা হয়। এই কাৰ্যসূচী পালন কৰাৰ আগতে পলিটেকনিকেল কলেজৰ অধ্যক্ষৰ প্ৰদীপ চন্দৰ দ্বাৰা পৰিৱেশ সুৰক্ষা সমিতিৰ সদস্যসকলক আদৰণি জনোৱা হয়। তাৰ পাছত অনুষ্ঠিত হয় বৃক্ষৰোপণ কাৰ্যসূচী। কালিৰ এই কাৰ্যসূচীত তিনিচুকীয়া পলিটেকনিকৰ প্ৰাংগণত ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা সোঁৱৰণী বৰ্ষজোৰা গছপুলি ৰোপণ, বিতৰণ আৰু প্ৰতিপালন কাৰ্যসূচীৰ অন্তৰ্গত আৰু মুখ্যমন্ত্ৰী প্ৰতিষ্ঠানিক গছপুলি ৰোপণৰ লগত সংগতি ৰাখি গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচী পৰৱৰ্তী পাঁচ বছৰলৈ চলোৱা হ'ব। কালি কাৰ্যসূচীত পৰিৱেশ সুৰক্ষা সমিতিৰ কেন্দ্ৰীয় সভাপতি ঋতুৰাজ বৰুৱা, কেন্দ্ৰীয় উপ-সভাপতি দিগন্ত ভট্ট, কেন্দ্ৰীয় মুখ্য সম্পাদক সংস্কৃতি বিভাগ জিন্টু শইকীয়া, জিলা সভাপতি পৱন বৰুৱা, জিলা উপ-সভাপতি ক্ৰমে জীৱন দত্ত, চপন দে, ওৱাজিদ খান, জিলা সম্পাদক ৰাজীৱ গগৈ, জিলা সহকাৰী সম্পাদক ডিব্ৰু গগৈ উপস্থিত থাকে।

এলেঙীত হৰ ঘৰ ত্ৰিৰংগাৰ সজাগতা সভা

অগ্ৰদূত বাৰ্তা

মেলামাটি, ৮ আগষ্ট ঃ তিতাবৰ সমষ্টিৰ মেলামাটি গাঁও পঞ্চায়ত অঞ্চলৰ এলেঙী চকিয়াল সাত নম্বৰ ৱাৰ্ডৰ 'হৰ ঘৰ ত্ৰিৰংগা'ৰ সজাগতা সভাখন এলেঙী সত্ৰৰ প্ৰগতিশীল যুৱক সংঘত কালি অনুষ্ঠিত হয়। মেলামাটি গাঁও পঞ্চায়তৰ এলেঙী চকিয়াল সাত নম্বৰ ৱাৰ্ডৰ সদস্যা বীণা বৰাৰ উদ্যোগত আয়োজিত সজাগতা সভাত অৰুণোদয় উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক বিমান শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাত সমল ব্যক্তি হেমন্ত গগৈয়ে হৰ ঘৰ ত্ৰিৰংগাৰ মূল লক্ষ্য আৰু উদ্দেশ্য ৰাইজক অৱগত কৰে। স্বাধীনতাৰ অমৃত মহোৎসৱৰ লগতে ভাৰত চৰকাৰৰ হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচীৰ সফলতাৰ বাবে সকলো ৰাইজ সজাগ আৰু সচেতন হ'ব লাগিব। ঘৰে ঘৰে ১৩ৰ পৰা ১৫ আগষ্টলৈকে ভাৰতৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি দেশৰ স্বাধীনতা আৰু অখণ্ডতা সুৰক্ষিত কৰিবলৈ সংকল্পবদ্ধ হ'ব লাগিব। পতাকা উত্তোলনৰ বিধি বিধান আৰু ১৫ আগষ্টত মূল কাৰ্যসূচীৰ নীতি-নিয়মবোৰ ৰাইজক বিশিষ্ট ব্যক্তিসকলে ভাষণ প্ৰসংগত অৱগত কৰে। সভাত গাঁওবুঢ়া প্ৰশান্ত শইকীয়া, প্ৰবক্তা ৰাজীৱ কলিতা, সাংবাদিক দুদুল বৰা, সমাজকৰ্মী বদন বৰা, বকুল শইকীয়া, উপেন শইকীয়া প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে। উল্লেখ্য যে আজি মেলামাটি গাঁও পঞ্চায়তৰ ১০ টা ৱাৰ্ডতে হৰ ঘৰ ত্ৰিৰংগাৰ সজাগতা সভা অনুষ্ঠিত হৈছে।

'প্ৰতীতি'ৰ বৰেণ্য ব্যক্তিত্ব বঁটা ২০২২ প্ৰদান

চিনামৰা ৮ আগষ্ট ঃ সামাজিক মাধ্যমৰ যোগেদি ইতিবাচক খবৰ প্ৰচাৰৰ লক্ষ্যৰে ২০১৯ৰ সাত আগষ্টত জন্ম লাভ কৰিছিল ফেচবুক পেজ 'প্ৰতীতি'য়ে। বিগত সময়ছোৱাত ব্যতিক্ৰমধৰ্মী অনুষ্ঠান পৰিৱেশনেৰে দৰ্শকৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হোৱা 'প্ৰতীতি' য়ে কালি সম্পূৰ্ণ কৰে তিনিটা বৰ্ষ। 'প্ৰতীতি'ৰ বৰ্ষপুতি উপলক্ষ্যে বিগত দুটা বৰ্ষৰ দৰে এই বছৰো সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ বৰঙণি আগবঢ়োৱা আঠজন ব্যক্তিক প্ৰদান কৰা হয় 'বৰেণ্য ব্যক্তিত্ব বঁটা ২০২২'। যোৰহাটৰ প্ৰবীণ সাংস্কৃতিক কৰ্মী অশোক বৰদলৈ, নাট্যকাৰ দেৱব্ৰত মহন্ত, সাহিত্যিক মৃণালিনী গোস্বামী, 'মণিষা বেকাৰী'ৰ স্বত্বাধিকাৰীত্ৰয় পংকজ জ্যোতি বৰুৱা, পল্লৱ জ্যোতি বৰুৱা আৰু পাৰ্থজ্যোতি বৰুৱা, 'আমাৰ অসম' কাকতৰ জ্যেষ্ঠ সাংবাদিক অঞ্জন কুমাৰ বৰা আৰু আছাম ফ্লাছৰ অনুষ্ঠান পৰিৱেশক বিয়াৰাণী দত্তক প্ৰদান কৰা হয় ২০২২ৰ 'বৰেণ্য ব্যক্তিত্ব বঁটা'। বঁটা প্ৰাপকসকলৰ বাসগৃহলৈ গৈ 'প্ৰতীতি'ৰ সদস্যসকলে প্ৰদান কৰে এই বঁটা। 'প্ৰতীতি'ৰ হৈ বঁটাপ্ৰাপকসকলৰ বাসগৃহত উপস্থিত থাকে 'প্ৰতীতি'ৰ উপদেষ্টা দিগন্ত বৰুৱা, প্ৰশাসক ক্ৰমে অৰিন্দম হাতীবৰুৱা আৰু মনোজ কুমাৰ লেখাৰু আৰু সদস্য ক্ৰমে পিংকু দত্ত আৰু সিদ্ধাৰ্থ গৌতম দত্ত।

মুখপত্ৰৰ বাবে লেখা আহ্বান

অগ্ৰদূত বাৰ্তা

লাহদৈগড়, ৮ আগষ্ট ঃ যোৰহাটত মানৱ আৰু মানৱতাৰ অনুষ্ঠান টিম হিউমিনিটি সপ্তম সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপনৰ প্ৰস্তুতি চলোৱা হৈছে । প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি মুখপত্ৰ তেজৰ প্ৰকাশৰ যো-জা আৰম্ভ কৰিছে । অসমৰ লেখক লেখিকাৰ পৰা মানৱতা, ৰক্তদান, শিক্ষা আদি বিষয় ওপৰত প্ৰবন্ধ, গল্প আৰু কবিতা বিচৰা হৈছে । লেখনী সমূহ ডি টি পি কৰি অহা ১০ অক্টোবৰ ২০২২ ভিতৰত নিতুল গগৈ দুই নম্বৰ ঘৰফলীয়া গাঁও, ডাক- চেনীজান, জিলা-যোৰহাট-৭৮৫০১০ ঠিকনাত প্ৰেৰণ কৰিব অথবা email - nituldhuru1@gmail.com পঠাব পাৰে। সবিশেষ জানিবৰ বাবে ৭০০২৫৯০১৫০, ৮০১১১৪৩২৯৬ নম্বৰত যোগাযোগ কৰিবলৈ মুখপত্ৰ সম্পাদনা সমিতিয়ে আহ্বান জনাইছে।

গোলাঘাটৰ ভিন্ন প্ৰান্তত মূষলধাৰ বৃষ্টিপাত

■ খেতিয়কলৈ আশাৰ ৰেঙণি

অগ্ৰদূত বাৰ্তা

ফৰকাটিং, ৮ আগষ্ট ঃ গোলাঘাট জিলাৰ ভিন্ন প্ৰান্তৰত দীৰ্ঘদিন ধৰি খৰাং পৰিস্থিতিৰ উদ্ভৱ হৈ শস্য-মৎস্য লুপ্তপ্ৰায় অৱস্থাৰ সৃষ্টি হোৱা পৰিলক্ষিত হোৱাৰ সময়তে কালি বিয়লিৰে পৰা অহা মূষলধাৰ বৰষুণে কৃষকসকলৰ বাবে আশাৰ ৰেঙণি কঢ়িয়াই আনিছে। কালি প্ৰায় ২.৫০ বজাৰ পৰা অহা বতাহ, বৰষুণ আৰু বিজুলী ঢেৰেকনিৰে বাৰিষাৰ পৰিৱেশ নামি আহে। উল্লেখ্য যে প্ৰায় পহিলা আহাৰৰ পৰা শাওণৰ আৰম্ভণিলৈ পৰ্যাপ্ত বৰষুণ নোহোৱাত শ শ কৃষকে আগতীয়া ৰণজিৎ, বাহাদুৰ, আয়জুং আৰু মাচুৰি ধানৰ কঠীয়া ৰোপণ কৰিব পৰা নাই। বৰ্তমান মূষলধাৰ বৰষুণৰ পাছত গোলাঘাট জিলাখনৰ ভিন্ন প্ৰান্তৰৰ খেতিয়কসকল উঠিপৰি কৃষি কৰ্মত নামি পৰিছে। অৱশ্যে দুখৰ বিষয় যে বিগত জেঠ-আহাৰত জিলাখনৰ ভিন্ন প্ৰান্তত প্ৰবল খৰাঙৰ প্ৰকোপত বহু কৃষকে কঠীয়া সিঁচিব নোৱাৰাত বৰ্তমান প্ৰবল সংকটত পৰিব লগা হৈছে। উল্লেখ্য যে জিলাখনৰ ধনশিৰি মহকুমাৰ লগতে অসম-নগালেণ্ড সীমান্তৰ বৃহত্তৰ দৈয়াং অঞ্চলতো ঠাই ভেদে প্ৰবল খৰাং হৈ পৰাত কৃষকসকলে কৃষিৰ মূল ভৰসা কঠীয়া মুঠিকে সিঁচিব নোৱাৰি অভাৱনীয় পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হৈছে। বৰ্তমান কৃষিভূমিত পানী হৈছে যদিও কঠীয়াৰ অভাৱত বহু কৃষিভূমি ছন পৰি ৰোৱাৰ উপক্ৰম হৈছে। একাংশ কৃষকে কঠীয়া বিচাৰি অলৌ-টলৌকৈ ঘূৰিছে যদিও ফল লাভ কৰা নাই। বিগত দিনতো এনে পৰিস্থিতি উদ্ভৱ হোৱাৰ পাছত কৃষি বিভাগে কৃষকসকলক বিকল্প কঠীয়া যোগান ধৰি সহায়ৰ হাত আগবঢ়োৱা বুলি জানিব পৰা গৈছিল। বৰ্তমানেও চৰকাৰে কৃষকসকলক অন্য বিকল্প ব্যৱস্থাৰে সহায়ৰ হাত আগবঢ়োৱা হ'লে কৃষকসকল নিশ্চয় উপকৃত হ'লহেঁতেন। ৰাইজে চৰকাৰৰ কৃষি বিভাগক কিবা পদক্ষেপ গ্ৰহণ কৰি কৃষকসকলক সকাহ দিবলৈ আহ্বান জনাইছে।

কামপুৰত ৰাজু সমীৰণৰ গ্ৰন্থ 'জলপ্ৰলয়' উন্মোচন

অগ্ৰদূত বাৰ্তা

কামপুৰ, ৮ আগষ্ট ঃ অসমৰ ভয়াবহ বান বিভীষিকাক সমল কৰি যুৱ লেখক, সাংবাদিক ৰাজু সমীৰণে লিখি উলিওৱা 'জলপ্ৰলয়' গ্ৰন্থখন কালি কামপুৰ স্বৰাজ ভৱনত উন্মোচন কৰা হয়। কমল-কিৰণ গ্ৰন্থালয়ৰ উদ্যোগত অনুষ্ঠিত সভাত সভাপতিত্ব কৰে শিক্ষাবিদ সুধাময় দাসে। গ্ৰন্থ উন্মোচন কৰে কামপুৰৰ চাৰিজন জ্যেষ্ঠ সাংবাদিক সভাৰাম মজুমদাৰ, নলিনী বৰঠাকুৰ, নীলকমল শইকীয়া আৰু মোলান লস্কৰে। সভাত নিৰ্দিষ্ট বক্তা ৰূপে বিশিষ্ট কবি-সাহিত্যিক ড° নন্দ সিং বৰকলা, বিশিষ্ট অতিথি ৰূপে কামপুৰ ৰাজহ চক্ৰ বিষয়া সুজাতা গগৈ, কামপুৰৰ পৌৰপতি ধৰিত্ৰী বৰুৱা, নগাঁও জিলাৰ সাহিত্য সভাৰ সভাপতি পৰাণ বৰুৱা, বিশিষ্ট শিশু সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্য, কৃষক মুক্তি সংগ্ৰাম সমিতিৰ ৰাজ্যিক সভাপতি ৰাজু বৰুৱা, জিলা সাহিত্য সভাৰ সম্পাদক ৰেৱত হাজৰিকাকে আদি কৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বিশিষ্ট কবি ড° নন্দ সিং বৰকলাই যুৱ লেখক ৰাজু সমীৰণৰ প্ৰয়াসক শলাগ লৈ 'জলপ্ৰলয়' গ্ৰন্থখন এখন দলিল হৈ ৰ'ব বুলি মত প্ৰকাশ কৰাৰ লগতে অসমীয়া ভাষা সংস্কৃতি চহকী কৰাৰ ক্ষেত্ৰত নৱ প্ৰজন্মই গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাগিব বুলি কয়। আনহাতে কামপুৰৰ মুক্তিযোদ্ধা ভিবিৰাম বৰাৰ ত্যাগৰ সঠিক মূল্যায়ন নহ'ল বুলিও আক্ষেপ প্ৰকাশ কৰে। গ্ৰন্থ উন্মোচনী সভাৰ লগত সংগতি ৰাখি ৰাজু সমীৰণৰ কথাৰে অঞ্জন ভূএগ্ৰৰ সুৰ আৰু কণ্ঠত 'বানে ধোৱা চকুলো' শীৰ্ষক দৃশ্যশ্ৰব্য গীতো মুক্তি দিয়া হয়। সভাত কামপুৰৰ শতাধিক সাহিত্যানুৰাগী লোক উপস্থিত থাকে।

বন্দুক এৰি ফুটবলৰ পিছে পিছে দৌৰিছে কলিয়াবৰ আৰক্ষী

অগ্ৰদূত বাৰ্তা

কলিয়াবৰ, ৮ আগষ্ট ঃ বন্দুক এৰি ফুটবলৰ পিছে পিছে দৌৰিছে কলিয়াবৰ আৰক্ষী। কলিয়াবৰত আৰক্ষীৰ মাজত আৰম্ভ হৈছে আন্তঃথানা ফুটবল প্ৰতিযোগিতা। আজিৰে পৰা কলিয়াবৰত অনুষ্ঠিত আন্তঃথানা ফুটবল প্ৰতিযোগিতাৰ আৰম্ভণি অনুষ্ঠানত উপস্থিত থাকে নগাঁও জিলা আৰক্ষী অধীক্ষক। নগাঁও আৰক্ষীৰ ব্যৱস্থাপনাত উপ-পৰিদৰ্শক প্ৰয়াত সমুজ্জ্বল কাকতিৰ সোঁৱৰণত নগাঁও জিলাৰ থানাসমূহৰ মাজত আজিৰে পৰা দুটা স্থানত অনুষ্ঠিত হৈছে ফুটবল প্ৰতিযোগিতা। দিনটোৰ ২৪ ঘণ্টাৰ ব্যস্ততাৰ মাজতে ফুটবলৰ পথাৰতো নিজৰ শক্তি প্ৰদৰ্শনত ব্যস্ত হৈ পৰিছে নগাঁও জিলাৰ আৰক্ষীসকল। নগাঁও আৰু কলিয়াবৰ মহকুমাৰ দুটা স্থানত অনুষ্ঠিত হৈছে এই ফুটবল প্ৰতিযোগিতা। কলিয়াবৰৰ ভোমোৰাগুৰিৰ পশ্চিম কলিয়াবৰ ক্ৰীড়া সন্থাৰ খেলপথাৰত কলিয়াবৰ মহকুমাৰ অন্তৰ্গত থানাসমূহৰ মাজত অনুষ্ঠিত হৈছে ফুটবল খেল। ফুটবল প্ৰতিযোগিতা মুকলি কৰে কলিয়াবৰ মহকুমাৰ আৰক্ষী বিষয়া মৃন্ময় দাসে। ফুটবল প্ৰতিযোগিতাত উপস্থিত থাকি নগাঁও জিলা আৰক্ষী অধীক্ষক লীনা দলেই খেলুৱৈসকলক উৎসাহ যোগায়।

বহলপুৰত দুই অৱসৰপ্ৰাপ্ত শিক্ষকৰ ৰাজহুৱা সম্বৰ্ধনা অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

বহলপুৰ, ৮ আগষ্ট ঃ ধুবুৰী জিলাৰ বহলপুৰ অঞ্চলৰ ৰঙামাটি-১, ৰঙামাটি-২, বহলপুৰ-১ আৰু বহলপুৰ-২ মণ্ডল সমল কেন্দ্ৰক সামৰি গঠিত ৰায়ঝৰা-ৰঙামাটি শিক্ষক কেন্দ্ৰৰ উদ্যোগত কালি দুগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষকক ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱা হয়। আজি বহলপুৰ জেবি স্কুলত অনুষ্ঠিত এই সম্বৰ্ধনা অনুষ্ঠানত শিক্ষক বিশাল পালৰ পৰিচালনাত শিক্ষক-শিক্ষয়িত্ৰীসকলে পৰিৱেশন কৰা এটি আদৰণি বৃন্দগীতেৰে সভাৰ আৰম্ভ কৰা হয়। বহলপুৰৰ বৰাইবাৰী-কাৰিকৰপাৰা প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক আব্দুল মজিদ তালুকদাৰ আৰু বহলপুৰ জেবি স্কুলৰ সহকাৰী শিক্ষয়িত্ৰী চানু বালা পাঠকে অলপতে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পৰিপ্ৰেক্ষিতত আজি দুয়োগৰাকী কৃতী শিক্ষাগুৰুক ৰাজহুৱা সম্বৰ্ধনা আৰু অভিনন্দন জনোৱা হয়। বহলপুৰ জেবি স্কুলৰ প্ৰধান শিক্ষক তিলক চন্দ্ৰ ৰায়ৰ পৌৰোহিত্যত আৰু চাছলাপাৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হেৰম্ব কলিতাই উদ্দেশ্য ব্যাখ্যা কৰা এই সম্বৰ্ধনা সভাত দুয়োগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষকক গামোচা, শৰাই, ফুলৰ থোপা, ছাতি আৰু একোখনকৈ ধৰ্মপুথি প্ৰদানেৰে উষ্ম সম্বৰ্ধনা জনোৱা হয়। ৰায়ঝৰা জেবি স্কুলৰ সহকাৰী শিক্ষয়িত্ৰী গীতাঞ্জলি কলিতাই সম্বৰ্ধনা আৰু অভিনন্দন পত্ৰ পাঠ কৰা এই সভাত আমন্ত্ৰিত অতিথিৰূপে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰমজান আলী পাঠান, জুবাণ আলী খণ্ডকাৰ, কুতুবুদ্দিন আহমেদ, ৰীণা বৰ্মন, সমাজকৰ্মী গংগাধৰ ৰায়, চাপৰ চক্ৰ প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি আব্দুল হাসেম, সম্পাদক আব্দুল মালেক, প্ৰধান শিক্ষক খসবু আলম আদিয়ে ভাষণ প্ৰদান কৰে। সভাত দুই অৱসৰপ্ৰাপ্ত শিক্ষাগুৰুৱে ভাষণ প্ৰদান কৰি তেওঁলোকৰ শিক্ষক জীৱনৰ বিভিন্ন অভিজ্ঞতা ব্যক্ত কৰে। অনুষ্ঠানৰ কাৰ্যসূচীৰ মাজে মাজে বহলপুৰ জেবি স্কুলৰ কণমানি ছাত্ৰী হৰিপ্ৰিয়া ৰায়, সোণপাহী ৰায়, নুৰ আখতাৰা বেগম, নিৰ্মালী ৰায় আৰু সাগৰিকা ৰায়ে নৃত্য প্ৰদৰ্শন কৰি দৰ্শক শ্ৰোতাৰ মন আপ্লুত কৰে। সভাৰ সভাপতি তিলক চন্দ্ৰ ৰায়ে শিক্ষকসকলক নিজৰ দায়িত্ব কৰ্তব্যৰ প্ৰতি সচেতন হ'বলৈ আহ্বান জনাই দিয়া সভাপতিৰ ভাষণৰ পাছতে শিক্ষক বিশাল পালে শলাগৰ শৰাই আগবঢ়ায় আৰু সভাৰ সামৰণি পৰে।

তামুলপুৰত 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচীৰ অংশৰূপে উলিওৱা শোভাযাত্ৰা।

মাজুলী জিলাত প্ৰধানমন্ত্ৰী আৱাস যোজনা ৰূপায়ণ সন্দৰ্ভত জিলা পৰিষদৰ বিনামূলীয়া দূৰভাষ নম্বৰ মুকলি

অগ্ৰদূত বাৰ্তা

কমলাবাৰী, ৮ আগষ্ট ঃ মাজুলী জিলাৰ অধীনৰ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ বিষয়ে যিকোনো অভাৱ-অভিযোগ সম্পৰ্কে সবিশেষ জানিবৰ বাবে এটা বিনামূলীয়া দূৰভাষ নম্বৰ ৰাইজৰ সহায় হোৱাকৈ স্থাপন কৰা হৈছে। এই বিষয়ে আজি মাজুলী জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াই এক কাৰ্যালয় চিঠিৰ মৰ্মে জনাইছে। এই বিনামূলীয়া দূৰভাষ নম্বৰ হৈছে ১৮০০-৩৪৫৩-৮৯৯।

উল্লেখ্য যে ২০১১ৰ পৰা বৰ্তমানলৈকে ৰূপায়ণ কৰা প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ তালিকাত থকা বিসংগতি সন্দৰ্ভত মাজুলীৰ পঞ্চায়তসমূহৰ কিছু ঠাইত অভিযোগ উত্

ইংৰাজীত গণিত-বিজ্ঞানৰ পাঠদানৰ বিৰুদ্ধে উত্তাল প্ৰতিবাদ

■ সৰ্থেবাৰীত ৰাইজৰ দলৰ অৱস্থান ধৰ্মঘট

অগ্ৰদূত বাৰ্তা

সৰ্থেবাৰী, ৮ আগষ্ট ঃ অসম চৰকাৰে তৃতীয় শ্ৰেণীৰ পৰা গণিত আৰু বিজ্ঞান বিষয়ৰ পাঠদান ইংৰাজী মাধ্যমত কৰিবলৈ লোৱা সিদ্ধান্তৰ বিৰোধিতা আৰু শেহতীয়া বানপানীৰ সময়ত বান সাহায্য চুৰি কৰা সৰ্থেবাৰী ৰাজহ চক্ৰৰ কাননগো মাণিক তালুকদাৰৰ গ্ৰেপ্তাৰৰ দাবীত ৰাইজৰ দলৰ সৰুক্ষেত্ৰী সমষ্টি, কৃষক মুক্তি সংগ্ৰাম সমিতি আৰু মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ যৌথ উদ্যোগত আজি সৰ্থেবাৰীত এক অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সৰ্থেবাৰী নতুন বজাৰ তিনিআলিত পুৱা ১০ বজাৰ পৰা আবেলি দুই বজালৈ ৰূপায়ণ কৰা কাৰ্যসূচীত অংশগ্ৰহণকাৰী প্ৰতিবাদকাৰীসকলে বিভিন্ন শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। ধৰ্মঘট কাৰ্যসূচীত অংশ লৈ মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ অধ্যক্ষ আদিত্য লহকৰে কয় যে ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন অসম চৰকাৰে অসমৰ স্কুলসমূহত তৃতীয় শ্ৰেণীৰ পৰা গণিত আৰু বিজ্ঞান বিষয়ৰ পাঠদান ইংৰাজী মাধ্যমত কৰিবলৈ লোৱা সিদ্ধান্ত এক আত্মঘাতী সিদ্ধান্ত। এই সিদ্ধান্তই অসমীয়াৰ লগতে মাতৃভাষা মাধ্যমৰ স্কুলসমূহৰ বিস্তৰ ক্ষতি কৰিব। অসমীয়া ভাষাক নিঃশেষ কৰিবলৈ লোৱা এই সিদ্ধান্ত কোনো কাৰণতে মানি লোৱা নহয় বুলি তেওঁ স্পষ্ট কৰি দিয়ে। ইংৰাজী মাধ্যমত শিক্ষা দিয়াৰ আগতে তেওঁ বিদ্যালয়সমূহত ইংৰাজী ভাষাৰ জ্ঞান থকা শিক্ষক নিযুক্তি কৰাৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক দাবী জনায়। প্ৰতিবাদস্থলীত উপস্থিত থাকি কৃষক নেতা দণ্ডীনাথ বৰ্মনে কয়, 'শেহতীয়া বানপানীৰ সময়ত বানাক্ৰান্ত ৰাইজৰ বাবে অহা সাহায্য সামগ্ৰী সৰ্থেবাৰী ৰাজহ চক্ৰৰ দুগৰাকী মণ্ডল আৰু কাননগোই চুৰি কৰি ৰাইজৰ হাতত ধৰা পৰে। ৰাইজৰ দলৰ এজাহাৰৰ ভিত্তিত সৰ্থেবাৰী আৰক্ষীয়ে মণ্ডল অজিত ডেকা আৰু তেওঁৰ জ্যেষ্ঠ ভ্ৰাতৃ কান্তেশ্বৰ ডেকাক গ্ৰেপ্তাৰ কৰি জেললৈ পঠায় যদিও কাননগো মাণিক তালুকদাৰ আজিও পলাতক হৈ আছে। এই ক্ষেত্ৰত আৰক্ষী প্ৰশাসনৰ ভূমিকা ৰহস্যজনক বুলি কৈ তেওঁ অচিৰেই পলাতক মাণিক তালুকদাৰক কৰায়ত্ত কৰি উপযুক্ত শাস্তি প্ৰদান ১৩ পৃষ্ঠাত চাওক

মৰাণত মহেন্দ্ৰ নাথ শৰ্মা আন্তঃবাগিচা ফুটবল প্ৰতিযোগিতা সমিতিৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত

অগ্ৰদূত বাৰ্তা

মৰাণ, ৮ আগষ্ট ঃ ভাৰতীয় চাহ সন্থা আৰু অসম চাহ মজদুৰ সংঘ মৰাণ শাখাৰ যৌথ উদ্যোগত প্ৰতি বছৰে চলি অহা শ্ৰমিক নেতা মহেন্দ্ৰ নাথ শৰ্মা সোঁৱৰণী আন্তঃ বাগিচা ফুটবল প্ৰতিযোগিতা বিগত বৰ্ষৰ দৰে এইবাৰো ৩৪ সংখ্যক ফুটবল প্ৰতিযোগিতা পাতিবলৈ লৈছে বুলি মৰাণ শাখা সংঘৰ সম্পাদক লক্ষেশ্বৰ তাঁতীয়ে এক বিবৃতিযোগে সদৰী কৰিছে। এই উপলক্ষে যোৱা সাত আগষ্টত মৰাণ শাখা চাহ মজদুৰ সংঘৰ কাৰ্যালয়ত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাত বিভিন্ন চাহ বাগিচাৰ কল্যাণ বিষয়াসকল, মৰাণ টাউন ক্লাবৰ বিষয়ববীয়াসকল, খেল সংগঠকসকলে অংশগ্ৰহণ কৰে। সভাত প্ৰতিযোগিতাৰ বিভিন্ন নিয়ম-নীতি আৰু শৃংখলা সম্পৰ্কে আলোচনা হয়। প্ৰতিযোগিতাৰ নিয়ম-নীতি ভংগ কৰি উচ্ছৃংখলতা প্ৰদৰ্শন কৰা দলক তিনি বছৰলৈ নিলম্বন কৰা হ'ব বুলি সভাই সিদ্ধান্ত লয়। প্ৰতিযোগিতাখন অহা ২৩ আগষ্টৰ পৰা আৰম্ভ হ'ব। সভাৰ আঁত ধৰে লক্ষেশ্বৰ তাঁতীয়ে।

টাটা ট্ৰাষ্টৰ উদ্যোগত বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীক বিদ্যালয়মুখী কৰাৰ লক্ষ্য

তিনি জিলাৰ ৭৩২ গৰাকী ছাত্ৰ-ছাত্ৰী অন্তৰ্ভুক্ত

অগ্ৰদূত বাৰ্তা

নলবাৰী, ৮ আগষ্ট ঃ টাটা ট্ৰাষ্টৰ উদ্যোগত চেণ্টাৰ ফৰ মাইক্ৰ'ফাইনেন্স এণ্ড লাইভলিহুডৰ অৰ্থ সাহাৰ্যত আসাম ষ্টে ইনিচিয়েটিভ প্ৰকল্পৰ অধীনত বাগ্‌সা, তামুলপুৰ আৰু নলবাৰী জিলাৰ চাৰিটা সমলয় কেন্দ্ৰত গ্ৰীষ্মকালীন শিবিৰৰ অলপতে সামৰমি পৰে। উল্লেখ্য যে নলবাৰী, বাগানপাৰা, তামুলপুৰ আৰু নাগ্ৰীজুলীৰ বিভিন্ন বিদ্যালয়ত ছয়দিনীয়া গ্ৰীষ্মকালীন শিবিৰ অনুষ্ঠিত হয়। গৰমৰ বন্ধৰ প্ৰতি লক্ষ্য ৰাখি বিশেষকৈ বিদ্যালয় বহিঃভূত শিশুসকলক বিদ্যালয়মুখী কৰাৰ পাছত এই ১৩ পৃষ্ঠাত চাওক

ভাদৰ পালনামৰ বাবে ভক্তক আদৰিবলৈ সাজু ঢেঁকীয়াখোৱা বৰনামঘৰ

অগ্ৰদূত বাৰ্তা

কাকজান, ৮ আগষ্ট ঃ মহাপুৰুষ মাধৱদেৱে স্থাপিত ঐতিহাসিক ঢেঁকীয়াখোৱা বৰ নামঘৰত পৱিত্ৰ ভাদমাহৰ মাহজোৰা পালনামৰ বাবে ব্যাপক প্ৰস্তুতি চলাইছে বৰ নামঘৰ পৰিচালনা সমিতি তথা অঞ্চলবাসীয়ে। প্ৰতিবছৰে ৩১ শাওণৰ পৰা ৩১ ভাদলৈ অবিৰতভাৱে চলাই অহা এই পালনামৰ বাবে পূৰ্ব পৰম্পৰা অনুসৰি, ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ভকত বৈষ্ণৱক আদৰিবলৈ সাজু হৈ উঠিছে বৰ নামঘৰ পৰিচালনা সমিতি। ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথৰ দাঁতিৰ সুদৃশ্য তোৰণৰ পৰা আৰম্ভ কৰি সজাই-পৰাই তোলা হৈছে সমগ্ৰ বৰ নামঘৰ চৌহদ। এক সংবাদমেলযোগে আগন্তুক মাহজোৰা কাৰ্যসূচী সন্দৰ্ভত এই কথা সদৰী কৰে বৰ নামঘৰ পৰিচালনা সমিতিয়ে। ভাদৰ প্ৰতিদিনেই চাৰিপ্ৰসংগ নাম অনুষ্ঠিত হোৱাৰ লগতে পালন কৰা হ'ব দুজনা গুৰুৰ তিথি আৰু শ্ৰীকৃষ্ণৰ জন্মাষ্টমী। মহাপালনামৰ সামৰণিত নিশা লৈ স্থানীয় যুৱকবৃন্দৰ দ্বাৰা মহাপুৰুষীয়া নাট 'ৰুক্মিণী হৰণ' ভাওনা প্ৰদৰ্শন হ'ব। এইবাৰ নামাচাৰ্য হিচাপে থাকিব শ্ৰীশ্ৰীবৈকুণ্ঠপুৰ বটাৰ গঞা সত্ৰৰ প্ৰণৱ গোস্বামী। আনহাতে, পৱিত্ৰ মাহটোত সহযোগিতাৰ বাবে ইতিমধ্যে জিলা প্ৰশাসন, স্বাস্থ্য সেৱা আদিৰ লগত যোগাযোগ ৰাখিছে সমিতিয়ে। শৃংখলিত আতিথ্যৰে বৰ নামঘৰ পৰিচালনা সমিতিয়ে দৰ্শনাৰ্থীৰ সেৱা আগবঢ়োৱাৰ লগতে পৰিচালনা সমিতিয়ে নিয়োগ কৰিব যথেষ্ট ১৩ পৃষ্ঠাত চাওক

সৰুপথাৰত ১৬ দিনীয়াকৈ 'ভোৰতাল' কৰ্মশালাৰ আয়োজন

সৰুপথাৰ, ৮ আগষ্ট ঃ অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ অধীনস্থ সাংস্কৃতিক কেন্দ্ৰ সৰুপথাৰে ধনশিৰি মহকুমাৰ সাংস্কৃতিক পথাৰখন অধিক চহকী কৰি তোলাৰ লক্ষ্যৰে কাইলৈৰ পৰা ২৪ আগষ্টলৈ ভোৰতাল কৰ্মশালাৰ আয়োজন কৰিছে। সৰুপথাৰ নগৰৰ বিমল মিলৰ সমীপত অৱস্থিত আশীৰ্বাদ ভৱন প্ৰাংগণত গৌতম চুতীয়াৰ পৰিচালনাৰে আৰম্ভ হ'বলগীয়া কৰ্মশালাত চাৰিগৰাকী প্ৰশিক্ষকে প্ৰশিক্ষণ প্ৰদান কৰিব। মুখ্য প্ৰশিক্ষকৰূপে ডিব্ৰুগড় অঞ্চলৰ কৃষ্ণশ্ৰী বুঢ়াগোহাঁই, সহকাৰী প্ৰশিক্ষকৰূপে মুনমী শইকীয়া অযুত বৰা আৰু অজয় বৰা উপস্থিত থাকিব। কৰ্মশালাত নিৰ্ধাৰিত তাৰিখৰ প্ৰতিদিনাই বিয়লি ৩-৩০ বজাৰ পৰা ৫-৩০ বজালৈকে প্ৰশিক্ষণ প্ৰদান কৰা হ'ব।

জাঁজীত 'সৃষ্টি সম্ভৱা শাওণৰ কবিতা' শীৰ্ষক কবি সন্মিলন

দুখনকৈ কাব্য সংকলন উন্মোচন

অগ্ৰদূত বাৰ্তা

আমগুৰি, ৮ আগষ্ট ঃ শাওণৰ গৰম আৰু বৰ্ষণ মুখৰ পৰিৱেশৰ মাজতে শতাধিক কবি আৰু কাব্যপ্ৰেমীৰ কবিতাৰ গুঞ্জনেৰে মুখৰিত হ'ল জাঁজী জামুগুৰিৰ ইতিহাস প্ৰসিদ্ধ 'ৰঙামুৰা' বীৰৰ ওপজা ভূমি। সদৌ অসম কবি সন্মিলন, জাঁজী শাখাৰ উদ্যোগত আজি জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় 'সৃষ্টি সম্ভৱা শাওণৰ কবিতা' শীৰ্ষক কবি সন্মিলন আৰু গ্ৰন্থ উন্মোচনী সভা। সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট শিক্ষাবিদ ড° মানিক শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত সন্মিলনত উদীয়মান কবি তথা জাঁজী শাখাৰ সভাপতি দুষ্যন্ত মাধৱ বৰুৱাৰ কাব্য সংকলন 'শুই থকা পাহাৰটোক জগাব পৰা হ'লে' উন্মোচন কৰে কাকজান মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ ড° অনিল কুমাৰ শইকীয়াই। এই সভাতেই কবি স্নিগ্ধা বৰুৱা বড়াৰ কাব্য সংকলন পুথি 'এটা সন্ধ্যা প্ৰেমত ডুবিম' উন্মোচন কৰে সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি প্ৰেম গগৈয়ে। ইয়াৰ পাছত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক তথা কবি প্ৰাঞ্জল প্ৰতিম বড়াই আঁত অনুষ্ঠানত অৰ্ধ শতাধিক ন-পুৰণি কবিৰ কবিতাৰ গুঞ্জনত জীপাল হয় প্ৰেক্ষাগৃহ। মনোৰমা বৰুৱাৰ গীত, প্ৰতিষ্ঠিত কবি যোগমায়া সন্দিকৈ, নিখিল শইকীয়াৰ কবিতা পাঠ আৰু বিশিষ্ট কলাকাৰ সুশীল লাহনৰ গছৰ পাতত ওঁঠৰ পৰশেৰে তোলা সুৰৰ মূৰ্ছনাই অনুষ্ঠানটো অধিক জীপাল কৰি তোলে। অনুষ্ঠানত 'লাইফ অৱ এ ড্ৰাইভাৰ'ৰ স্ৰষ্টা ৰূপম দত্ত, সদৌ অসম কবি সন্মিলনৰ উপ-সভাপতি হৰেন গগৈ, শিৱসাগৰ জিলা কবি সন্মিলনৰ উপ-সভাপতি জিতেন নাথ, সম্পাদক সুৰেশ ভূঞা, যোৰহাট কবি সন্মিলনৰ সম্পাদক চৈয়দ পাৰভিজ হুছেইন বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি ভাষণ আগবঢ়ায়।

বিহপুৰীয়াত অসম বিজ্ঞান সমিতিৰ সভা

শিক্ষাবিদ প্ৰয়াত তৰুণ শৰ্মালৈ শ্ৰদ্ধাঞ্জলি

অগ্ৰদূত বাৰ্তা

বিহপুৰীয়া, ৮ আগষ্ট ঃ বিশিষ্ট শিক্ষাবিদ, অসম বিজ্ঞান সমিতি, বিহপুৰীয়া শাখাৰ অন্যতম উপদেষ্টা তথা অসম বিজ্ঞান সমিতিৰ ৫৩ সংখ্যক দ্বিবাৰ্ষিক বিহপুৰীয়া অধিবেশনৰ স্মৃতিগ্ৰন্থ উপ-সমিতিৰ সভাপতি ড° তৰুণ শৰ্মাৰ যোৱা পাঁচ আগষ্টত চেন্নাইত চিকিৎসাধীন অৱস্থাতে আকস্মিক বিয়োগ ঘটাত অসম বিজ্ঞান সমিতি, বিহপুৰীয়া শাখা আৰু মহিলা বিজ্ঞান মঞ্চৰ কালি অনুষ্ঠিত সাধাৰণ সভাই গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শ্ৰদ্ধাঞ্জলি আগবঢ়ায়। সম্পাদক পৰাণ চন্দ্ৰ ডেকাই আঁত ধৰা আৰু বিহপুৰীয়া শাখাৰ সভাপতি দুলাল চন্দ্ৰ মহন্তৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত শোক প্ৰস্তাৱ পাঠ কৰে কাৰ্যকৰী সভাপতি ধীৰেন মহন্তই। সভাত অসম বিজ্ঞান সমিতিৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ দ্বাৰা প্ৰেৰিত পত্ৰ, শাখাৰ আগন্তুক দ্বিবাৰ্ষিক অধিবেশন আৰু আগন্তুক অসম সাহিত্য সভাৰ অধিবেশন সম্পৰ্কত আলোচনা কৰা হয়। সভাত অসম বিজ্ঞান সমিতি, বিহপুৰীয়া শাখাৰ দ্বিবাৰ্ষিক অধিবেশনখন অহা ১০ ছেপ্টেম্বৰত বিহপুৰীয়াৰ ডিব্ৰুং ছিনিয়ৰ ছেকেণ্ডাৰীত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি এই অধিবেশনত প্ৰতি বছৰৰ দৰে অনুষ্ঠিত কৰা বাৰ্ষিক বক্তৃতানুষ্ঠান শিক্ষাবিদ ড° তৰুণ শৰ্মা স্মাৰক বাৰ্ষিক বক্তৃতানুষ্ঠানৰূপে অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। তদুপৰি বিহপুৰীয়া শাখাৰ অন্তৰ্গত বিদ্যালয়সমূহৰ পৰা এই বছৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সাধাৰণ গণিত, সাধাৰণ বিজ্ঞান আৰু উচ্চ গণিতৰ যিকোনো এটা বিষয়ত ১০০ শতাংশ নম্বৰ আৰু উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ চূড়ান্ত পৰীক্ষাত ৯০ শতাংশ বা ততোধিক নম্বৰসহ উত্তীৰ্ণ হোৱা পৰীক্ষাৰ্থীসকলৰ এটি অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰাৰো সিদ্ধান্ত কৰা হয়। আগন্তুক অসম সাহিত্য সভাৰ ৭৬ সংখ্যক নাৰায়ণপুৰ অধিবেশনত অসম বিজ্ঞান সমিতি, বিহপুৰীয়া শাখাৰ পৰা বিজ্ঞান মডেল আৰু অন্যান্য বিজ্ঞান প্ৰদৰ্শনী আদিত অংশগ্ৰহণৰ সুবিধাৰ্থে আদৰণি সমিতি তথা বিজ্ঞান প্ৰদৰ্শনী উপ-সমিতিৰ লগত যোগাযোগ কৰিবৰ বাবেই সভাই সিদ্ধান্ত গ্ৰহণ কৰে।

স্বাধীনতাৰ অমৃত মহোৎসৱ উপলক্ষে তিতাবৰত আৰক্ষীৰ সজাগতা ৰেলী

তৃতীয় অসম আৰক্ষী বাহিনীৰ পদযাত্ৰা

তিতাবৰ, ৮ আগষ্ট ঃ ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰা ৭৫ বছৰীয়া বৰ্ষপূৰ্তি উপলক্ষে সমগ্ৰ দেশজুৰি উদ্‌যাপন কৰিবলগীয়া 'আজাদী কা অমৃত মহোৎসৱ'ৰ সজাগতা অনাৰ উদ্দেশ্যৰে আজি তিতাবৰত আৰক্ষী বিভাগৰ তৰফৰ পৰা পদযাত্ৰা উলিওৱা হয়। তৃতীয় অসম আৰক্ষী বাহিনীৰ অধিনায়ক শান্তনু কুমাৰ দত্তৰ নেতৃত্বত বাহিনীটোৰ পাঁচ শতাধিক জোৱান আৰু বিষয়া-কৰ্মচাৰীয়ে তিতাবৰৰ মাজমজিয়াত পদযাত্ৰাৰে সজাগতা ৰেলীত অংশ লয়। প্ৰতিগৰাকী জোৱানে হাতে হাতে ৰাষ্ট্ৰীয় পতাকা লৈ 'বন্দে মা মাতৰম', 'ভাৰত মাতা কী জয়' ধ্বনিৰে তিতাবৰৰ আকাশ-বতাহ মুখৰিত কৰি তোলে। প্ৰায় ১০ কিলোমিটাৰ পদযাত্ৰাৰ নেতৃত লৈ বাহিনীটোৰ অধিনায়ক শান্তনু কুমাৰ দত্তই অহা ১৩ পৰা ১৫ আগষ্টলৈ প্ৰতিগৰাকী নাগৰিকক নিজৰ নিজৰ বাসগৃহত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি মহান ভাৰতীয় বুলি পৰিচয় দিবলৈ আহ্বান জনাই স্বাধীনতাৰ মুক্তিযুঁজাৰুসকলকো শ্ৰদ্ধাৰে' স্মৰণ কৰিবলৈ আহ্বান জনায়। আনহাতে, তিতাবৰ মহকুমা আৰক্ষী প্ৰশাসনৰ তৰফৰ পৰাও ১৩ পৃষ্ঠাত চাওক

ডম্বৰুধৰ শইকীয়াৰ শ্ৰদ্ধাঞ্জলিৰ আয়োজন

অগ্ৰদূত বাৰ্তা

বিহপুৰীয়া, ৮ আগষ্ট ঃ শ্ৰীমন্ত শংকৰদেৱ সংঘ, বিহপুৰীয়া নাৰায়ণপুৰ জিলা শাখা আৰু লখিমপুৰ জিলা শাখাৰ উদ্যোগত, বিহপুৰীয়া আঞ্চলিক শাখা আৰু খোলাগুৰি প্ৰাথমিক শাখাৰ ব্যৱস্থাপনাত নৰ্তন বিশাৰদ ডম্বৰুধৰ শইকীয়াৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বিহপুৰীয়াৰ খোলাগুৰি প্ৰাথমিক শাখাৰ নামঘৰত ২১ আগষ্টত অনুষ্ঠিত হ'ব লগা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি, পুৱা তনুৰাম লাহনৰ দ্বাৰা গছপুলি ৰোপণ আৰু সমূহীয়া নাম-প্ৰসংগৰ পাছতে ১১ বজাৰ পৰা স্মৃতিচাৰণ সভা অনুষ্ঠিত হ'ব। বিহপুৰীয়া নাৰায়ণপুৰ জিলা শাখাৰ সম্পাদক ব্ৰজেন শইকীয়াই উদ্বোধন কৰিব লগা সভাখনত সভাপতিত্ব কৰিব বিহপুৰীয়া নাৰায়ণপুৰ জিলা শাখাৰ সভাপতি গোলাপ বৰুৱাই। সভাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংস্কৃতি শাখাৰ প্ৰাক্তন সভাপতি পবিত্ৰ প্ৰাণ বৰাই নিৰ্দিষ্ট বক্তা, লখিমপুৰ জিলা শাখাৰ সভাপতি চক্ৰধৰ সোণোৱালে মুখ্য অতিথি আৰু মাধৱদেৱ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক দুলাল বৰা আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংস্কৃতি শাখাৰ প্ৰাক্তন সভাপতি ডাঃ নৱকৃষ্ণ ৰাজখোৱাই বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিব। সভাত ডম্বৰুধৰ শইকীয়াৰ সোঁৱৰণত প্ৰকাশ পাবলগীয়া স্মাৰক গ্ৰন্থ উন্মোচন কৰিব শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মূল প্ৰাক্তন সদস্য জীৱন ভূঞাই। অনুষ্ঠানত ৰাইজৰ উপস্থিতি উদ্যোক্তাসকলে কামনা কৰিছে।

সন্ধ্যাতৰা ভ্ৰাম্যমাণ নাট্যদলৰ আখৰা উদ্বোধনী অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

বাহাৰঘাট, ৮ আগষ্ট ঃ নলবাৰী জিলাৰ বৰভাগৰ বাউসী উদয়পুৰত জন্মগ্ৰহণ কৰা অপেছাদাৰী নাট্য দল 'সন্ধ্যাতৰা ভ্ৰাম্যমাণ' নাট্যদলটোৱে চতুৰ্থ নাট্যবৰ্ষৰ প্ৰস্তুতি সম্পন্ন কৰিছে। দলটোৰ মুখ্য প্ৰযোজক সমুদ্ৰ তালুকদাৰৰ লগতে দলটোৰ সম্পাদক নাট্যকাৰ তথা অভিনেতা হীৰক দাসৰ লগতে বাউসী উদয়পুৰবাসী ৰাইজৰ সহযোগত প্ৰাণ পাই উঠিছিল ২০১৯ৰ ১৮ আগষ্টত 'সন্ধ্যাতৰা ভ্ৰাম্যমাণ' নাট্যদলটোৱে। তইন বেলিৰ দৰে এইবেলিও ভালেসংখ্যক নাট্যপ্ৰেমী ৰাইজ তথা বিশিষ্ট ব্যক্তিসকলৰ লগত একত্ৰিত হৈ কালি সন্ধিয়া ভ্ৰাম্যমাণ নাট্য দলটোৱে চতুৰ্থবৰ্ষৰ আখৰা উদ্বোধন কৰে। এইবেলি নাট্য দলটোৰ মুখ্যদ্বাৰ উন্মোচন কৰে ভাগিন্দ্ৰ কলিতাই। নাৰিকল ভাঙি নাট আখৰা উন্মোচন কৰে বিপিন তালুকদাৰে। নাটকৰ পাণ্ডুলিপি উন্মোচন কৰে নাট্যকাৰ প্ৰদীপ শৰ্মাই। যদুৰাম তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বৰভাগ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা বিশিষ্ট সমাজকৰ্মী ফণীধৰ ডেকা, অগপৰ মুখপাত্ৰ তথা অসম যুৱ পৰিষদৰ সম্পাদক গুণমণি ভূঞাৰ লগতে বহুতো বিশিষ্ট লোক। উক্ত অনুষ্ঠানতে নাট্যপ্ৰেমী ৰাইজৰ মাজত নাটকৰ প্ৰমো এটিও মুকলি কৰা হয়। 'সন্ধ্যাতৰা ভ্ৰাম্যমাণ' নাট্যদলটোৱে চতুৰ্থ নাট্যবৰ্ষত নাট্যকাৰ প্ৰদীপ শৰ্মাৰ অনবদ্য সৃষ্টি 'নিয়ৰৰ চকুলো', আৰু প্ৰেম, প্ৰতাৰণা আৰু প্ৰতিশোধৰ এক হৃদয়স্পৰ্শী কাহিনীৰে 'মৰম মাথো মায়া', আৰু উদীয়মান অভিনেতা তথা নাট্যকাৰ হিৰক দাসৰ 'মোৰ মিনতি তৰা হয় যদি' চলিত নাট্যবৰ্ষত নাট কেইখন মঞ্চস্থ কৰিব নাট্যদলটোৱে। নাট্য দলটোত অভিনয়ৰ বাবে ইতিমধ্যে চুক্তিবদ্ধ হৈছে কুলেশ্বৰ ডেকা, মানবেন্দ্ৰ তালুকদাৰ, হীৰক দাস, প্ৰশান্ত ৰাজ, পাপু ধ্ৰুৱজ্যোতি, জয়ন্ত শৰ্মা, জয়ন্ত হালৈ, চুমী হালৈ, ৰূপালী কলিতা, নিলাক্ষী দাস, প্ৰীতিৰেখা দাস, মনোজ দাস, সমুদ্ৰ তালুকদাৰ, সৌৰভ তালুকদাৰ, মৃদুল ভূঞাৰ লগতে হৰজিৎ তালুকদাৰ।

বিহপুৰীয়া সমষ্টিত মন্ত্ৰী দাসৰ ৰুৰবান মিছন আঁচনিৰ উদ্বোধন

অগ্ৰদূত বাৰ্তা

বিহপুৰীয়া, ৮ আগষ্ট ঃ অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে কালি বিহপুৰীয়া সমষ্টি পৰিভ্ৰমণ কৰে। মন্ত্ৰীজনে এটি কৃষি সেৱা আৰু সংসাধন কেন্দ্ৰ, এটি পশুপালন প্ৰশিক্ষণ কেন্দ্ৰ আৰু সূতা আৰু লাট ভড়ালৰ শুভ উদ্বোধন কৰে। উল্লেখ্য যে ৰাষ্ট্ৰীয় ৰুৰবান মিছনৰ অধীনত শ্যামাপ্ৰসাদ মুখাৰ্জী ৰুৰবান মিছনৰ জৰিয়তে বিহপুৰীয়া সমষ্টিৰ পথালিপাহাৰ, বৰবালি আৰু বিহপুৰীয়া গাওঁ পঞ্চায়তৰ সৰ্বাংগীণ উন্নয়নৰ বাবে ২০১.০৭ কোটি টকা ধাৰ্য কৰি প্ৰকল্প প্ৰস্তুত কৰা হৈছিল। ইয়াৰে বৰ্তমানলৈকে বিহপুৰীয়া সমষ্টিত ত্ৰিশ কোটি টকাৰে তিনিওটা গাঁও পঞ্চায়তত ক্ৰমে পথালিপাহাৰ, বৰবালি ১৩ পৃষ্ঠাত চাওক

উত্তৰ কমলাবাৰী সত্ৰৰ বৈষ্ণৱ বসন্ত নেওগ গায়নৰ আকস্মিক বিয়োগ

অগ্ৰদূত বাৰ্তা

কমলাবাৰী, ৮ আগষ্ট ঃ মাজুলী উত্তৰ কমলাবাৰী সত্ৰৰ যুৱবৈষ্ণৱ, সত্ৰীয়া সংস্কৃতিৰ সাধক, সুদক্ষ অভিনেতা বসন্ত নেওগ গায়নৰ আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পাতালত আকস্মিক বিয়োগ ঘটে। পুৱাৰ ভাগত মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে উত্তৰ কমলাবাৰী সত্ৰৰ লগতে সমগ্ৰ মাজুলীতে শোকৰ ছাঁ পৰে। কিছুদিন জ্বৰ আৰু কাঁহত ভুগি থকা শিল্পীজনে উশাহ লোৱাত কষ্ট পোৱাত যাৱা ২৫ জুলাইত উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পাতালত ভৰ্তি কৰা হৈছিল। একান্ত সত্ৰীয়া সংস্কৃতিৰ সাধক, বিশিষ্ট শিল্পীজনে শিশুকালৰে পাৰ সাধনা অব্যাহত ৰাখি অসমৰ বিভিন্ন প্ৰান্তৰৰ উপৰিও ভাৰবৰ্ষৰ দিল্লী, মুম্বাই, হায়দৰাবাদ, তামিলনাড়ু, কেৰেলা, লক্ষ্ণৌ, কলকতা, পঞ্জাৱ আদি স্থানত সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰত আত্মনিয়োগ কৰি অসমলৈ সুনাম কঢ়িয়াই আনিছিল। তদুপৰি সুদূৰ ইংলেণ্ডৰ বৃট্ৰিছ মিউজিয়ামত সত্ৰীয়া সংস্কৃতিৰ পৰিবেশন কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছিল। উদাসীন জীৱন অতিবাহিত কৰা গায়ন একেধাৰে এজন সুদক্ষ অভিনেতা, গায়ন, ওজাপালি শিল্পী, নাম লগোৱা আছিল। সত্ৰীয়া সংস্কৃতিৰ সাধক, , সমাজকৰ্মী, আত্মনিৰ্ভৰশীল পথত নৱপ্ৰজন্মৰ আদৰ্শ স্বৰূপ আছিল। উত্তৰ কমলাবাৰী সত্ৰ শংকৰদেৱ কৃষ্টি সংঘৰ ১৭ বছৰ সম্পাদক, ছয় বছৰ সভাপতি হিচাপে নিষ্ঠা-সততাৰে নিস্বাৰ্থ সেৱা আগবঢ়োৱা এইজন শিল্পী কমলাবাৰীস্থিত শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ পৰিচালনা সমিতিৰ সম্পাদকৰ দায়িত্ব পালন কৰিছিল। এইজন বৈষ্ণৱ পৰলোকত সত্ৰখনৰ অপূৰণীয় ক্ষতি বুলি তেৰাৰ বিদেহ আত্মাৰ সদগতি কামনা কৰি সত্ৰৰ সত্ৰাধিকাৰ সমূহ ভকত-বৈষ্ণৱে গুৰুজনাৰ ওচৰত প্ৰাৰ্থনা জনাইছে। এই শিল্পীজনৰ মৃত্যুত মাজুলী জিলা সাহিত্য সভা, মাজুলী জিলা সাংবাদিক সন্থা, শংকৰদেৱ শিশু বিদ্যা নিকেতন কমলাবাৰী, আদি বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ তৰফৰ পৰা শোকবাৰ্তা প্ৰেৰণ কৰিছে। উত্তৰ কমলা

যোৰহাটত ম'বাইল ভেন-ছেলফি পইণ্টৰ জৰিয়তে 'হৰ ঘৰ ত্ৰিৰংগা'ৰ কাৰ্যসূচী প্ৰচাৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

যোৰহাট, ৮ আগষ্ট ঃ ভাৰতবৰ্ষৰ স্বাধীনতাৰ ৭৫ বৰ্ষপূৰ্তি উপলক্ষে উদ্‌যাপিত স্বাধীনতাৰ 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি ২০ কোটি ভাৰতীয়ৰ স'তে যোৰহাটবাসীয়েও 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। এই উদ্দেশ্যে আজি যোৰহাট জিলা উপায়ুক্ত কাৰ্যালয়ৰ চৌহদত উপায়ুক্ত অশোক কুমাৰ বৰ্মনে এটা ছেলফি পইণ্ট আৰু এখন ম'বাইল ভেনৰ আৰম্ভ কৰে। যোৰহাটবাসী ৰাইজক অহা ১৩ৰ পৰা ১৫ আগষ্টলৈকে ঘৰে ঘৰে পতাকা উৰুৱাবলৈ উৎসাহ যোগাবৰ বাবে উপায়ুক্ত কাৰ্যালয়ৰ চৌহদৰ পৰা সমূহ বিষয়া-কৰ্মচাৰীৰ স'তে উপায়ুক্তই ৰাষ্ট্ৰীয় পতাকা হাতত লৈ এক পদযাত্ৰাত অংশগ্ৰহণ কৰে। ঘৰে ঘৰে ত্ৰিৰংগা পতাকা

কাৰ্যসূচী সফল কৰি তোলাৰ উদ্দেশ্যে জিলাখনৰ আত্মসহায়ক গোটৰ সদস্যসকলে ৰাষ্ট্ৰীয় পতাকাৰ প্ৰস্তুতকৰণৰ কাম অব্যাহত ৰাখিছে। প্ৰতিটো উন্নয়ন খণ্ডৰ অধীনত ঠায়ে ঠায়ে ৰাষ্ট্ৰীয় পতাকা বিক্ৰী কেন্দ্ৰ স্থাপন কৰাৰ লগতে সকলো সুলভ মূল্যৰ দোকানত জনসাধাৰণে ন্যূনতম মূল্যত ৰাষ্ট্ৰীয় পতাকা ক্ৰয় কৰিবৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। আনহাতে, জিলা উপায়ুক্ত কাৰ্যালয়ৰ চৌহদত অস্থায়ী বিপণীতো পতাকা বিক্ৰী কৰি থকা হৈছে। 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচীত অংশগ্ৰহণ কৰি অহা ১৩ৰ পৰা ১৫ আগষ্টলৈ জিলাখনৰ সকলো চৰকাৰী, বেচৰকাৰী কাৰ্যালয়, অনুষ্ঠান-প্ৰতিষ্ঠান আৰু শিক্ষানুষ্ঠানত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ লগতে সকলো যোৰহাটবাসী ৰাইজক নিজ নিজ বাসগৃহত ৰাষ্ট্ৰীয় পতাকা উৰুৱাবলৈ জিলা উপায়ুক্তই আহ্বান জনাইছে।

কৃষ্ণাইত হেলমেট পৰিধান নকৰা আৰোহীক জৰিমনা বিহিলে আৰক্ষীয়ে

অগ্ৰদূত বাৰ্তা

কৃষ্ণাই, ৮ আগষ্ট ঃ গোৱালপাৰা জিলাৰ কৃষ্ণাই আৰক্ষী থানাৰ সন্মুখৰ ১৭ নম্বৰ ৰাষ্ট্ৰীয় পথত আজি দুপৰীয়া স্থানীয় আৰক্ষীয়ে এক তালাচী অভিযান চলায়। বিশেষকৈ হেলমেট পৰিধান নকৰাকৈ মটৰ চাইকেল চলোৱা আৰু নথিপত্ৰ ঠিক নথকা মটৰ চাইকেলসমূহত তালাচী চলায় আৰক্ষীয়ে। এই অভিযান কালত হেলমেট ব্যৱহাৰ নকৰা আৰোহীৰ পৰা নগদ পাঁচশ টকাকৈ জৰিমনা বিহা বুলি সদৰী কৰে তালাচী অভিযানৰ দায়িত্বত থকা আৰক্ষীয়ে।

তিতাবৰ বেবেজীয়া গাঁও পঞ্চায়তৰ সভানেত্ৰীৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ

তিতাবৰ, ৮ আগষ্ট ঃ কংগ্ৰেছ-বিজেপিৰ ক্ষমতাৰ আঁৰিয়াআঁৰিৰ যুঁজখন ক্ৰমাৎ আকৰ্ষণীয় হৈ উঠিছে তিতাবৰত। তিতাবৰৰ কে'বাগৰাকীমান বিজেপিৰ নেতাই নিজৰ ক্ষমতা প্ৰদৰ্শন কৰিবলৈ গৈ কংগ্ৰেছৰ একাংশ বিষয়ববীয়া তথা পঞ্চায়ত প্ৰতিনিধিক বিজেপিত যোগদান কৰোৱাৰ পাছতেই দুয়োপক্ষৰ মাজত আৰম্ভ হৈছে শীতল ৰাজনৈতিক যুদ্ধ। কংগ্ৰেছৰ দুৰ্গৰূপে খ্যাত তিতাবৰ সমষ্টিৰ একাংশ বছা বছা নিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধিক বিজেপিয়ে নিজৰ দলত যোগদান কৰোৱাৰ পাছত কংগ্ৰেছেও বিষয়টোক সহজে এৰি দিব খোজা নাই। ইয়াৰ অংশস্বৰূপে তিতাবৰ বিধানসভা সমষ্টিৰ ৭৬ নম্বৰ বেবেজীয়া গাঁও পঞ্চায়তৰ সভানেত্ৰী গীতাঞ্জলী ৰাজখোৱাৰ বিৰুদ্ধে পঞ্চায়তৰ ১০ গৰাকী নিৰ্বাচিত ৱাৰ্ড সদস্যই অনাস্থা প্ৰকাশ কৰিছে। আজি পঞ্চায়তৰ উপ-সভাপতি গণেশ কছাৰীৰ বাসগৃহত আটাইকেইগৰাকী ৱাৰ্ড সদস্য মিলিত হৈ সভানেত্ৰীগৰাকীৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ উত্থাপন কৰে। পঞ্চায়তটোৰ উন্নয়নমূলক কাম-কাজত সভানেত্ৰীগৰাকীৰ ভূমিকা সন্তোষজনক নহয় বুলি আটাইকেইগৰাকী সদস্যই ঐক্যমতত উপনীত হয় আৰু অনাস্থা প্ৰস্তাৱ উত্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। উপস্থিত সভাত সভানেত্ৰী গীতাঞ্জলী ৰাজখোৱাৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ উত্থাপন কৰে ৱাৰ্ড সদস্য চন্দন ভাগৱতীয়ে আৰু সকলোৱে এই প্ৰস্তাৱক সমৰ্থন কৰি গৃহীত কৰে। সভাৰ শেষত আটাইকেইগৰাকী সদস্যই একেলগ হৈ তিতাবৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াক সভানেত্ৰীৰ বিৰুদ্ধে লিখিতভাৱে অনাস্থা প্ৰস্তাৱ দাখিল কৰি পঞ্চায়ত আইনৰ বিধি অনুসৰি ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। উল্লেখ্য যে পঞ্চায়তটোৰ সভানেত্ৰীগৰাকীয়ে যোৱা পাঁচ আগষ্টত কংগ্ৰেছ দল ত্যাগ কৰি বিজেপিত যোগদান কৰিছিল। ইয়াৰ পাছতে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ কাৰ্যকৰী সভাপতি ৰাণা গোস্বামী তিতাবৰত উপস্থিত হৈ দলবিৰোধী নেতা-কৰ্মীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিছিল।

স্বাধীনতাৰ অমৃত মহোৎসৱ উপলক্ষে

১২ *পৃষ্ঠাৰ পৰা* তিতাবৰ থানা কমিটীৰ সহযোগত অন্য এটা সজাগতা ৰেলী উলিয়ায়। মহকুমা আৰক্ষী বিষয়া মৈত্ৰেয়ী ডেকা আৰু তিতাবৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নয়নমণি সিন্হাৰ নেতৃত্বত তিতাবৰৰ সচেতন নাগৰিকসকলে সজাগতা ৰেলীত অংশ লৈ সকলো নাগৰিককে তিনিদিনীয়াকৈ নিজৰ বাসগৃহত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ আহ্বান জনায়।

ইংৰাজীত গণিত-বিজ্ঞানৰ পাঠদানৰ

১২ *পৃষ্ঠাৰ পৰা* কৰিবলৈ দাবী জনায়।' ইয়াৰ উপৰি এই দুষ্কাৰ্য সংঘটিত কৰি চাকৰিৰ পৰা নিলম্বিত হৈ থকা দুগৰাকী মণ্ডলে সঘনাই কোনো বাধাহীনভাৱে চক্ৰ বিষয়াৰ কাৰ্যালয়ত বিচৰণ কৰি থকা কাৰ্যত আশ্চৰ্য প্ৰকাশ কৰে। কাৰ্যসূচীত ৰাইজৰ দলৰ কেন্দ্ৰীয় সম্পাদক মনিৰুজ জামান, কৃষক নেতা মনিৰুল ইছলাম, নুৰুল ইছলামকে ধৰি সংগঠনকেইটাৰ অৰ্ধ শতাধিক নেতা-কৰ্মীয়ে অংশ লয়। পাছত সৰ্থেবাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ অনুপস্থিতিত তেওঁৰ প্ৰতিনিধি হিচাপে চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ উচ্চবৰ্গৰ সহায়কে প্ৰতিবাদস্থলীত উপস্থিত হোৱাত ধৰ্মঘটকাৰীসকলে চক্ৰ বিষয়ালৈ বিভিন্ন দাবী সম্বলিত এখন স্মাৰকপত্ৰ প্ৰদান কৰে।

ভাদৰ পালনামৰ বাবে ভক্তক আদৰিবলৈ

১২ *পৃষ্ঠাৰ পৰা* সংখ্যক স্বেচ্ছাসেৱক। গুৰুত্বপূৰ্ণ কথাটো হ'ল যে প্লাষ্টিক বৰ্জনৰ চৰকাৰী নিৰ্দেশনাক সন্মান জনাই এইবাৰ নামঘৰত প্ৰসাদ ল'বলৈ হাঁচতি বা অন্যান্য ব্যৱস্থা কৰিবলৈ ভক্তপ্ৰাণ ৰাইজৰ প্ৰতি বিনম্ৰ গোহাৰি জনাইছে পৰিচালনা সমিতিয়ে। বিগত দুটা বছৰে ক'ভিড পৰিস্থিতিৰ পাছত এইবাৰ লক্ষাধিক ভক্তৰ উপস্থিতি আশা কৰা হৈছে। কলা-সংস্কৃতি আৰু নৱপ্ৰজন্মৰ প্ৰতিভা বিকাশৰ বাবে এটি অত্যাধুনিক ৰংগমঞ্চ নিৰ্মাণৰ কাম চলি থকা লগতে এখন শিশু উদ্যানৰ কাম পূৰ্ণগতিত চলি আছে। জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে সকলো ভকত বৈষ্ণৱক আদৰণি জনাইছে নামঘৰ পৰিচালনা সমিতিয়ে। সংবাদমেলত পৰিচালনা সমিতিৰ সভাপতি প্ৰবীণ কলিতা, সম্পাদক দিগন্ত শইকীয়া, নাম সমিতিৰ সভাপতি যোগেন শইকীয়া, সম্পাদক বিজয় শইকীয়া প্ৰমুখ্যে বিষয়ববীয়াসকল উপস্থিত থাকে।

বিহপুৰীয়া সমষ্টিত মন্ত্ৰী দাসৰ ৰুৰবান

১২ *পৃষ্ঠাৰ পৰা* আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দেৱকান্ত সাউদে। পাছত দেবেন কলিতাৰ পৌৰোহিত্যত এখন সভা অনুষ্ঠিত কৰে। সভাত বেনাৰ উন্মোচন কৰি বিশিষ্ট অতিথি তথা নাট্যকাৰ ৰাধেশ্যাম কলিতাই নাট্য সাহিত্য সমাজ সংস্কাৰৰ অমোঘ অস্ত্ৰ বুলি কয়। কিয়নো নাটকৰ জৰিয়তে সমাজৰ বাস্তৱ ছবি অভিনেতা- অভিনেত্ৰীসকলে দৰ্শকৰ আগত দাঙি ধৰে। এখন নাটকৰ কাহিনীয়ে দৰ্শকৰ মনত অন্তৰৰ গভীৰতম হৃদয়ত সাঁচ পেলাই বাস্তবিকতাত প্ৰভাব পেলাব পাৰে বুলি কয়। নাট উন্মোচক বিশিষ্ট সমাজসেৱক তথা যুৱ উদ্যোগী হেমন্ত কলিতাই সংকট কালত নাট্য দলটোৰ নাট্য যাত্ৰাৰ সাহসী পদক্ষেপক প্ৰশংসা কৰে। পৰম্পৰাগত আৰু আধুনিক সংস্কৃতিৰ অন্তৰ্মুখী সংঘাতৰ সময়ত উদয়নীল নাট্য পৰিষদৰ নাট্যকৰ্মীৰ দৰে অধিকাংশ নাট্যকৰ্মী আগুৱাই আহিলে আধুনিক সংস্কৃতিয়ে পৰম্পৰাগত সংস্কৃতিক গ্ৰাস কৰিব নোৱাৰিব বুলি কয়। গৃহযুদ্ধৰ মহাৰথীৰে আজিৰ নাট্যাৰম্ভ কৰে। আনহাতে, সাংস্কৃতিক সাংবাদিক ৰামধেনুৰ সঞ্চালক কনক কলিতাই নাটক এখনে বিভ্ৰান্তমুখী সমাজক একেটা নাট্য পেন্দেলৰ তলত একত্ৰিত কৰি মনৰ চিন্তাধাৰাক সলনি কৰিব পাৰে বুলি মন্তব্য কৰে। সৰুলাহৰ প্ৰবীণ নাট্যকৰ্মী প্ৰতাপ কলিতাৰ দ্বিতীয় নাট্য বৰ্ষ নাট্যাভিনয়ৰ জৰিয়তে অসমৰ ৰাইজৰ বাবে উদাহৰণ স্বৰূপ হৈ সমাদৰ লাভ কৰাৰ আশাবাদী বুলি কয়। ইন্দ্ৰকান্ত বৈশ্যই আঁতধৰা নাট্যাৰম্ভৰ মুকলি অনুষ্ঠানত পদ্মৰাম কাকতি হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰমেশ চন্দ্ৰ কলিতা দলিবাৰী হাইস্কুলৰ সহকাৰী শিক্ষক সনাতন বৈশ্য, পাপৰি নাট্য পৰিষদৰ প্ৰযোজক চবিন পাঠক আৰু শ্ৰীমন্ত শংকৰদেৱ নৃত্য কলা নাট্য পৰিষদ শুৱালকুছিৰ প্ৰযোজক মদন চন্দ্ৰ মেধিৰ লগতে বহু সংখ্যক নাট্যকৰ্মী উপস্থিত থাকে। সভাত জ্যোতিকা কলিতাই এটি গীত পৰিৱেশন কৰি ৰাইজক আমোদ দিয়ে। আৰম্ভণিতে সদ্য প্ৰয়াত শুৱালকুছিৰ স্বনামধন্য অভিনেতা ভূপেন দাসৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে প্ৰযোজক প্ৰতাপ কলিতাই।

টাটা ট্ৰাষ্টৰ উদ্যোগত বিদ্যালয় এৰা

১২ *পৃষ্ঠাৰ পৰা* শিবিৰত শিশুসকলক অন্তৰ্ভুক্ত কৰা হয়। এই সময়ছোৱাত শিশুসকলক বৌদ্ধিক, মানসিক আৰু শাৰীৰিক দিশৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন ক্ৰিয়া-কলাপৰ জৰিয়তে আমোদজনক শিক্ষা প্ৰদানৰ লগতে বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতাৰ সামৰ্থ্য আহৰণৰ গুৰুত্ব দিয়া হয়। এই শিবিৰত সৰ্বমুঠ ২৮ খন বিদ্যালয়ত ৭৩২ জন শিক্ষাৰ্থী অন্তৰ্ভুক্ত হয়। এই শিবিৰ নলবাৰী জিলাৰ ক্ৰমে ৪৪৮ নম্বৰ হাইদলি প্ৰাথমিক বিদ্যালয়, নগাঁও প্ৰাথমিক বিদ্যালয়, দুই নম্বৰ ৰঙাফালি প্ৰাথমিক বিদ্যালয়, এক নম্বৰ নাহেৰবাৰী প্ৰাথমিক বিদ্যালয়, মধ্য ভেলামাৰী প্ৰাথমিক বিদ্যালয় আৰু বনভাগ বতাহগিলা হাইস্কুল, দুই নম্বৰ অৰৰা প্ৰাথমিক বিদ্যালয়, পানীমাজকুছি প্ৰাথমিক বিদ্যালয় আৰু তামুলপুৰ জিলাৰ ক্ৰমে বিমলা নগৰ প্ৰাথমিক বিদ্যালয়, ভাউৰাগুৰি প্ৰাথমিক বিদ্যালয়, শালমাৰা মধ্য ইংৰাজী বিদ্যালয়, পদ্মা আনন্দ বালিকা মধ্য ইংৰাজী বিদ্যালয়, ৭৮৬ নম্বৰ কালাকুছি প্ৰাথমিক বিদ্যালয়, চাপাচল প্ৰাথমিক বিদ্যালয়, বৰকাজুলি এম ই স্কুল, গুৱাকুছি প্ৰাথমিক বিদ্যালয়, পশ্চিম গয়বাৰী প্ৰাথমিক বিদ্যালয়, পলোকাটা প্ৰাথমিক বিদ্যালয়, কটাহবাৰী এম ই স্কুল, পদ্মপাৰা প্ৰাথমিক বিদ্যালয়, পূৱ গয়বাৰী প্ৰাথমিক বিদ্যালয়, এক নম্বৰ বৰগীখুটি প্ৰাথমিক বিদ্যালয়, বাক্‌সা জিলাৰ ক্ৰমে বগুলামাৰী আঞ্চলিক হাইস্কুল, গেৰুৱা গোৰখালী শ্বহীদ গোলোক দাস এম ই স্কুল, হলাপাৰ প্ৰাথমিক বিদ্যালয়, বৰিকাদোঙা এম ই স্কুল, নিচলাবাৰী মিলন হাইস্কুল, ফুংখা এম ই স্কুলত এই শিবিৰ চলি আছে।

দৰ্শকৰ অপেক্ষাত ঃ কমাণ্ডো, গৃহযুদ্ধৰ

১২ *পৃষ্ঠাৰ পৰা* আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দেৱকান্ত সাউদে। পাছত দেবেন কলিতাৰ পৌৰোহিত্যত এখন সভা অনুষ্ঠিত কৰে। সভাত বেনাৰ উন্মোচন কৰি বিশিষ্ট অতিথি তথা নাট্যকাৰ ৰাধেশ্যাম কলিতাই নাট্য সাহিত্য সমাজ সংস্কাৰৰ অমোঘ অস্ত্ৰ বুলি কয়। কিয়নো নাটকৰ জৰিয়তে সমাজৰ বাস্তৱ ছবি অভিনেতা- অভিনেত্ৰীসকলে দৰ্শকৰ আগত দাঙি ধৰে। এখন নাটকৰ কাহিনীয়ে দৰ্শকৰ মনত অন্তৰৰ গভীৰতম হৃদয়ত সাঁচ পেলাই বাস্তবিকতাত প্ৰভাব পেলাব পাৰে বুলি কয়। নাট উন্মোচক বিশিষ্ট সমাজসেৱক তথা যুৱ উদ্যোগী হেমন্ত কলিতাই সংকট কালত নাট্য দলটোৰ নাট্য যাত্ৰাৰ সাহসী পদক্ষেপক প্ৰশংসা কৰে। পৰম্পৰাগত আৰু আধুনিক সংস্কৃতিৰ অন্তৰ্মুখী সংঘাতৰ সময়ত উদয়নীল নাট্য পৰিষদৰ নাট্যকৰ্মীৰ দৰে অধিকাংশ নাট্যকৰ্মী আগুৱাই আহিলে আধুনিক সংস্কৃতিয়ে পৰম্পৰাগত সংস্কৃতিক গ্ৰাস কৰিব নোৱাৰিব বুলি কয়। গৃহযুদ্ধৰ মহাৰথীৰে আজিৰ নাট্যাৰম্ভ কৰে। আনহাতে, সাংস্কৃতিক সাংবাদিক ৰামধেনুৰ সঞ্চালক কনক কলিতাই নাটক এখনে বিভ্ৰান্তমুখী সমাজক একেটা নাট্য পেন্দেলৰ তলত একত্ৰিত কৰি মনৰ চিন্তাধাৰাক সলনি কৰিব পাৰে বুলি মন্তব্য কৰে। সৰুলাহৰ প্ৰবীণ নাট্যকৰ্মী প্ৰতাপ কলিতাৰ দ্বিতীয় নাট্য বৰ্ষ নাট্যাভিনয়ৰ জৰিয়তে অসমৰ ৰাইজৰ বাবে উদাহৰণ স্বৰূপ হৈ সমাদৰ লাভ কৰাৰ আশাবাদী বুলি কয়। ইন্দ্ৰকান্ত বৈশ্যই আঁতধৰা নাট্যাৰম্ভৰ মুকলি অনুষ্ঠানত পদ্মৰাম কাকতি হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰমেশ চন্দ্ৰ কলিতা দলিবাৰী হাইস্কুলৰ সহকাৰী শিক্ষক সনাতন বৈশ্য, পাপৰি নাট্য পৰিষদৰ প্ৰযোজক চবিন পাঠক আৰু শ্ৰীমন্ত শংকৰদেৱ নৃত্য কলা নাট্য পৰিষদ শুৱালকুছিৰ প্ৰযোজক মদন চন্দ্ৰ মেধিৰ লগতে বহু সংখ্যক নাট্যকৰ্মী উপস্থিত থাকে। সভাত জ্যোতিকা কলিতাই এটি গীত পৰিৱেশন কৰি ৰাইজক আমোদ দিয়ে। আৰম্ভণিতে সদ্য প্ৰয়াত শুৱালকুছিৰ স্বনামধন্য অভিনেতা ভূপেন দাসৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে প্ৰযোজক প্ৰতাপ কলিতাই।

উৎপাদিত সামগ্ৰী নিজা ৰেগুত বিক্ৰী

১২ *পৃষ্ঠাৰ পৰা* বক্তব্য ৰাখি মুখ্যমন্ত্ৰীৰ ভিজিলেন্স শাখাৰ আৰক্ষী অধীক্ষক ৰ'জী কলিতাই অসম কৃষি বিশ্ববিদ্যালয়ত অধ্যয়ন কালৰ স্মৃতি ৰোমন্থন কৰাৰ লগতে কয় যে সামগ্ৰিকভাৱে বিশ্ব সম্প্ৰদায়ৰ মাজত সামূহিক বিজ্ঞানৰ দিশত গুৰুত্ব বৃদ্ধি পাইছে। শিক্ষাৰ্থী জীৱনৰ নিময়ানৱৰ্তিতাৰ প্ৰয়োজনীয়তাৰ বিষয় উল্লেখ কৰি তেওঁ কয় যে প্ৰতিযোগিতাৰ বিষয়ত বৰ্তমান সময়ত নেটৰ জৰিয়তে হোৱা উপলব্ধতাৰ অধিক ব্যৱহাৰৰ জৰিয়তে আগবাঢ়ি যাব পাৰে আজিৰ শিক্ষাৰ্থী। সেয়ে সঠিক দিশত ইয়াৰ ব্যৱহাৰ কৰি লাভালাভ আদায় কৰিব লাগে। অনুষ্ঠানত হায়দৰাবাদৰ আচাৰ্য এন ডি ৰংগা কৃষি বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিজ্ঞানগুৰু ড° বিজয়া খাদেৰে কৰ্মজীৱনৰ আৰম্ভণিতে প্ৰথম অসম কৃষি বিশ্ববিদ্যালয়তেই নিৰ্বাচিত হোৱাৰ বিষয়ে স্মৰণ কৰে। ব্ৰিটিছ যুগৰে পৰা ঘৰুৱা শিক্ষা হিচাপে গাৰ্হস্থ্য বিজ্ঞান আৰম্ভ হোৱাৰ কথা উল্লেখ কৰি দেশত এই বিষয়ৰ অগ্ৰগতি-বিকাশৰ ধাৰা সম্পৰ্কত আলোকপাত কৰে। পূৰ্বৰ ঠেক পৰিসৰৰ বিপৰীতে বৰ্তমান এই ক্ষেত্ৰৰ পৰিসৰ বৃদ্ধিৰে ব্যক্তিগত তথা সামূহিকভাৱে দেশৰ বৌদ্ধিক ব্যৱস্থা তথা ৰাষ্ট্ৰীয় উত্তৰণৰ দিশত তথা সুখানুভূতিৰ হাৰ বৃদ্ধি কৰাৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানত যোৰহাট জিলা উপায়ুক্ত অশোক কুমাৰ বৰ্মনে সামূহিক বিজ্ঞান মহাবিদ্যালয় থিম ছং মুকলি কৰাৰ পাছত মহাবিদ্যালয়ৰ ভিডিঅ' মুকলি কৰে বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে। কফি টেবুল বুক মুকলি কৰে উপাচাৰ্য ড° ডেকাই। সামূহিক বিজ্ঞান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা আৰু বিষয়া-কৰ্মচাৰীসকলকো অনুষ্ঠানত সম্বৰ্ধনা জনোৱা হয়। সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সাংগঠনিক সম্পাদিকা ড° নন্দিতা ভট্টাচাৰ্যয়ো বক্তব্য আগবঢ়োৱা সভাখনত পঞ্জীয়ক তপন কুমাৰ গোহাঁইৰ লগতে বিশ্ববিদ্যালয়ৰ কে'বাজনো ৱাৰ্ড মেম্বাৰ, বিশেষ বিষয়াসকল, বিভাগীয় মুৰব্বীসকল, বিজ্ঞানীসকল, অধ্যাপক-অধ্যাপিকা আৰু শিক্ষাৰ্থীসকল উপস্থিত থাকে। আনহাতে, পুৱা পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণৰ পাছতে সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়।

শনিয়াদি ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিৱেশন

অগ্ৰদূত বাৰ্তা

হাজো, ৮ আগষ্ট ঃ হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ অন্তৰ্গত শনিয়াদি শাখা ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিৱেশন আজি দিনজোৰা কাৰ্যসূচীৰে নুষ্ঠিত হৈ যায়। হাজোৰ পশ্চিম বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত বাৰ্ষিক অধিৱেশন উপলক্ষে পুৱা সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন, ছহিদ বেদীত বন্তি প্ৰজ্বলন কৰা হয়। ইয়াৰ পিছত অনুষ্ঠিত মুকলি সভা অনুষ্ঠিত হয়। সভাত সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক ইমদাদুৰ ৰহমানে কয় যে সামাজিক দায়িত্ব ছাত্ৰ সন্থাই পালন কৰি আহিছে। ছাত্ৰ-ছাত্ৰীৰ সমস্যাৰ উপৰিও সমাজৰ উত্তৰণৰ হকে বলিষ্ঠ পদক্ষেপ হাতত লৈ আহিছে। সভাত হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক তপন দাস, হাজো অঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নৱজ্যোতি দাসকে ধৰি কে'বাগৰাকী আছনেতাই ছাত্ৰ সন্থাৰ কৰণীয় বিভিন্ন কাম-কাজৰ ওপৰত সাৱলীল বক্তব্য দাঙি ধৰি নৱ প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নৰ সমান্তৰালভাৱে সামাজিক দিশত কিছু পৰিমাণে হ'লেও ভূমিকা ল'বলৈ আহ্বান জনায়। ইয়াৰ পূৰ্বে বিষয় বাছনি সভাত আতিকুৰ ৰহমান আৰু হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ নেতৃত্বত নতুন ৩১ জনীয়া নতুন সমিতিখন গঠন কৰা হয়। শেষত সকলো বিষয়ববীয়াকে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি নৱগঠিত সমিতিয়ে যাতে নিজৰ কামৰ লগতে শনিয়াদি শাখাৰ সকলো ধৰণৰ কৰ্ম আৰু ৰাইজৰ হকে মাত মাকিত সততাৰে আগবাঢ়ি যাবলৈ আছু নেতৃত্বই আহ্বান জনায়।

ধাৰাপুৰত হস্ততাঁত দিৱস উপলক্ষে শিপিনীক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

আজাৰা, ৮ আগষ্ট ঃ ৰাষ্ট্ৰীয় হস্ততাঁত দিৱসৰ স'তে সংগতি ৰাখি হস্ততাঁত আৰু বস্ত্ৰশিল্পত পাৰদৰ্শিতা দেখুওৱা ন-গৰাকী পাকৈত শিপিনীক ধাৰাপুৰত কালি সদৌ অসম হস্ততাঁত সমবায় সন্থাৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা জনোৱা শিপিনীসকল ক্ৰমে গুমেইবৰীৰ আইজনী দাস, সৰু আগছিয়াৰ বীতা

বৈশ্য, গড়ল-ভট্টপাৰাৰ জোনালী দাস, ধাৰাপুৰৰ নিভা বৈশ্য আৰু নিৰোদা কলিতা, গড়ল দ-মিৰ্জাপুৰৰ মাধুৰী বৈশ্য, গোটানগৰৰ মীনা কুমাৰী, জাৰোপাৰাৰ লীলা বৈশ্য আৰু শিকাৰহাতীৰ মঞ্জু কৈৱৰ্ত।

উল্লেখ্য যে সদৌ অসম হস্ততাঁত সমবায় সন্থাৰ উদ্যোগত আৰু বৰঝাৰ সৰু আগছিয়া বোৱাকটা সমবায় সমিতিৰ সহযোগত কালি আজাৰা ৰাজহ চক্ৰৰ অন্তৰ্গত ধাৰাপুৰস্থিত দুৰ্গা মন্দিৰ প্ৰাংগণত অষ্টম সংখ্যক ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উদ্‌যাপন কৰাা হয়। ৰাষ্ট্ৰীয় হস্ততাঁত দিৱসৰ লগত সংগতি ৰাখি বিয়লি সমাজকৰ্মী সুভাষ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকি পশ্চিম গুৱাহাটী সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উদ্‌যাপনৰ অৰ্থ হৈছে শিপিনীসকলৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা আৰু কেন্দ্ৰ তথা ৰাজ্য চৰকাৰে গ্ৰহণ কৰা আঁচনিসমূহ শিপিনীসকলৰ মাজলৈ লৈ যোৱা। তেওঁ আৰু কয় যে হস্ততাঁত শিল্পটো আৱেগ আৰু স্বাভিমানৰ স'তে জড়িত হৈ আছে। এই আপুৰুগীয়া শিল্পটোৰ মৃত্যু হ'লে জাতিটোৱো মৃত্যু হ'ব। ৰাজ্য চৰকাৰে ৰাজ্যখনৰ শিপিনীসকলক পেঞ্চন দিয়াৰ লগতে হস্ততাঁত সমবায় সন্থাৰ সচিবসকলক প্ৰতি মাহে এক আৰ্থিক অনুদান আগবঢ়াব লাগে। সভাত সদৌ অসম হস্ততাঁত সমবায় সন্থাৰ কাৰ্যকৰী সভাপতি এন এন ৰাণা পাটগিৰি, ডিজাইনাৰ প্ৰশান্ত ঘোষ আদিকে ধৰি কে'বাজনো লোক উপস্থিত থাকে।

বগৰিবাৰীত স্বাধীনতা দিৱসৰ প্ৰাকমুহূৰ্তত সজাগতামূলক সভা

অগ্ৰদূত বাৰ্তা

বগৰিবাৰী, ৮ আগষ্ট ঃ পৰ্বতঝোৰা মহকুমাৰ বগৰিবাৰী আৰক্ষী গাঁওৰক্ষী বাহিনীৰ উদ্যোগত বগৰিবাৰী ৰাজহ চক্ৰ কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত আগন্তুক ১৫ আগষ্টত স্বাধীনতা দিৱস উপলক্ষে ৰাষ্ট্ৰীয় পতাকা উত্তোলনৰ ওপৰত এখন সজাগতামূলক সভা অনুষ্ঠিত হয়। ত্ৰিৰংগা পতাকাখনক ৰাষ্ট্ৰীয় সন্মান সহকাৰে সকলোৱে ঘৰে ঘৰে উত্তোলন কৰি দেশৰ প্ৰতি সন্মান জনাবলৈ আহ্বান জনায়। মহকুমাটোৰ কোনো ঠাইতে যাতে কোনো দুষ্টচক্ৰই কূটাঘাতমূলক কাৰ্য ঘটাব নোৱাৰে তাৰ প্ৰতি ৰাইজক সজাগ থাকিবলৈ আহ্বান জনায়। সমাজকৰ্মী তথা বগৰিবাৰী থানা কমিটীৰ উপদেষ্টা, মুখ্য উপদেষ্টা বিপ্লৱ মুখাৰ্জীৰ পৌৰোহিত্যত অনু

কাঁহিকুছি- মিৰ্জাপুৰত স্বাস্থ্য সেৱাৰ পয়ালগা অৱস্থা

পৰিত্যক্ত অৱস্থাত থাকিল চিকিৎসালয়

অগ্ৰদূত বাৰ্তা
আজাৰা, ৮ আগষ্ট ঃ আজাৰা ৰাজহ চক্ৰ অঞ্চলৰ কাঁহিকুছি আৰু মিৰ্জাপুৰ অঞ্চলৰ স্বাস্থ্য সেৱাৰ পয়ালগা অৱস্থাই জনসাধাৰণক চিন্তিত কৰি তুলিছে। কিয়নো উক্ত অঞ্চলত থকা দুয়োখন উপ-স্বাস্থ্য কেন্দ্ৰৰ ভৱন দুটা বছৰ বছৰ ধৰি পৰিত্যক্ত অৱস্থাতে থাকিল। উল্লেখ্য যে মিৰ্জাপুৰৰ বেলগুৰীয়া পাৰাত ২০০৯তে উপ-স্বাস্থ্য কেন্দ্ৰৰ বাবে এটা গৃহ নিৰ্মাণ কৰা হয়। উক্ত গৃহটো নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পাছত ২০০৯ৰ ২৪ ডিচেম্বৰত তদানীন্তন তথা বৰ্তমানৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই আনুষ্ঠানিকভাৱে মুকলি কৰে। আচৰিত কথা যে মুকলিৰ দিনা সন্ধিয়া উপ-স্বাস্থ্য কেন্দ্ৰটোত তলা লগোৱাৰ পাছত আজিলৈ আৰু খোল নাখালে। যাৰ ফলত সেই সময়ত দ্বাদশ বিত্তীয় আয়োগৰ অধীনত প্ৰায় ছলাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা চিকিৎসালয়ৰ গৃহটো সম্প্ৰতি ভূত বাংলাত পৰিণত হৈছে। গৃহটোৰ টিনৰ চালি ৰতাহে উৰুৱাই নিয়াৰ লগতে দুৱাৰ-খিৰিকীবোৰ ভাগি-ছিঙি গৈছে। ইফালে, মিৰ্জাপুৰ উপ-স্বাস্থ্য কেন্দ্ৰটো মিৰ্জাপুৰ মাজপাৰাতে বছৰ বছৰ ধৰি অস্থায়ী গৃহ এটাতে চলি আছে। আনহাতে, কাঁহিকুছি, যোগীপাৰা, ডেকাপাৰাৰ ৰাইজৰ বহুদিনীয়া দাবীৰ প্ৰতি সন্মান জনাই চৰকাৰে শ্যামভূমি হাইস্কুলৰ খেল পথাৰৰ দাঁতিত পাঁচ বছৰ মান পূৰ্বে কাঁহিকুছি উপ-স্বাস্থ্য কেন্দ্ৰৰ ভৱন এটা নিৰ্মাণ কৰা হয়। প্ৰায় আঠ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা উক্ত উপ-স্বাস্থ্য কেন্দ্ৰটো আজিলৈ জনসাধাৰণৰ বাবে মুকলি কৰা নহ'ল। ফলত উক্ত উপ-স্বাস্থ্য কেন্দ্ৰৰ গৃহটোও লাহে লাহে হাবি-জংঘলেৰে আগুৰি ধৰিছে। এনে অৱস্থাত অতি শীঘ্ৰে দুয়োখন চিকিৎসালয়ৰে জনসাধৰণক চিকিৎসাৰ সুবিধা প্ৰদান কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক আহ্বান জনাইছে।

নিষিদ্ধ হেৰ'ইনসহ আটক দুই সৰবৰাহকাৰী

ড্ৰাগছৰ বিৰুদ্ধে নামৰূপ আৰক্ষীৰ তীব্ৰতৰ অভিযান

নামৰূপ, ৮ আগষ্ট ঃ নামৰূপ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নীলকমল বৰুৱাৰ নেতৃত্বত আৰক্ষীৰ এটা দলে বিশেষ তথ্যৰ ভিত্তিত চলোৱা অভিযানত আজি নামৰূপ মহাবিদ্যালয়ৰ সমীপৰ এটি নিজান পথত নিষিদ্ধ হেৰ'ইনসহ দুই যুৱকক আটক কৰে। ধৃত যুৱকদ্বয় দলং গাঁৱৰ চ'হিল বড়া আৰু কছাৰী পথাৰ গাঁৱৰ বিনোদ বড়ো। আৰক্ষীৰ পৰা পোৱা তথ্য অনুসৰি নামৰূপ আৰক্ষীয়ে যুৱকদ্বয়ৰ জিম্মাৰ পৰা দুটা ধপাতৰ টেমাত প্ৰায় একগ্ৰাম নিষিদ্ধ হেৰ'ইন, তিনিটা ম'বাইল ফোন আৰু এখন স্কুটী জব্দ কৰিবলৈ সক্ষম হয়। বাতৰি লিখা পৰলৈকে নামৰূপ আৰক্ষীয়ে এনডিপিএছ আইনৰ অধীনত এক গোচৰ পঞ্জীয়ন কৰি যুৱকদ্বয়ক জেৰা তথা তদন্ত অব্যাহত ৰাখিছে। উল্লেখ্য যে নামৰূপৰ সচেতন ৰাইজে ঔদ্যোগিক অঞ্চলটোৰ আৱাসিক অঞ্চলৰ গলিবোৰত আন্ধাৰৰ সুযোগ লৈ সন্ধিয়া যুৱপ্ৰজন্মৰ একাংশই নিচা সেৱন কৰাৰ বিষয়ে বিভিন্ন সময়ত অভিযোগ উত্থাপন কৰি আহিছিল। শেহতীয়াকৈ নামৰূপ আৰক্ষীয়ে বৃহৎ পৰিমাণৰ গাঞ্জাৰ স'তে এজন লোকক গ্ৰেপ্তাৰ কৰাৰ এটা পযেকৰ ভিতৰতে আজি পুনৰ নিষিদ্ধ হেৰ'ইনসহ দুই যুৱক আটক হোৱা ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাৰ লগতে ৰাইজৰ অভিযোগৰ সত্যতাক প্ৰতিফলিত কৰিছে। ইফালে, নামৰূপ আৰক্ষীৰ শেহতীয়া এই স্থিতিক, ড্ৰাগছ বিৰোধী অভিযান তীব্ৰতৰ কৰি ৰখাৰ বাবে অ'চি নীলকমল বৰুৱাক প্ৰশংসা কৰিছে উদ্যোগ নগৰীৰ সচেতন ৰাইজে।

তামাৰহাটত দুই ড্ৰাগছ সেৱনকাৰী গ্ৰেপ্তাৰ

তামাৰহাট, ৮ আগষ্ট ঃ স্বাধীনতা দিৱসৰ প্ৰাক মুহূৰ্তত আৰক্ষীয়ে অভিযান চলাই ধুবুৰী জিলাৰ তামাৰহাটত ড্ৰাগছসহ দুজনক গ্ৰেপ্তাৰ কৰে। তামাৰহাটত আৰক্ষীয়ে অভিযান চলাই দুজন যুৱকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। জিলাখনৰ অসম-বংগ সীমান্তৱৰ্তী কোকিলাডাংগা গাঁৱৰ পৰা যোৱা নিশা যুৱক দুজনক হাতে-লোটে গ্ৰেপ্তাৰ কৰে যদিও আন এজন পলাই যাবলৈ সক্ষম হয়। আৰক্ষীয়ে বিশেষ খবৰৰ ভিত্তিত অভিযান চলাই যুৱক দুজনক গ্ৰেপ্তাৰ কৰে যদিও ড্ৰাগছৰ পৰিমাণ একেবাৰে কম আছিল। গ্ৰেপ্তাৰ হোৱা যুৱক দুজন কোকিলাডাংগাৰ মুকতাদিল আৰু বংগৰ কোচবিহাৰ জিলাৰ পূৰ্ব ফলিমাৰী গাঁৱৰ নাচিৰ শ্বেখ। উল্লেখ্য যে পশ্চিম কোচবিহাৰ জিলাৰ বক্সিৰহাটৰ এজন যুৱকে এই দুজন যুৱকৰ সহায়ত দীৰ্ঘদিন ধৰি ড্ৰাগছৰ বেহা চলাই আহিছে।

যোগাযোগ বিচ্ছিন্ন হ'ল কে'বাখনো গাঁৱৰ

নুমলীগড়ত মুষলধাৰ বৰষুণৰ ফলত ছিগিল পথ

অগ্ৰদূত বাৰ্তা
নুমলীগড়, ৮ আগষ্ট ঃ যোৱা নিশা মুষলধাৰ বৰষুণৰ ফলত ৰংবংবাসী ৰাইজৰ বিস্তৰ ক্ষতিসাধন হয়। পংকা চাৰিআলিৰ পৰা চাৰি নম্বৰ ৰংবঙৰ টংটংতলি হৈ এক নম্বৰ ৰংবং সংযোগী পথৰ কালভাৰ্টসহ পথৰ এছোৱা বৰষুণৰ ফলত সৃষ্টি হোৱা বাঢ়নী পানীয়ে উটুৱাই নিয়ে। ইয়াৰ ফলশ্ৰুতিত এক নম্বৰ ৰংবংসহ এক বিস্তৰ অঞ্চলৰ সংযোগ বিচ্ছিন্ন হৈ পৰিছে। তদুপৰি বৃহত্তৰ অঞ্চলটোৰ কৃষক ৰাইজে মূৰৰ ঘাম মাটিত পেলাই কৰা ধাননি ডৰাও পানীৰে উপচি পৰে। একেদৰে গৰাখহনীয়াৰ ফলত চাহ বাগিচাকে আদি কৰি বিস্তৰ কৃষিভূমিও জানৰ পানীত জাহ যায়। এই ক্ষেত্ৰত অঞ্চলটোৰ ৰাইজে পথৰ বিচ্ছিন্ন অংশ শীঘ্ৰে নিৰ্মাণৰ দাবী জনাইছে।

নামৰূপত ভাৰত ত্যাগ আন্দোলনৰ বৰ্ষপূৰ্তি

অগ্ৰদূত বাৰ্তা
নামৰূপ, ৮ আগষ্ট ঃ প্ৰধানমন্ত্ৰীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই নামৰূপস্থ ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্পৰেছন লিমিটেডে স্বাধীনতাৰ অমৃত মহোৎসৱৰ দ্বিতীয় পৰ্যায়ৰ বছৰজোৰা কাৰ্যসূচীৰ আজি উদ্বোধন কৰে।

উল্লেখ্য যে দেশজুৰি পালন কৰি অহা 'আজাদী কা অমৃত মহোৎসৱ'ৰ অংশৰূপে নামপৰূপত আজি আঠ আগষ্টৰ দিনটোত ভাৰত ত্যাগ আন্দোলনৰ বৰ্ষপূৰ্তি উদ্‌যাপন কৰে। উদ্বোধনী কাৰ্যসূচীৰূপে ব্ৰহ্মপুত্ৰ সাৰ নিগমৰ উৎপাদন আৰু বিত্ত বিভাগৰ পৰিচালন সঞ্চালকদ্বয়ৰ নেতৃত্বত ভাৰত ত্যাগ আন্দোলনৰ স্মৃতিত নামৰূপ সাৰ কাৰখানাৰ চিএমডি বাংলোৰ পৰা গান্ধী ময়দানলৈ এক পদযাত্ৰা বাহিৰ কৰা হয়। উক্ত পদযাত্ৰাত সাৰ নিগমৰ কৰ্মচাৰী আৰু বিষয়াবৰ্গৰ লগতে উদ্যোগটোৰ লগত জড়িত চিআইএছএফ জোৱানসকলে অংশগ্ৰহণ কৰি গান্ধী ময়দানত উপস্থিত হয় আৰু জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ কৰে। তাৰ লগতে সাৰ উদ্যোগটোৰ প্ৰশাসনিক বিভাগৰ জ্যেষ্ঠ প্ৰবন্ধক আৰু স্বাধীনতাৰ অমৃত মহোৎসৱৰ মুখ্য সমিতিৰ সদস্য পংকজ গগৈয়ে 'স্বাধীনতাৰ অমৃত মহোৎসৱ' উপলক্ষে বৰ্ষজুৰি গ্ৰহণ কৰিবলগীয়া বিভিন্ন কাৰ্যসূচী যেনে কুইজ প্ৰতিযোগিতা, বাটৰ নাট, বিভিন্ন ক্ৰীড়া কাৰ্যসূচী, ৰক্তদান শিবিৰ ইত্যাদি তিনিটা বিভাগত পৰ্যায় ক্ৰমে অনুষ্ঠিত কৰা হ'ব বুলি এক আনুষ্ঠানিক বিবৃতিৰ জৰিয়তে জানিবলৈ দিয়ে। ইফালে, পৰৱৰ্তী পৰ্যায়ত সাৰ নিগমে প্ৰতিটো আৱাস গৃহত ত্ৰিৰংগা পতাকা বিতৰণ কৰাৰ লগতে আৰু ৭৬ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন কৰিব বুলি জনাই।

বাগ্‌সাৰ ৰান্ধনীপাৰাত বজ্ৰপাতত সাতটা গৰুৰ মৃত্যু



অগ্ৰদূত বাৰ্তা
জালাহ, ৮ আগষ্ট ঃ বাগ্‌সা জিলাৰ ভূটান সীমান্তৱৰ্তী ৰান্ধনীপাৰা গাঁৱত যোৱা নিশা প্ৰায় ২.৩০ বজাত দুজনী খীৰতী গাইৰ লগতে পোৱালিসহ সাতটা গৰুৰ বজ্ৰপাতত মৃত্যু হয়। ৰান্ধনীপাৰা গাঁৱৰ নবীন বসুমতাৰী নামৰ লোকজনে নিজৰ গোহালিত বান্ধি ৰখা অৱস্থাতে নিশা ভয়ংকৰ বিজুলী-গাজনিৰে অহা বৰষুণজাকৰ সময়তে হোৱা বজ্ৰপাতৰ ফলত সাতটাকৈ গৰুৰ ঠাইতে মৃত্যু হয়।

বৰখালাত পুখুৰীৰ পানীত ওপঙা অৱস্থাত মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা
বাহাৰঘাট, ৮ আগষ্ট ঃ আজি পুৱা ঘগ্ৰাপাৰ আৰক্ষী থানাৰ অন্তৰ্গত বৰখালা গাঁৱৰ এঘৰৰ বাৰীত থকা পুখুৰীত এটি মৃতদেহ উদ্ধাৰ হয়। মৃতদেহটো ছমাৰকুছি গাঁৱৰ ৬০ বছৰীয়া কৃষ্ণৰাম ডেকা বুলি চিনাক্ত হয়। মৃত লোকজনৰ পুত্ৰই চিনাক্ত কৰে মৃতদেহটো। তথ্য মতে, সামান্যভাৱে মানসিক বিকাৰগ্ৰস্ত লোকজন দেওবাৰৰ পৰা সন্ধানহীন হৈ আছিল। যোৱা নিশাৰে পৰা বিচাৰ-খোচাৰ কৰিও পিতৃৰ সন্ধান উলিয়াব নোৱাৰি হতাশ হৈ পৰিছিল পুত্ৰ প্ৰাঞ্জল ডেকা। অৱশেষত আজি দুপৰীয়া খবৰটো পাই পুত্ৰই প্ৰত্যক্ষ কৰি পিতৃৰ মৃতদেহ বুলি চিনাক্ত কৰে। উল্লেখ্য যে কিছুদিন পূৰ্বে লোকজনৰ পত্নী নিহত হোৱাৰ পাছৰে পৰা লোকজনৰ পূৰ্বৰে পৰা থকা মানসিক ৰোগটো বেছি হোৱা বুলি একাংশ গাঁওবাসীয়ে সদৰী কৰে। মৃত্যুৰ সময়ত তেওঁ দুই বিবাহিত কন্যাৰ লগতে একমাত্ৰ পুত্ৰ প্ৰাঞ্জলক ইহসংসাৰত এৰি যায়।

অৱশেষত মৃত্যুৰে হাৰ মানিলে কলিয়াবৰৰ কেলিডেন চাহ বাগিচাত আঘাতপ্ৰাপ্ত হাতীজনীয়ে

অগ্ৰদূত বাৰ্তা
কলিয়াবৰ, ৮ আগষ্ট ঃ বিগত ৪৮ ঘণ্টাই জীৱন-মৃত্যুৰে যুঁজি যুঁজি অৱশেষত নিয়তিৰ ওচৰত হাৰ মানিলে কলিয়াবৰৰ কেলিডেন চাহ বাগিচাৰ দুৰ্গম অঞ্চলত আঘাতপ্ৰাপ্ত বনৰীয়া হাতীজনীয়ে। আজি দিনৰ ২-৩০ বজাত মৃত্যু হ'ল হাতীজনীৰ। উল্লেখ্য যে কেলিডেন চাহ বাগিচাৰ লক্ষীবস্তিৰ হোলাত আবদ্ধ হৈ আছিল প্ৰায় ৪৫ বছৰীয়া মাইকী হাতীজনী। উত্তৰাঞ্চল শালনা বনাঞ্চলৰ অন্তৰ্গত টুঙীয়া পাহাৰৰ নামনিত বোকাৰ মাজত আবদ্ধ হৈ পৰিছিল গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হাতীজনী। জংঘলৰ মাজত অন্য হাতীৰে সংঘটিত সংঘৰ্ষৰ ফলতেই আহত হৈছিল এই হাতীজনী। আঘাতপ্ৰাপ্ত অৱস্থাত উদ্ধাৰৰ পাছতে বনবিভাগে হাতীজনীক চিকিৎসাৰ ব্যৱস্থা কৰিছিল যদিও সুষ্ঠ হৈ নুঠিল হাতীজনী। আঘাতৰ পাছতে ঘটনাস্থলীত চি ডব্লিউ আৰচিৰ চিকিৎসক দল উপস্থিত আৰম্ভ কৰিছিল চিকিৎসা। চিকিৎসাৰ লগতে হাতীজনীক উদ্ধাৰৰ বাবে বন বিভাগৰ আন আন অভিযানো অব্যাহত ৰাখিছিল। দুখনকৈ এক্সকাভেটৰৰ সহায়ত হাতীজনীক উদ্ধাৰৰ বাবে চেষ্টা চলাইছিল বন বিভাগে। কিন্তু যথেষ্ট দুৰ্গম অঞ্চলত ঘটনাতো সংঘটিত হোৱাৰ বাবেই উদ্ধাৰ অভিযানত যথেষ্ট অসুবিধাৰ সন্মুখীন হোৱা বুলি প্ৰকাশ কৰিছিল বনবিভাগৰ লোকে। ইফালে. হাতীজনী উদ্ধাৰৰ ক্ষেত্ৰত স্থানীয় লোকেও সহযোগিতা আগবঢ়াইছে। কিন্তু এই সকলো প্ৰচেষ্টা অথলে যোৱাই আজি কৰুণ মৃত্যুক সাৱটি ল'লে হাতীজনীয়ে। স্থানীয় লোকে প্ৰকাশ কৰা অনুসৰি পোৱালি হোৱাৰ পাছতে দুৰ্বল হৈ পৰিছিল এই হাতীজনী। আৰু এনে সময়তে আন হাতীৰে হোৱা সংঘৰ্ষৰ ফলতে আঘাতপ্ৰাপ্ত হৈ হাতীজনীয়ে কৰুণ মৃত্যুক সাৱটিলে।

নগাঁৱত পথ দুৰ্ঘটনাত মটৰ চাইকেল আৰোহীৰ মৃত্যু

বিশেষ সংবাদদাতা
নগাঁও, ৮ আগষ্ট ঃ নগাঁও চহৰৰ মাজমজিয়াৰ ষ্টেডিয়াম মাৰ্কেটৰ সমীপত যোৱা নিশা এক পথ দুৰ্ঘটনা সংঘটিত হয়। এই দুৰ্ঘটনাত এজন মটৰ চাইকেল আৰোহীৰ থিতাতে মৃত্যু হয়। মৃত মটৰ চাইকেল আৰোহীজনৰ নাম ভাস্কৰ বৰা। নগাঁৱৰ যানবাহন আৰক্ষী সূত্ৰই জনোৱা মতে, নিশা প্ৰায় ১০ বজাত দ্ৰুতবেগত অহা চাৰিচকীয়া এখন বাহনে মটৰ চাইকেল আৰোহীজনক মহতিয়াই নিয়াৰ বাবেই এই দুৰ্ঘটনা সংঘটিত হয়। এএছ-০১ ভি এক্স-৭৪৪৮ নম্বৰৰ নিচান বাহনখনে এএছ-০২ এফ-৫৪৪০ দুচকীয়া বাহনখনত খুন্দা মৰাৰ ফলত মটৰ চাইকেল আৰোহী বৰা থিতাতে নিহত হয়। দুৰ্ঘটনা সংঘটিত কৰিয়েই নিচান গাড়ীখনত থকা চালক আৰু আৰোহীয়ে পলায়ন কৰে। অৱশ্যে পাছত আৰক্ষীয়ে দুৰ্ঘটনা সংঘটিত কৰা নিচান বাহনখন জব্দ কৰিছে। নিচান বাহনখনৰ ভিতৰত আৰক্ষীয়ে সুৰাৰ বটল উদ্ধাৰ কৰিবলৈ সক্ষম হয়। চাৰিচকীয়া বাহনখনত সুৰাৰ বটল উদ্ধাৰ হোৱা কাৰ্যই এই কথা প্ৰতীয়মান কৰে যে চাৰিচকীয়া বাহনখনত থকা চালক আৰু আৰোহী সুৰাৰ ৰাগিত মতলীয়া অৱস্থাত আছিল। উল্লেখ্য যে দুৰ্ঘটনা সংঘটিত হোৱাৰ সময়ত নগাঁও চহৰত ধুমুহা-বৰষুণ হৈ আছিল। দুৰ্ঘটনাত মৃত্যু হোৱা বৰাৰ ঘৰ নগাঁৱৰ চলচলী বিৰহী গাঁৱত।

কচুৰাত জ্বৰত এজনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
কচুৰা, ৮ আগষ্ট ঃ কচুৰা-কামপুৰ অঞ্চলত জাপানীজ এনকেফেলাইটিছ ৰোগৰ আতংক মাৰ নৌযাওঁতেই কচুৰা-সোণাৰুগুৰিত আজি এজন শ্ৰমিকৰ জ্বৰত আকস্মিক মৃত্যু হয়। কচুৰা আদৰ্শ চিকিৎসালয়ৰ অন্তৰ্গত সোণাৰুগুৰিৰ প্ৰয়াত মোহিবালা দাসৰ পুত্ৰ দীপু দাস (৪০) নামৰ লোকজনে দৈনিক আনৰ ঘৰত দিন মজুৰি কৰি পৰিয়াল পোহপাল দিছিল। আজি পুৱাই দাসে গাঁৱৰে এজনৰ লগত গেৰজাইপামত দিন মজুৰি কৰিবলৈ ঘৰৰ পৰা ওলাই যায়। কাম কৰি থকা অৱস্থাত হঠাৎ শ্ৰমিকজন অসুস্থ হৈ পৰে। অৱশ্যে লৰালৰিকৈ অসুস্থ লোকজনক চিকিৎসালয়ৰ পৰিৱৰ্তে ঘৰলৈ লৈ আহে। কামলৈ যোৱাৰ সময়ত পৰিয়ালৰ লোকে সুস্থ বুলি জনায়। কাম কৰি থকা অৱস্থাত অতি দুৰ্বল হৈ পৰে আৰু শৰীৰটোৰ অতিপাত গৰম হৈ পৰে। অসুস্থ হোৱাৰ পাছতে তেওঁ ভুল বকিবলৈ ধৰে। কেইঘণ্টামানৰ পাছতে দাসে নিজ ঘৰতে শেষনিশ্বাস ত্যাগ কৰে।

কামপুৰত দিন দুপৰতে চুৰি

অগ্ৰদূত বাৰ্তা
কামপুৰ, ৮ আগষ্ট ঃ কামপুৰ থানাৰ অন্তৰ্গত ভলভলীয়া গাঁৱত আজি দিন দুপৰতে এটি গৃহত চুৰি কাৰ্য সংঘটিত হয়। কামপুৰ এম ভি স্কুলৰ শিক্ষক পৱন বৰাৰ গৃহত কোনো নথকাৰ সুযোগ লৈ চোৰৰ দল প্ৰৱেশ কৰি আ-অলংকাৰ আৰু নগদ ১৫ হেজাৰ টকা লুট কৰি নিয়ে। চোৰে চিলিং মেচিনেৰে কাটি এই চুৰি কাৰ্য কৰে। পাছত ঘটনাৰ খবৰ পাই কামপুৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ তদন্ত অব্যাহত ৰাখিছে।

পৰিবহণ বিভাগৰ উদ্যোগত গোৱালপাৰাত মটৰ চাইকেল ৰেলী

অগ্ৰদূত বাৰ্তা
মাটিয়া, ৮ আগষ্ট ঃ 'আজাদী কা অমৃত মহোৎসৱ' উপলক্ষে পৰিবহণ বিভাগে আজি গোৱালপাৰাত মটৰ চাইকেল সমদল উলিয়াই। গোৱালপাৰা জিলা পৰিবহণ বিষয়া মনোজ কুমাৰ চৌধুৰীয়ে উদ্বোধন কৰা মটৰ চাইকেল সমদলত প্ৰায় তিনি শতাধিক লোকে অংশগ্ৰহণ কৰে। গোৱালপাৰা চহৰৰ ভালুকডুবিস্থিত জিলা পৰিবহণ বিভাগৰ কাৰ্যালয়ৰ পৰা উলিওৱা ৰেলীৰ প্ৰতিখন মটৰ চাইকেলত ত্ৰিৰংগা পতাকা লগাই আগিয়া হৈ গোৱালপাৰা চহৰৰ বিভিন্ন ৰাজপথেদি পৰিক্ৰমা কৰি পুনৰ পৰিবহণ বিষয়াৰ কাৰ্যালয়ত সামৰণি পেলায়। আজিৰ মটৰ চাইকেল সমদলৰ জৰিয়তে মটৰ চাইকেল চলাওতে হেলমেট পিন্ধাৰ সজাগতাৰ লগতে 'আজাদী কা অমৃত মহোৎসৱ' উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনোৱা আহ্বান অনুসৰি অহা ১৩ৰ পৰা ১৫ আগষ্টলৈকে সকলোৰে ঘৰে ঘৰে ত্ৰিৰংগা উৰুৱাবলৈ মাইকযোগে আহ্বান জনায়।

লখিমপুৰত ধুমুহাত বিস্তৰ ক্ষতি

চহৰখনত ১২ ঘণ্টা বিদ্যুৎ সেৱা ব্যাহত

অগ্ৰদূত বাৰ্তা
লখিমপুৰ, ৮ আগষ্ট ঃ লখিমপুৰত উৎকট গৰমৰ মাজতে আজি পুৱতি নিশা হঠাৎ অহা এজাক বতাহ-ধুমুহাত লখিমপুৰ চহৰৰ লগতে কাকৈ ৰাজগড়, কদম, চৰাইমৰীয়া আদি বিভিন্ন স্থানত ঘৰ-দুৱাৰ উৰুৱাই নিয়াৰ লগতে গছ-গছনি আৰু বিদ্যুতৰ খুঁটা পৰি, তাঁৰ ছিগি পৰাৰ ফলত চহৰখনৰ উপৰি গাঁৱে-ভূঞে স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত হয়। উল্লেখ্য যে চহৰখনৰ জিলা পুঁথিভঁৰালৰ চৌহদত থকা এজোপা প্ৰকাণ্ড গছ উভালি পৰাৰ ফলত ৰাস্তা বন্ধ হৈ পৰাৰ লগতে বিদ্যুতৰ খুঁটা পৰি তাঁৰ ছিগি ভাঙি পৰে। এনেদৰে চহৰখনৰ চাপৰি গাঁও, হৰিজন আদি বিভিন্ন স্থানত প্ৰকাণ্ড গছবোৰ উভালি পৰাত বিদ্যুৎ সেৱা বন্ধ হৈ পৰাত পুৱতি নিশাৰ পৰা সন্ধিয়ালৈকে স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত হৈ পৰে। লখিমপুৰবাসীয়ে আজি গোটেই দিনটো বিদ্যুৎ সেৱা অবিহনে উৎকট গৰমৰ মাজতে দিন পাৰ কৰিবলগীয়া হয়।

চতুৰ্দশ অসম আৰক্ষী বেটেলিয়নৰ পদযাত্ৰা

মুকালমুৱা, ৮ আগষ্ট ঃ স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে কেন্দ্ৰীয় চৰকাৰে উদ্‌যাপন কৰা 'আজাদী কা অমৃত মহোৎসৱ'ৰ অংশৰূপে 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচীৰ অংশৰূপে আজি নলবাৰী জিলাৰ মুকালমুৱাৰ দৌলাশালস্থিত চতুৰ্দশ অসম আৰক্ষী বেটেলিয়নৰ জোৱানসকলে এক সজাগতা শোভাযাত্ৰা উলিয়ায়। চৰকাৰৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই বাহিনীটোৰ অধিনায়ক উজ্জ্বলপ্ৰতীম বৰুৱাৰ নিৰ্দেশত পুৱা মুখ্য কাৰ্যালয়ৰ পৰা উলিওৱা এই শোভাযাত্ৰা বামুণবড়ীলৈ উলিওৱা হয়। সৰু-ডাঙৰ জাতীয় পতাকাৰে দুচকীয়া, চাৰিচকীয়া আৰু পদযাত্ৰাৰে উলিওৱা এই দৃষ্টিনন্দন শোভাযাত্ৰাই ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰে। শ শ লোকে শোভাযাত্ৰালৈ ওলাই আহি হাত জোকাৰি সঁহাৰি জনায়। আনহাতে, শোভাযাত্ৰাত অংশগ্ৰহণকাৰী আৰক্ষীৰ জোৱানসকলে 'বন্দে মাতৰম'কে ধৰি বিভিন্ন দেশপ্ৰেমমূলক শ্ল'গানৰে আকাশ-বতাহ মুখৰিত কৰি তোলে। লগতে স্বাধীনতা দিৱসৰ ইতিহাস আৰু ইয়াৰ তাৎপৰ্য মাইকযোগে ৰাইজক অৱগত কৰে।

সৰুপথাৰত অমৃত সৰোবৰ প্ৰকল্পৰ অধীনত তিনিটাকৈ পুখুৰীৰ খনন কাৰ্য আৰম্ভ

সৰুপথাৰ, ৮ আগষ্ট ঃ গোলাঘাট জিলাৰ ধনশিৰি মহকুমাৰ অন্তৰ্গত দক্ষিণ উন্নয়ন খণ্ড, সৰুপথাৰ অসম-নগালেণ্ড সীমান্তৱৰ্তী হালধিবাৰী লাচিত গাঁও, চিলনিজান আৰু চুঙাজান এম ভি গাঁও অঞ্চলত অমৃত সৰোবৰ প্ৰকল্পৰ অধীনত তিনিটা পুখুৰীৰ খনন কাৰ্য আৰম্ভ হৈছে। কালি কেন্দ্ৰীয় চৰকাৰৰ ধ্বজাবাহী আঁচনি অমৃত সৰোবৰ প্ৰকল্পৰ অধীনত এই পুখুৰীকেইটাৰ খনন আৰম্ভ কৰা হয়। জিলা গ্ৰামোন্নয়ন অভিকৰণৰ প্ৰকল্প সঞ্চালক অবিনাশ হাজৰিকাই জানিবলৈ দিয়ে যে জিলাখনত চলিত বৰষুণৰ বতৰতে শীঘ্ৰে খনন কৰিব পৰাকৈ তিনিটা স্থানৰ প্ৰস্তাৱ দিয়া হৈছিল আৰু সেই অনুসৰি এই অমৃত সৰোবৰ পুখুৰীকেইটাৰ খনন আৰম্ভ কৰা হৈছে। উল্লেখ্য যে ভৱিষ্যতৰ বাবে পানী সংৰক্ষণৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২২ৰ ২৪ এপ্ৰিলত এই অভিযানৰ বিষয়ে ঘোষণা কৰিছিল। ইয়াৰ অধীনত নিৰ্মাণ হ'বলগীয়া প্ৰতিটো পুখুৰীত ১০,০০০ কিউবিক পানী সংৰক্ষণৰ ক্ষমতা থাকিব। ৰাইজৰ অংশগ্ৰহণ এই অভিযানৰ অন্যতম লক্ষ্য। গোলাঘাট জিলাৰ আঠটা উন্নয়ন খণ্ডৰ বিভিন্ন অঞ্চলত ৭৫ টা অমৃত সৰোবৰ পুখুৰী (প্ৰতিটো পুখুৰী এক হেক্টৰকৈ) খন্দাৰ বাবে পৰিকল্পনা গ্ৰহণ কৰা হৈছে। পানী সংৰক্ষণৰ লগতে এই পুখুৰীৰ চৌপাশে সৌন্দৰ্যবৰ্ধনৰো ব্যৱস্থা কৰিব। অমৃত সৰোবৰ প্ৰকল্পৰ পুখুৰী খনন অনুষ্ঠানত জিলা অভিকৰণৰ প্ৰকল্প সঞ্চালক অবিনাশ শইকীয়া, জিলা মীন উন্নয়ন বিষয়া সীমান্ত কোঁৱৰ, দক্ষিণ উন্নয়ন খণ্ড, সৰুপথাৰ উন্নয়ন খণ্ড বিষয়া লোকনাথ দাস, সহকাৰী অভিযন্তা লক্ষীনন্দন বৰা আৰু সৰুপথাৰ সমষ্টিৰ বিধায়কৰ প্ৰতিনিধি, পঞ্চায়তৰ প্ৰতিনিধিৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে।

বৰমাত হৰ ঘৰ ত্ৰিৰংগাৰ ৰেলী

অগ্ৰদূত বাৰ্তা
মুছলপুৰ, ৮ আগষ্ট ঃ 'আজাদী কা অমৃত মহোৎসৱ'ৰ অংশ হিচাপে আজি বাগ্‌সা জিলাৰ বৰমা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত এক ৰেলী উলিওৱা হয়। 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী ৰূপায়ণৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই বৰমাৰ কাৰ্যালয়ৰ পৰা আৰম্ভ কৰি বিভিন্ন ঠাই পৰিভ্ৰমণ কৰি পুনৰ বৰমা ব্লকত মিলিত হয়। বৰমা ব্লকৰ বি ডি অ' ডেভিডচন দৈমাৰীৰ নেতৃত্বত এই ৰেলী উলিওৱা হয়। 'হৰ ঘৰ ত্

পদক তালিকাৰ চতুৰ্থ স্থানত থাকি কমনৱেলথ গেমছত অভিযান সামৰিলে ভাৰতে

সিন্ধু, লক্ষ্য, চিৰাগ-ছাটৱিকৰ সোণ

বাৰ্মিংহাম, ৮ আগষ্ট ঃ চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছৰ অন্তিমদিনা ভাৰতীয় শ্বাটলাৰে অদমনীয় প্ৰদৰ্শনৰে তিনিটা সোণ লাভ কৰিবলৈ সক্ষম হয়। আজি ভাৰতক প্ৰথমটো সোণ দিয়ে পি ভি সিন্ধুই। মহিলাৰ একক শাখাৰ ফাইনেলত সিন্ধুই কানাডাৰ মিচেল লীক ২১-১৫, ২১-১৩ ৰ ব্যৱধানত পৰাস্ত কৰি কেৰিয়াৰ প্ৰথমটো কমনৱেলথ গেমছৰ পদক জয় কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে ছেমিফাইনেলত দুবাৰৰ অলিম্পিক পদকজয়ী সিন্ধুই ২১-১৯, ২১-১৭ ৰ ব্যৱধানত পৰাস্ত কৰিছিল ছিংগাপুৰৰ জিয়া মেনক। ইফালে, সিন্ধুৰ এই স্বৰ্ণ গৌৰৱৰ পাছতে বেডমিণ্টনত ভাৰতক দ্বিতীয়টো সোণ দিয়ে নৱ তাৰকা লক্ষ্য সেনে। পুৰুষৰ একক শাখাৰ ফাইনেলত সেনে মালয়েছিয়াৰ ইয়ঙক ১৯-২১, ২১-৯, ২১-১৬ ৰ ব্যৱধানত পৰাস্ত কৰি সোণ লাভ কৰে। উল্লেখ্য যে এয়া লক্ষ্যৰ প্ৰথমখন কমনৱেলথ গেমছ। ইয়াৰপূৰ্বে ছেমিফাইনেলত লক্ষ্যই ২১-১০, ১৮-২১, ২১-১৬ ৰ ব্যৱধানত পৰাস্ত কৰিছিল ছিংগাপুৰৰ জিয়া হেঙক। ইফালে, সিন্ধু আৰু সেনৰ সাফল্যই উৎসাহিত কৰে পুৰুষ ডাবলছ যুটি চিৰাগ চেট্টী আৰু ছাটৱিকছৈৰাজ ৰেংকিৰেড্ডীক। স্বৰ্ণ জয়ৰ যুঁজত ঘৰুৱা খেলুৱৈক ২১-১৫, ২১-১৫ ৰ ব্যৱধানত পৰাস্ত কৰি ঐতিহাসিক সোণ অৰ্জন কৰে চিৰাগ-ৰেড্ডীয়ে। উল্লেখ্য যে এয়া কমনৱেলথ গেমছত ভাৰতীয় পুৰুষ শ্বাটলাৰৰ প্ৰথমটো ডাবলছ খিতাপ। ইয়াৰপূৰ্বে ছেমিফাইনেলত চিৰাগ আৰু ছাটৱিকছৈৰাজে ২১-৬, ২১-১৫ ৰ ব্যৱধানত পৰাস্ত কৰিছিল মালয়েছিয়াৰ প্ৰতিদ্বন্দ্বীক। এই তিনি সোণৰ লগতে ভাৰতৰ কিদাম্বি শ্ৰীকান্তে পুৰুষৰ একক শাখাৰ ব্ৰঞ্জ পদকৰ মেচত ২১-১৮, ২১-১৫ ৰ ব্যৱধানত জয় হৈ পদক লাভ কৰে। ছেমিফাইনেলত ১৩-২১, ২১-১৯, ২১-১০ ৰ ব্যৱধানত পৰাস্ত হৈছিল শ্ৰীকান্ত। আনহাতে, মহিলাৰ ডাবলচ শাখাৰ ছেমিফাইনেলত পৰাস্ত হৈ ব্ৰঞ্জৰ বাবে মেচ খেলা তৃষা আৰু গায়ত্ৰী যুটীয়েও সফলতা লাভ কৰে। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ২১-১৫, ২১-১৮ ৰ ব্যৱধানত জয় হয় তৃষা আৰু গায়ত্ৰী। ছেমিত তৃষা আৰু গায়ত্ৰী ১৩-২১, ১৬-২১ ৰ ব্যৱধানত পৰাস্ত হৈছিল। উল্লেখ্য যে ভাৰতীয় বেডমিণ্টন দলে ইয়াৰপূৰ্বে দলীয় মিক্সড শাখাত ৰূপৰ পদক লাভ কৰিছিল। আজি ভাৰতে বেডমিণ্টনত তিনিটা সোণ লাভ কৰাৰ বাবেই পদক তালিকাৰ চতুৰ্থ স্থানত থাকি কমনৱেলথ গেমছত অভিযান সামৰে। ভাৰতে ২২ টা সোণ, ১৬ টা ৰূপ আৰু ২৩ টাসহ মুঠ ৬১ টা পদক লাভ কৰে।

দলীয়-একক-ডাবলছ-মিক্সডত পদক

টেবুল টেনিছত তিনিটা সোণ জয় শৰথ কমলৰ

বাৰ্মিংহাম, ৮ আগষ্ট ঃ ভাৰতৰ অভিজ্ঞ পেডলাৰ শৰথ কমলে আজি সামৰণি পৰা ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত দেশক তিনিটা সোণসহ মুঠ চৰিটা পদক দিবলৈ সক্ষম হৈছে। উল্লেখ্য যে পুৰুষৰ দলীয় শাখাত সোণ লাভ কৰা শৰথে আজি পুৰুষৰ একক শাখাৰো সোণ অৰ্জন কৰে। আনহাতে, ইয়াৰপূৰ্বে মিক্সড ডাবলছ শাখাতো সোণ লাভ কৰিছিল শৰথে। আনহাতে, পুৰুষৰ ডাবলছ শাখাতো ৰূপৰ পদক জয় কৰে অভিজ্ঞ পেডলাৰগৰাকীয়ে। উল্লেখ্য যে আজি হোৱা পুৰুষৰ একক শাখাৰ ফাইনেলত শৰথে ইংলণ্ডৰ প্ৰতিদ্বন্দ্বীক ১১-১৩, ১১-৭, ১১-২, ১১-৬, ১১-৭ ৰ ব্যৱধানত পৰাস্ত কৰে। ইয়াৰপূৰ্বে ছেমিফাইনেলত শৰথে ইংলণ্ডৰে পেডলাৰক ১১-৮, ১১-৮, ৮-১১, ১১-৭, ৯-১১, ১১-৮ ৰ ব্যৱধানত হৰুৱাইছিল। ইফালে, যোৱানিশা হোৱা মিক্সড ডাবলচ শাখাৰ ফাইনেলত শৰথ আৰু সংগী শ্ৰীজা আকুলাই ১১-৪, ৯-১১, ১১-৫, ১১-৬ ৰ ব্যৱধানত মালয়েছিয়াৰ যুটিক পৰাস্ত কৰি সোণ লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰপূৰ্বে ছেমিফাইনেলত শৰথে সংগী

শ্ৰীজা আকুলাৰ লগত যুটি বান্ধি খেলি পৰাস্ত কৰিছিল অষ্ট্ৰেলিয়াক। এই মেচৰ ব্যৱধানো ৩-২ঙ্গ কিন্তু পুৰুষৰ ডাবলচৰ ফাইনেলৰ ফাইনেল খেলিও ইংলণ্ডৰ হাতত পৰাস্ত হৈ ৰূপৰ পদকতে সন্তুষ্ট থাকিব লগা হয়। উল্লেখ্য যে শৰথ আৰু ছাথিয়ান যুটি ১১-৮, ৮-১১, ৩-১১, ১১-৭, ৪--১১ ৰ ব্যৱধানত পৰাস্ত হয়। উল্লেখ্য যে পুৰুষৰ ডাবলচ শাখাৰ ছেমিফাইনেলত শৰথে সংগী ছাথিয়ানৰ লগত যুটি বান্ধি খেলি পৰাস্ত কৰিছিল অষ্ট্ৰেলিয়াক। ব্যৱধান ৩-২ঙ্গ ইয়াৰপূৰ্বে ভাৰতৰ পুৰুষ টেবুল টেনিছ দলে ফাইনেলত ছিংগাপুৰক ৩-১ ৰ ব্যৱধানত পৰাস্ত কৰি সোণ লাভ কৰিবলৈ সক্ষম হৈছিল। ইফালে, আজি হোৱা পুৰুষৰ একক শাখাৰ ব্ৰঞ্জ পদকৰ মেচত ভাৰতৰ ছাথিয়ানে ইংলণ্ডৰ পেডলাৰক ৪-৩ ৰ ব্যৱধানত হৰুৱাই দেশক পদক দিয়ে।

ফাইনেলত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে লজ্জাৰ পৰাজয়

পুৰুষ হকী দলৰ ৰূপ পদক অৰ্জন

বাৰ্মিংহাম, ৮ আগষ্ট ঃ এবছৰ পূৰ্বে টকিও' অলিম্পিকত ব্ৰঞ্জৰ পদক লাভ কৰা ভাৰতীয় পুৰুষ হকী দলে আজি বাৰ্মিংহাম কমনৱেলথ গেমছৰ অন্তিম দিনা ফাইনেলত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ৭-০ গ'লৰ ব্যৱধানত পৰাস্ত হৈ ৰূপৰ পদক জয় কৰিলে। উল্লেখ্য যে ছেমিফাইনেলত দক্ষিণ আফ্ৰিকাক ৩-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰি ভাৰতৰ পুৰুষ হকী দলে ফাইনেলত প্ৰৱেশ কৰি পদক জয় নিশ্চিত কৰিছিল যদিও আজি স্বৰ্ণ জয়ৰ খেলত আত্মসমৰ্পণ কৰে। ঘানাৰ বিৰুদ্ধে ১১-০ গ'লৰ ব্যৱধানত জয়লাভ কৰি অভিযান আৰম্ভ কৰা ভাৰতীয় পুৰুষ হকী দলে নিজৰ দ্বিতীয় মেচত ৩-০ গ'লৰ ব্যৱধানত আগবাঢ়ি থকাৰ পাছতো ইংলণ্ডৰ বিৰুদ্ধে ৪-৪ ত ড্ৰ খেলিবলৈ বাধ্য হৈছিল। কিন্তু তৃতীয় মেচত ভাৰতে ৮-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে কানাডাক। আনহাতে, নিজৰ চতুৰ্থ গ্ৰুপ মেচখনত ভাৰতৰ পুৰুষ হকী দলে ৪-১ গ'লৰ ব্যৱধানত ৱেলছ পৰাস্ত কৰি ছেমিফাইনেলত স্থান নিশ্চিত কৰিছিল। তথাপি ভাৰতৰ পুৰুষ-মহিলা হকী দলে কমনৱেলথ গেমছত পদক লাভ কৰাটো উল্লেখ্যনীয় সফলতা। উল্লেখ্য যে এদিন পূৰ্বে ব্ৰঞ্জ লাভ কৰি অনন্য সফলতা লাভ কৰিছিল ভাৰতৰ মহিলা হকী দলে। ব্ৰঞ্জ পদকৰ মেচত ভাৰতে পেনাল্টি শ্বুট আউটত ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে বিগত বৰ্ষৰ চেম্পিয়ন নিউজিলেণ্ডক।

বক্সিঙত ৰূপ জয় সাগৰৰ

বাৰ্মিংহাম, ৮ আগষ্ট ঃ ভাৰতৰ তিনিগৰাকী বক্সাৰে চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত সোণৰ পদক লাভ কৰাৰ পাছত যোৱানিশা হোৱা ফাইনেলত ইংলণ্ডৰ বক্সাৰ হাতত ৫-০ ৰ ব্যৱধানত পৰাস্ত হৈ ৰূপৰ পদকতে সন্তুষ্ট থাকিল সাগৰ। উল্লেখ্য যে পুৰুষৰ ৯২ কিলোগ্ৰাম উৰ্দ্ধৰ শাখাত খেলা ভাৰতীয় হেভীৱেইট বক্সাৰ সাগৰে ছেমিফাইনেলত নাইজেৰিয়াৰ বক্সাৰক ৫-০ ৰ ব্যৱধানত হৰুৱাই সোণৰ যুঁজলৈ অগ্ৰসৰ হৈছিল। ইয়াৰপূৰ্বে বিশ্ব বক্সিঙৰ চেম্পিয়ন ভাৰতৰ নীখাত জাৰিণ আৰু অমিত পাংগলৰ লগতে নিতু ৱেও ফাইনেলত জয়লাভ কৰি সোণৰ পদক লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য বক্সিঙত ভাৰতৰ সাতটা পদক জয় কৰাটো নিশ্চিত হৈ গৈছিল। কিন্তু চাৰি বক্সাৰে ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে তিনি বক্সাৰে ছেমিফাইনেলত পৰাস্ত হৈ ব্ৰঞ্জ লাভ কৰে। জেছমিন, মহম্মদ হুছামুদ্দিন আৰু ৰোহিত ত'কাছে ব্ৰঞ্জ লাভ কৰিবলৈ সক্ষম হয়।

অভিষেকতে ৰূপ পালে মহিলা ক্ৰিকেট দলে

বাৰ্মিংহাম, ৮ আগষ্ট ঃ প্ৰথমবাৰৰ বাবে কমনৱেলথ গেমছ খেলা ভাৰতৰ মহিলা ক্ৰিকেট দলে ৰূপৰ পদক লাভ কৰি প্ৰত্যাশিত সফলতা অৰ্জন কৰিছে। অৱশ্যে ভাৰতে সোণ জয় কৰাৰ কাষলৈ গৈয়ো চাপৰ সন্মুখীন হৈ বিশ্ব চেম্পিয়ন অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ন ৰাণত পৰাজয় স্বীকাৰ কৰিব লগা হয়। যোৱানিশাৰ ফাইনেলত পোনতে বেটিং কৰা অষ্ট্ৰেলিয়াই ২০ অভাৰত আঠ উইকেট হেৰুৱাই ১৬১ ৰাণ কৰে। ম'নীয়ে সৰ্বাধিক ৬১ ৰাণ কৰে। প্ৰত্যুত্তৰত, ভাৰতে দুই উইকেটত ১১৮ ৰাণ কৰি শক্তিশালী স্থিতিত থকাৰ পাছতো তিনিটা বল বাকী থাকোতেই ১৫২ ৰাণত ইনিংছ সামৰে। হৰমনপ্ৰীত কৌড়ে ৬৫ আৰু জেমিমাহে ৩৩ ৰাণ কৰি ভাৰতক দৃঢ় স্থিতিত ৰাখিছিল যদিও উভয়ে দুটা বলত আউট হোৱাত ভাৰতৰ বিপৰ্যয় নামি আহে। উল্লেখ্য যে গেমছৰ প্ৰথম মেচতো ভাৰতৰ মহিলা ক্ৰিকেট দল তিনি উইকেটত পৰাস্ত হৈছিল অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে। বিপৰীতে অন্য সকলো মেচতে জয়লাভ কৰিছে। ছেমিফাইনেলত ভাৰতে চাৰি ৰাণত ৰোমাঞ্চকৰ জয় সাব্যস্ত কৰে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে। উল্লেখ্য যে প্ৰথম মেচত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে পৰাস্ত হৈ অভিযান আৰম্ভ কৰা ভাৰতৰ মহিলা ক্ৰিকেট দলে শক্তিশালী প্ৰত্যাৱৰ্তন কৰি নিজৰ দ্বিতীয়খন মেচত পাকিস্তানক আঠ উইকেটত পৰাস্ত কৰি আত্মবিশ্বাস বৃদ্ধি কৰিছিল। তৃতীয় মেচত ভাৰতে ১০০ ৰাণৰ ব্যৱধানত পৰাস্ত কৰে বাৰ্বাডোজক।

স্ক'ৱাছত সৌৰভ-দিপীকাৰ ব্ৰঞ্জ

বাৰ্মিংহাম, ৮ আগষ্ট ঃ ভাৰতৰ সৌৰভ ঘোষালে ইতিহাস গঢ়ি চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছৰ স্ক'ৱাছত পুৰুষৰ একক শাখাত ব্ৰঞ্জৰ পদক লাভ কৰাৰ পাছত যোৱানিশা সৌৰভে দেশক আৰু এটা ব্ৰঞ্জ পদক দিয়ে। উল্লেখ্য যে মিক্সড ডাবলছ শাখাৰ মেচত সৌৰভ আৰু দিপীকা পাল্লিকাল যুটিয়ে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ১১-৮, ১১-৪ ৰ ব্যৱধানত জয়লাভ কৰি ব্ৰঞ্জৰ পদক লাভ কৰে। চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত স্ক'ৱাছত এয়া ভাৰতৰ দ্বিতীয়টো পদক। ইয়াৰপূৰ্বে একক শাখাৰ ব্ৰঞ্জ পদকৰ মেচত সৌৰভে ১১-৬, ১১-১, ১১-৪ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰিছিল প্ৰাক্তন বিশ্ব ৰেংকিঙৰ শীৰ্ষস্থানৰ খেলুৱৈ ইংলণ্ডৰ জেমছ উইলষ্ট্ৰ'পক। উল্লেখ্য যে সেয়া কমনৱেলথ গেমছত স্ক'ৱাছত ভাৰতৰ প্ৰথমটো ব্যক্তিগত পদক। উল্লেখ্য যে ভাৰতৰ জ্যোৎস্না চিন্নাপ্পা চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছৰ স্ক'ৱাছৰ মহিলাৰ একক শাখাৰ পদক প্ৰত্যাশি আছিল যদিও কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত হৈ পদক জয়ৰ দৌৰৰ পৰা আঁতৰি আহিছিল।

শুৱালকুছি লীগ

অগ্ৰদূতবাৰ্তা, শুৱালকুছি, ৮ আগষ্ট ঃ শুৱালকুছি ক্ৰীড়া সম্বাৰ উদ্যোগত আৰম্ভ হোৱা আন্তঃক্লাৱ লীগ ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত শুৱালকুছি নাক্টাদল এফ চি য়ে জয়লাভ কৰে। শুৱালকুছি মাধৱদেৱ ক্ষেত্ৰত অনুষ্ঠিত খেলখনত দলে পূৰ্বাঞ্চল স্প'ৰ্চছ ক্লাবক ৫-০ গ'লৰ ব্যৱধানত হৰুৱায়।

ৰেষ্টইণ্ডিজৰ বিৰুদ্ধে শৃংখলা জয় ভাৰতৰ

ফ্ল'ৰিডা, ৮ আগষ্ট ঃ ভাৰতে ৰেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা পাঁচ খনীয়া টি-২০ শৃংখলাৰ অন্তিমখন মেচতো ৮৮ ৰাণত চমকপ্ৰদ বিজয় সাব্যস্ত কৰি ৪-১ ৰ ব্যৱধানত শৃংখলা জয় কৰিছে। ফ্ল'ৰিডাত হোৱা শৃংখলাৰ অন্তিমখন মেচত পোনতে বেটিং কৰা ভাৰতে ২০ অভাৰত সাত উইকেট হেৰুৱাই ১৮৮ ৰাণ কৰে। শ্ৰেয়াছ আয়াৰে ৬৪, দীপক হুদাই ৩৮ আৰু হাৰ্দিক পাণ্ডিয়াই ২৮ ৰাণ কৰে। প্ৰত্যুত্তৰত, ৰেষ্ট ইণ্ডিজে ১৫.৪ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১০০ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। হেটমীয়েৰে ৫৬ ৰাণ কৰাৰ বিপৰীতে ভাৰতৰ হৈ ৰবি বিষ্ণয়ে চাৰিটা তথা অক্ষৰ পেটেল আৰু কুলদ্বীপ যাদবে তিনিটাকৈ উইকেট পায়।

ছুইডেনগামী ভাৰতীয় জুনিয়ৰ টেবুল টেনিছ দলত স্থান লাভ কৰিছে অসমৰ ৰাষ্ট্ৰীয় চেম্পিয়ন প্ৰিয়ানুজ ভট্টাচাৰ্যই।

লীগৰ উভয় মেচ ড্ৰ ৰূপে সমাপ্ত

অগ্ৰদূত বাৰ্তা, মঙলদৈ, ৮ আগষ্ট ঃ মঙলদৈ ক্ৰীড়া সম্বাৰ উদ্যোগত চপাই নেহৰু ময়দানত চলি থকা ডাঃ ৰেৱতী মোহন বৰদলৈ সোঁৱৰণী আন্তঃক্লাৱ ছুপাৰ ডিভিজন লীগ ফুটবলৰ আজি মুদৈবড়ী জৌংলাউৰী ক্লাব আৰু চিৰ সেউজী সংঘৰ মাজৰ খেলখন গলশূন্যভাবে সমাপ্ত হয় আৰু দুয়োদলে পইণ্ট ভগাই লয়। ইপিনে, আজিৰে পৰা আৰম্ভ হৈছে জ্যোতিৰিন্দ্ৰ নাৰায়ণ দেৱ সোঁৱৰণী মঙলদৈ এ ডিভিজন ফুটবল লীগ। উদ্বোধনী মেচখন দলগাওঁ আঞ্চলিক ক্ৰীড়া সম্বা আৰু দেওমৰনৈ আঞ্চলিক ক্ৰীড়া সম্বাৰ মাজত গলশূন্যভাবে সমাপ্ত হয় আৰু পইণ্ট ভগাই লয়।

আজিৰে পৰা এন এন ভট্টাচাৰ্য ফুটবল

গুৱাহাটী, ৮ আগষ্ট ঃ কাইলৈৰেপৰা গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত আৰম্ভ হ'ব ত্ৰয়োদশ এন এন ভট্টাচাৰ্য নকআউট ফুটবল প্ৰতিযোগিতা । গুৱাহাটী ক্ৰীড়া সম্বাৰ দ্বাৰা আয়োজিত এই আমন্ত্ৰণমূলক প্ৰতিযোগিতাত মুঠ আঠটা দলে অংশ ল'ব । ষ্টেডিয়ামৰ গ্ৰাউণ্ড-২ত হ'ব লগা এই প্ৰতিযোগিতাত অংশ লোৱা দলকেইটা হ'ল- এএছইবি স্প'ৰ্টছ ক্লাব, কামৰূপা এফচি, মহাৰাণা এচি, এফচি গ্ৰীণভেলী, গুৱাহাটী টাউন ক্লাব, নৱজ্যোতি ক্লাব, অসম পুলিচ ব্লুজ আৰু ডাইনামো ক্লাব। কাইলৈ প্ৰতিযোগিতাৰ প্ৰথম খেলত কামৰূপা এফচিয়ে এএছইবিৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব। প্ৰতিযোগিতাৰ ফাইনেল ১৬ আগষ্টত অনুষ্ঠিত হ'ব।

গুৱাহাটীত হ'ব লগা খেলো ইণ্ডিয়া মহিলা জুডো প্ৰতিযোগিতাৰ বিষয়ে সংবাদমেলত অৱগত কৰিছে আয়োজকে।

কিংশুকৰ জয়লাভ

অগ্ৰদূত বাৰ্তা, মৰিয়নি, ৮ আগষ্ট ঃ বাপুজী ষ্টেডিয়ামত চলি থকা নগেন বৰা ফুটবল লীগত কিংশুক ফুটবল একাদশে আজিৰ খেলত জয়ী হৈ সম্পূৰ্ণ পইণ্ট অৰ্জন কৰে। কিংশুকে নাগাজাংকা চাহ বাগিচা ফুটবল দলক ৭-০ গ'লৰ বৃহৎ ব্যৱধানত পৰাজিত কৰে। অৱশ্যে আজি বৃহৎ ব্যৱধানত জয়ী হ'লেও কিংশুকে লীগৰ পৰা বিদায় লয়। খেলখন পৰিচালনা কৰে দিব্যজ্যোতি শইকীয়া, মৃগন্ত হাজৰিকা, প্ৰাঞ্জল পাওগাম আৰু মিকু পাওগামে।

ৰেডিয়েণ্ট স্প'ৰ্টছৰ জয়

অগ্ৰদূত বাৰ্তা, বেৰেজীয়া, ৮ আগষ্ট ঃ নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নৱ কুমাৰ ভূঞা সোঁৱৰণী তৃতীয় ডিভিজন আন্তঃক্লাৱ ফুটবল লীগ সম্প্ৰতি আকৰ্ষণীয় পৰ্যায়ত উপনীত হৈছে। এই লীগৰ আজিৰ খেলত ৰেডিয়েণ্ট স্পৰ্ট্ছক্লাবে কামপুৰ ষ্টুডেণ্ট এথলেটিক ক্লাবক ৫-০ গ'লত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে।

ৰাষ্ট্ৰীয় ফেন্সিঙত সফলতা

গুৱাহাটী, ৮ আগষ্ট ঃ মহাৰাষ্ট্ৰৰ নাছিকত চলি থকা ৰাষ্ট্ৰীয় ফেন্সিং প্ৰতিযোগিতাত অসমৰ ১২ বছৰ অনূৰ্ধ্বৰ ছোৱালীৰ দলে এপি শাখাত ৰূপৰ পদক লাভ কৰিছে। উল্লেখ্য যে পোন প্ৰথমবাৰৰ বাবে ১২ বছৰ অনূৰ্ধ্বৰ শাখাত অসম দলটোৱে এই পদক পাবলৈ সক্ষম হৈছে। খেলুৱৈ সকল হ'ল--- ৰাজস্মিতা চৌধুৰী, ৰাছিকা দত্ত, এলিনা সিংহ আৰু মধুস্মিতা পাল। অসম দলটোত অসম ফেন্সিং সম্বাৰ উপ-সভাপতি অনিৰ্বান বেনাৰ্জি, ৰেফাৰি মানিক বড়ো, প্ৰশিক্ষক চুমি দত্ত আৰু মেনেজাৰ প্ৰিয়া পাল গৈছে বুলিও অসম ফেন্সিং সম্বাৰ সাধাৰণ সম্পাদক বিপুল শৰ্মাই জনাইছে।

জনজাতীয় স্প'ৰ্টিং চেম্পিয়ন

বকো, ৮ আগষ্ট ঃ ছয়গাঁৱৰ জনজাতীয় স্পোৰ্টিং ক্লাব দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সম্বাৰ এ ডিভিজন আন্তঃ ক্লাব লীগ ফুটবল প্ৰতিযোগিতাৰ চেম্পিয়ন হৈছে । উল্লেখ্য যে বকো হাইস্কুল খেলপথাৰত অনুষ্ঠিত প্ৰতিযোগিতাৰ নিৰ্ণায়ক খেলখনত দলে নংবাগ ফুটবল ক্লাবক ২-১ গ'লত হৰুৱায় ।নংবাগ আৰু বকো ফুটবল ক্লাব সমসংখ্যক পইণ্টত দ্বিতীয় স্থানত থাকে যদিও গ'লৰ ব্যৱধানত আগবাঢ়ি বকো ৰানাৰ্ছআপ হয়। খেলখনৰ আৰম্ভনিতে দুয়োটি দলৰ খেলুৱৈ আৰু খেল পৰিচালকৰ সৈতে জিলা ক্ৰীড়া সম্বাৰ সভাপতি প্ৰাক্তন মন্ত্ৰী ডাঃকমলাকান্ত কলিতাৰ সৈতে পৰিচয় কৰাই দিয়া হয় । সামৰণিত জিলা সম্বাৰ কাৰ্যকৰী সভাপতি অমৰেন্দ্ৰ ঠাকুৰীয়া উপ-সভাপতি খগেন্দ্ৰজিৎ ঠাকুৰীয়া আৰু বকো ক্ৰীড়া সম্বাৰ সভাপতি জগত চন্দ্ৰ দাসে বঁটা সমূহ প্ৰদান কৰে। প্ৰতিযোগিতাত সৰ্বোচ্চ গ'লদাতাৰ বঁটা চক্ৰপাণিৰ ৰালচৰেনী এম চাংমাই।

আৰক্ষী থানা ফুটবল আৰম্ভ

অগ্ৰদূত বাৰ্তা,খুমটাই, ৮ আগষ্ট ঃ গোলাঘাট জিলা আৰক্ষীৰ উদ্যোগত নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত পোন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হৈছে আন্ত:জিলা আৰক্ষী থানা ফুটবল প্ৰতিযোগিতা। জিলাৰ আৰক্ষী অধীক্ষক সুমিত শৰ্মাই উদ্বোধন কৰা খেলখনত দেৰগাঁও আৰক্ষী থানাই ঘিলাধাৰী আৰক্ষী থানাক ৪-০ গলৰ ব্যৱধানত পৰাস্ত কৰে। উদ্বোধনী খেলত বোকাখাত মহকুমাৰ মহকুমাধিপতি নেহা যাদৱ, মহকুমা আৰক্ষী বিষয়া অনিতা হাজৰিকা , সদৌ অসম ৰাজ্যিক সাংবাদিক সংস্থাৰ সভাপতি জিতু ৰাজখোৱা,সমাজকৰ্মী মহাবীৰ প্ৰসাদ আগৰৱালা , নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মহেন শইকীয়া ,বোকাখাত আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিতোপন চুতীয়া , দেৰগাঁও আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ময়ূৰজিত গগৈ , কমাৰগাঁও আৰু ঘিলাধাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াকে আদি কৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

দৈনিক অগ্ৰদূত
Regn No. RNP/GH-085/2021-2023
গুৱাহাটী, ৯ আগষ্ট, ২০২২ মঙলবাৰ পৃষ্ঠা ১৬

এই মহাবিশ্বত মানুহ জানো অকলশৰীয়া? পৃথিৱীয়েই জানো একমাত্ৰ গ্ৰহ, য'ত প্ৰাণৰ অস্তিত্ব আছে? বহু যুগৰ আগৰ পৰাই এই দুটা প্ৰশ্নৰ উত্তৰ বিচাৰি আছে মহাকাশ বিজ্ঞানীসকলে। তাৰ বাবে কেৱল এই সৌৰজগতেই নহয়, বৰঞ্চ হাতীপটিৰ বাহিৰৰো বিভিন্ন স্থানত তীক্ষ্ণ দৃষ্টি ৰাখিলে তেওঁলোকে। এই অনুসন্ধান অব্যাহত ৰখাৰ মাজতেই অৱশেষত সম্প্ৰতি সন্ধান ওলাইছে এক 'মহাপৃথিৱী' বা 'এক্স'প্লেনেট'ৰ।

সন্ধান ওলাল পৃথিৱীৰ বিকল্পৰ!

মহাকাশত 'মহাপৃথিৱী' বিচাৰি উলিয়ালে বিজ্ঞানীয়ে

নিউজ ব্যুৰ'
নতুন দিল্লী, ৮ আগষ্ট ঃ এই মহাবিশ্বত মানুহ জানো অকলশৰীয়া? পৃথিৱীয়েই জানো একমাত্ৰ গ্ৰহ, য'ত প্ৰাণৰ অস্তিত্ব আছে? বহু যুগৰ আগৰ পৰাই এই দুটা প্ৰশ্নৰ উত্তৰ বিচাৰি আছে মহাকাশ বিজ্ঞানীসকলে। তাৰ বাবে কেৱল এই সৌৰজগতেই নহয়, বৰঞ্চ হাতীপটিৰ বাহিৰৰো বিভিন্ন স্থানত তীক্ষ্ণ দৃষ্টি ৰাখিলে তেওঁলোকে। এই অনুসন্ধান অব্যাহত ৰখাৰ মাজতেই অৱশেষত সম্প্ৰতি সন্ধান ওলাইছে এক 'মহাপৃথিৱী' বা 'এক্স'প্লেনেট'ৰ। পৃথিৱীৰ পৰা ৩৭ আলোকবৰ্ষ দূৰত অৱস্থিত 'ৰছ ৫০৮ বি' নামৰ এই গ্ৰহটোক কেন্দ্ৰ কৰি সম্প্ৰতি বিজ্ঞানীসকলৰ আগ্ৰহ তুংগত আছে। ধাৰণা কৰা হৈছে যে এই গ্ৰহটো পৃথিৱীৰ বিকল্পৰ দৰে হ'ব পাৰে, অৰ্থাৎ পৃথিৱীৰ দৰেই ইয়াত পানীৰ অস্তিত্ব থাকিব পাৰে। ফলত এই গ্ৰহ বসবাসৰ যোগ্য হোৱাৰো সম্ভাৱনা প্ৰবল।

প্ৰাপ্ত তথ্য অনুসৰি, এই গ্ৰহটোৱে প্ৰদক্ষিণ কৰি থকা নক্ষত্ৰটো হৈছে এটা 'ৰঙা বামন' বা 'ৰঙা বাওনা'। তাৰ স'তে 'ৰছ ৫০৮ বি' গ্ৰহৰ যি দূৰত্ব, তাৰ পৰাই ধাৰণা কৰিব পাৰি যে এই গ্ৰহত পানী থাকিবই পাৰে। অৱশ্যে সমস্যাটো হৈছে গ্ৰহটোৱে পাক খাই থকা অৱস্থাত প্ৰায়েই নিজৰ অৱস্থানৰ পৰা আঁতৰি যায়। তৎসত্ত্বেও যে ইয়াত প্ৰাণৰ অস্তিত্ব থাকিব পাৰে, সেই সম্ভাৱনা বিজ্ঞানীসকলে নস্যাৎ কৰিব পৰা নাই। আগন্তুক দিনত জেমছ ৱেব টেলিস্কোপৰ সাহায্যত এই গ্ৰহটোক অধিক পৰ্যবেক্ষণ কৰাৰ প্ৰয়োজন আছে বুলিয়ে ধাৰণা কৰা হৈছে।

বিজ্ঞানীসকলে জনোৱা মতে, এই গ্ৰহটোৰ এটা বছৰত ১০.৮ দিন। অৰ্থাৎ ১১ দিনৰো কম সময়ত ৰঙা বামন তৰাক প্ৰদক্ষিণ কৰে 'ৰছ ৫০৮ বি' গ্ৰহে। উল্লেখ্য যে ৰঙা বামন দশাৰ নক্ষত্ৰসমূহৰ ওপৰত দৃষ্টি ৰখাটো বৰ সহজ নহয়। সচৰাচৰ এই অৱস্থাত থকা তৰাবোৰৰ তাপমাত্ৰা চাৰি হেজাৰ ডিগ্ৰী চেলছিয়াছৰো তলত থাকে। দৃশ্যমান পোহৰৰ মাজত সিহঁতক পৰ্যবেক্ষণ কৰা বৰ কঠিন। তথাপি এই ধৰণৰ নক্ষত্ৰৰ চৌপাশে ঘূৰি থকা গ্ৰহবোৰৰ ভিতৰত বসবাসৰ যোগ্য গ্ৰহ বিচাৰি পোৱাৰ সম্ভাৱনা বেছি বুলিয়ে ধাৰণা কৰা হয়। এতিয়া এই নতুনকৈ আৱিষ্কাৰ হোৱা গ্ৰহণটোত সঁচাকৈয়ে প্ৰাণ আছে নে নাই, সেই সম্পৰ্কে জেমছ ৱেব টেলিস্কোপে কোনো তথ্য দিব পাৰে নে নোৱাৰে সেয়াহে লক্ষ্যণীয় হ'ব।

গোৰেশ্বৰত যৌতুক বিচাৰি মহিলাক অত্যাচাৰ

অগ্ৰদূত বাৰ্তা
গোৰেশ্বৰ, ৮ আগষ্ট ঃ তামুলপুৰ জিলাৰ গোৰেশ্বৰ থানাৰ অন্তৰ্গত মুকুন্দপুৰৰ এজন শিক্ষকে যৌতুক বিচাৰি এগৰাকী মহিলাক শাৰীৰিক-মানসিক অত্যাচাৰ চলোৱাৰ অভিযোগ উত্থাপিত হৈছে। তথ্য মতে, গোৰেশ্বৰ মুকুন্দপুৰৰ নিবাসী সঞ্জীৱ ডেকা নামৰ লোকজনে ২০২১ৰ সাত মাৰ্চত দৰং জিলাৰ আন্ধেৰীঘাটৰ দুই নম্বৰ বেনাৰৰ মনিন্দ্ৰ ডেকা আৰু চিত্ৰা ডেকাৰ একমাত্ৰ কন্যাক বিয়া কৰাইছিল। অভিযোগ মতে, বিয়াৰ পাছৰে পৰা যৌতুক বিচাৰি আৰম্ভ হ'ল শাৰীৰিক-মানসিক অত্যাচাৰ। এনেকৈয়ে স্বী, শাহু আৰু বৌৱেকৰ মানসিক নিৰ্যাতন চলি থাকিল। উপায়ান্তৰ হৈ বোৱাৰীগৰাকীয়ে যোৱা ৩০ জুলাইত গোৰেশ্বৰ থানাত এখন এজাহাৰ দাখিল কৰে। এজাহাৰৰ ভিত্তিত ৭৫/২২ নম্বৰৰ গোচৰ ভাৰতীয় দণ্ড বিধি আইনৰ ধাৰা নম্বৰ ৪৯৮ (এ) আৰু ৩৪ৰ ভিত্তিত ৰুজু কৰিছে গোৰেশ্বৰ আৰক্ষীয়ে। উল্লেখ্য যে সঞ্জীৱ ডেকা ১৫৭ নম্বৰ বৰফুনখাট প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক। শিক্ষকজনে পত্নীক যৌতুক বিচাৰি এনেদৰে চলাই অহা শাৰীৰিক-মানসিক অত্যাচাৰ সহিব নোৱাৰি ইয়াৰ পূৰ্বেও দুবাৰকৈ নিজ মাতৃৰ গৃহতে অৰ্থাৎ দুই নম্বৰ বৈনাৰাত আশ্ৰয় লৈছিল মহিলাগৰাকীয়ে। ইতিমধ্যে মহিলাগৰাকীয়ে সকলো সহ্য কৰি আহিছিল যদিও সন্তান জন্ম হোৱাৰ পাছত স্বামী, শাহু আৰু বৌৱেকৰ অকথ্য নিৰ্যাতন সহিব নোৱাৰি পুনৰ মাতৃগৃহত আশ্ৰয় ল'বলৈ লগতে উপায়ান্তৰ হৈ গোৰেশ্বৰ থানাত ন্যায় আৰু নিৰাপত্তা বিচাৰি গোচৰ ৰুজু কৰিবলৈ বাধ্য হৈছে। মহিলাগৰাকীয়ে নিজ স্বামী সঞ্জীৱ ডেকা আৰু পৰিয়ালৰ কে'বাজনৰ ওপৰত এজাহাৰ দাখিল কৰিছে। বৰ্তমান গোৰেশ্বৰ থানাই শেষ ভৰসা দুৰ্ভগীয়া মহিলাগৰাকীৰ লগতে দৰিদ্ৰ পৰিয়ালটোৰ। উল্লেখ্য যে আজি প্ৰায় আঠ বছৰ পূৰ্বে শিক্ষক ডেকাই ৰঙিয়াৰ এটি শিক্ষিত পৰিয়ালৰ ছোৱালী এগৰাকীক বিয়া কৰাইছিল যদিও তাইকো যৌতুক বিচাৰি শাৰীৰিক আৰু মানসিক অত্যাচাৰ চলোৱাত স্বামীক এৰি মাতৃগৃহত যাবলৈ বাধ্য কৰাইছিল। ইপিনে, অভিযুক্ত শিক্ষক ডেকাক বৰফুকনখাত প্ৰাথমিক বিদ্যালয়ত পাঠদানৰ পৰা বিৰত থাকিবলৈ পৰিচালনা সমিতি আৰু ৰাইজে সিদ্ধান্ত গ্ৰহণ কৰিছে। কিন্তু গোৰেশ্বৰ আৰক্ষীয়ে অভিযুক্তসকলক এতিয়ালৈ আটক নকৰাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজে শিক্ষক সঞ্জীৱ ডেকা আৰু অন্যান্য অভিযুক্তক অতি শীঘ্ৰে কৰায়ত্ত কৰি যথা বিহিত শাস্তি প্ৰদানৰ দাবী উত্থাপন কৰিছে।

ন্যায় বিচাৰি গোৰেশ্বৰ আৰক্ষী থানাত গোচৰ ৰুজু ঃ মুকলি আকাশৰ তলত অভিযুক্ত

বিহপুৰীয়া বীৰ লাচিত সমবায় সমিতিৰ ভূঁই ৰোৱা সামৰণি

অগ্ৰদূত বাৰ্তা
বিহপুৰীয়া, ৮ আগষ্ট ঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই বিহপুৰীয়াৰ বিধায়ক ড° অমিয় কুমাৰ ভূঞাৰ নেতৃত্বত সমষ্টিভিত্তিত গঠিত বীৰ লাচিত বহুমুখী সমবায় সমিতিয়ে আৰম্ভ কৰা শালি খেতিৰ আজি সামৰণি মাৰে। সমষ্টিটোৰ ৰঙতী, বৰবালি আৰু বদতিত প্ৰায় দুশ বিঘা মাটিত উন্নত জাতৰ শালি খেতি আৰম্ভ কৰা সমবায়খনে আজি বদতিৰ সোৱণশিৰি পাৰাৰ লাগাচু চাপৰিত ভূঁই ৰোৱা পৰ্বৰ সামৰণি মাৰে। সমবায়খনৰ বদতি জামুগুৰি পঞ্চায়ত শাখাৰ উদ্যোগত লাগাচু চাপৰিত বিধায়কৰ লগতে শতাধিক ৰোৱনীয়ে ভূঁই ৰোৱা কাৰ্যত অংশগ্ৰহণ কৰে। ঐতিহাসিক চাঙিনী সত্ৰৰ সত্ৰাধিকাৰ যোগেন্দ্ৰ লাগাচুৱে বস্তি প্ৰজ্বলনেৰে আৰম্ভ কৰে ভূঁই ৰোৱা কাৰ্য। বিহপুৰীয়া সমষ্টিৰ নিবনুৱা যুৱক-যুৱতীসকলক কৃষিৰ জৰিয়তে স্বাৱলম্বী কৰাৰ লক্ষ্যৰে আগন্তুক সময়ত পশুপালনৰ লগতে বিভিন্ন উৎপাদনমুখী কৰ্মৰ পৰিকল্পনাৰ কথা সদৰী কৰে সমবায়খনৰ সভাপতি ড° অমিয় কুমাৰ ভূঞাই। তেওঁ কৃষিমন্ত্ৰী অতুল বৰাৰ লগতে জলসিঞ্চনমন্ত্ৰী অশোক সিংঘালক সমবায়খনক সহায় কৰিবৰ বাবে জনোৱা আহ্বানত কোনো ধৰণৰ গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ উত্থাপন কৰে। আজি ভূঁই ৰোৱা কাৰ্যৰ সামৰণিত কৃষি বিষয়া অঞ্জন কুমাৰ লইং, সমবায়খনৰ সম্পাদক যদুমণি বৰা, যুটীয়া সম্পাদক পুণ্যভৰত লাগাচু, যুৱ নেতা খগেন হাজৰিকা, ৰূপক বৰা, পঞ্চায়তৰ সভাপতি ভৱেন হাজৰিকা, শাখা সমবায়ৰ সভাপতি দুৰ্গা হাজৰিকা, নীলমণি বৰুৱা, ৰাতুল হাজৰিকা উপস্থিত থাকে।

ধুবুৰীৰ স্বাধীনতা সংগ্ৰামী প্ৰয়াত বিপিন চক্ৰৱৰ্তীৰ পৰিয়ালক সম্বৰ্ধনা ৰেলৱে সুৰক্ষা বলৰ

অগ্ৰদূত বাৰ্তা
ধুবুৰী, ৮ আগষ্ট ঃ ১৯০৮ত জন্মগ্ৰহণ কৰা স্বাধীনতা সংগ্ৰামী বিপিন চক্ৰৱৰ্তীৰ ১৯৯৫ত মৃত্যু হয়। কলকাতাত জন্মগ্ৰহণ কৰা স্বাধীনতা সংগ্ৰামীজনে ১৯২১-২২ত জাতিৰ পিতা মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা স্বৰাজ প্ৰতিষ্ঠাৰ উদ্দেশ্যে খিলাফৎ আৰু অসহযোগ আন্দোলনত জঁপিয়াই পৰিছিল। তাৰ পাছত ১৯২৩ত দেশবন্ধু চিত্তৰঞ্জন দাসৰ স্বৰাজ দলৰ আহ্বানত ব্ৰিটিছ সাম্ৰাজ্যৰ বিৰুদ্ধে তাৰকেশ্বৰ সত্যাগ্ৰহ আন্দোলনত অংশ লৈ প্ৰথমে কাৰাগাৰলৈ গৈছিল। তাৰ পাছৰ পৰা ব্ৰিটিছ শাসনৰ বিৰুদ্ধে বিভিন্ন আন্দোলনৰ কাৰ্যসূচীত সক্ৰিয় অংশগ্ৰহণেৰে সংগ্ৰাম কৰি গৈছিল। ইপিনে, ১৯৫২ত বাংলা মজদুৰ নামৰ এখন হিন্দী কাকতৰ জৰিয়তে সাংবাদিকতা আৰম্ভ কৰি ধুবুৰীৰ পৰা প্ৰথমবাৰ 'চাবুক' নামৰ এখন বাংলা সাপ্তাহিক কাকত প্ৰকাশ কৰিছিল স্বাধীনতা সংগ্ৰামী চক্ৰৱৰ্তীয়ে। সেইজন স্বাধীনতা সংগ্ৰামী আজি নাই যদিও দেশ স্বাধীন হোৱাৰ ৭৫ বছৰ উপলক্ষে আজাদী কা অমৃত মহোৎসৱ উপলক্ষে সংগ্ৰামী পৰিয়ালটোৰ খবৰ ল'বলৈ উপস্থিত হয় ধুবুৰী ৰেলৱে সুৰক্ষা বলৰ এটা সঁজাতী দল। ধুবুৰী ৰেলৱে সুৰক্ষা বলৰ পৰিদৰ্শক সঞ্জীত সৰকাৰৰ নেতৃত্বত সঁজাতী দল এটাই ধুবুৰীৰ গাড়ীখনো ৰোডস্থিত স্বাধীনতা সংগ্ৰামীৰ বাসগৃহত উপস্থিত হয়। প্ৰয়াত চক্ৰৱৰ্তীৰ বৰবোৱাৰী নীলিমা চক্ৰৱৰ্তীক মানপত্ৰৰে বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। ৰেলৱে সুৰক্ষা বলৰ ফালৰ পৰা এই সন্মান লাভ কৰাৰ পাছত আনন্দিত হৈ পৰে সংগ্ৰামী পৰিয়ালটো।

ধেমাজিত তৃণমূল কংগ্ৰেছৰ অভিনৱ প্ৰতিবাদ

বলধ গৰু প্ৰতীকৰূপে উঠিল ৰাজপথত গো-আইনৰ বিৰুদ্ধে সৰৱ ৰিপুন বৰা

ধেমাজি, ৮ আগষ্ট ঃ ধেমাজিত গো-আইন-২০২১ৰ বিৰুদ্ধে সৰৱ হৈ পৰিল তৃণমূল কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ৰিপুন বৰা। ধেমাজিত গো-আইনৰ বিৰুদ্ধে উলিওৱা এক অভিনৱ প্ৰতিবাদত অংশ লৈ বৰাই কয়, 'গৰুক পশুধন হিচাপে মানি আহিছে কৃষক ৰাইজে। খেতি পথাৰত হাল বোৱাৰ লগতে বিপদে-আপদে পশুধন হিচাপে বিনিময় কৰি বিক্ৰী ব্যৱস্থাৰে প্ৰতিপালন কৰি আহিছে গাঁৱৰ কৃষক ৰাইজে। পৰম্পৰা আছে আৰু বিহুনামতো গোৱা হয়— 'হালৰে বেচিমে কজলা দমৰা, গোহালিৰ বেচিমে গাই...'। এতিয়া এই পৰম্পৰা বা বিনিময় নথকাৰ পাছত বহু সময়ত বিপাঙত পৰিছে কৃষক ৰাইজ। গো-প্ৰতিপালন ক্ষেত্ৰত মহাসংকটত পৰিছে কৃষক ৰাইজে।'

উল্লেখ্য যে গো-সুৰক্ষা আইনৰ বিৰুদ্ধে আজি ধেমাজিত বলধ গৰু লৈ ৰাজপথত প্ৰতিবাদত নামে ধেমাজি তৃণমূল কংগ্ৰেছে। তৃণমূল কংগ্ৰেছৰ কাৰ্যালয়ৰ পৰা জিলা উপায়ুক্ত কাৰ্যালয়লৈ এই অভিনৱ প্ৰতিবাদ সাব্যস্ত কৰে। উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত তৃণমূল কংগ্ৰেছে। 'গো-সুৰক্ষা আইন ২০২১ বাতিল কৰক', 'গৰুক লৈ ৰাজনীতি নচলিব', 'বিজেপি চৰকাৰ হুচিয়াৰ' আদি শ্লো'গানেৰে ধেমাজি ৰাজপথত তিনি শতাধিক ৰাইজে প্ৰতিবাদী সমদল উলিয়ায়। প্ৰতিবাদত অংশগ্ৰহণ কৰে তৃণমূল ৰাজ্যিক সভাপতি ৰিপুন বৰা, সাধাৰণ সম্পাদক চন্দ্ৰ মজুমদাৰ, কোষাধ্যক্ষ ঘনকান্ত চুতীয়া, জিলা সভাপতি বাবুল সোণোৱাল, জিলা মহিলা তৃণমূল কংগ্ৰেছৰ সভানেত্ৰী নিকুমণি শইকীয়া, জিলা তৃণমূল যুৱ কংগ্ৰেছৰ সভাপতি মাধুৰ্য্য শইকীয়াৰ লগতে বহু কৃষক ৰাইজে।

অইলমেস্কৰ গধুৰ যানবাহনে বিধ্বস্ত কৰিছে পথ ঃ আছাৰ প্ৰতিবাদ

চেলেংহাট, ৮ আগষ্ট ঃ যোৰহাট জিলাৰ চেলেংহাটত খাৰুৱা তেল সংগ্ৰহ কৰি থকা অইলমেস্ক এনাৰ্জি নামৰ কোম্পানীটোৰ গধুৰ যান বাহনসমূহে অঞ্চলটোৰ বাট-পথসমূহ বিধ্বস্ত হৈ পৰাত কোম্পানীটোৰ বিৰুদ্ধে আদিবাসী ছাত্ৰ সন্থাই আজি প্ৰতিবাদ স্যাবাস্ত কৰে। বিশেষকৈ ধোদৰআলি সংযোগী চেলেং চাহ বাগিচাৰ পথটো তৈল কোম্পানীটোৰ গধুৰ যানবাহনসমূহ নিতৌ চলাচল কৰাত পথটো সম্পূৰ্ণৰূপে বিধ্বস্ত হৈ পৰিছে। আজি আছাৰ চেলেং শাখাই পথটো পকীকৰণৰ দাবীত দুঘণ্টীয়া এক অৱস্থান ধৰ্মঘট কাৰ্যসূচী পালন কৰে। পাছত অইলমেস্ক কৰ্তপক্ষৰ হাতত শীঘ্ৰে বিধ্বস্ত পথটো নিৰ্মাণৰ দাবীত এক স্মাৰকপত্ৰ প্ৰদান কৰে।

ভোগদৈ নৈত এজন যুৱক সন্ধানহীন

অগ্ৰদূত বাৰ্তা
মৰিয়নি, ৮ আগষ্ট ঃ মৰিয়নিত আজি ভোগদৈ নৈত এজন যুৱক নিখোঁজ হয় । আজি দুপৰীয়া হোনোৱালৰ গংগাপুৰৰ সমীপত ভোগদৈ নৈত নামি পানীত খেলি থাকোতেই যুৱকজন দ পানীত ডুব যায় । এই সন্দৰ্ভত জানিব পৰা মতে, মৰিয়নিৰ হোনোৱাল চাহ বাগিচাৰ ১৪ নম্বৰ লাইনৰ প্ৰয়াত মঙলু কছাৰীৰ পুত্ৰ পাটাং কছাৰী ২২ য়ে লগত আন দুজন কিশোৰৰ স'তে ভোগদৈ নৈ গা ধুবলৈ গৈছিল । ইফালে, যোৱা নিশা নগা পাহাৰত হোৱা প্ৰবল বৰষুণৰ ফলত ভোগদৈ নৈ পানীৰে উপচি পৰিছিল । আটাইকেইজনে গা ধুই পানীত খেলি থকা অৱস্থাতে পাটাং নামৰ যুৱকজন দ' পানীত ডুব যায় । যুৱকজন পানীত ডুব যোৱা দেখি লগত থকা কিশোৰ দুজনে বচাবলৈ চেষ্টা কৰে যদিও পানীৰ সোঁতে যুৱকজনক উটুৱাই নিয়ে । দুয়ো কিশোৰে চিএৰ-বাখৰ কৰাত স্থানীয় ৰাইজ গোট খাই বিচাৰ-খোচাৰ কৰে যদিও কোনো সন্ধান নোলাল । পিছত ঘটনাৰ সন্দৰ্ভত আৰক্ষীৰ লগতে অগ্নি আৰু জৰুৰীকালীন সেৱাক খবৰ দিয়াত এছ ডি আৰ এফৰ এটা দলে ডুবাৰুৰ সহায়ত উদ্ধাৰ অভিযান আৰম্ভ কৰে । কিন্তু বাতৰি লিখা পৰলৈকে সন্ধানহীন যুৱকজনৰ কোনো শুংসূত্ৰ লাভ কৰিবলৈ সক্ষম হোৱা নাই । যুৱকজনৰ সলিল সমাধি ঘটাৰ লগতে পানীৰ সোঁতে উটুৱাই লৈ যোৱাৰ আশংকা ব্যক্ত কৰিছে উদ্ধাৰকাৰী দলৰ এক সূত্ৰই । উল্লেখ্য যে বিগত কেইটামান বছৰত ভোগদৈ নৈত সলিল সমাধি ঘটা কেবাটাও ঘটনা সংঘটিত হৈছে । আজিৰ ঘটনাটোৱে অঞ্চলটোত শোকৰ ছাঁ পেলাইছে ।

এছ ডি আৰ এফৰ অভিযান

PHYSIOTHERAPY CENTRE
H.No-51, Basisthapur Bye lane 4, Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

নিশাৰ ধুমুহাই তচনচ কৰিলে দলগাঁও

আঘাতপ্ৰাপ্ত যদিও কথমপি প্ৰাণৰক্ষা শিক্ষক জিল্লুল হক চৌধুৰীৰ

অগ্ৰদূত বাৰ্তা
দলগাঁও, ৮ আগষ্ট ঃ প্ৰচণ্ড গৰমৰ মাজতে যোৱা নিশা অতৰ্কিতে আহি যোৱা প্ৰচণ্ড ধুমুহাই তচনচ কৰি দিলে দৰঙৰ দলগাঁও সমষ্টি। দলগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত বিভিন্ন অঞ্চলত গছ-গছনি ভাঙি বাট-পথ বন্ধ কৰি দিয়াৰ লগতে বিভিন্নজনৰ গৃহত গছ পৰি হাঁহাকাৰৰ সৃষ্টি হৈছে। এই ধুমুহাই গদাইঝাৰ গাঁৱতো বিস্তৰ ক্ষতিসাধন কৰিছে। নিশা হোৱা প্ৰচণ্ড ধুমুহাই কৰবাত যদি গছ ভাঙি পথ বন্ধ, কৰবাত আকৌ বিদ্যুৎ বিছিন্ন, আন কৰবাত গছ ভাঙি বাসগৃহ ধ্বংস। যোৱা নিশা প্ৰায় ১২ বজাত হঠাৎ অহা এজাক প্ৰচণ্ড ধুমুহাই প্ৰকাণ্ড গছ ভাঙি পকী ঘৰত পৰাত আঘাতপ্ৰাপ্ত হৈছে যদিও কথমপি প্ৰাণৰক্ষা পৰে শিক্ষক জিল্লুল হক চৌধুৰীৰ লগতে তেওঁৰ পত্নীৰ। দুয়োগৰাকী বৰ্তমান চিকিৎসাধীন। শিক্ষক চৌধুৰীয়ে জানিবলৈ দিয়া মতে তেওঁৰ প্ৰায় ১৫ লক্ষাধিক টকাৰ ক্ষতিসাধন হৈছে। তথ্য মতে, বৃহৎ আকাৰৰ বাসগৃহটোৰ বিস্তৰ ক্ষতি হোৱাৰ সমান্তৰালভাৱে ভিতৰত থকা চকি, মেজ, আলমিৰা আদিকে কেন্দ্ৰ কৰি বৃহৎ ক্ষতি হয়। পৰিয়ালৰ তৎপৰতাত কথমপি প্ৰাণ ৰক্ষা পৰিছে শিক্ষকজনৰ। কিছু সচেতন লোকে পথত পৰি থকা গছ কাটি পথ মুকলি কৰিছে যদিও বিদ্যুৎ বিছিন্ন হৈ পৰে। বিদ্যুৎ বিভাগলৈ ৰাইজৰ আহ্বান শীঘ্ৰেই বিছিন্ন বিদ্যুৎ ঠিক কৰিবলৈ আৰু অসম চৰকাৰক ক্ষতি পূৰণৰ আহ্বান সচেতন মহলৰ ।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com